দৈনন্দিন বাৰ্তা ত্ৰয়োদশ বছৰ ■ সংখ্যা ৫৬ ■ গুৱাহাটী ■ শনিবাৰ, ১ অক্টোবৰ, ২০২২, ১৪ আহিন, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

সত্যমেব জয়তে

অসম চৰকাৰ

# অসম আৰক্ষী দিৱস

## ১ অক্টোবৰ, ২০২২



## শুভেচ্ছাবাণী

‘অসম আৰক্ষী দিৱস’ৰ এই পবিত্ৰ দিনটোত ৰাজ্যখনৰ প্ৰতিগৰাকী আৰক্ষী বিষয়া, কৰ্মচাৰী তথা জোৱানলৈ মই আন্তৰিক শুভকামনা যাচিছোঁ। অসম আৰক্ষীৰ গৌৰৱোজ্জ্বল ইতিহাসৰ এই বিশেষ দিনটোৰ সোঁৱৰণত প্ৰতিবছৰে পহিলা অক্টোবৰৰ দিনটো আমি ‘অসম আৰক্ষী দিৱস’ৰূপে পালন কৰি আহিছোঁ।

অসম আৰক্ষী হৈছে অসমৰ সমাজ-জীৱনৰ এক অপৰিহাৰ্য অংগ। সততা, নিয়মানুৱৰ্তিতা, দায়িত্ববোধ আৰু নিৰ্ভীকতা অসম আৰক্ষীৰ মূল চালিকাশক্তি। ‘জনহিতজনসেৱাৰ্থে’ মূলমন্ত্ৰৰে অসম আৰক্ষীয়ে জনতাৰ বন্ধু হিচাপে ৰাজ্যত শান্তি-শৃংখলা বজাই ৰখাৰ লগতে অপৰাধজনিত কাৰ্যকলাপ ৰোধ কৰা আৰু কোনোধৰণৰ ভেদ ভাব নাৰাখি প্ৰতিমুহূৰ্ততে জনসাধাৰণক সুৰক্ষা প্ৰদান কৰিবলৈ নিষ্ঠাৰে সেৱা আগবঢ়াই আহিছে। বিগত সময়ছোৱাত প্ৰতিকূল পৰিস্থিতিত কৰ্তব্য সম্পাদন কৰিবলৈ গৈ অসম আৰক্ষীৰ  জোৱানসকলে সময়ে সময়ে অপৰিসীম কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি আহিছে। বহু বীৰ জোৱানে ৰাজ্যবাসীৰ স্বাৰ্থ সুৰক্ষাৰ স্বাৰ্থত নিজৰ প্ৰাণ পৰ্যন্ত উছৰ্গা কৰিবলগীয়া হৈছে। আজিৰ এই পবিত্ৰ দিনটোত আৰক্ষীৰ বীৰ ছহিদসকলৰ প্ৰতি মই গভীৰ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছোঁ আৰু তেওঁলোকৰ এই ত্যাগক আন্তৰিকতাৰে স্মৰণ কৰিছোঁ।

সাম্প্ৰতিক সময়ত অসম আৰক্ষীৰ কাম-কাজলৈ বহুখিনি নতুনত্ব আহিছে। বাহিনীটোৰ সংস্কাৰ সাধনৰ লগতে সময়োপযোগী ৰণনীতি তথা কৰ্মপন্থা যুগুত কৰাৰ মানসেৰে আমি নিয়মীয়াকৈ আৰক্ষী অধীক্ষক সন্মিলন অনুষ্ঠিত কৰিছোঁ। ইয়াৰ তাৎক্ষণিক সুফলো ৰাইজে প্ৰত্যক্ষ কৰিছে। সমাজৰ বৰবিহস্বৰূপ ড্ৰাগছ আৰু নিচাযুক্ত দ্ৰব্যৰ সৰবৰাহ, শিশু আৰু নাৰী সৰবৰাহকে ধৰি তেওঁলোকৰ বিৰুদ্ধে সংঘটিত আন অপৰাধ, বনজ সম্পদ, গো-ধন আদিৰ চোৰাং সৰবৰাহৰ দৰে গুৰুতৰ অপৰাধৰ বিৰুদ্ধে বৰ্তমানৰ চৰকাৰখনৰ শূন্য সহনশীল নীতিক প্ৰতিফলিত কৰি এইসমূহৰ বিৰুদ্ধে সম্প্ৰতি অসম আৰক্ষীয়ে ঘোষণা কৰা বিৰামহীন যুদ্ধই ৰাজ্যবাসীক আশ্বস্ত কৰিছে। এনে সবল কৰ্মোদ্যমৰ বাবে মই অসম আৰক্ষীক অভিনন্দন জনাইছোঁ আৰু ভৱিষ্যতেও এই গৌৰৱময় কৰ্মদক্ষতাৰ ধাৰা অব্যাহত থাকিব বুলি আশা কৰিছোঁ।

পৰিবৰ্তিত সময়ৰ সৈতে খোজ মিলাই অসম আৰক্ষীক অধিক জনমুখী, দক্ষ, বিচক্ষণ আৰু গতিশীল কৰি গঢ়ি তোলাৰ বাবে আমাৰ প্ৰয়াস অব্যাহত থাকিব। ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি পৰিষদে অনুষ্ঠিত কৰা সম্পূৰ্ণ স্বচ্ছ আৰু নিকা নিযুক্তি প্ৰক্ৰিয়াৰে আমি মুঠ ১৪,২৬৭ গৰাকী নিবনুৱা যুৱক-যুৱতীক আৰক্ষীৰ বিভিন্ন পদত নিযুক্তি দিছোঁ। আৰক্ষীৰ মানৱ সম্পদৰ বিকাশ, ৰাজ্যখনৰ বিভিন্ন  আৰক্ষী থানাসমূহৰ আন্তঃগাঁথনিৰ আমূল পৰিবৰ্তন সাধন, লগতে অত্যাধুনিক প্ৰযুক্তিৰে নিপুণ এক ‘স্মাৰ্ট’ আৰক্ষী বাহিনী গঢ় দিয়াৰ কামত আমি বহুখিনি সফলতা বুটলিবলৈ সক্ষম হৈছোঁ। ৰাইজৰ সহযোগত ভৱিষ্যৎ দিনবোৰত  আমাৰ আৰক্ষী ব্যৱস্থালৈ অধিক গতিশীলতা আহিব বুলি মোৰ দৃঢ় বিশ্বাস।

‘অসম আৰক্ষী দিৱস’ৰ এই পবিত্ৰ ক্ষণত ৰাজ্যখনৰ প্ৰতিগৰাকী আৰক্ষী বিষয়া, কৰ্মচাৰী তথা জোৱান আৰু তেওঁলোকৰ পৰিয়ালবৰ্গলৈ পুনৰবাৰ মোৰ আন্তৰিক শুভেচ্ছা আৰু অভিনন্দন জ্ঞাপন কৰিলোঁ।



(ড° হিমন্ত বিশ্ব শৰ্মা)
মুখ্যমন্ত্ৰী, অসম



ASSAM POLICE
জনহিতজনসেৱাৰ্থে

Janasanyog /D/13350/ 22

# পেঙেৰীত অসম-অৰুণাচল সংযোগী পথৰ বিধ্বস্ত ৰূপ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাৰ্ঘেৰিটা, ৩০ ছেপ্টেম্বৰ ঃ** তিনিচুকীয়া জিলাৰ অসম-অৰুণাচল সংযোগী পেঙেৰী-বৰডুমচা ঘাইপথৰ জৰাজীৰ্ণ অৱস্থাই অতিষ্ঠ কৰি তুলিছে পথটোৰেদি যাতায়াত কৰা সৰ্বসাধাৰণ ৰাইজক। নিশা উক্ত পথছোৱাইদি গাড়ীয়ে যাতায়াত কৰিলে আপোনাৰ এনে লাগিব পথটো ভুল কৰি কোনোবা পথাৰত সোমালোহি বুলি। পথৰ



মাজত সৃষ্টি হোৱা পানী জমা হৈ থকা বৃহত বৃহত গাঁত সমূহ দেখিলে নে পুখুৰি পথ আপুনি অনুমানেই কৰিব নোৱাৰিব। ১২৪ নং মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ অন্তৰ্গত উক্ত পেঙেৰী-বৰডুমচা পথছোৱাই দি যাতায়ত কৰাটো এতিয়া যমৰ যাতনা ভোগ কৰা সদৃশ হৈ পৰিছে। পথছোৱাইদি যদি কোনো ৰোগীয়া বা প্ৰসুতিক গাড়ীৰে চিকিৎসালয়লৈ নিব লগা হয় তেন্তে চিকিৎসালয় পাই গৈ মানে পথৰ মাজত সৃষ্টি হোৱা বৃহত বৃহত গাঁতসমূহৰ থেকেচনিত আধামৰা হ'ব লগা হয়।স্থানীয় বিভিন্ন জাতীয়, জনগোষ্ঠীয় দল সংগঠনে বিধস্তপ্ৰায় পথছোৱা পুনৰ নিৰ্মাণৰ দাৱীত পথ অৱৰোধৰকে ধৰি একাধিক গণতান্ত্ৰিক প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰি আহিছে যদিও বিভাগীয় কৰ্তৃপক্ষ নাইবা অসম চৰকাৰে আজিলৈকে কোনো ধৰণৰ গুৰুত্ব প্ৰদান নকৰা অভিযোগ দল সংগঠনৰ নেতৃত্বৰ। ফলত উক্ত পথছোৱাৰেদি যাতায়ত কৰা বাহনসমূহ বিভিন্ন সময়ত সৰু বৰ দুৰ্ঘটনাত পতিত হৈ আহিছে। আনকি বহু লোক দুৰ্ঘটনাত পতিত হৈ অকালতে মৃত্যু বৰণ কৰা ওপৰিও বহু লোক চিৰদিনৰ বাবে ঘুণীয়া হব লগীয়াও হৈছে। দুখন ৰাজ্যক সংযোগ কৰাৰ এটা আন্তঃৰাজ্যিক গুৰুত্ব থকা পথৰ অৱস্থাই যদি এনেকুৱা হয় তেন্তে বাকী গ্ৰাম্য অঞ্চলৰ বাট- পথসমূহৰ অৱস্থা কি হ'ব সহজেই অনুমেয়। অঞ্চলটো সচেতন ৰাইজৰ স্থানীয় বিধায়ক ভাস্কৰ শৰ্মাৰ লগতে অসম চৰকাৰলৈ কাতৰ অনুৰোধ যে - পেঙেৰী-বৰডুমচা বিধস্ত ঘাই পথছোৱা অনতি পলমে পুনৰ নিৰ্মাণ কৰি যাতায়তৰ উপযোগী কৰি তুলিবলৈ।

## ৰাইপাটত আজিৰে পৰা দুৰ্গা পূজা

**দৈনন্দিন বাৰ্তাৰ সেৱা, কমলপুৰ, ৩০ ছেপ্টেম্বৰ ঃ** সমগ্ৰ দেশৰ লগতে অসমতো কালি সন্ধিয়া দেৱীৰ বেলবোধনেৰে দুৰ্গা পূজা আৰম্ভ হ'ব। কামৰূপৰ কমলপুৰ সমষ্টিৰ অন্তৰ্গত ৰাইপাটতো পূজাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। ১ অক্টোবৰৰ পৰা ৫ অক্টোবৰলৈ অনুষ্ঠিত হবলগীয়া পূজাখনৰ পৰিচালনা সমিতিৰ সভাপতি ধৰণীধৰ পাঠক, কাৰ্যকৰী সভাপতি অশ্বিনী ডেকা, সম্পাদক ভূপেন দাস, সহঃ সম্পাদকদ্বয় ৰুদ্ৰেশ্বৰ কলিতা আৰু হীৰক জ্যোতি কলিতাই জনোৱা মতে পূজাৰ আটাইকেইদিনতে ওজাপালি, আয়তীৰ নাম প্ৰসংগ আৰু নিশা সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিছে। সমূহ ভক্তপ্ৰাণ ৰাইজৰ সহায় সহযোগিতা কামনা কৰিছে উদযাপন সমিতিয়ে। এইবেলি পূজাৰ প্ৰতিমা দান হেমন্ত ডেকাই কৰিছে বুলি সংবাদ মাধ্যমক জানিবলৈ দিয়ে। পূজাৰ লগত সংগতি ৰাখি ৯ অক্টোবৰত পূজাস্থলীত লক্ষ্মী পূজাৰ আয়োজন কৰিছে।

## হোটেল, ৰেস্তোৰাঁ পৰিদৰ্শন খাদ্য সুৰক্ষা বিভাগৰ
# মিঠাইত মাখি দেখি খং উঠিল দণ্ডাধীশৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপথাৰ, ৩০ ছেপ্টেম্বৰ ঃ** শাৰদীয় দুৰ্গোৎসৱলৈ মাত্ৰ কেইটামান দিন বাকী থকা প্ৰাক মুহূৰ্তত দেখা গ'ল গোলাঘাট জিলাৰ ধনশিৰি মহকুমাৰ খাদ্য আৰু অসামৰিক যোগান বিভাগৰ লগতে মহকুমা প্ৰশাসনৰ তৎপৰতা। ধনশিৰি মহকুমাৰ সীমান্ত দণ্ডাধীশ বিষয়া প্ৰাণজিল গগৈৰ নেতৃত্বত মহকুমাটোৰ বৰপথাৰ নগৰত আজি হোটেল, ৰেষ্টুৰেণ্টৰ লগতে খাদ্য বিপনী সমূহত আকস্মিক অভিযান চলোৱা দেখা গ'ল। অভিযান কালত খাদ্য বিপণীসমূহৰ লগতে হোটেল, ৰেষ্টুৰা সমূহত প্ৰস্তুত কৰা খাদ্য সামগ্ৰী আৰু মিঠাই সমূহ গ্ৰাহকৰ বাবে উপযোগীকৈ প্ৰস্তুত কৰা হৈছে নে নাই লগতে খাদ্য প্ৰস্তুতকৰণৰ ক্ষেত্ৰত সকলোবিলাক নীতি নিৰ্দেশিনা মানি চলিছে নে নাই তাক নিৰীক্ষণ কৰে। খাদ্য সামগ্ৰী নিৰীক্ষণৰ সময়ত বৰপথাৰ নগৰৰ এখন হোটেলত প্ৰস্তুত কৰা মিঠাইত মাখি দেখি দণ্ডাধীশ প্ৰাণজিল গগৈয়ে তাৎক্ষণিক ভাবে সেইয়া পেলাই দিবলৈ নিৰ্দেশ দিয়ে হোটেল কৰ্তৃপক্ষক। লগতে হোটেল ব্যৱসায়ী আৰু খাদ্য বিপনী সমূহৰ স্বত্বাধিকাৰী সকলক হোটেল আৰু খাদ্য বিপণীসমূহ পৰিষ্কাৰ কৰি ৰাখিবলৈ নিৰ্দেশ দিয়ে। আৰু খাদ্যৰ উপযোগী সামগ্ৰীহে গ্ৰাহকক যোগান ধৰিবলৈ কয়। সীমান্ত দণ্ডাধীশৰ নেতৃত্বত চলা এই আকস্মিক অভিযানত খাদ্য আৰু অসামৰিক যোগান বিভাগৰ পৰিদৰ্শক, লিগেল মাইট্ৰ'লজীৰ পৰিদৰ্শকৰ উপৰিও বৰপথাৰ পৌৰসভাৰ কৰ্মচাৰীসকলে সহযোগ কৰে।

## ফকিৰগঞ্জত ভয়ংকৰ খহনীয়া
# খহনীয়াৰ প্ৰতিৰোধৰ কাম আৰম্ভ ৰাইজৰ



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ৩০ ছেপ্টেম্বৰ ঃ** মহাবাহু ব্ৰহ্মপুত্ৰৰ বিধ্বংসী গৰাখহনীয়াই যেন লগ এৰা নাই ফকিৰগঞ্জ অঞ্চলটোক। গৰাখহনীয়াই তচনচ কৰিছে বহু গাঁও, বহু অঞ্চল। খহনীয়াই ভয়ংকৰ ৰূপ লোৱাত অস্তিত্বৰ চৰম সংকটত পৰিছে ফকিৰগঞ্জ বজাৰ, আৰক্ষী থানা। প্ৰায় দুই সহস্ৰাধিক ৰাইজৰ জীৱনলৈ আহিছে অমানিশাৰ । উপায়ন্তৰ লোকে বজাৰখন ৰক্ষাৰ্থে স্বতঃস্ফূৰ্ত ভাবে উলায় আহে ব্ৰহ্মপুত্ৰৰ পাৰলৈ । জল সম্পদ বিভাগৰ পৰা একসহস্ৰাধিক জিঅ বেগলৈ ৰাইজে আৰম্ভ কৰে খহনীয়া প্ৰতিৰোধৰ কাম । আনহাতে ব্ৰহ্মপুত্ৰৰ পাৰত উপস্থিত ৰাইজে পালন কৰে সমূহীয়া দোৱা পাঠ । স্থানীয় বিধায়ক সাংসদৰ মুখ লৈ নেচাই ৰাইজে আৰম্ভ কৰে প্ৰতিৰোধৰ কাম ।

## ব্ৰহ্মপুত্ৰৰ পাৰত সমূহীয়া দোৱা পাঠ

# অসম গ্ৰামীণ বিকাশ বেংক নয়াবজাৰ শাখাই অতিষ্ঠ কৰি তুলিছে গ্ৰাহকক

**দৈনন্দিন বাৰ্তাৰ সেৱা, নয়াবজাৰ, ৩০ ছেপ্টেম্বৰ ঃ** উজনি মাজুলী ৰতনপুৰ মিৰি গাঁও পঞ্চায়তৰ অন্তৰ্গত নয়াবজাৰ শাখাস্থিত গ্ৰামীণ বিকাশ বেংকে অতিষ্ঠ কৰিছে গ্ৰাহকক। ঘণ্টা ঘণ্টা ধৰি চাৰ্ভাৰ ব্যাহত হৈ গ্ৰাহকৰ মাজত হাহাঁকাৰময় পৰিস্থিতিৰ পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে নয়াবজাৰ শাখাৰ গ্ৰামীণ বিকাশ বেংকৰ একাংশ কৰ্মচাৰীয়ে গ্ৰাহকৰ মাজত হেতালি খেলিছে। শুক্ৰবাৰে এনে অনুৰূপধৰণৰ পৰিস্থিতিয়ে দেখা গ'ল। প্ৰকট গৰমত ঘণ্টা ঘণ্টা ধৰি দীঘলীয়া শাৰীপাতি দহগৰাকীকৈ গ্ৰাহক শাৰীৰিকভাৱে দুৰ্বল হৈ বহি পৰে। প্ৰাপ্ত তথ্য অনুসৰি নয়াবজাৰ শাখা



কৰ্মচাৰীসকলে বছৰ বছৰ ধৰি গ্ৰাহকৰসৈতে হেতালি খেলিছে। তদুপৰি গ্ৰাহকৰ সৈতে বেয়া ব্যৱহাৰ কৰে বুলি একাংশ সচেতন ব্যক্তিয়ে জানিবলৈ দিয়ে। সেয়ে মাজুলীৰ বিধায়ক তথা উপায়ুক্ত মহোদয়ক উক্ত শাখাৰ পৰিস্থিতিৰ উচিত তদন্ত কৰি গ্ৰাহকৰসুবিধাৰ্থে দৃষ্টি নিক্ষেপ কৰিবলৈ দাবী জনাইছে।

## লোহাৰঘাটৰ বনাশ্ৰমত বিশ্ব শান্তিৰ বাবে অখণ্ড ভাগৱত পাঠ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বকো, ৩০ ছেপ্টেম্বৰ ঃ** সমাজত শান্তিৰ পৰিৱেশ সৃষ্টি কৰিবলৈ আৰু ধৰ্মীয় আৱেগ প্ৰতিষ্ঠা কৰি সুষ্ঠ সমাজ গঢ়িবলৈ কামৰূপ জিলাৰ পলাশবাৰী সমষ্টিৰ একেই ৰাজহ চক্ৰ অন্তৰ্গত লোহাৰঘাট অঞ্চলৰ গাওঁ এখনত স্থাপন কৰা হৈছিল শ্ৰীৰাম কলিয়াবিল বনাশ্ৰম নামৰ এখন আশ্ৰম। প্ৰাপ্ত তথ্য অনুসৰি ১৯৭২ ইংৰাজী চনতেই গাওঁৰ বহু কেইজন ধৰ্মীয় লোকৰ চেষ্টাত স্থাপন কৰা হৈছিল আশ্ৰম খন। এই আশ্ৰম খন পৰিচালনা সমিতিৰ উদ্যোগত বিগত বছৰবোৰৰ দৰে এই বৰ্ষও বিশ্ব শান্তিৰ বাবে ২৪ ঘন্টীয়া অখণ্ড পাঠৰ আয়োজন কৰা হৈছে। অঞ্চলটোৰ ধৰ্মপ্ৰাণ ৰাইজৰ সহযোগত মাংগলিক ৰীতি নীতিৰে পূজা-পাৰ্বণ কৰা হয় আৰু আই মাতৃৰ সকলোৰ দিহানাম পৰিৱেশন কৰা হয়। অখণ্ড ভাগৱত পাঠৰ বাণী আৰু হৰিধ্বনিত মুখৰিত কৰি আশ্ৰমখনৰ পৰিৱেশ মধুৰ কৰি তোলে।


**Name Change**

I Hazarat khan S/O Haran Khan,Vill -Chapra PO-Jahurpam, P/S and Dist- Barpeta, Assam.have changed my Name Hazarat khan to Hajarat khan by an Affidavit before the Notary Public Barpeta on 31-8-2022. I shall be as Hajarat Khan in all purposes from to day onwards.

**Name Change**

I Rahima W/O Megha Miya,Vill -Chapra PO-Jania, P/S and Dist-Barpeta, Assam.have changed my Name Rahima to Rahima Khatun by an Affidavit before the Notary Public Barpeta on 07-09-2022. I shall be as Rahima Khatun in all purposes from to day onwards.


## ৰাশিফলত আজিৰ দিনটো

**১৪ আহিন, শনিবাৰ, ১ অক্টোবৰ, ১৪২৯ ভাস্কৰাব্দ**

**সূৰ্যোদয়- ৫-১৯-৪১ সূৰ্যাস্ত- ৫-৮-৩৫**



■ **মেষ** ঃ দাম্পত্য সুখ ■ **বৃষ** ঃ চোৰৰ ভয় ■ **মিথুন** ঃ উৎসৱত অংশগ্ৰহণ ■ **কৰ্কট** ঃ ৰাজহুৱা কামত ব্যস্ত ■ **সিংহ** ঃ আমোদ-প্ৰমোদ ■ **কন্যা** ঃ স্বাস্থ্যৰ প্ৰতি যত্ন ল'ব ■ **তুলা** ঃ নতুন কাপোৰ পৰিধান ■ **বৃশ্চিক** ঃ পুৰণি বন্ধু আগমন ■ **ধনু** ঃ নতুন প্ৰেমত সঁহাৰি ■ **মকৰ** ঃ শুভ কাৰ্যানুষ্ঠান ■ **কুম্ভ** ঃ উত্তম ভোজন ■ **মীন** ঃ বিপৰীত লিংগৰ প্ৰতি সঁহাৰি


*No:TDB/15th-FC/78/2021-22/14* *Dated : Tamulpur, the 27th Sept/22*

TENDER NO-3 OF 2021-22

**INVITATION FOR BIDS (IFB)**

The BDO, Tamulpur Dev. Block, Tamulpur invites fresh bids from eligible contractors registered with Assam (ROADS) or contractors registered under class- II & class -I (A,B & C) Category of Assam PWD (Roads)/(building), BTC for the following (15th-FC fund for the year 2020-21 & 2021-22) works.

| SL NO | Name of work | Estimate Amount Rs. | EMD (in Rs) | Completion period |
|---|---|---|---|---|
| 1. | 1. Const. of Community Toilet at Tamulpur Degree Collage. | Rs. 11,00,000.00 | 1% For Reserved category and 2% for unreserved category. | 3 month |
| 2 | 1. Const. of Community Toilet at Tamulpur Daily Market. | Rs. 11,00,000.00 | 1% For Reserved category and 2% for unreserved category. | 3 month |
| 3 | 1. Const. of Community Toilet at Kachukata Chowk | Rs. 11,00,000.00 | 1% For Reserved category and 2% for unreserved category. | 3 month |
| 4 | 1. Const. of Community Toilet at Kachubari Chowk. | Rs. 11,00,000.00 | 1% For Reserved category and 2% for unreserved category. | 3 month |
| 5 | 1. Const. of Community Toilet at Motonga Chowk Namghar. | Rs. 11,00,000.00 | 1% For Reserved category and 2% for unreserved category. | 3 month |
| 6 | 1. Const. of Community Toilet at Dwarkuchi Chowk. | Rs. 11,00,000.00 | 1% For Reserved category and 2% for unreserved category. | 3 month |
| 7 | 1. Const. of Community Toilet at Barkhata Chowk. | Rs. 11,00,000.00 | 1% For Reserved category and 2% for unreserved category. | 3 month |

Detail particulars may be obtained from the undersigned in all working days. Tender paper must be obtained on written request from the office of the BDO Tamulpur Dev. Block, Tamulpur.

Tender paper must be filled up addressing to all point/terms specified with the tender form otherwise tender will be treated as cancelled.

The undersigned reserves the right to accept or reject or all of the tender without assigning any reason thereof.

Details IFB may be seen in all working days in the office of the undersigned. BIDs will be issued to the contructors of their authorized agents from 9.30 am to 4.00 PM from 27/09/2022 to 03/10/2022 in the office of the undersigned on payment in the form of demand draft duly pledged to the BDO- Tamulpur Dev. Block. The Bidder has to submit 2% in case of general and in case of ST/SC 1%. as BID security in the Block Development officer Tamulpur Dev. Block, Tamulpur at the time of submission of BID.

**N.B:-**

1. Date of receiving application/issuing of BID documents- 27/09/2022 to 03/10/2022 (Both Technical and Financial)
2. Date of opening Technical BIDs 30/09/2022 (at 4.00PM)
3. In case of office remains closed due to various reasons on scheduled dares as mentioned in the IFB. The same will be received/issued/open on the next working days.
4. Contructors/Bidders must submit Bank Solvency certificate from Nationalized Bank, Affidavit for KEY peron 2, Affidavit for Tools and Plants, anmd latest copy of registration PAN/VAT/GST Tax return/Valid Labour Licence/ Assam Professional Tax/ EPF registration/Last three Years IT return copy/ Work order etc.
5. The BDO, Tamulpur Dev. Block reserves the right of issuing of Bidding documents or outright rejection of the same without assigning any reason thereof.
6. The intending bidders or their authorized respresentative may remain present at the time of opening of BID.
7. Other details can be in the bidding agreement
8. This IFB will form a part of the contract agreement.
9. The successful bidder shall deliver performance security of 1% (one p.c) for ST/SC and 2% (Two p.c.) for General. The Contract price in the form of fixed deposit/Call Deposit/Bank Guarantee under nay Nationalized Bank duly pledged to the Block Development officer, Tamulpur Dev. Block, Tamulpur
10. Payment will be made subject to availability of fund.

Sd/- Block Dev. Officer
Tamulpur Dev. Block

*IPR(BTC)-344/2022*


## তামুলপুৰৰ ডিমিলাপাৰত ৬২সংখ্যক সাৰ্বজনীন দুৰ্গা পূজা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩০ ছেপ্টেম্বৰ ঃ** ডিমিলাপাৰত ৬২সংখ্যক দুৰ্গা পূজাৰ ১ অক্টোবৰৰ পুৱা ১০ বজাত ধৰ্মধবজা উত্তোলনেৰে কাৰ্যসূচী মুকলি কৰিব তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ বিভূতি ডেকা প্ৰমুখ্যে অঞ্চলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে। বিয়লি ৪ বজাত সাংস্কৃতিক শোভাযাত্ৰা আৰু জলভৰণ। ৬.৩০ মুখ্য দ্বাৰ উন্মোচন কৰিব বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে। ৭.৩০ত মন্দিৰৰ দ্বাৰ উন্মোচন ডাঃ পৰেশ চন্দ্ৰ শৰ্মাৰ দ্বাৰা। ২ অক্টোবৰৰ পুৱা সপ্তমী বিহিত পূজা। বাণিজ্য মেলাৰ দ্বাৰ মুকলি, অক্ষয় বন্তি প্ৰজ্বলন। প্ৰজ্বলন কৰিব মনোনীত এমচিএল এ হেমন্ত কুমাৰ ৰাভা আৰু সমাজকৰ্মী সোনেশ্বৰী প্ৰসাদে। সন্ধিয়া পুৰোহিতৰ দ্বাৰা আৰতি আৰু সন্ধিয়া ৭ বজাত শংখধ্বনি প্ৰতিযোগিতা। উদ্বোধন কৰিব চিকিৎক ডাঃ গৌতম মেধিয়ে। ৮ বজাত কেছেট ডান্স উদ্বোধন কৰিব এমচিএল এ বিজিৎ গৌৰা নাৰ্জাৰীয়ে। ৩ অক্টোবৰৰ পুৱা অষ্টমী বিহিত পূজা। সন্ধিয়া পুৰোহিতৰ দ্বাৰা আৰতিৰ পিছতে ৭ বজাত মন্দিৰত ১০৮ গছি বন্তি প্ৰজ্বলন মুকলি কৰিব ডাঃ ৰমেন কাকতিয়ে। ৭.৩০ বজাত উলুধ্বনি প্ৰতিযোগিতা উদ্বোধন কৰিব পাৰুল ভৰালী বড়োই ।নিশা ৯বজাত সাংস্কৃতিক সন্ধিয়াত অংশগ্ৰহণ কৰিব আশীষ চক্ৰৱৰ্তী আৰু দেৱাৰ্চনা কাশ্যপ। ৪ অক্টোবৰত মহানৱমী পূজা। সন্ধিয়া ৭ বজাত আৰতি প্ৰতিযোগিতা উদ্বোধন কৰিব শিক্ষক নগেন দাসে। ৮ বজাত সম্বৰ্ধনা আৰু ৯ বজাত সূৰ্যোদয় নাটঘৰৰ নিবেদন 'লালবস্তি'। উদ্বোধন কৰিব বিধায়ক জলেন দৈমাৰীয়ে। ৫ অক্টোবৰত দশমী বিহিত পূজা। বিয়লি ৪ বজাত ডিমিলা নদীৰ বাকৰিত প্ৰতিমাৰ সমাৰেশ আৰু আৰতি। ৫ বজাত প্ৰতিমা বিসৰ্জন।

# ১ অক্টোবৰত 'ছ'ল ছিষ্টাৰ্ছ'ৰ মহানগৰীত 'ডাণ্ডিয়া ৰাস'



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩০ ছেপ্টেম্বৰ ঃ** নৱৰাত্ৰি উৎসৱ উপলক্ষে 'ছ'ল চিষ্টাৰ্ছ' নামৰ সংগঠনটোৱে মহানগৰবাসীৰ বাবে গুজৰাটৰ পৰম্পৰাগত গুজৰাটী গৰ্বা আৰু বলীউডৰ সংগীতত ডাণ্ডিয়া নৃত্যৰ বিশেষ অনুষ্ঠান 'ডাণ্ডিয়া ৰাস' আয়োজন কৰিছে। মহানগৰীৰ পল্টন বজাৰত থকা 'আশী অপসৰা' বেঙ্কুৱেট প্ৰেক্ষাগৃহত অহা ১ অক্টোবৰৰ সন্ধিয়া পৰা এই ৰঙীন 'ডাণ্ডিয়া ৰাস' কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আয়োজক ভাৱানা মুন্ধ্ৰা আৰু কোমল ৰাথীয়ে এই সন্দৰ্ভত কয় যে দীঘলীয়া বিৰতিৰ অন্তত গুৱাহাটী মহানগৰবাসী বিশেষকৈ যুৱক-যুৱতীসকলে ডাণ্ডিয়া ডান্স ফ্ল'ৰত টিভি ধাৰাবাহিকৰ কলাকুশলীৰ সৈতে নৃত্য কৰিব পাৰিব। মুম্বাইৰ জনপ্ৰিয় টিভি ধাৰাবাহিক 'ৰাগলে কি দুনিয়া'ৰ জনপ্ৰিয় অভিনেতা দীপক পাৰীকৰ লগতে স্থানীয় অভিনেত্ৰী আৰু অসমৰ মডেল ছোনিয়া টকবিপি দুইগৰাকী চেলিব্ৰিটি গেষ্ট হিচাপে অনুষ্ঠানটোত উপস্থিত থাকিব। একে সময়তে, দৰ্শকৰ মনোৰঞ্জনৰ বাবে জ্যোতিৰূপ চৌধুৰী এংকৰ হিচাপে উপস্থিত থাকিব। আয়োজকসকলে কয় যে এই কাৰ্যসূচীৰ পৰা উপাৰ্জন হোৱা ধন বিভিন্ন মানৱ আৰু সামাজিক সেৱাৰ বাবে ব্যৱহাৰ কৰা হ'ব। ডাণ্ডীয়া ৰাসৰ এই বিশাল অনুষ্ঠানত উপস্থিত থকা লোকসকলক মনোৰঞ্জন দিবলৈ ডিজে গোবজে তেওঁৰ গানৰ সংগ্ৰহৰ সৈতে উপস্থিত থাকিব। একে সময়তে, কাৰ্যসূচীটোত অংশগ্ৰহণ কৰা লোকসকলক বাবেও বিশেষ উপহাৰ প্ৰদান কৰা হব। 'বুকমাই শ্ব'ৰ জৰিয়তে দাণ্ডিয়া প্ৰেমীসকলে টিকট ক্ৰয় কৰাৰ সুবিধা লাভ কৰিব। ডাণ্ডিয়া ৰাসৰ প্ৰস্তুতি সম্পূৰ্ণ হৈছে আৰু এই অনুষ্ঠানটোত ৰাইজৰ সহায় সহযোগিতা কামনা কৰিছে উদ্যোগতাই।

## মঙলদৈ জিলা গ্ৰন্থাগাৰত মহিলা সবলীকৰণৰ সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ৩০ ছেপ্টেম্বৰ ঃ** ৰাজা ৰামমোহন ৰায়ৰ ২৫০ বছৰীয়া জন্ম জয়ন্তীৰ লগত সংগতি ৰাখি মহিলা সবলীকৰণৰ ওপৰত এখন সভা জিলা গ্ৰন্থগাৰত অনুষ্ঠিত হয়। জিলা গ্ৰন্থগাৰিক শ্ৰী নৱজ্যোতি ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত সভাপতিত্ব ককে গ্ৰন্থগাৰৰ অৱসৰপ্ৰাপ্ত গ্ৰন্থগাৰিক সুৰেন্দ্ৰ চন্দ্ৰ নাথে। নিদিষ্ট বক্তাৰ ভাষনত জিলা উন্নয়ন বিষয়া শুভলক্ষ্মী ডেকা আৰু অতিৰিক্ত উপায়ুক্ত জোনটি ডেকাই মহিলা সজাগতা আৰু জাগৰণৰ ওপৰত দীঘলীয়া বক্তব্য প্ৰদান কৰে। মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ কমলা কান্ত বৰাই 'অন্ধবিশ্বাস আৰু কু- সংস্কাৰ'ৰ ওপৰত অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীৰ আগত সুন্দৰ ভাষণ আগবঢ়ায়। অনুষ্ঠানৰ শেষত পুথিভঁৰালৰ গ্ৰন্থাগাৰিকে শলাগৰ শৰাই আগবঢ়াই। শেষত ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীসকলে মঙলদৈ চহৰৰ মাজমজিয়াত এটি শোভাযাত্ৰাত অংশগ্ৰহণ কৰাৰ লগতে মহিলাসবলীকৰণৰ ওপৰত লিখা প্লেকাৰ্ড প্ৰদৰ্শন কৰে। অনুষ্ঠানটি ৰাজা ৰামমোহন ৰায় লাইব্ৰেৰী ফাউণ্ডেচনৰ আৰ্থিক সহযোগত আৰু পুথিভঁৰাল সেৱা সঞ্চালকালয়ৰ সৌজন্যত অনুষ্ঠিত হয়।

## ৰঙিয়াৰ অৱসৰপ্ৰাপ্ত শিক্ষক উমেশ চন্দ্ৰ মেধিৰ বিয়োগত শোকৰ ছাঁ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তুলসীবাৰী, ৩০ ছেপ্টেম্বৰ ঃ** ৰঙিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰ প্ৰাপ্ত শিক্ষক উমেশ চন্দ্ৰ মেধিৰ বিয়োগত গভীৰ শোকৰ ছাঁ পৰে। প্ৰয়াত মেধিৰ বিয়োগত গভীৰ শোক ব্যক্ত কৰে ৰণদিয়া শতদল সাহিত্য সভাই। সংগঠনটোৰ হৈ উপ-সভাপতি জয়ন্তজিৎ কলিতাই বাসগৃহত উপস্থিত হৈ প্ৰয়াত মেধিৰ বিদেহ আত্মাৰ সদ্গতি কামনা কৰাৰ লগতে শোক সন্তপ্ত পৰিয়াল বৰ্গক সমবেদনা জ্ঞাপন কৰে।

# শিৱসাগৰ নগৰৰ ৪নং ৱাৰ্ডৰ সৰবৰহী মহিলা পাৰবীন চুলতানা বড়াৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি শিৱসাগৰ, ৩০ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ নগৰৰ চাৰি নং ৱাৰ্ডৰ বাসিন্দা ৰাণা বড়াৰ পত্নী পাৰবীন চুলতানা বড়া (৪২)ৰ আজি দিনৰ ১.১৫ বজাত মৃত্যু হয়। সৰবৰহী মহিলা গৰাকীৰ মৃত্যুত সমগ্ৰ ৱাৰ্ডটোতেই এক শোকৰ ছাঁ পৰিছে। উল্লেখ্য যে - যোৱা ১৯ ছেপ্টেম্বৰৰ দিনৰ প্ৰায় ২.৩০ বজাত মহিলা গৰাকীয়ে নিজ গৃহতে উচ্চ ৰক্তচাপত আক্ৰান্ত হৈছিল। ততালিকে পৰিয়ালৰ লোকে তেওঁক নগৰৰ এখন নাৰ্চিং হোমত ভৰ্তি কৰাইছিল যদিও চিকিৎসকে প্ৰাথমিক চিকিৎসা প্ৰদান কৰিয়েই উন্নত চিকিৎসাৰ বাবে মহিলা গৰাকীক ডিব্ৰুগড়লৈ লৈ যোৱাৰ পৰামৰ্শ দিয়ে। চিকিৎসকৰ পৰামৰ্শ অনুযায়ী স্বামী ৰাণা বড়াই পলম নকৰি এখন এম্বুলেন্সৰ দ্বাৰা ডিব্ৰুগড়লৈ পত্নীক লৈ যায়। ডিব্ৰুগড়ৰ এখন ব্যক্তিগত নাৰ্চিং হোমত ভৰ্তি কৰোৱাৰ পিছত চিকিৎসকে সকলো ধৰণৰ চিকিৎসা প্ৰদান কৰিছিল যদিও বিগত এঘাৰ দিনে ক'মা অৱস্থাত থকাৰ পিছত আজি উক্ত নাৰ্চিং হোমখনতেই পাৰবীন চুলতানা বড়াই শেষ নিশ্বাস ত্যাগ কৰে। এই বাতৰি লিখা পৰলৈকে মহিলা গৰাকী মৃতদেহটো নাৰ্চিং হোমখনৰ পৰা ঘৰলৈ অনা হোৱা নাই। যাৰবাবে মহিলা গৰাকীৰ জানাজাৰ সময়ো পৰিয়ালৰ লোকে ঠিৰাং কৰিব পৰা নাই। সৰবৰহী মহিলা গৰাকীয়ে মৃত্যুৰ সময়ত স্বামী, এজন পুত্ৰ, দুগৰাকী কন্যা, বিবাহিতা ভগ্নীৰ সহিতে এটি বৃহৎ পৰিয়াল এৰি যায়।

## ৰঙাপৰাত দুৰ্গা পূজাৰ প্ৰস্তুতি তুংগত
# ৪২খন পূজা সমিতিৰ দুৰ্গা পূজা উদ্‌যাপনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ৩০ ছেপ্টেম্বৰ ঃ** শাৰদীয় উৎসৱৰ বতৰা লৈ হাতীৰ পিঠিত উঠি ধৰালৈ নামিল মহিষ মৰ্দিনী দেৱী দুৰ্গা। কোৰোনা মহামাৰীয়ে প্ৰায় দুটা বছৰ বিধ্বস্ত কৰি যোৱাৰ পিছত এইবাৰ ৰাইজে প্ৰথমবাৰৰ বাবে মুকলিকৈ শাৰদীয় দুৰ্গা পূজাৰ উদ্‌যাপনৰ বাবে প্ৰস্তুতি চলাইছে। চৌদিশে মাথোন ভীষণ ব্যস্ততা। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পূজা সমিতিসমূহৰ প্ৰস্তুতি তুংগত উঠিছে। ব্যতিক্ৰম নহয় শোণিতপুৰ জিলাৰ ৰে'লনগৰী ৰঙাপৰা। ভাৰতীয় উপমহাদেশৰ একাধিক ৰাষ্ট্ৰই দুৰ্গা পূজা পালন কৰে। ভাৰতৰ পশ্চিমবংগ, অসম,ত্ৰিপুৰা বিহাৰ ঝাৰখাণ্ড আৰু উৰিষ্যাত দুৰ্গাপূজা সৰ্বাধিক জাকত জিলিকা হয় আৰু ৫ দিন যোৱা বাৰ্ষিক বন্ধৰ দিন হিচাপেও ঘোষণা কৰা হয় । বাংলাদেশৰ সংখ্যালঘু হিন্দুসকলেও দুৰ্গা পূজা পালন কৰে ।পূজাৰ এই পৱিত্ৰ অনুষ্ঠানত ধূপ-ধূনা আৰু হোমৰ গোন্ধ, ডবা,কাহ, শংখ,ঘণ্টাৰ সন্মিলিত সময়ে মানুহৰ অন্তৰে অন্তৰে স্বৰ্গীয় পৱিত্ৰতা সানি দিয়েহি। হিংসা, দ্বেষ, কপটতা বিসৰ্জন দি ভক্তসকলে দেৱীৰ চৰণত মূৰ দোৱাই শক্তি, বিদ্যা বুদ্ধি, ঐশ্বৰ্যবিভূতি কামনা কৰে। মানুহেৰে উদুলি-মুদুলি পূজামণ্ডপ যেন বৈকুণ্ঠধামত পৰিণত হয়। ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ লগতে বিভিন্ন জাতি জনগোষ্ঠীৰ মিলন ভূমি ৰঙাপৰা সমষ্টি খনতো এই শাৰদীয় উৎসৱৰ বতৰাই অঞ্চলটোত এক উখল মাখল পৰিবেশৰ সৃষ্টি কৰিছে। ৰেল নগৰী, ভাৰতীয় সেনা, আৰু প্ৰায় কুৰিৰো অধিক সেউজীয়া চাহবাগিচাসমূহৰে পৰিবেষ্টিত হৈ থকা ৰঙাপৰা নগৰখন এই দুৰ্গাপূজাৰ সময়ত এক উৎসৱমুখৰ পৰিবেশে বিৰাজ কৰে। ইপিনে প্ৰশাসনৰ যাৱতীয় নিয়ম অনুসৰি পূজা সমিতি সমূহে নিজ নিজ পূজাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিবলৈ চেষ্টা অব্যাহত ৰাখিছে। এই বেলি ৰঙাপৰা থানা অধীনৰ পূজা অনুষ্ঠিত কৰিবলৈ লোৱা সমিতি সমূহ হল ৰে'লৱে লক কলনি, ভাৰতীয় সংঘ, হিন্দু গাওঁ, নিউ কলনী, ৰেলৱে বজাৰ দুৰ্গা পূজা সমিতি, জ্যোতি নগৰ, নেপালী পট্টি নীল বস্তি, আমাৰ দুৰ্গাপূজা বেজবৰুৱা সংঘ, ডিপোটা পূজা সমিতি, বিষ্ণুপুৰ পূজা সমিতি, সনাতন ধৰ্ম মণ্ডলী নামঘৰ পূজা সমিতি, ভাৰতীয় সংঘ মছলা পট্টি পূজা সমিতি, পশ্চিম ৰঙাপৰা দুৰ্গাপূজা সমিতি, শিৱ মন্দিৰ পূজা সমিতি, হৰিসভা



পূজা সমিতি, কান্তি ক্লাব পূজা সমিতি, নামনিগাঁও ৰে'ল আলি পূজা সমিতি, সমন্বয় পূজা সমিতি, নামনিগাঁও পূজা সমিতি, মিতালী সংঘ পূজা সমিতি, চিতলা মন্দিৰ পূজা সমিতি, ইন্দিৰা নগৰ টিলা পূজা সমিতি, শান্তি পাৰা পূজা সমিতি, নৱ পল্লী পূজা সমিতি, নৰেন্দ্ৰ পল্লী পূজা সমিতি, দেশবন্ধু পাৰা ভিক্টৰিয়া ক্লাব পূজা সমিতি, ৰবীন্দ্ৰ পল্লী পূজা সমিতি, ডফলাবিল পূজা সমিতি, দপদপী হৰি মন্দিৰ পূজা সমিতি, আমাৰীবাৰী চেন্টাৰ পূজা সমিতি, নতুন ঘটোৱা পূজা সমিতি, ফুলগুৰি চেন্টাৰ পূজা সমিতি, ফুলগুৰি নেপালীপাম মইনাজুলি পূজা সমিতি, ফুলগুৰি আমতল পূজা সমিতি, ফুলগুৰি তিনিআলি পূজা সমিতি, ঢুলাপাদুং চাহবাগিচা পূজা সমিতি, হাতীবাৰী চাহবাগিচা পূজা সমিতি, নাহৰনি চাহ বাগিচা পূজা সমিতি, কলনি চাহ বাগিচা পূজা সমিতি, তাৰাজুলি চাহবাগিচা পূজা সমিতি, বৰজুলি চাহবাগিচা পূজা সমিতি ইত্যাদি। উক্ত পূজা সমূহৰ ভিতৰত সনাতন ধৰ্ম মণ্ডলী নামঘৰ পূজা সমিতি, হৰিসভা পূজা সমিতি, ইউনিয়ন থিয়েটাৰ পূজা সমিতি, আৰু কেইখনমান চাহবাগিচাৰ পূজা সমিতি অঞ্চলটোৰ অতি পুৰনি আৰু ঐতিহাসিক ভাবে এই দুৰ্গাপূজা অনুষ্ঠিত কৰি আহিছে। ইয়াৰ উপৰিও এই বেলি ৰঙাপৰাৰ অন্যতম সামাজিক অনুষ্ঠান সমন্বয় সমিতিয়ে অনুষ্ঠিত কৰা দুৰ্গাপূজা ৰূপালী জয়ন্তী বৰ্ষত গৰকিছে। সেই উপলক্ষে সমিতিখনে কলিকতাৰ পৰা পোহৰ সজ্জা, বিভিন্ন আটক ধুনিয়া সুসজ্জিত মণ্ডপৰ কাম, আৰু পূজা সম্পৰ্কীয় এখন আলোচনী প্ৰকাশৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। জিলাখনতে ৰঙাপৰা নগৰৰ দুৰ্গাপূজা আটক ধুনিয়া আৰু সুসজ্জিত ৰূপ, আৰু পশ্চিম বংগৰ বিভিন্ন প্ৰান্তৰ পৰা ঢাকৰ শব্দৰে প্ৰান পাই উঠা পূজা সমিতি সমূহৰ এক সুনাম পুৰ্ব্বৰে পৰা আছে আৰু যাৰ বাবে আজিও পূজাৰ সময়ত জিলা আৰু অইন প্ৰান্তৰ পৰা ভক্তপ্ৰান ৰাইজে ৰঙাপৰাত পূজা চাবলৈ ভিৰ কৰা পৰিলক্ষিত হয়। পিছে বিগত দুটা বৰ্ষত কভিডৰ মহামাৰীয়ে এই উছাহত কিছু ম্লান পেলাইছিল যদিও এই বেলি ভক্তপ্ৰান ৰাইজৰ মাজত উৎসাহ উদ্দীপনা বাৰুকৈ দেখিবলৈ পোৱা গৈছে। আনহাতে ৰঙাপৰা নগৰৰ গাতে লাগি থকা চাহবাগিচা সমূহৰ প্ৰায় সংখ্যাক বাগিচাৰ শ্ৰমিক সকলক বছৰৰ বোনাছ দিয়াত শ্ৰমিক সকলৰ মুখত হাহি বিৰিঙিছে। মুঠতে পূজাৰ এই বতৰত অঞ্চলটোৰ ৰাইজে নিজৰ দুখ কষ্টক আওকাঁন কৰি উৎসৱটিক আদৰিবলৈ আগবাঢ়ি আহিছে। পূজাত বাগিচ সমূহত পৰ্দাৰ চিনেমা আৰু বাগিচাৰ পূজা মেলা উপভোগ কৰিবলৈ দুৰদুৰনিৰ পৰা ৰাইজে ভিৰ কৰা পৰিলক্ষিত হয় আৰু পুৰনি দিনৰ পৰা চলি অহা এই পম্পৰাত বৰ্তমান অব্যাহত আছে। তদুপৰি ৰঙাপৰাৰ দেৱী বিৰ্সজনৰ দৃশ্য সকলোৰে মনত এক উদ্দীপনাৰ সাচ বহুৱাই থৈ যায়। কিয়নো শাৰী শাৰী গাড়ীৰে দেৱীক হাজাৰ হাজাৰ দৰ্শকৰ মাজেৰে ধৰ্মীয় আৰতি আৰু নৈবেদ্য আগবঢ়াই ইয়াৰে ৰেলৱে লক কলনিৰ ৰাজহুৱা পুখুৰীত বিসৰ্জন দি আহিছে। উক্ত সময়ত লোকে লোকাৰন্য হৈ থকাৰ বাবে ৰঙাপৰা আৰক্ষী আৰু প্ৰশাসন অঞ্চলটোত সষ্টম হৈ থকাটো সকলোৰে বাবে এক চিৰ পৰিচিত দৃশ্য ।তাৰ উপৰিও ইয়াৰে বহু পূজা সমিতিয়ে ৰঙাপৰা কাষৰে বৈ যোৱা গাভৰু নৈত বিৰ্সজন দি আহিছে। প্ৰনিধান যোগ্য যে অঞ্চলটোৰ ভক্তপ্ৰান ৰাইজ আৰু পূজা সমিতি সমূহে প্ৰশাসনক দীৰ্ঘ দিনৰ পৰা এক স্থায়ী দেৱী বিৰ্সজন স্থলী নিৰ্মাণ কৰিবলৈ আহবান জনাই আহিছে যদিও সেয়া আজিলৈকে নিৰ্মাণ হৈ উঠা নাই। তদুপৰি এই বেলি পূজা সমিতি সমূহৰ সৈতে প্ৰশাসনে চৰকাৰে নিৰ্ধাৰণ কৰি দিয়া পূজাৰ অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত পালন কৰিবলগীয়া নিয়মৱলী সম্পৰ্কে এখন সভা অলপতে ৰঙাপৰা আৰক্ষী থানাত অনুষ্ঠিত হৈ যায়। মানৱৰ কল্যাণৰ হকে অনুষ্ঠিত হ'ব লগীয়া এই দুৰ্গাপূজাই মানৱ জীৱনলৈ সুখ, শান্তি, সমৃদ্ধি কঢ়িয়াই আনিব বুলি ভক্তিপ্ৰাণ ৰাইজে আশা প্ৰকাশ কৰিছে।






গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

৩

ত্ৰয়োদশ বছৰ ■ সংখ্যা ৫৬ ■ গুৱাহাটী ■ শনিবাৰ, ১ অক্টোবৰ, ২০২২, ১৪ আহিন, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২


VOL. XIII ISSUE NO. 56 Dainandin Barta ■ Guwahati, Saturday ■ 1 October, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only








দৈনন্দিন বাৰ্তাৰ কলম



■ জয়ন্ত বিশ্ব শৰ্মা

## ছেমখোৰ ঃ এনে বিতৰ্ক এয়া প্ৰথম নহয়



'ছেমখোৰ' চিনেমাখনক লৈ ডিমাচা সংগঠনে আপত্তি কৰিছে, যে ই সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। চিনেমা কাল্পনিক হয়। এনে বিতৰ্ক এয়া প্ৰথম নহয়। 'এফ আই আৰ দাখিল কৰিছে, আমি পৰিণতি সময়ত জানিম। কিন্তু চিনেমাখনত ক্ষন্তেকৰ বাবে ওলোৱা শিশু 'ক্লেৰিঙ'ৰ শ্বুটিঙৰ পাঁচ দিনৰ পিছতেই মৃত্যু হৈছিল। মই এইমাত্ৰ ক্লেৰিঙৰ ■ ৮ পৃষ্ঠাত





## প্ৰবীণ অভিনেত্ৰী আশা পাৰেখক দাদা চাহেব ফাল্কে বঁটা প্ৰদান কৰিলে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ৩০ ছেপ্টেম্বৰ ঃ** প্ৰবীণ অভিনেত্ৰী আশা পাৰেখক দাদা চাহেব ফাল্কে বঁটা প্ৰদান কৰিলে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে। ৭৯ বছৰীয়া পাৰেখক ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ বিজ্ঞান ভৱনত আয়োজিত ৬৮সংখ্যক ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা প্ৰদান অনুষ্ঠানত এই বঁটা প্ৰদান কৰে। বঁটা গ্ৰহণ কৰি অভিনেত্ৰী পাৰেখে কয় যে নিজৰ ৮০সংখ্যক জন্মদিনৰ এদিন আগতে বঁটা লাভ কৰি তেওঁ কৃতজ্ঞ। তেওঁ কয়— 'দাদা চাহেব ফাল্কে বঁটা লাভ কৰাটো এটা ডাঙৰ সন্মান। এই কথাই মোক অতি আনন্দিত কৰি তুলিছে যে মোৰ ৮০সংখ্যক জন্মদিনৰ মাত্ৰ এদিন আগতে মোৰ ওচৰলৈ এই স্বীকৃতি আহিছে।' ভাৰতীয় চলচ্চিত্ৰ উদ্যোগক 'সৰ্বশ্ৰেষ্ঠ' বুলি অভিহিত কৰি অভিনেত্ৰীগৰাকীয়ে কয় যে তেওঁ এতিয়াও চিনেমাৰ সৈতে জড়িত হৈ থাকি সুখী অনুভৱ কৰিছে। উল্লেখ্য, আশা ভোচলে, হেমা মালিনী, পুনম ধিলন, উদিত নাৰায়ণক লৈ গঠিত পাঁচজনীয়া দাদা ■ ৮ পৃষ্ঠাত



# শাৰদীয় দুৰ্গোৎসৱ

দৈনন্দিন বাৰ্তা ■ নৰেন হাজৰিকা

কঁহুৱা বনে কঢ়িয়াই আনিছে শাৰদীয় বতৰৰ বতৰা। প্ৰকৃতিৰ ৰূপৰ পৰিৱৰ্তন ঘটাই বাৰিষাৰ পিছত আহে শৰৎ। শেৱালি ফুলে, পুখুৰীত পদুম-ভেট ফুলে পাহ মেলে। গছত নতুন পাত ধৰি ধৰণীখন সেউজীয়া কৰি ■ ৮ পৃষ্ঠাত



## সকলো ৰোগৰ পৰা অসম মুক্ত হওক

### চিকিৎসালয়লৈ নোযোৱাকৈয়ে জনসাধাৰণে নিৰোগী হৈ থকাৰ চেষ্টা কৰা উচিত ঃ স্বাস্থ্যমন্ত্ৰী

**ৰাজ্য প্ৰায় ক'ভিডমুক্তৰ বাবে চিকিৎসা-কৰ্মীৰ শলাগ স্বাস্থ্য মন্ত্ৰীৰ ঃ 'সুস্থ শিশু, সুস্থ দেশ' চিন্তাৰে শিশুৰ ৰক্তহীনতা দূৰীকৰণৰ প্ৰচেষ্টা ঃ পেলুমুক্ত অসমৰ পৰিকল্পনাৰে ৰাজ্যৰ স্বাস্থ্য বিভাগৰ বিশেষ পদক্ষেপ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ৩০ ছেপ্টেম্বৰ ঃ** দেশজুৰি পালন কৰা হৈছে ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস। অসমতো আৰম্ভ হৈছে এই দিৱসৰ। নগাঁও ■ ৮ পৃষ্ঠাত

## অন্য ৰূপত আৰক্ষী

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ৩০ ছেপ্টেম্বৰ ঃ** এগৰাকী অসুস্থ ককাক কৰ্তব্যৰত আৰক্ষীয়ে বিচনীৰে বিচি শুশ্ৰূষা ■ ৮ পৃষ্ঠাত

# অসহ্য অপেক্ষা

দেওবাৰে ভাৰত বনাম আফ্ৰিকা





## গুৱাহাটীৰ আৰ্য্যনগৰত নৱনিৰ্মিত উৰণ সেতু মুকলি

### জনসাধাৰণৰ সুখ আৰু সমৃদ্ধিৰ ওপৰতে চৰকাৰ এখনৰ গ্ৰহণযোগ্যতা নিৰ্ভৰ কৰে ঃ মুখ্যমন্ত্ৰী



**গুৱাহাটী পৌৰ নিগমক সম্পূৰ্ণ নিকা, স্বচ্ছ আৰু ডিজিটাইজেচনৰ ওপৰত ভিত্তি কৰা এটা অনুষ্ঠানলৈ ৰূপান্তৰ কৰিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান ঃ ৰাধাগোবিন্দ বৰুৱা পথত সম্প্ৰতি নিৰ্মাণৰত উৰণ সেতুখনৰ কাম ২০২৪ চনৰ ব'হাগ বিহুৰ আগেয়ে সম্পূৰ্ণ হৈ উঠিব ঃ সন্দিকৈ মহাবিদ্যালয়ৰ সমীপৰ পৰা বামুণীমৈদামলৈ আন এখন বৃহৎ উৰণ সেতু নিৰ্মাণ কৰা হ'ব ঃ কালাপাহাৰৰ চাইকেল ফেক্টৰী অঞ্চলত আন এখন উৰণ সেতু নিৰ্মাণৰ পৰিকল্পনা ঃবাইহাটা চাৰিআলি-ছিপাঝাৰ-কুৰুৱা হৈ নাৰেংগীলৈ নিৰ্মাণ হ'ব 'ৰিং-ৰোড' ঃ গুৱাহাটীৰ পানীযোগান প্ৰকল্পৰ কাম ২০২৪ চনৰ আগষ্ট মাহৰ ভিতৰত সম্পূৰ্ণ হ'ব ঃ প্ৰতিটো পৰিষদীয় সমষ্টিলৈ ১০ কোটিকৈ সৰ্বমুঠ ৬০০ কোটি টকা প্ৰদান কৰা হ'ব**

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩০ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি গুৱাহাটীৰ আৰ্য্যনগৰত নৱনিৰ্মিত উৰণ সেতুখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। উল্লেখ্য যে ৰাজ্য ■ ৮ পৃষ্ঠাত



## শাৰদীয় দুৰ্গোৎসৱ উপলক্ষে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ অসমবাসীলৈ শুভেচ্ছা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩০ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শাৰদীয় দুৰ্গোৎসৱ উপলক্ষে অসমবাসীলৈ শুভেচ্ছা ■ ৮ পৃষ্ঠাত

## ডিমৌ নদীত অচেতন অৱস্থাত উদ্ধাৰ গুৱাহাটীৰ যুৱতী

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ৩০ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ ডিমৌৰ ডিমৌ নদীত আজি পুৱাই ■ ৮ পৃষ্ঠাত

### লোকসভাৰ ১৪খন আসনেই বিজেপি আৰু মিত্ৰদলে দখল কৰাৰ কাৰণে এতিয়াৰে পৰা আমাৰ প্ৰস্তুতি চলিছে ঃ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা

## বঙাইগাঁৱত পৰ্যটনৰ বহুত সম্ভাৱনা আছে




**জলমিত্ৰসকলে প্ৰথম বুজিব লাগিব যে জলমিত্ৰ হ'ল স্বেচ্ছাসেৱক ঃ আন্দোলন কৰিলে তেওঁলোক আঁতৰি যাব আৰু বেলেগ মানুহে কাম কৰিব**

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ৩০ ছেপ্টেম্বৰ ঃ** আগন্তুক লোকসভা নিৰ্বাচনত আমি অসমৰ ১৪খন ■ ৮ পৃষ্ঠাত





"যেতিয়া ভাৰতে বৃহৎ সংকল্প গ্ৰহণ কৰে, সেইবোৰ কাৰ্যকৰীও কৰে। আজাদী কা অমৃত কালত, ৰাষ্ট্ৰই বিকশিত ভাৰত গঢ়ি তোলাৰ সংকল্প গ্ৰহণ কৰিছে"

—— নৰেন্দ্ৰ মোদী ——

বিকশিত ভাৰতৰ বৃহৎ সংকল্প

আজিৰ পৰা ভাৰতত ডিজিটেল সংযোগৰ এক নতুন যুগৰ আৰম্ভণি

৫ জি সেৱাৰ শুভাৰম্ভ





প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোদীৰ দ্বাৰা

ইণ্ডিয়া মোবাইল কংগ্ৰেছ, প্ৰগতি ময়দান, নতুন দিল্লী

—— পুৱা ১০ বজাৰ পৰা ——





বিকশিত ভাৰতৰ বাবে আধুনিক আন্তঃগাঁথনি

- পি এম গতিশক্তিৰ অধীনত মাল্টিমডেল আন্তঃগাঁথনিৰ উন্নয়ন
- বিমানবন্দৰৰ সংখ্যা ৭৪ৰ পৰা **১৪২লৈ** বৃদ্ধি; মেট্ৰ' ৰে'ল সেৱা ৫ৰ পৰা **২০খন চহৰলৈ** সম্প্ৰসাৰিত হৈছে

বিকশিত ভাৰতৰ বাবে মুখ্য সংস্কাৰ

- জিএছটিয়ে মানুহৰ ওপৰত অনুপালনৰ বোজা তথা কৰ বোজা হ্ৰাস কৰি স্বচ্ছতা আৰু কৰ সংগ্ৰহ বৃদ্ধি কৰিছে
- বেংক আৰু ব্যৱসায়ীসকল **ইনছলভেন্সি আৰু দেউলীয়া সংহিতাৰ** পৰা লাভান্বিত হৈছে

বিকশিত ভাৰতৰ বাবে ডিজিটেল প্ৰগতি

- সমগ্ৰ ভাৰতত **৫.৩৩ লাখ** সাধাৰণ সেৱা কেন্দ্ৰ; অপ্টিকেল ফাইবাৰ নেটৱৰ্কৰ সৈতে সংযোজিত **১.৮১ লাখ** গাঁও
- ডিজিটেল লেনদেনত ভাৰতে বিশ্বক নেতৃত্ব প্ৰদান কৰিছে; এই পৰ্যন্ত **২০৮ লাখ কোটি টকাৰ** ইউপিআই লেনদেন

বিকশিত ভাৰতৰ বাবে জনসাধাৰণৰ সবলীকৰণ কৰা হৈছে

- জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰাৰ সংকল্প গ্ৰহণ কৰা হৈছে; সকলোকে ঘৰ, শৌচাগাৰ, পানী আৰু বিদ্যুতৰ দৰে প্ৰাথমিক সুবিধা প্ৰদান কৰাৰ ওপৰত গুৰুত্ব দিয়া হৈছে
- খেতিৰ পৰা বজাৰলৈ কৃষকসকলক ৩৬০ ডিগ্ৰী সমৰ্থন প্ৰদান কৰা হৈছে
- দক্ষতা বিকাশৰ জৰিয়তে নিযুক্তি আৰু স্ব-নিযুক্তিৰ প্ৰচাৰ কৰা হৈছে

cbc 22201/13/0121/2223

দৈনন্দিন বাৰ্তা
জাতি, মাটি আৰু দেশৰ সেৱাত

সম্পাদকীয়

১ অক্টোবৰ ■ ২০২২ ■ ১৪ আহিন

## দুৰ্গোৎসৱৰ দেৱী দুৰ্গা

হিন্দুধৰ্মৰ উপাসনা এক অবিচ্ছেদ্য অংগ। এনে ধাৰণাই আদি শক্তিক পৰম সুন্দৰী প্ৰকৃতি ৰূপত যুগে যুগে কল্পনা কৰি আহিছে। তেনে শক্তিৰ প্ৰতীক মা দুৰ্গা। তেৰেঁই অনেক ৰূপৰ ভিতৰত অধিষ্ঠিত নাৰী। ভাৰতবৰ্ষত দেৱী আৰাধনাৰ সুপ্ৰাচীন পৰম্পৰা বিদ্যমান। বিশেষকৈ অসম, পশ্চিমবংগ, ত্ৰিপুৰা, বিহাৰ, ঝাৰখণ্ডত অতি মহা আড়ম্বৰেৰে প্ৰতি বছৰে শাৰদীয় দুৰ্গোৎসৱ উদ্‌যাপন কৰি অহা হৈছে। এইক্ষেত্ৰত শাৰদীয় দুৰ্গোৎসৱৰ আগেয়ে আৰম্ভ হয় পিতৃ আৰু দেৱী স্তুতি। দেৱী হোৱাৰ পূৰ্বৰ অমাৱস্যাটোত পিতৃস্তুতি পালন কৰা হয় আৰু এইক্ষেত্ৰত পালনীয় ক্ৰিয়া-কৰ্ম অনুষ্ঠানকে মহালয়া নামে অভিহিত কৰা হৈছে। ই হিন্দু ধৰ্মত অতি গুৰুত্বপূৰ্ণ। এয়া হিন্দু সনাতন ধৰ্মৰ পিতৃ পুৰুষক পূজা-অৰ্চনা কৰা এক উৎসৱ বুলিয়েই জনাজাত। প্ৰকৃতাৰ্থত মহান আলয় বা আশ্ৰয়। ইয়াত মহান আলয় অৰ্থত দেৱী দুৰ্গাক বুজাইছে। তেওঁ হৈছে শক্তিৰ অধিষ্ঠাত্ৰী দেৱী, সৰ্বগুণময়ী, সৰ্বশক্তিমান, সৰ্বকাৰ্যকাৰিণী, অপেৰামেয় স্বৰূপা। আন অৰ্থত 'মহা' মানে 'লয়' মানে বিলীন হোৱা। মুঠতে ই এটা সমাসবদ্ধ শব্দ। কথিত আছে যে মহালয়াৰ দিনা দেৱতা আৰু অসুৰৰ মাজত যুদ্ধ হৈছিল আৰু এই দিনটোতেই দেৱীক চক্ষুদান কৰা হৈছিল। অৰ্থাৎ দেৱীয়ে মৃন্ময়ীৰ (মৃৎ বা মাটিৰে সজা) পৰা চিন্ময়ী (চৈতন্য স্বৰূপ) ৰূপ পৰিগ্ৰহণ কৰে বুলি লোক সমাজত বিশ্বাস কৰা হয় যে মহালয়ৰ দিনা দেৱী জাগ্ৰত হয়। সেয়ে পিতৃপুৰুষসকলৰ প্ৰতি শ্ৰদ্ধা জনোৱাৰ উদ্দেশ্যে মহালয়াৰ শ্ৰদ্ধা আয়োজন কৰা হয়। প্ৰেতপক্ষৰ সহায়ত মহালয়া হয়। ইয়াৰ পিছতেই দেৱী পক্ষ আৰম্ভ হয় আৰু ইয়াৰ লগে লগেই এক প্ৰকাৰ দুৰ্গা পূজাৰ শুভাৰম্ভ হয় বুলি ক'ব পাৰি। শাস্ত্ৰ মতে অৱশ্যে দুৰ্গোৎসৱ দুভাগে অনুষ্ঠিত হয়। শাওণ আৰু আহিন মাহৰ শুক্ল পক্ষত বা চ'ত মাহৰ শুক্ল পক্ষত দুৰ্গা পূজা পালন কৰা হৈ আহিছে। এই সময়ছোৱাকে বসন্ত কাল বুলি কোৱা হয় আৰু এই সময়ছোৱা দুৰ্গা পূজাক বাসন্তী দুৰ্গা পূজা আৰু আহিন অৰ্থাৎ শৰৎ কালত হোৱা দুৰ্গা পূজাক শাৰদীয় দুৰ্গা পূজাৰূপে কোৱা হয় বা প্ৰচলিত হয়। শাৰদীয় দুৰ্গা পূজাক অকাল বোধন বুলিও কোৱা হয়। ইয়াৰো আছে এক গূঢ়াৰ্থ। আহোম যুগত বাসন্তী দুৰ্গা আছিল। বাসন্তী কালত পূজিতা দুৰ্গাক অন্য নামেৰে জনা গৈছিল। সেই নামবোৰ আজিও প্ৰচলিত হৈ আছে — কামাখ্যা, কেঁচাইখাঁতী, তাম্ৰেশ্বৰী, দীৰ্ঘেশ্বৰী, বাঘেশ্বৰী, সিদ্ধেশ্বৰী, টুক্ৰেশ্বৰী, জয়ন্তেশ্বৰী, বুঢ়ী গোসাঁনী আদি উল্লেখযোগ্য। দেৱী দুৰ্গাৰ উৎপত্তি সম্পৰ্কতো বিভিন্ন পৌৰাণিক, পুৰাতাত্ত্বিক, ঐতিহাসিক সমল পোৱা যায়। ভাৰতীয় সংস্কৃতিত দুৰ্গা গোসাঁনীয়ে প্ৰাক্ ঐতিহাসিক কালৰ পৰাই বিশেষ স্থান অধিকাৰ কৰি আহিছে। পুৰাতাত্ত্বিৰ সমল অনুসৰি দেৱীৰ বিভিন্ন ৰূপ চতুৰ্থ শতিকাৰ পৰা ভাৰতবৰ্ষৰ নানা অঞ্চলত থকাৰ প্ৰমাণ পোৱা গৈছে। প্ৰাক্ ঐতিহাসিক যুগৰ প্ৰাগজ্যোতিষপুৰৰ ৰজা নৰকাসুৰে প্ৰথমে কামাখ্যা দেৱীৰ পূজা-অৰ্চনা আৰম্ভ কৰিছিল। এই কামাখ্যা দেৱী কাল, পাত্ৰ, ক্ষেত্ৰ আৰু প্ৰয়োজনীয়তা অনুসৰি দুৰ্গা, যোগমায়া, মহামায়া, পাৰ্বতী, মহিষাসুৰ মৰ্দিনী, মহাকালী, জগতমাতা, মা জগদম্বা, শৈলপুত্ৰী, উমা, ব্ৰহ্মচাৰিণী, চন্দ্ৰঘণ্টা, কুষ্মাণ্ডা, ছন্দমাতা, কাত্যাৱনী, কালৰাত্ৰি, মহাগৌৰী, সিদ্ধিদাত্ৰী ইত্যাদি সহস্ৰ নাম যুগে যুগে লৈ আহিছে। যি কি নহওক ব্ৰহ্মাই মায়া শক্তিৰ সহায়ত এই চৰাচৰ জগত সৃষ্টি কৰিছে। প্ৰকৃতি নামেৰে অভিহিত শক্তিৰ প্ৰকৃত অৰ্থ হ'ল 'প্ৰ' মানে আদি আৰু 'প্ৰীতি' মানে সৃষ্টি, আদিনাম প্ৰকৃতি। যি শক্তি ত্ৰিগুণী, তেৰেঁই মূল প্ৰকৃতি। দেৱীৰ আন এটা নাম ভগৱতী। ইয়াৰ অৰ্থ এইটোৱে—শক্তি সদায় ভগৰূপা।

# সমসাময়িক সাহিত্যিক আলোচনা-প্ৰসংগত ইক'লজি, ইক'ক্ৰিটিচিজম আৰু এনভাৰ'নমেণ্টেল এথিকচৰ প্ৰাসংগিকতা

*মানৱ আৰু প্ৰকৃতিৰ মাজৰ নিবিড় সম্পৰ্কৰ কথা আলোচনা কৰিবলৈ যাওঁতে মানৱ জনসংখ্যাৰ বৃদ্ধি, গোলকীয় উষ্ণতা বৃদ্ধি, বনাঞ্চল ধ্বংস, পৰিৱেশ প্ৰদূষণ, উদ্যোগীকৰণ, বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ অবাধ জয়গান ইত্যাদি বিষয়সমূহ একবিংশ শতিকাৰ পটভূমিত নিৰ্ণায়কভাৱে সাহিত্যিক আলোচনা-প্ৰসংগত প্ৰাসংগিক হৈ পৰিছে। Lawrence Buellৰ দুখন গুৰুত্বপূৰ্ণ গ্ৰন্থ The Environmental Imagination (১৯৯৫) আৰু The Future of Environmental Criticism (২০০৬) প্ৰকাশ পোৱাৰ পিছত সাহিত্যিক বিশ্লেষণৰ ক্ষেত্ৰত ইক'-ক্ৰিটিকেল ডিছক'ৰ্চে এক নৱ ৰূপ ধাৰণ কৰি উদ্ভাষিত হৈছে।*

■ অসীম অনুৰাগ

পোষ্ট কল'নিয়েল ডিছক'ৰ্চ বা উত্তৰ-ঔপনিৱেশিক আলোচনা-প্ৰসংগত পৰিৱেশ-সমালোচনা (Eco-criticism), পৰিৱেশীয় সজাগতা (Ecological awareness) আৰু পৰিৱেশীয়-নৈতিকতাক (Environmental ethics) ডেৰ শতিকাৰো অধিক সময় গুৰুত্বপূৰ্ণ সাময়িক বিষয় হিচাপে ব্যাপকভাৱে গ্ৰহণ কৰা হৈছে। সাধাৰণতে, সাহিত্যত বিভিন্ন পৰিৱেশীয় ধাৰণাসমূহৰ প্ৰয়োগ আৰু লগতে পৰিস্থিতি তন্ত্ৰ আৰু পৰিৱেশীয় অৱস্থাৰ সৈতে সংপৃক্ত সাহিত্যৰ অধ্যয়নত প্ৰাকৃতিক দৃশ্য, জলবায়ু, ঋতু, বতৰ আৰু অঞ্চলৰ ওপৰত গুৰুত্ব আৰোপ কৰি ইক'ক্ৰিটিছিজম বা পৰিৱেশ সমালোচনা সংজ্ঞায়িত কৰা হয়। এই তিনিটা ধাৰণাক ঐক্যবদ্ধভাৱে সাঙুৰি ল'লে মানুহ, প্ৰকৃতি আৰু পৰিৱেশৰ মাজৰ সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্কৰ প্ৰতি এক সামগ্ৰিক দৃষ্টিভংগীৰ সূচনা কৰা হ'ব। মানৱ আৰু প্ৰকৃতিৰ মাজৰ নিবিড় সম্পৰ্কৰ কথা আলোচনা কৰিবলৈ যাওঁতে মানৱ জনসংখ্যাৰ বৃদ্ধি, গোলকীয় উষ্ণতা বৃদ্ধি, বনাঞ্চল ধ্বংস, পৰিৱেশ প্ৰদূষণ, উদ্যোগীকৰণ, বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ অবাধ জয়গান ইত্যাদি বিষয়সমূহ একবিংশ শতিকাৰ পটভূমিত নিৰ্ণায়কভাৱে সাহিত্যিক আলোচনা-প্ৰসংগত প্ৰাসংগিক হৈ পৰিছে। Lawrence Buellৰ দুখন গুৰুত্বপূৰ্ণ গ্ৰন্থ The Environmental Imagination (১৯৯৫) আৰু The Future of Environmental Criticism (২০০৬) প্ৰকাশ পোৱাৰ পিছত সাহিত্যিক বিশ্লেষণৰ ক্ষেত্ৰত ইক'-ক্ৰিটিকেল ডিছক'ৰ্চে এক নৱৰূপ ধাৰণ কৰি উদ্ভাষিত হৈছে। বুয়েলে মন্তব্য পোষণ কৰিছে যে ইক'ক্ৰিটিছিজমৰ ক্ষেত্ৰত সাহিত্যিক পাঠৰ যিকোনো মূল্যায়ন পৰিৱেশ-চেতনাৰ অবিহনে একপক্ষীয় হৈয়েই থাকে। এই প্ৰসংগত বুয়েলে স্পষ্টভাৱে ৰেনেছাঁ যুগত উত্থাপিত হোৱা এনথ্ৰ'প'ছেণ্টৰিক দৃষ্টিভংগীৰ পৰিৱৰ্তে ইক'ছেণ্ট্ৰিক দৃষ্টিভংগীৰ ওপৰত অত্যধিক গুৰুত্ব প্ৰদান কৰিছে। প্ৰণিধানযোগ্য যে, বুয়েলৰ পদাংক অনুসৰণ কৰি মানৱীয় আৰু অমানৱীয় উভয় জগতৰ সহাৱস্থানৰ এক সংহত দৃষ্টিভংগীৰ অভাৱত কোনো পাঠ্যৰ যিকোনো পঠন সাংঘাতিক ধৰণে অপৰ্যাপ্ত হৈয়েই ৰয়। একে সময়তে ইক'লজিকেল ডিছক'ৰ্চে এইটোও প্ৰয়োজনীয় কৰি তোলে যে 'মানৱ স্বাৰ্থ' পাঠকৰ ওপৰত 'একমাত্ৰ বিশেষ সুবিধাপ্ৰাপ্ত স্বাৰ্থ'(the only privileged interest) হিচাপে জাপি দিব নালাগে। আকৌ ইক'ক্ৰিটিকছসকলে এই কথাটো পাহৰা সমীচীন নহয় যে পৰিস্থিতিতন্ত্ৰৰ ক্ষতি আৰু পৰিৱেশ ধ্বংসৰ প্ৰতি মানুহ কিন্তু জবাবদিহি হ'ব লাগিব। Buell maintains that environment is a dynamic process rather than a static condition and that the biotic and abiotic elements need an amicable affinity for realizing a healthy ecosystem. অৰ্থাৎ বুয়েলৰ মতে পৰিৱেশ এটা স্থিতিশীল অৱস্থাৰ পৰিৱৰ্তে এক গতিশীল প্ৰক্ৰিয়া আৰু জৈৱিক আৰু অজৈৱিক উপাদানসমূহ এটা সুস্থ পৰিৱেশ তন্ত্ৰত বাস্তৱায়িত কৰাৰ বাবে এক সৌহাৰ্দ্যপূৰ্ণ আত্মীয়তাৰ অতীৱ প্ৰয়োজন।

ৰিচাৰ্ড কেৰিজৰ মতে- There is no denying the fact that ecology as such signifies the biological study of life forms, their natural inter-relationship that helps constitute a collective environment (Richard Kerridge). অৰ্থাৎ এইটো কথা অস্বীকাৰ কৰিব নোৱাৰি যে পৰিৱেশ বিজ্ঞানে জীৱৰূপৰ জৈৱিক অধ্যয়নক বুজায়, ইয়াৰ প্ৰাকৃতিক আন্তঃসম্পৰ্ক যিয়ে এক সামূহিক পৰিৱেশ গঠন কৰাত সহায় কৰে। Jonathan Bateএ তেওঁৰ গুৰুত্বপূৰ্ণ গ্ৰন্থ Romantic Ecologyত (২০১৩) কেৱল পৰিৱেশ বিজ্ঞানক জীৱ আৰু ইহঁতৰ পৰিৱেশৰ মাজৰ সম্পৰ্কৰ ওপৰত গুৰুত্ব আৰোপ কৰা এক সামগ্ৰিক বিজ্ঞান হিচাপে নিৰ্ধাৰণ কৰাই নহয়, জৈৱিক আৰু অজৈৱিক উপাদানৰ মাজৰ সুস্থ সম্পৰ্কৰ কথাও প্ৰকাশ কৰিছে যাতে প্ৰকৃতিৰ কোলাত 'অনুকূল' আৰু 'সুখী' জীৱনক প্ৰসাৰিত কৰিব পৰা এটা সুস্থ পৰিস্থিতি তন্ত্ৰ বাস্তৱায়িত হয়। Gary Synder আৰু Arne Naessএ ব্যাখ্যা কৰা ৰোমাণ্টিক ইক'লজি (Romantic ecology) দীপ ইক'লজিৰ (Deep ecology) সংস্পৰ্শলৈ আহে; ৰোমাণ্টিক ইক'লজিষ্টসকলৰ দৰেই সকলো জীৱৰ আন্তঃসংযোগত বিশ্বাস কৰে যাৰ ফলত পৰিস্থিতি তন্ত্ৰ আৰু পৰিৱেশৰ প্ৰতি সন্মানীয় দৃষ্টিভংগীৰে চাবলৈ আহ্বান জনায়।

ৰোমাণ্টিক ইক'লজি আৰু দীপ ইক'লজিৰ স'তে একেলগে এনভাইৰনমেণ্টেল এথিকছৰ গুৰুত্ব যোৱা কেইবাটাও দশক ধৰি ক্ৰমান্বয়ে অনুভৱ কৰা হৈছে আৰু পৰিৱেশবিদ আৰু পৰিৱেশ সমালোচকসকলে ৰুছ'ৰ দুটা দাৰ্শনিক বক্তৃতাক এইক্ষেত্ৰত মূলধন হিচাপে লৈছে যিয়ে 'প্ৰকৃতিৰ অৱস্থা', 'নিৰামিষভোজী', আৰু 'প্ৰাণী জগতৰ প্ৰতি সন্মান' আদি ধাৰণাসমূহ প্ৰতীয়মান কৰে। এনভাইৰনমেণ্টেল এথিকছে প্ৰকৃতিৰ বোকোছাত উঠি ডাঙৰ-দীঘল হোৱা 'প্ৰাকৃতিক মানুহ'ৰ সপক্ষত 'সামাজিক মানুহ', 'অৰ্থনৈতিক মানুহ' আৰু 'কাৰিকৰী মানুহ'ৰ ধাৰণাটোক উন্মুক্তভাৱে উদঙাই দেখুৱাইছে। ৰুছ'ৰ উপদেশ অনুসৰণ কৰি তেওঁৰ কাব্যিক পুত্ৰসদৃশ যশস্বী কবি উইলিয়াম ৱৰ্ডছৱৰ্থ আৰু এছ টি কলৰিজে প্ৰকৃতিক বন্ধু, দাৰ্শনিক, পথ প্ৰদৰ্শক, অভিভাৱক আৰু পৃথিৱীৰ শ্ৰেষ্ঠ নৈতিক শিক্ষক হিচাপে গণ্য কৰিছিল। গতিকে, ওপৰৰ আলোচনাৰ পৰা এটা কথা প্ৰতীয়মান হয় যে সমসাময়িক পৰিৱেশ-সমালোচনাত্মক আলোচনা-প্ৰসংগত পৰিৱেশীয় নৈতিকতা, পৰিৱেশকেন্দ্ৰিক দৃষ্টিভংগীৰ কাৰ্যকাৰিতাক ন্যায্যতা প্ৰদান কৰাৰ উদ্দেশ্যে প্ৰকাশ কৰা হৈছে।

*ফোন ঃ ৬০০০০-৬২১৩৯*

# শাৰদী ৰাণী হেনো তোমাৰে নাম

■ বিপ্লৱ কৌশিক কাশ্যপ

সময়ৰ লগে লগে দিনৰ পিছত দিন, মাহৰ পিছত মাহ পাৰ হৈ আকৌ আহিল শৰৎ কাল। শৰৎ আহিলে আকাশত শুভ্ৰ মেঘৰ খেলা হয় আৰু প্ৰকৃতিয়ে হাঁহি উঠে। বৰ্ষা ঋতুৰ বৃষ্টিৰে দেহা তিয়াই শৰতৰ প্ৰকৃতি যেন সদ্যোস্নাতা তৰুণীৰ দৰেই স্নিগ্ধ হৈ পৰে। শৰতক স্বাগতম জনাবলৈকে অথবা শৰৎ আহিছে বাবেই যেন প্ৰকৃতিয়ে নতুন সাজেৰে নিজকে সজাই জাতিষ্কাৰ হৈ পৰে। যি ফালেই চোৱা হয় সকলো ফালেই দেখা যায় প্ৰকৃতিৰ অনন্য ৰূপ ।

গ্ৰীষ্মৰ প্ৰখৰতা আৰু বৰ্ষাৰ বিড়ম্বনাৰ পিছত শৰৎ যেন একেবাৰেই শান্ত। চাৰিও দিশে সেউজীয়াৰ সমাৰোহ। গছ-গছনি, ৰাস্তা-ঘাট, বাগিচা, দূৰৰ গাঁও যি ফালেই চোৱা হয় সকলো ফালেই মাথোঁ সেউজীয়া আৰু সেউজীয়া। যেন সেউজীয়া দলিছা আৰু সেউজীয়াৰ দেৱাল। সেউজীয়া ধান গছবিলাক যেন পানীৰ ওপৰত শুই আছে। ধান গছৰ পাতৰ ওপৰত বহি থকা ফৰিং নাইবা অন্য কীট-পতংগ, পখিলা বা সৰু পখীবিলাকো চমকিত হৈ সাউতকৈ উৰি যায় আনন্দত। বগলীবিলাকেও মাছ চিকাৰৰ আশাত এটা পাৰত থিয় দি আছে কোনো জলজ উদ্ভিদৰ



ওপৰত আকৌ হয়তো জাক বান্ধি এক স্থানৰ পৰা উৰি গৈ অন্য স্থানত গৈ বহিছে। সিহঁতৰ উৰন্ত ডেউকাত সূৰ্যৰ পোহৰ পৰি শুভ্ৰ হৈ জিলিকি উঠিছে। জলাধাৰৰ কাষৰ জোপোহাবোৰ আপোন মনে বাঢ়ি উঠিছে। তাতে বাহ সাজিছে ডাউক, পানীকাউৰী আৰু শৰালি হাঁহে। সিহঁতৰ কল-কাকলিত মুখৰ জলাহভূমি।

এসময়ত বানপানীৰ পানীত ভাটা পৰে। যোৱাৰ সময়ত থৈ যায় লগত লৈ অহা পলস। শৰৎ কালত নদী, বিল, নিজৰা, পুখুৰী আদিৰ পানী একেবাৰেই স্বচ্ছ হৈ পৰে আৰু এই স্বচ্ছ পানীৰ বুকুত ফুটি উঠে অসংখ্য মেটেকা, ভেট আৰু পদুম ফুল। এনে লাগে যেন এই ফুলবোৰে নিষ্পাপ শিশুৰ দৰেই হাঁহি আছে। কি অপূৰ্ব সেই দৃশ্য। এই সময়ৰ খাল-বিল, জান-জুৰিৰ পানীৰ সোঁত নদীমুখী হোৱাৰ গতিপথত জালোৱাই জাল পাতে। স্বচ্ছ পানীত মাছৰ জাক দেখি জাল টানি আনে আৰু জালত উঠি আহে অসংখ্য ৰূপালী মাছ। পুঠি, মোৱা, খলিহনা, কাৰৈ, গৰৈ আৰু কত কিমান মাছ। তলত বিস্তীৰ্ণ সেউজীয়া আৰু ওপৰত বিশাল নীলা আকাশ। এনে লাগে শৰতৰ আকাশখন যেন বহুত বিশাল। কলীয়া মেঘমুক্ত নীলা আকাশ। হয়, শৰতৰ মেঘক মেঘ বুলি কওঁ কিদৰে। যেন শুভ্ৰ উড়ন্ত পাৰ চৰাই। নীলা আকাশৰ বুকুত যেন মনৰ আনন্দত ভাহি ফুৰিছে তুলাৰ দৰে কোমল কোমল মেঘৰ টুকুৰা । মন যায় চুই চাবলৈ। সৰু কালত কিমান যে কল্পনা কৰিছিলো এই মেঘৰ ওপৰত শুবলৈ, খোজকাঢ়িবলৈ। আচলতে শৰতৰ আকাশৰ ফালে চালেই মনটো ফৰকাল যেন লাগে। কেতিয়াবা নীলা আকাশখনেদি নিঃসংগ এটা চিলনী উৰি যায়। সেয়া দেখি উদাস হৈ যায় মন। মনত পৰি যায় প্ৰিয়জনৰ মুখখনলৈ। আচলতে প্ৰকৃতিৰ নামেই বাৰু ভালপোৱা নেকি? নে ভালপোৱাৰ নামেই প্ৰকৃতি? কিয়নো সুন্দৰ প্ৰকৃতিৰ কাষলৈ আহিলেই মনত ভালপোৱা জাগি উঠে। প্ৰিয়জনৰ সৈতে আনন্দখিনি ভগাই ল'বলৈ ইচ্ছা হয়। অকলে থাকিলে নষ্টালজিয়াত আক্ৰান্ত হওঁ। মনত পৰে মনৰ গভীৰতাত লুকাই থকা একান্ত নিজস্ব স্মৃতি।

শৰতৰ নিৰ্মল আকাশ, সুৰভি শীতল বায়ু পুৰাৰ সৌন্দৰ্যই কবিসকলকো আপোন পাহৰা কৰি তোলে। আপোন পাহৰা নকৰিবইবা কিয়? দ্বাপৰ যুগত শ্ৰীকৃষ্ণই শৰতৰ বিতোপন চন্দ্ৰাৱলী ৰাতিত যমুনাৰ পাৰত ৰাসক্ৰীড়া কৰা নাছিল জানো। শংকৰদেৱেও কীৰ্তনত এক মন-প্ৰাণ হৰণ কৰা আকৰ্ষণ বৰ্ণনা বিবিধ চিত্ৰময় বৰ্ণনাৰে তুলি ধৰিছে। এই বৰ্ণনা জানো হৰমোহন ৰাসক্ৰীড়া আদিৰ মাজত ফুটি উঠা নাই। শৰতৰ সৌন্দৰ্যই সকলো কবিৰ হৃদয়ত কবিতাৰ ঝংকাৰ তোলে। কোনোৱে গীত গাই- 'শাৰদী ৰাণী তোমাৰে হেনো নাম....'। যতীন্দ্ৰ নাথ দুৱৰা, ৰঘুনাথ চৌধাৰী, শৈলধৰ ৰাজখোৱা, নলিনীবালা দেৱী, গণেশ গগৈ, নীলমণি ফুকন, বিনন্দ চন্দ্ৰ বৰুৱা, হিৰেন ভট্টাচাৰ্যকে আদি কৰি সাম্প্ৰতিক কালৰ সকলো কবিয়ে বসন্তক লৈ যেনেদৰে কবিতা লিখে ঠিক তেনেকৈ শৰতক লৈ ব্যস্ত থাকে মুহূৰ্তে মুহূৰ্তে।

শৰতৰ অন্যতম সুন্দৰ দৃশ্য হৈছে নদীৰ তীৰত ফুলি উঠা শাৰি শাৰি কঁহুৱা ফুল। নীলা আকাশৰ তলত শুভ্ৰ কঁহুৱা ফুলবোৰ যেতিয়া বতাহৰ ভাজত হালি-জালি থাকে তেতিয়া মনটোও যেন আন্দোলিত হৈ উঠে। এনে অনুভৱ হয় যেন শ্বেত বসনা এজাক তৰুণীয়ে নৃত্য কৰিছে।

শৰতৰ পুৱা শান্ত-স্নিগ্ধ, মিঠা আমেজৰ। শৰতৰ শেষৰ ফালে ঘাঁহৰ ওপৰত অলপ অলপ নিয়ৰ পৰে। সূৰ্যৰ পোহৰ পৰি সেই নিয়ৰ কণাবোৰ মুকুতাৰ দৰে জিলিকি উঠে। পুৱাৰ নিয়ৰ সিক্ত ঘাঁহৰ ওপৰত শেৱালি ফুলে দলিছা পাৰে। বতাহত শেৱালিৰ গোন্ধ বিয়পি চৌপাশ মুখৰিত কৰে। সৰু মইনাহঁতে শেৱালিৰ মালা গাঁঠি অনাবিল আনন্দ পায়। শৰতৰ শেৱালি ফুলে কবি হৃদয়কো আলোড়িত কৰে। শৰতৰ জোনাক নিশাৰ দৰে নিৰ্মল স্বচ্ছ জোনাক অন্য ঋতুত দেখা পোৱা নাযায়। এবাৰ কল্পনা কৰক বিস্তীৰ্ণ স্বচ্ছ জলৰাশিৰ ওপৰত নৌকাত আপুনি আৰু আপোনাৰ প্ৰিয়জন। ওপৰত নীলাকাশত পূৰ্ণিমাৰ জোন। স্বচ্ছ স্থিৰ পানীত সেই জোনৰ প্ৰতিবিম্ব। চাৰিওফালে মাথোঁ জোনাক আৰু জোনাক। হাত আগবঢ়ালেই ধৰিব পাৰি জোনাক। সমগ্ৰ শৰীৰে জোনাকত স্নান কৰে। মাজে মাজে টুকুৰা টুকুৰ শুভ্ৰ মেঘবিলাকে জোনক ঢাকি দি লুকাচুৰি খেলিছে । কি এক অপূৰ্ব স্বপ্নীল পৰিৱেশ শৰতৰ অমাৱস্যাও বহু সৌন্দৰ্যৰ আকৰ। মেঘমুক্ত নিৰ্মল আকাশ থাকে বাবেই অমাৱস্যাৰ গাঢ় অন্ধকাৰ ৰাতিও দেখা যায় অসংখ্য তৰাৰ মেলা। সমগ্ৰ আকাশত মাথোঁ ৰূপালী তৰা আৰু তৰা। ইমান তৰা অন্য কোনো ঋতুতে দেখা পোৱা নাযায়। আপুনি মন কৰিলে হাতীপটিও দেখা পাব। আপুনি হয়তো মুগ্ধ হৈ তৰাবোৰ চাই আছে। তৰাবিলাকক লৈ কোনো প্ৰতিকৃতি অঁকাৰ চেষ্টা কৰিছে। আপোনাৰ মনটো উৰি গৈছে সীমাহীন আকাশৰ অন্তহীন গহীনতাৰ ফালে। সৃষ্টিৰ বিশালতাত মুগ্ধ হৈছে। হঠাৎ এটা উল্কা জ্বলি জ্বলি আপোনাৰ ফালেই আহিব আৰু আপুনি চমকি উঠিব। শৰতৰ প্ৰকৃতি ইমান সৌন্দৰ্যমণ্ডিত বাবেই হয়তো এই সময়ত দেৱী সকলো মৰ্ত্যলোকলৈ নামি আহে। অনুষ্ঠিত হয় হিন্দু ধৰ্মাৱলম্বীসকলৰ সকলোতকৈ ডাঙৰ শাৰদীয় পূজা। শৰতৰ এই ৰূপ চাবলৈ হ'লে আপুনি অৱশ্যেই প্ৰকৃতিৰ কাষলৈ যাব লাগিব। চহৰৰ দালান বা কোঠাৰ মাজত আবদ্ধ থাকি এই সৌন্দৰ্য উপভোগ কৰাটো সম্ভৱ নহয়। যিসকলৰ শৈশৱ পাৰ হৈছে গাঁও, পাহাৰ বা প্ৰকৃতিৰ মাজত তেওঁলোকে হৃদয়ৰ গভীৰতাত শৰতৰ এই অপৰূপ সৌন্দৰ্য লালন-পালন কৰি ৰাখে।

শৰতৰ কিন্তু খেয়ালী ৰূপো আছে। আপোনাৰ সৈতে দুষ্টামি কৰিব পাৰে। ৰৌদ্ৰোজ্জ্বল দিন দেখি হয়তো ঘৰৰ পৰা বাহিৰ হৈছে, কথা নাই বতৰা নাই হঠাৎ বৃষ্টিয়ে আপোনাক সিক্ত কৰি পেলাব। সৰুতে শুনা 'ৰ'দো দিছে বৰষুণো দিছে খৰা শিয়ালৰ বিয়া' সেই লোক কথাৰ জন্ম কিন্তু এই শৰত কালতেই। শৰতৰ অনুভৱ যদি আপোনাৰ হৃদয়ত আছে, যদি আপুনি শুভ্ৰ মেঘৰ স্পৰ্শ পাবলৈ বিচাৰে, শুকুলা মেঘ আৰু সেউজীয়া প্ৰকৃতিৰ আলিংগনৰ নৈসৰ্গিক দৃশ্য চাবলৈ বিচাৰে, তেন্তে গাঁৱলৈ আহক। দেখিব আপোনাৰ মনটোও শৰতৰ প্ৰকৃতিৰ দৰে সতেজ হৈ পৰিছে।

*ফোন ঃ ৬০০০৯-১৬৭৯৮*



## মাদক দ্ৰব্য বা নিচাযুক্ত দ্ৰব্যৰ ব্যৱহাৰ আৰু অপব্যৱহাৰ

DRUGS আৰু medicine দুটা সমাৰ্থক শব্দ। কিন্তু drug বুলিলে মনত এক ধৰণৰ বিভীষিকা, ভয় বা সংশয় জাগে। ইয়াৰ ব্যৱহাৰ তিনি ধৰণে কৰা হয়। ৰোগ চিনাক্তকৰণৰ বাবে, ৰোগ নিৰাময়ৰ বাবে আৰু ৰোগৰ প্ৰতিষেধক হিচাপে। কিন্তু ইয়াৰ অপব্যৱহাৰৰ ফল ভয়ানক। এটা নিৰ্দিষ্ট পৰিমাণত, নিৰ্দিষ্ট সময়ত, নিৰ্দিষ্ট ৰোগত ফলপ্ৰসু এবিধ ড্ৰাগ, আন এটা ৰোগত ঘাতক হৈ পৰে। তদুপৰি কিছুমান ড্ৰাগ উদ্দেশ্যপ্ৰণোদিতভাৱে ৰোগৰ নিৰাময়ৰ বাবে ব্যৱহাৰ নকৰি অনেকে সাময়িকভাৱে মনঃস্থিতি পৰিৱৰ্তন কৰিবলৈ, এক ধৰণৰ অবাস্তৱ সপোনৰ দুনিয়াত বিচৰণ কৰিবলৈ ব্যৱহাৰ কৰে। ইয়াকে ড্ৰাগৰ অপব্যৱহাৰ বা drug abuse বুলি কোৱা হয়। এই ধৰণৰ ড্ৰাগসমূহক narcotic drugs বোলা হয় আৰু ৰোগ নিৰাময়ৰ বাবে ব্যৱহাৰ কৰা ড্ৰাগসমূহক pharmaceutical drugs বা life saving drugs বোলা হয়। আজিৰ কথিকাৰ উদ্দেশ্য, narcotics drug abuse, ইয়াৰ কুফল আৰু মানৱ সমাজৰ বাবে ই কিমান ভয়াৱহ, বিভীষিকাময় আৰু কিমান ক্ষতিকাৰক, নৱ-প্ৰজন্মৰ বাবে তাৰে ওপৰত এক সম্যক ধাৰণা। Narcotics drug সেৱনকাৰীসকলৰ হিতাহিত জ্ঞান সততে নাইকিয়া হৈ পৰে। কিয়নো, ই pharmaceutical drugs তকৈ বেছি গতিত অতি কম সময়ৰ ভিতৰতে তেজৰ লগত মিলি যায় আৰু বিভিন্ন ধৰণৰ বিক্ৰিয়াৰ সৃষ্টি কৰে। সেৱনকাৰীজনৰ অপৰাধপ্ৰৱণতা বাঢ়ি যায় আৰু মানসিক ভাৰসাম্য হেৰুৱাই পেলায়। ফলত বিভিন্ন কুকৰ্ম আৰু অপৰাধ কৰি অতি কম সময়ৰ ভিতৰতে Narcotics control buroe বা NCBৰ আলহী হ'বলগীয়া হয় আৰু জে'লৰ ভাত খাব লগা হয়। Narcotics and Psychotropic Act 1985 ৰ বিভিন্ন ধাৰাৰ অধীনত তেওঁৰ ওপৰত মোকৰ্দমা আৰম্ভ হয়। ইয়াৰ উপৰি তেওঁ অতি কম সময়ৰ ভিতৰতে ৰুগীয়া হৈ পৰে। LSD, cocain,marizuana, brown sugar, আদি অতি ভয়ংকৰ ড্ৰাগ্‌ছ। ফুটবলৰ ভগৱানস্বৰূপে জনাজাত ডিয়েগ' মাৰাডোনাৰ দৰে ব্যক্তিৰ কোকেইন নামৰ ড্ৰাগে কি দুৰ্গতি কৰিছিল সেয়া সকলোৰে জ্ঞাত। বিগত শতিকাৰ হলীউডৰ multi millionaire মোহময়ী অভিনেত্ৰী মেৰিলীন মনৰোৰ অকাল মৃত্যু drug abuse ৰ বাবেই হৈছিল। সৌ সিদিনাৰ কথা— বলীউডৰ ছুপাৰ ষ্টাৰ ছাহৰুখ খান আৰু তেওঁৰ পুত্ৰৰ কিমান লটিঘটি হ'ল, নিশ্চয় মনত আছে সকলোৰে। সুশান্ত সিংহ ৰাজপুত নামৰ বলীউডৰ উদীয়মান প্ৰতিভাশালী অভিনেতাগৰাকীৰ অপমৃত্যু আৰু সেই কাণ্ডৰ লগত জড়িতসকলৰ ক'লা কাহিনী কোনে পাহৰিব পাৰে? পৃথিৱীৰ সকলো দেশেই আজি কম-বেছি পৰিমাণে ড্ৰাগ দানৱৰ দ্বাৰা আক্ৰান্ত। অগণন চালুকীয়া বয়সৰ ল'ৰা-ছোৱালীৰ জীৱন অকালতে মৰহি গৈছে। কিমান যে সুখৰ সংসাৰ ড্ৰাগ নামৰ বিভীষিকাৰ বনজুইত দাহ গৈ ছাৰখাৰ হৈছে, কিমান প্ৰতিভাৰ অপমৃত্যু হৈছে তাৰ হিচাব নাই।

আজিৰ পৃথিৱীৰ সকলো দেশেই নিজতকৈ শক্তিশালী শত্ৰুৰ বিৰুদ্ধে বোমা-বাৰুদতকৈ ড্ৰাগৰ টোপোলা ব্যৱহাৰ কৰে। কাৰণ, শত্ৰু সৈন্যক বাধা দিয়াতকৈ ড্ৰাগৰ দ্বাৰা শত্ৰুৰ ডেকা শক্তিক পংগু কৰা কাৰ্য বেছি সহজ। পাকিস্তানৰ পৰা ভাৰতীয় ৰাজ্য পঞ্জাব, হাৰিয়ানা আদিলৈ চলা ড্ৰাগৰ চোৰাং বেহা-বেপাৰৰ দ্বাৰা আক্ৰান্ত ডেকা চামৰ ওপৰত নিৰ্মিত কথাছবি, অভিনেত্ৰী আলিয়া ভাট অভিনীত 'উড়তা পঞ্জাব'ত এই নগ্ন সত্যটি সাৱলীলভাৱে দাঙি ধৰা হৈছে। আমেৰিকাৰ দৰে সৰ্বশক্তিমান দেশক চুবুৰীয়া সৰু দেশ মেক্সিকো, পানামা, উৰুগুৱে, বলীভিয়া আদিয়ে drug traffickingৰ দ্বাৰাই হাৰাহাস্তি কৰি ৰাখে।

আমাৰ অসমৰ গাতে লাগি থকা golden triangle নামেৰে কুখ্যাত ম্যানমাৰ, থাইলেণ্ড, ছিংগাপুৰ আদি দক্ষিণ-পূব এছিয়াৰ ড্ৰাগ উৎপাদন কৰা দেশসমূহৰ পৰা অহা ড্ৰাগৰ দ্বাৰা আমাৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ কি দশা হৈছে সেয়া বিস্তাৰকৈ নক'লেও হ'ব। আমাৰ এটা প্ৰজন্মৰ জীৱনত এই মাৰাত্মক দ্ৰব্যবিধে বাৰুকৈয়ে মাধমাৰ শোধাইছে। সদায়ে সময় উকলি যোৱাৰ পিছত বুকুত ভুকুৱাই হায় হায় কৰা অসমীয়া জাতিয়ে আজিৰ পৰা সজোৰে কৈ দিয়ক 'ড্ৰাগ্‌ছ আৰু ড্ৰাগ্‌ছ ব্যৱসায়ী জহন্নামে যাওক' NO TO DRUGS.

■ ধীৰেশ্বৰ কলিতা

■ মণিমুগ্ধ কাকতি

*ফোন ঃ ৯৬৭৮৮-৪৬৩১৩*

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

### কেৰিয়াৰ বিষয়ৰ লেখা

মাননীয় সম্পাদক মহোদয়,

কেৰিয়াৰ বিষয়ৰ লেখা বিভিন্ন শিক্ষানুষ্ঠান তথা অনুষ্ঠান-প্ৰতিষ্ঠানৰ ৰূপালী, সোণালী, হীৰক জয়ন্তী আদি উপলক্ষে প্ৰকাশিত স্মৃতিগ্ৰন্থ তথা বাৰ্ষিক মুখপত্ৰ আৰু বিভিন্ন আলোচনী, বাতৰি কাকতবোৰলৈ প্ৰেৰণ কৰো আৰু প্ৰকাশ হয়। এইদৰে কেৰিয়াৰ বিষয়ৰ লেখা প্ৰেৰণ কৰাৰ উদ্দেশ্য হ'ল— ৰাজ্যখনৰ গাঁৱে-ভূঞে তথা চহৰে-নগৰে বসবাস কৰা কিছুসংখ্যক ছাত্ৰ-ছাত্ৰী অলপ হ'লেও যাতে কেৰিয়াৰ বিষয়ৰ লেখাবোৰৰ পৰা উপকৃত হয়। লগতে লেখাবোৰত উল্লেখ কৰো যে কেৰিয়াৰ বিষয়ৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ বিনামূলীয়াকৈ ফোন (৯৪৩৫১৮৮৬৩০) যোগেদি পাবৰ বাবে ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকসকলে আমাৰ লগত প্ৰত্যেক শনিবাৰে বিয়লি ৬ বজাৰ পৰা ৯ বজাৰ ভিতৰত যোগাযোগ কৰিব পাৰে আৰু নিৰ্ধাৰণ কৰি দিয়া সময় তথা বাৰৰ বাহিৰে বেলেগ সময়ত কেৰিয়াৰ সম্পৰ্কীয় প্ৰশ্নৰ উত্তৰ ফোনত তথা এছ এম এছ, হোৱাটছএপ আৰু ই-মেইলত দিয়া আমাৰ পক্ষে সম্ভৱ নহয়। ফোনৰ যোগেদি কেৰিয়াৰ বিষয়ৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দিয়াৰ কাৰণ হ'ল ইয়াৰ যোগেদি লগে লগে বিতংভাৱে প্ৰশ্নটোৰ উত্তৰ বুজাই দিব পৰা যায়। এটা কথা জানিব পাৰিছো যে কিছুমান আলোচনী তথা বাতৰি কাকতে মোৰ দহ-বাৰ বছৰৰ পুৰণি কেৰিয়াৰ বিষয়ৰ লেখাবোৰ পুনৰ প্ৰকাশ কৰে। এই লেখাৰ যোগেদি তেওঁলোকক জনাব বিচাৰিছো যে মোৰ লগত যোগাযোগ কৰিলে নতুন তথ্য সন্নিৱিষ্ট হোৱা কেৰিয়াৰ বিষয়ৰ লেখা প্ৰেৰণ কৰিব পাৰিম। যিহেতু পুৰণি লেখাৰ পৰা ছাত্ৰ-ছাত্ৰীসকল বিশেষ উপকৃত নহয় আৰু পুৰণি লেখাবোৰত কেৰিয়াৰৰ শেহতীয়া তথ্যবোৰ নাপাব। তদুপৰি, যদি কোনো অনুষ্ঠান-প্ৰতিষ্ঠান, দল-সংগঠন তথা মহাবিদ্যালয়-বিদ্যালয়ে ছাত্ৰ-ছাত্ৰীসকলৰ লগত মুখামুখিকৈ (অনলাইন-অফলাইন) কেৰিয়াৰ বিষয়ৰ কথাবোৰ আলোচনা কৰিবলৈ আমন্ত্ৰণ জনায়, তেন্তে সময় আৰু সুবিধা হ'লে অংশ গ্ৰহণ কৰিব পাৰো (কিন্তু যাৱতীয় খা-খৰচ বহন কৰিব লাগিব)। বিভিন্ন সময়ত কেৰিয়াৰ সম্পৰ্কে কৰা আলোচনাবোৰৰ ভিডিঅ' আগ্ৰহীসকলে ইউটিউব (https.www.youtube.comuserBuljitvideos)ত চাব পাৰে।

■ ড° বুলজিৎ বুঢ়াগোহাঁই
অসম ডনবস্ক' বিশ্ববিদ্যালয়, আজাৰা
ফোন ঃ ৯৪৩৫১-৮৮৬৩০
ই-মেইল: buljit@gmail.com
www.buljit.com

### লেখক-লেখিকাৰ প্ৰতি


আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**

'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

# দুৰ্গা পূজা আৰু লোক-বিশ্বাস

■ চন্দন কুমাৰ নাথ



প্ৰতি বছৰে, দুৰ্গা পূজা যথেষ্ট ধুমধাম আৰু বৈভৱেৰে পালন কৰা হয়। ভাৰত হৈছে উৎসৱৰ দেশ, যাৰ ভিতৰত এটা হৈছে দুৰ্গা পূজা, যিটো সৌভাগ্যশালী নৱৰাত্ৰি ঋতুৰ পৰা আৰম্ভ কৰি দশেৰাত সমাপ্ত হোৱা পাঁচ দিনৰ বাবে দেৱী দুৰ্গাৰ স্মৰণত অনুষ্ঠিত হয়। ভাৰতীয় পৌৰাণিক কাহিনীত, দেৱী দুৰ্গা, 'শক্তি' নামেৰে জনাজাত স্বৰ্গীয় নাৰী শক্তিৰ প্ৰতিনিধিত্ব, বিশ্বক শক্তিশালী ৰাক্ষস মহিষাসুৰৰ পৰা ৰক্ষা কৰা দেখা গৈছিল, যি কোনো পুৰুষ বা আনকি ঈশ্বৰক হত্যা কৰাত বাধা দিয়া ক্ষমতাৰে সমৃদ্ধ আছিল। দশেৰা নামেৰে জনাজাত হোৱা ৰক্তক্ষয়ী যুঁজৰ দশম দিনটো আছিল যেতিয়া সকলো দেৱতাৰ ঐক্যবদ্ধ শক্তিৰে সজ্জিত মাতৃ দেৱী দুৰ্গা পৃথিৱীত উপস্থিত হৈছিল আৰু পৈশাচিক মহিষাসুৰক পৰাজিত কৰিছিল। দুৰ্গা পূজাৰ দিনবোৰত, দেৱী দুৰ্গা আৰু অন্যান্য দেৱ-দেৱীসকলক ভাৰতৰ চাৰিওফালৰ কেইবা ঠাইত সুন্দৰভাৱে সজোৱা বিশাল পেণ্ডেলত পূজা কৰা হয় যি প্ৰতি বছৰে এক পৃথক অনন্য বিষয়বস্তু দেখুৱায়। ঢাক আৰু ধুনুচি নাচ, ৰং ব্যৱহাৰৰ সৈতে, দেৱীৰ আৰতি কৰা হয়। দুৰ্গা পূজাৰ সময়ত, সমগ্ৰ অসমতে উৎসৱৰ জীৱন্ততাৰে আলোকিত হয়। দুৰ্গা পূজাৰ সময়ত, পৰিয়ালৰ সদস্যসকলে সমগ্ৰ দেশৰ পৰা একত্ৰিত হয় আৰু অতিথিসকলক তেওঁলোকৰ ঘৰলৈ নিমন্ত্ৰণ জনায়। ইয়াৰ উপৰি, এয়া এনে এক সময় যেতিয়া ব্যক্তিসকলে উপহাৰ, নতুন কাপোৰ, গহনা আৰু ঘৰুৱা সামগ্ৰীৰ বাবে বজাৰ কৰিবলৈ যায়। সকলো মানুহে তেওঁলোকৰ জাতি আৰু বিত্তীয় স্থিতি নিৰ্বিশেষে এই উৎসৱ উদ্‌যাপন আৰু উপভোগ কৰে। নৃত্য আৰু সাংস্কৃতিক প্ৰদৰ্শন ইয়াৰ এটা অপৰিহাৰ্য অংশ। সুস্বাদু পৰম্পৰাগত খাদ্যও উৎসৱৰ এক বিশাল অংশ। মানুহে বিশ্বাস কৰে যে দুৰ্গা পূজা উদ্‌যাপনে জীৱনত মানসিক শান্তি আৰু সুখ আনে। দুৰ্গা পূজাই মানুহক তেওঁলোকৰ জীৱনত সন্মুখীন হোৱা জটিলতাৰ ওপৰত সফল হ'বলৈ উৎসাহিত কৰে। এই পূজাত, মানুহে দেৱী দুৰ্গাক তেওঁলোকৰ চাৰিওফালৰ নেতিবাচক শক্তি আৰু চিন্তাবোৰ ধ্বংস কৰিবলৈ উপাসনা কৰে। ই মানুহক জ্ঞান আৰু সমৃদ্ধি লাভ কৰাত আৰু পাপৰ পৰা নামি যোৱাত সহায় কৰে। এই উদ্‌যাপনে কেৱল ধৰ্মীয় প্ৰভাৱেই নহয় কিন্তু পৰম্পৰাগত আৰু সাম্প্ৰদায়িক কথোপকথনৰ বাবেও এক মঞ্চ গঠন কৰে। এই পূজাত, কিছুমান লোকে দ্ৰুতগতিত প্ৰদৰ্শন কৰে আৰু বিভিন্ন ধৰণে দুৰ্গা দেৱীৰ মন্ত্ৰ উচ্চাৰণ কৰে।

*ফোন ঃ ৯১৩২৮-৪৯৭২৬*

জাতি, মাটি আৰু দেশৰ সেৱাত
দৈনন্দিন বাৰ্তা
১ অক্টোবৰ, ২০২২ ■ শনিবাৰ ■ ১৪ আহিন, ১৯৪৪ শক


# গুৱাহাটীত দুদিনীয়া চলচ্চিত্ৰ নিৰ্মাণ কৰ্মশালা 'ৰোড টু মুম্বাই'

## মুম্বাইত জীৱিকা বিচৰাসকলৰ বাবে অভিনৱ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩০ ছেপ্টেম্বৰ ঃ** চলচ্চিত্ৰ নিৰ্মাণক কেৰিয়াৰ হিচাপে ল'ব বিচৰা আৰু কামৰ সন্ধানত মুম্বাইলৈ যাব বিচৰা তৰুণ চিনেমা প্ৰেমীসকলক এই দিশত প্ৰশিক্ষণ দিয়াৰ উদ্দেশ্যৰে 'ভাৰতীয় চিত্ৰ সাধনা' নামৰ সৰ্বভাৰতীয় সাংস্কৃতিক সংগঠনটিয়ে ভাৰতৰ পোন্ধৰখন ঠাইত কৰ্মশালাৰ আয়োজন কৰিছে। প্ৰতিখন ঠাইৰ কৰ্মশালাৰ পৰা দুজনকৈ প্ৰশিক্ষাৰ্থী নিৰ্বাচন কৰা হ'ব বুলি চলচ্চিত্ৰমৰ সভাপতি উৎপল দত্ত আৰু সম্পাদক ভগৱৎ প্ৰীতমে এক প্ৰেছ বিজ্ঞপ্তিযোগে জানিবলৈ দিছে। উল্লেখ্য, সমগ্ৰ ভাৰতবৰ্ষৰ পোন্ধৰ স্থানত হ'বলগীয়া কৰ্মশালাৰ পৰা দুগৰাকীকৈ মুঠ ত্ৰিছগৰাকী প্ৰশিক্ষাৰ্থীৰ বাবে মুম্বাইত এটা পোন্ধৰদিনীয়া আৱাসিক কৰ্মশালা অনুষ্ঠিত হ'ব। এই কৰ্মশালাত প্ৰশিক্ষাৰ্থীসকলৰ বাবে থাকিব মুম্বাইৰ চলচ্চিত্ৰ জগতৰ প্ৰখ্যাত শিল্পী-কলা-কুশলীৰ লগত অন্তৰংগ আলোচনা, বিভিন্ন ধৰণৰ মাষ্টাৰ ক্লাছ, চলচ্চিত্ৰ প্ৰদৰ্শন, চিনেমাত বিভিন্ন ধৰণৰ কৰ্মসংস্থাপন দিয়া ব্যক্তি আৰু প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰ লগত আলোচনা ইত্যাদি। ইয়াৰ লগতে প্ৰশিক্ষাৰ্থীসকলক মুম্বাইৰ বিভিন্ন ষ্টুডিঅ', যাদুঘৰ, সংগ্ৰহালয় আৰু সেই জাতীয় প্ৰতিষ্ঠানলৈ নিয়া হ'ব। সামগ্ৰিকভাৱে, সাম্প্ৰতিক কালৰ ভাৰতীয় চিনেমাৰ বিষয়ে আৰু লগতে মুম্বাইৰ চলচ্চিত্ৰ জগতত প্ৰৱেশৰ বাবে প্ৰয়োজনীয় আটাইবোৰ কথাকেই এই কৰ্মশালাত শিকোৱা হ'ব বুলি প্ৰেছ বিজ্ঞপ্তিত প্ৰকাশ কৰা হৈছে। সেই বাবেই উক্ত কৰ্মশালাৰ নাম দিয়া হৈছে 'ৰোড টু মুম্বাই'। উত্তৰ-পূব ভাৰতৰ আগ্ৰহীসকলৰ বাবে এই কৰ্মশালাৰ আয়োজন কৰা হৈছে অহা অক্টোবৰ মাহৰ পোন্ধৰ আৰু ষোল তাৰিখে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত পুৰা দহ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া এই কৰ্মশালাত যোগ দিবলৈ ইচ্ছা কৰাসকলৰ বয়স কুৰিৰ পৰা ত্ৰিছ বছৰৰ মাজত হ'ব লাগিব। পোন্ধৰ অক্টোবৰৰ পুৱা কৰ্মশালাৰ উদ্বোধনী অনুষ্ঠানত অংশগ্ৰহণ কৰিব মাখনলাল চতুৰ্বেদী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য আৰু বৰ্তমানে হাৰিয়ানা উচ্চ শিক্ষা পৰিষদৰ চেয়াৰমেন ড° ব্ৰজকিশোৰ কুঠীয়ালাই। এই কৰ্মশালাত নিজৰ নাম পঞ্জীয়ন কৰিবলৈ চিত্ৰ ভাৰতীৰ ৱেবচাইট chitrabharati.orgত লগ ইন কৰিব লাগিব আৰু আঠ অক্টোবৰৰ আগতেই নাম পঞ্জীয়ন কৰিব লাগিব। পঞ্জীয়ন মাচুল মাত্ৰ পাঁচশ টকা। অন্য কিবা তথ্যৰ বাবে ৭০০২১৫৩৯৬৪ নম্বৰত হোৱাটছএপ বাৰ্তা দিব পাৰিব। গুৱাহাটীৰ বাহিৰৰ প্ৰশিক্ষাৰ্থীৰ বাবে থকাৰ ব্যৱস্থা কৰা হ'ব বুলিও চলচ্চিত্ৰমৰ সভাপতি আৰু সম্পাদকগৰাকীয়ে জানিবলৈ দিছে।

# অসম ডনবস্ক' বিশ্ববিদ্যালয়ত প্ৰাক্তন শিক্ষাৰ্থীৰ বক্তৃতা অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩০ ছেপ্টেম্বৰ ঃ** গুৱাহাটী আজাৰাস্থিত অসম ডন বস্ক' বিশ্ববিদ্যালয় স্কুল অৱ টেকন'লজীৰ যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ উদ্যোগত ৩০ ছেপ্টেম্বৰ তাৰিখে এখন প্ৰাক্তন শিক্ষাৰ্থীৰ বক্তৃতা অনুষ্ঠান সম্পন্ন হয়। যান্ত্ৰিক অভিযান্ত্ৰিক বিভাগৰ মুৰব্বী তথা কেৰিয়াৰ পৰামৰ্শদাতা ড° বুলজিৎ বুঢ়াগোহাঁয়ে আদৰণী ভাষণ আগবঢ়োৱা অনুষ্ঠানটোত সমল ব্যক্তি হিচাপে উপস্থিত থাকে প্ৰাক্তন ছাত্ৰ বিষ্ণু প্ৰকাশ মেধি আৰু সিদ্ধাৰ্থ বৰা। তেওঁলোকে ভাৰতত পেটেণ্ট দাখিলৰ বাবে কি কি পদক্ষেপ গ্ৰহণ কৰিব লাগে তাৰ বিষয়ে ব্যাখ্যা কৰে। উল্লেখ্য যে, তেওঁলোকৰ বি টেক প্ৰকল্পৰ কাম 'এ লিকুইফাইড পেট্ৰ'লিয়াম গেছ (এল পি জি) চিলিণ্ডাৰ কেৰেজ ফৰ পেডেল প্ৰপেলড চাইকেল ৰিক্সা' 'দ্য পেটেণ্ট অফিচ জাৰ্নেল নং ৩৬/২০২২'ত প্ৰকাশ হৈছে। তেওঁলোকে শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰাৰ লগতে প্ৰেৰণাদায়ক মন্তব্য আগবঢ়ায়।

# হাজোৰ বঙালপাৰাৰ ৰতনপুৰত প্ৰবল খহনীয়াত শংকিত ৰাইজ

## চৰকাৰলৈ স্থায়ী সমাধানৰ দাবী ৰাইজৰ, খহনীয়া প্ৰতিৰোধৰ বাবে সমূহীয়া দোৱা-প্ৰাৰ্থনা ৰাইজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ৩০ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ হাজো সমষ্টিৰ অন্তৰ্গত বঙালপাৰা পঞ্চায়তৰ সমীপৱৰ্তী ৰতনপুৰ গাঁৱত ব্ৰহ্মপুত্ৰ সৃষ্টি প্ৰবল খহনীয়াই কৰলত পৰা পৰিস্থিতি হৈছে অঞ্চলটো। যাৰ বাবে প্ৰতিদিনেই শংকিত হৈ পৰিছে গাঁওবাসী। বছৰ বছৰ ধৰি নৈৰ প্ৰবল খহনীয়াৰ ফলত উছন্ন হৈছে বহুতো পৰিয়ালৰ শ শ বিঘা কৃষিভূমি নৈৰ বুকুত জাহ গৈছে। এই গাঁওখনতেই ভেলকৰ পানী যোগান আঁচনি, ১০২নং বঙালপাৰা গাঁও পঞ্চায়ত, ৰতনপুৰ উপস্বাস্থ্য কেন্দ্ৰ, ২নং ভেলকৰ প্ৰাথমিক বিদ্যালয় ইত্যাদি কেইবাটাও চৰকাৰী বিভাগ আছে। সেয়েহে বিগত সময়ছোৱাত বাঢ়নী পানীয়ে ব্যাপকভাৱে খহনীয়াৰ সৃষ্টি কৰাৰ পিছত আজি স্থানীয় ৰাইজে অদৃশ্যজনৰ ওচৰত দোৱা-প্ৰাৰ্থনা আদায়ৰে নৈখনৰ পাৰত একত্ৰিত হয়। ইফালে জনপ্ৰতিনিধি তথা চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষই খহনীয়া ৰোধ কৰাৰ বাবে বিগত সময়ছোৱাত কোনো ধৰণৰ ফলপ্ৰসু ব্যৱস্থা হাতত নোলোৱাত অঞ্চলবাসী ৰাইজে দিশহাৰা হৈ পৰিছে বুলি প্ৰকাশ কৰে। সেয়ে বৃহত্তৰ অঞ্চলটো খহনীয়াৰ কৱলৰ পৰা ৰক্ষা কৰাৰ পৰিকল্পনা যুগত কৰি সু-ব্যৱস্থা গ্ৰহণৰে স্থায়ী সমাধান কৰিবলৈ স্থানীয় বিধায়িকাৰ উপৰি বিভাগীয় কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছে ৰাইজে। অৱশ্যে অনাগত দিনত চৰকাৰ প্ৰশাসনে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া সময়তহে লক্ষণীয় বিষয় হ'ব।

# নগাঁৱত এন এইচ পি চিৰ প্ৰতিকৃতি দাহ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ৩০ ছেপ্টেম্বৰ ঃ** নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ নামনি অংশত বসবাস কৰা ৰাইজৰ নিৰাপত্তা নিশ্চিত কৰা আৰু প্ৰকল্পটোৰ কাম বন্ধ কৰাৰ দাবীত আজি সদৌ নগাঁও জিলা ছাত্ৰ সন্থাই প্ৰকল্পটোৰ নিৰ্মাণকাৰী সংস্থা এন এইচ পি চিৰ প্ৰতিকৃতি দাহ কৰে। সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ কাম বন্ধ কৰক, ৰাইজৰ নিৰাপত্তা নিশ্চিত কৰক, এন এইচ পি চি হুচিয়াৰ, বিজেপি চৰকাৰ হায় হায় আদি ধ্বনি দি পৰিৱেশ উত্তাল কৰি তোলে। সদৌ নগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি গৌৰী শংকৰ শইকীয়াই সংবাদ মাধ্যমৰ আগত জানিবলৈ দিয়ে যে চৰকাৰে সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পৰ নামনি অংশৰ জনসাধাৰণৰ নিৰাপত্তা নিশ্চিত নকৰিলে আৰু প্ৰকল্পৰ কাম বন্ধ নকৰিলে ছাত্ৰ সন্থাই ব্যাপক গণ-আন্দোলন গঢ়ি তুলিব।

# পূজাৰ পূৰ্বে বোনাচ-বকেয়া আদায় দিয়াৰ দাবী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩০ ছেপ্টেম্বৰ ঃ** ভাৰতীয় শ্ৰমিক কামগাৰ কৰ্মচাৰী মহাসংঘই যোৰহাটৰ টোকোলাই চাহ গৱেষণা প্ৰতিষ্ঠানৰ কৰ্মচাৰীসকলক পূজাৰ পূৰ্বে অনাদায় বকেয়াসমূহ আদায় দিয়াৰ লগতে উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ কৰ্মচাৰীসকলক পূজাৰ পূৰ্বে বোনাচ প্ৰদান কৰিবলৈ দাবী জনাইছে। ভাৰতীয় শ্ৰমিক কামগাৰ কৰ্মচাৰী মহাসংঘৰ অসম ৰাজ্যিক সভাপতি নিলম হাজৰিকাই কয় যে বোনাচ আৰু বকেয়া আদি শ্ৰমিক কৰ্মচাৰীসকলকৰ ন্যায্য প্ৰাপ্য আৰু সকলো বিভাগেই এই ন্যায্য প্ৰাপ্যসমূহ কৰ্মচাৰীসকলক প্ৰদান কৰাটো বিভাগসমূহৰ দায়িত্ব। শ্ৰমিক-কৰ্মচাৰীসকলক এই ন্যায্য প্ৰাপ্তিৰ পৰা বঞ্চিত কৰাটো কোনো কাৰণতে মানি লোৱা নহ'ব। সেয়েহে আমি শীঘ্ৰেই টোকোলাই চাহ গৱেষণা প্ৰতিষ্ঠানৰ কৰ্মচাৰীসকলকৰ বকেয়াসমূহ আৰু উত্তৰ-পূব সীমান্ত ৰে'লৱে কৰ্মচাৰীসকলকৰ বোনাচসমূহ মোকলাই দিবলৈ দাবী জনাইছো। অন্যথা কৰ্মচাৰীসকলে ন্যায্য প্ৰাপ্তিৰ বাবে গ্ৰহণ কৰা সকলো ধৰণৰ কাৰ্যসূচীক ভাৰতীয় শ্ৰমিক কামগাৰ কৰ্মচাৰী মহাসংঘই পূৰ্ণ সমৰ্থন জনাব।

# ৰাজ্যবাসীলৈ শাৰদীয় দুৰ্গা পূজাৰ হিয়াভৰা শুভেচ্ছা ঢেকীয়াজুলিৰ শংকৰ-আজান মহাবিদ্যালয়ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ঢেকীয়াজুলি, ৩০ ছেপ্টেম্বৰ ঃ** সমাগত শাৰদীয় দুৰ্গা পূজা। শাৰদীয় দুৰ্গা পূজালৈ মাজত মাত্ৰ এটা দিন বাকী। চৌদিশে এতিয়া দেৱী দুৰ্গা পূজাৰ ব্যাপক প্ৰস্তুতি। সকলোৰে মাজত বিৰাজমান শাৰদীয় পূজাৰ উছাহ- উদ্দীপনা। দুৰ্গা পূজাৰ প্ৰাক্‌ক্ষণত দেশবাসীলৈ শাৰদীয় দুৰ্গা পূজাৰ আন্তৰিক হিয়াভৰা শুভেচ্ছা জ্ঞাপন কৰিছে ঢেকীয়াজুলিস্থিত শংকৰ-আজান মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীসকলে। দৰিদ্ৰ তথা পিছপৰা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ দিশত আগবঢ়াই নিয়াৰ উদ্দেশ্যৰে প্ৰতিটো বিষয়ত অগ্ৰাধিকাৰ দি ২০২০ চনৰ কৰ'না মহামাৰীৰ মাজতে ঢেকীয়াজুলিৰ শিক্ষিত যুৱক-যুৱতীৰ প্ৰচেষ্টাতে জন্মলাভ কৰিছিল শংকৰ-আজান মহাবিদ্যালয়ে। বৰ্তমান ঢেকীয়াজুলি নগৰৰ এক সুপৰিচিত নাম শংকৰ-আজান মহাবিদ্যালয়। আজি শংকৰ-আজান মহাবিদ্যালয়ৰ অধ্যক্ষ ববিতা বৰা আৰু মুখ্য কাৰ্যালয় সহায়ক আইজুল ইছলামৰ



তত্ত্বাৱধানত এখন শাৰদীয় সভা অনুষ্ঠিত কৰি ৰাজ্যবাসীলৈ দুৰ্গা পূজাৰ আন্তৰিক হিয়াভৰা শুভেচ্ছা জ্ঞাপন কৰে। দৈনন্দিন বাৰ্তালৈ প্ৰেৰণ কৰা এক শুভেচ্ছা বাৰ্তাত ৰাজ্যবাসীলৈ সমাগত শাৰদীয় দুৰ্গা পূজাৰ শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে সকলোৰে মংগল কামনা কৰে শংকৰ-আজান মহাবিদ্যালয়ৰ তৰফৰ পৰা। লগতে শুভেচ্ছা বাৰ্তাৰ জৰিয়তে কয়—দেৱী দুৰ্গাই বিশ্বৰ পৰা অপশক্তি বিনাশ কৰি দেশজুৰি শান্তিৰ বাৰ্তা কঢ়িয়াই আনক আৰু সকলোৰ মাজতে ভাতৃত্ববোধ, সমন্বয় স্থাপন কৰক।

# অসম আন্দোলনৰ নেত্ৰী ডিমৌৰ ধৰ্মপ্ৰাণ মহিলা অনিমা ফুকনৰ বিয়োগ, ডিমৌত শোকৰ ছাঁ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ৩০ ছেপ্টেম্বৰ ঃ** ছবছৰীয়া অসম আন্দোলনত সন্মুখৰ পৰা নেতৃত্ব প্ৰদান কৰা ডিমৌৰ ধৰ্মপ্ৰাণ মহিলা, সকলোৰে শ্ৰদ্ধাৰ ডিমৌ কুশল পথ নিৱাসী প্ৰয়াত গুণাৰাম ফুকনৰ পত্নী অনিমা ফুকন (৮৩) যোৱানিশা নিজা বাসগৃহত প্ৰায় ১০.৩০ বজাত মৃত্যু হোৱাৰ বাতৰিয়ে সমগ্ৰ ডিমৌবাসী ৰাইজক মৰ্মাহত কৰিছে। বিগত কেইবাটাও দশক ধৰি ৰাজহুৱা বিভিন্ন কামত জড়িত থকাৰ উপৰি ডিমৌ অঞ্চলৰ বিভিন্ন ৰাজনৈতিক, অৰাজনৈতি দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ থকা অনিমা ফুকনে 'কা' আন্দোলনতো সন্মুখৰ পৰা নেতৃত্ব প্ৰদান কৰি নাগৰিকত্ব সংশোধনী আইনৰ বিৰুদ্ধে ৰাইজক সজাগ কৰিছিল। ডিমৌ অঞ্চলৰ এগৰাকী সমাজসেৱিকা, ধৰ্মপ্ৰাণ মহিলাৰ উপৰি এগৰাকী সুদক্ষ খেলুৱৈ হিচাপেও পৰিচিত আছিল। অগপ দলৰ প্ৰতিষ্ঠা কালৰ সক্ৰিয় সদস্যৰ লগতে ডিমৌ ৰাসত আৰম্ভণিৰ পৰা জড়িত হৈ গোৱালী ভাৰতো অভিনয় কৰিছিল প্ৰয়াত ফুকনে। তদুপৰি ডিমৌ আঞ্চলিক ছাত্ৰ সন্থাক অভিভাৱকৰ দৰে পৰামৰ্শ প্ৰদান কৰি অহা অনিমা ফুকনৰ বিয়োগত শোক প্ৰকাশ কৰি ডিমৌ আঞ্চলিক




ছাত্ৰ সন্থায়ো পৰিয়াল বৰ্গলৈ গভীৰ সমবেদনা জনায়। যোৱানিশা অনিমা ফুকনৰ মৃত্যুৰ বাতৰি সমগ্ৰ অঞ্চলত বিয়পি পৰাত তেওঁৰ বাসগৃহত অগণন গুণমুগ্ধই তেওঁৰ বাসগৃহত ভিৰ কৰেহি। মৃত্যু সময়ত পুত্ৰ-বোৱাৰীক এৰি থৈ যায় ইহসংসাৰত।

# কৃতী শিক্ষক ৰমেশ চন্দ্ৰ শৰ্মা সোঁৱৰণী ৰাষ্ট্ৰীয় পৰ্যায়ৰ চিত্ৰাংকন প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩০ ছেপ্টেম্বৰ ঃ** গুৱাহাটীৰ সুৰজিৎ একাডেমী আৰু নেচনেল কাউঞ্চিল ফৰ টিচাৰ ছায়েণ্টিষ্ট, অসম (এন চি টি এছ, অসম)ৰ উদ্যোগত গুৱাহাটী বিশ্ববিদ্যালয়ৰ আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা কৃতী শিক্ষক ৰমেশ চন্দ্ৰ শৰ্মা সোঁৱৰণত ৰাষ্ট্ৰীয় পৰ্যায়ত চিত্ৰাংকন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। প্ৰতিযোগিতা 'ক' শাখা প্ৰথম মানৰ পৰা চতুৰ্থ শ্ৰেণীলৈ আৰু 'খ' শাখা পঞ্চম মানৰ পৰা অষ্টম শ্ৰেণীলৈ। 'ক' শাখাৰ বিষয়বস্তু 'বন আৰু বন্যপ্ৰাণী ৰক্ষা কৰা' আৰু 'খ' শাখাৰ বিষয়বস্তু 'আত্মনিৰ্ভৰ ভাৰত'। প্ৰতিযোগিতাৰ কোনো ভৰ্তি মাচুল নাই। প্ৰতিযোগীসকলে অংকিত ফটো তলত দিয়া হোৱাটছএপ নম্বৰত, ই-মেইলত নাইবা তলত দিয়া ঠিকনাত নিজৰ নাম, বিদ্যালয়ৰ নাম, শ্ৰেণীৰ নাম, নিজৰ এখন পাছপ'ৰ্ট ফটো, বিদ্যালয়ৰ পৰিচয়-পত্ৰ, জন্ম প্ৰমাণ-পত্ৰ, সম্পূৰ্ণ ঘৰৰ ডাক ঠিকনা, মোবাইল নম্বৰৰ সৈতে ২০ অক্টোবৰৰ ভিতৰত মোবাইল নম্বৰ ৯৯৪৩৫০৪২৩৪৮ নাইবা ইমেইল simbin2011@gmail.com ত পঠাব লাগিব নাইবা অংকিত ফটো ডাকযোগে বিনীতা দেৱী, অধ্যক্ষ, সুৰজিৎ একাডেমী, অসম আভিযান্ত্ৰিক মহাবিদ্যালয় চৌহদ, আমাৰ পথ, গুৱাহাটী-১৩ত পঠাব পাৰিব। প্ৰতিযোগিতাৰ ফলাফলসমূহ ২৩ অক্টোবৰ তাৰিখে ঘোষণা কৰা হ'ব।

# নগাঁৱত লোকসেৱক হলধৰ ভূঞা সোঁৱৰণী অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ৩০ ছেপ্টেম্বৰ ঃ** ভাৰতীয় গণনাট্য সংঘ, নগাঁও জিলা সমিতিৰ উদ্যোগত তথা নগাঁৱৰ ৰাইজৰ সহযোগত যোৱা ২৮ ছেপ্টেম্বৰত তেখেতৰ জন্ম-জয়ন্তীৰ লগত সংগতি ৰাখি ৩০ ছেপ্টেম্বৰৰ সন্ধিয়া ৬ বজাত প্ৰবীণ চিত্ৰ সাংবাদিক মুকুট ভূঞাৰ বাসগৃহৰ চৌহদত এক সোঁৱৰণী অনুষ্ঠানৰ আয়োজন কৰা হয়। সভাত নগাঁও চহৰৰ লগতে নগাঁৱৰ দাঁতিকাষৰীয়া কেইবাখনো জিলাৰ বহুসংখ্যক সমাজৰ বিভিন্ন ক্ষেত্ৰৰ গণ্য-মান্য লোক উপস্থিত থাকে। গৌৰী বল্লভ গোস্বামী, মুনীন মহন্ত, মুকুট ভূঞা, দেৱেন মুক্তিয়াৰ, শিৱানন্দ কাকতি, অমৰেন্দ্ৰ শৰ্মা, জয়ন্ত বৰা, কনক হাজৰিকা, খগেন শইকীয়া, নিজৰা শইকীয়া, ৰাতুল বৰা, বাবুল শৰ্মা কাজিৰঙা, ঈশান কোচ ৰাজবংশী, মনোজ সিংহ ৰাজা আদিয়ে। ডাঃ কমল লস্কৰে হলধৰ ভূঞাৰ প্ৰতিচ্ছবিত মাল্যৰ্পণ আৰু চন্দনা বৰুৱা হাজৰিকাই এটি বৰগীতেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে। অনুষ্ঠানটোৰ আঁত ধৰে নিজৰা শইকীয়াই। মোলান লস্কৰে সভাপতিত্বত কৰা সভাখনত বহুকেইজন বক্তাই হলধৰ ভূঞাৰ কৰ্মৰাজি, সমাজ জীৱনলৈ মহান অৱদান সম্পৰ্কত আলোকপাত কৰা হয়। সভাত নগাঁও চিকিৎসা মহাবিদ্যালয়ৰ নাম হলধৰ ভূঞাৰ নামত ৰাখিবলৈ চৰকাৰৰ প্ৰতি অনুৰোধ জনোৱাৰ প্ৰস্তাৱ লোৱা হয়। সভাত উপস্থিত থকা বিভিন্নজনে গণনাট্য সংঘৰ প্ৰচেষ্টাৰ শলাগ লয়।

# মৰিগাঁৱত ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস উদ্‌যাপন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ৩০ ছেপ্টেম্বৰ ঃ** ৰাজ্যখনৰ অন্যান্য জিলাৰ লগতে আজি মৰিগাঁও জিলাতো স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অধীনত অনুষ্ঠিত হয় 'ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস'। এই কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে মৰিগাঁও



জিলাৰ অতিৰিক্ত উপায়ুক্ত অৰুন্ধতী নৰহ মিপুনে। এই উপলক্ষে মৰিগাঁও এছ টি এইচ জি অসামৰিক চিকিৎসালয়ৰ এ এন এম প্ৰশিক্ষণ কেন্দ্ৰত আয়োজন কৰা উদ্বোধনী সভাত উপস্থিত থাকি অতিৰিক্ত উপায়ুক্ত অৰুন্ধতী নৰহ মিপুনে কয় যে পেলু সংক্ৰমণৰ ফলত যাতে জিলাখনত কোনো এটি শিশু, কিশোৰ-কিশোৰী ৰক্তস্বল্পতা, পুষ্টিহীনতাত নোভোগে তাৰ প্ৰতি সকলো সজাগ হ'ব লাগিব। এখন পেলুমুক্ত অসম গঢ়াৰ যি সংকল্প সেয়া সাৰ্থক কৰি তুলিবলৈ পিতৃ-মাতৃ, অভিভাৱক-অভিভাৱিকা আৰু সমাজৰ সকলো পক্ষক অংশ ল'বলৈও তেওঁ আহ্বান জনায়। সভাখনত ভাৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ সোণেশ্বৰ দেওৰজা, অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ জয়ন্ত কুমাৰ দাসৰ উপৰি স্বাস্থ্য বিভাগৰ জিলা পৰ্যায়ৰ কেইবাগৰাকী বিষয়া উপস্থিত থাকি গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। উল্লেখ্য যে, সভাৰ শেষত আনুষ্ঠানিকভাৱে ১০গৰাকী শিশুক পেলুনাশক বড়ি খুওৱা হয় আৰু একোটিকৈ আকৰ্ষণীয় পুৰস্কাৰ প্ৰদান কৰা হয়।

# পুৰণি ৰজাঘৰীয়া পৰম্পৰা আনুসৰি বগৰীবাৰীৰ ঐতিহাসিক মা মহামায়া মন্দিৰৰ ব্যতিক্ৰমধৰ্মী দুৰ্গা পূজা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ৩০ ছেপ্টেম্বৰ ঃ** পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত বগৰীবাৰীৰ ঐতিহাসিক মা মহামায়া মন্দিৰৰ পাঁচশবছৰীয়া পুৰণি ৰজাঘৰীয়াক ব্যতিক্ৰম দুৰ্গা পূজা প্ৰতি বছৰৰ দৰে এইবেলি দেৱীৰ বোধনৰ জৰিয়তে আৰম্ভ হ'ব। এই পূজাত কোনো দেৱীৰ প্ৰতিমূৰ্তিৰ পৰিৱৰ্তে ঘট স্থাপন কৰি দেৱী দুৰ্গা পূজা অনুষ্ঠিত কৰে। পৌৰাণিক ইতিহাস অনুসৰি ষোল্লশ শতিকাৰ শেষৰ ফালে বগৰীবাৰীৰ পৰ্বতীয়াৰ ষ্টেটৰ জমিদাৰ হাতীবৰ চৌধুৰীৰ তত্ত্বাৱধানত মহামায়া মন্দিৰৰ পুৰণি ৰজাঘৰীয়া ৰীতি-নীতিৰে ব্যতিক্ৰমধৰ্মী এই দুৰ্গা পূজা আৰম্ভ হৈছিল। তাহানিৰ কালৰে পৰা আৰম্ভ হোৱা এই পূজাত নাই কোনো দেৱীৰ প্ৰতিমূৰ্তি। তাহানিৰ ৰজাঘৰীয়া পৰম্পৰা অনুসৰি মহা ষষ্ঠীৰ দিনা দেৱীৰ বোধনৰ মাজেদি ঘট স্থাপন কৰি ষোড়শ পদ্ধতিৰে দেৱী দুৰ্গা পূজা আৰম্ভ হয়। এইপূজাৰ বিশেষত্ব হৈছে প্ৰতিদিন পূজাত অঙ্গীয় চণ্ডীপাঠ, প্ৰতিদিন এহাজাৰটা বিল্বপত্ৰ দান, দুৰ্গা মন্ত্ৰপাঠ, বটুক পূজা আৰু পাঠ আৰু হোম যজ্ঞ অনুষ্ঠিত হয়। লগতে দেৱতা পাগল নাথ, পদ্মা, কালী, পঞ্চদেৱতাৰ পূজা অনুষ্ঠিত হয়। পূজাস্থলীত প্ৰতিদিন পদ্মাপুৰাণৰ গীতৰ প্ৰচলন আছে। ষষ্ঠীৰ দিনাৰ পূজাৰে পৰা প্ৰতিদিন পঠা, পাৰ, হাহ, মাগুৰ মাছ বলি দিয়া হয়। পাঁচশ বছৰীয়া পৰম্পৰা অনুসৰি প্ৰতিদিন পূজাত কাছ বলি দিয়াৰ পৰম্পৰা আছিল যদিও বৰ্তমানে আইনগত কাৰণত ই বন্ধ হৈ আছে। এই পূজাত প্ৰতিদিন দুই কুইণ্টল পৰিমাণৰ চাউলৰ ভোগ দিয়াটো পৰম্পৰাগতভাৱে চলি আছে। প্ৰতি বছৰৰ দৰে মহানৱমীৰ দিনা বলি দিয়া হয়। লগতে শক্তিপীঠৰ পৰম্পৰা অনুসৰি বলি দিয়াৰ পৰম্পৰা চলি আহিছে আৰু এইবেলিও ম'হ বলি দিয়া হ'ব বুলি জানিব পৰা গৈছে। স্মৰ্তব্য যে এইবেলিও ম'হ বলি দিয়া হ'ব বুলি জানিব পৰা গৈছে। স্মৰ্তব্য যে, এই এই পূজা নতুনকৈ বা কোনো বেলেগ পুৰোহিতে কৰিব নোৱাৰে। উল্লেখ্য যে, প্ৰায় পাঁচশ বছৰ পূৰ্বে মা মহামায়াই সপোনত কন্দৰ্প নাৰায়ণ ব্ৰহ্মচাৰীক পূজা-অৰ্চনা কৰাৰ বাবে আদেশ দিয়াৰ দিনৰে পৰা তেওঁৰ পৰিয়ালৰ লোকেই মা মহামায়াৰ এই পূজা কৰাৰ পৰম্পৰা চলি আছে। এই পূজা দৰ্শন কৰিবলৈ দেশ-বিদেশৰ পৰা হাজাৰ হাজাৰ ভক্তপ্ৰাণ ৰাইজৰ লগতে দৰ্শনাৰ্থীৰ সমাগম ঘটে। এইবেলিও এই পূজা অনুষ্ঠিত কৰিবলৈ পৰিচালনা সমিতিয়ে ব্যাপক আয়োজন কৰিছে।

NEMCARE
Group of Institutions
Approved By: HFW Govt. of Assam, AICTE, PCI and INC Govt. of India, and IMA
Affiliated to: SSUHS, Govt. of Asssam, ASTU Govt. of Assam, ANC Govt of Assam
ADMISSION OPEN FOR 2022-23
OUR COURSES
❖ B Pharm ❖ BSc Nursing
❖ D Pharm ❖ GNM
❖ B Pharm (Lateral)
❖ Master in Hospital Administration
CALL NOW FOR MORE INFORMATION
*Special Scholarship Available
Education Loan Facilities Available
98540 07355
98540 07356
www.ngiguwahati.in
info@ngiguwahati.in
Campus: NH-37, Santipur, Mirza, Kamrup Asssam-781125
*T&C applicable

# আছুৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদকৰ দায়িত্ব শিৱসাগৰৰ সমীৰণ ফুকনলৈ

## জাজীৰ পৰা শ শ আছুৰ কৰ্মীয়ে আদৰি আনিলে জিলা কাৰ্যালয়লৈ শতাধিক অনুষ্ঠান-প্ৰতিষ্ঠানে জনালে উষ্ম অভিনন্দন

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৩০ ছেপ্টেম্বৰ ঃ** বিগত কিছু সময় ধৰি সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিত শিৱসাগৰ জিলাখনৰ পৰা মুখ্য পদবীসমূহত প্ৰতিনিধি শূন্য হৈ আছিল যদিও অৱশেষত জিলাখনৰ এই অভাৱ পূৰণ হ'ল। আছুৰ কেন্দ্ৰীয় সমিতিত এইবাৰ স্থান লাভ কৰিলে শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ প্ৰাক্তন সম্পাদক তথা সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য সমীৰণ ফুকনে। কেন্দ্ৰীয় সমিতিখনৰ মূল সমিতিখনৰ অন্যতম সহকাৰী সাধাৰণ সম্পাদকৰূপে সমীৰণ ফুকনক নিৰ্বাচিত কৰা হয়। এই খবৰে উৎফুল্ল কৰি তুলিছে শিৱসাগৰৰ সচেতন মহলক। উল্লেখ্য যে কালি গুৱাহাটীত অনুষ্ঠিত হোৱা আছুৰ সভাত সহকাৰী সাধাৰণ সম্পাদক পদত ফুকনে নিৰ্বাচিত হোৱাৰ পিছত আজি গৃহ জিলা শিৱসাগৰত উপস্থিত। বহু দিনৰ বিৰতিৰ পিছত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিত শিৱসাগৰৰ এজন ছাত্ৰ নেতাই পদবী লাভ কৰাক লৈ উৎফুল্ল হৈ পৰিছে শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ লগতে শিৱসাগৰৰ সমাজ সচেতন মহল। স্মৰ্তব্য যে, শিৱসাগৰক প্ৰতিনিধিত্ব কৰি ৰঞ্জিত গগৈয়ে ২০০৫ চন পৰ্যন্ত আছুৰ উপ-সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। ইয়াৰ পৰৱৰ্তী সময়ত সুদীৰ্ঘ ১৮ বছৰৰ পিছত সংগঠনটোৰ অন্যতম এটা শীৰ্ষ পদবী সমীৰণ ফুকনৰ নামেৰে শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ লগতে জিলাবাসীয়ে লাভ কৰিছে। এই উছাহৰ মাজতে আজি জিলা ছাত্ৰ সন্থাৰ উদ্যোগত নৱ-নিৰ্বাচিত সহকাৰী সম্পাদকগৰাকীক শিৱসাগৰ জিলাৰ সীমা জাঁজীৰ পৰা শ শ আছুৰ কৰ্মীয়ে আদৰি আনে শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ কাৰ্যালয়লৈ। এই দীঘলীয়া শোভাযাত্ৰাত বিভিন্ন স্থানত বিভিন্ন অনুষ্ঠানে সম্বৰ্ধনা জনোৱাৰ লগতে ৰংঘৰ চাৰিআলিত আমগুৰি যুৱ সমাজ, মছজিদ পৰিচালনা সমিতি, ৰংঘৰ চাৰিআলি যুৱ সমাজ, হাতীখোক ক্ৰীড়া সন্থাকে ধৰি কেইবাটাও অনুষ্ঠানে সম্বৰ্ধনা জ্ঞাপন কৰে। ইয়াৰ পিছতে শিৱসাগৰ নগৰত এক শোভাযাত্ৰা বাহিৰ কৰি কে পি এম চাৰিআলিৰ পৰা গায়ন-বায়নেৰে ছাত্ৰ সন্থাৰ কাৰ্যালয়লৈ আদৰি আনে। শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ শ্বহীদ বেদীত অসম আন্দোলনৰ শ্বহীদসকলক নৱ-নিৰ্বাচিত সহকাৰী সম্পাদকগৰাকীয়ে শ্ৰদ্ধা জ্ঞাপন কৰাৰ পিছতে এক সম্ভাষণ অনুষ্ঠান সম্পন্ন হয়। শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ সভাপতি মানৱ হাজৰিকাৰ সঞ্চালনাত তথা সম্পাদক দীপাংকৰ শইকীয়াই আঁত ধৰা অনুষ্ঠানত উক্ত সম্ভাষণ সভাত শিৱসাগৰ কলেজৰ প্ৰাক্তন অধ্যক্ষ ড° প্ৰকাশ কটকী, শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সৌমাৰজ্যোতি মহন্ত উপস্থিত থাকে। ড° কটকীয়ে নৱ-নিৰ্বাচিত সহকাৰী সম্পাদক সমীৰণ ফুকনক শুভেচ্ছা জ্ঞাপন কৰি তেওঁক এজন যোগ্য আৰু শক্তিশালী ছাত্ৰনেতা বুলি অভিহিত কৰি কয় যে তেওঁৰ ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত নেতৃত্ব প্ৰদান কৰাৰ লগতে তেওঁলোকক উচিত পথ দেখাবলৈ সক্ষম হৈছিল বুলি উল্লেখ কৰে। সেইদৰে ড° মহন্তই এই নতুন পদবীক কেন্দ্ৰ কৰি সমীৰণৰ দায়িত্ব বাঢ়িল বুলি উল্লেখ কৰি তেওঁৰ নতুন দায়িত্ব অধিক দক্ষতাৰে পালন কৰিব বুলি আশা প্ৰকাশ কৰে। এই দায়িত্ব পালনত কৰণীয় আৰু প্ৰত্যাহ্বান অনুধাৱন কৰিবলৈ তেওঁ ফুকনক আহ্বান জনায়। আজিৰ অনুষ্ঠানত নৱ-নিৰ্বাচিত সহকাৰী সম্পাদকগৰাকীয়ে নিজৰ মনৰ ভাব প্ৰকাশ কৰি কয় যে সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিত লাভ কৰি এই পদবী মোৰ প্ৰাপ্তি নহয় বৰঞ্চ এয়া আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাপ্তি। এই পদবী মোৰ বাবে এক দায়বদ্ধতা। এই দায়বদ্ধতা পালনত মই সমূহ ৰাইজৰ সহায়-পৰামৰ্শ প্ৰদান কৰিব। জিলাখনৰ উন্নয়ন মোৰ প্ৰাথমিক কৰ্তব্য। এই কৰ্তব্য পালনত যাতে মই কক্ষচ্যুত নহওঁ তাৰ বাবে ৰাইজে মোক পথ প্ৰদৰ্শন কৰিব। শিক্ষকৰ ঘৰৰ সন্তানৰূপে আদৰ্শ আৰু উন্নয়নৰ পথত আগবাঢ়ি যাবলৈ ৰাইজক সহায় কৰিবলৈ সমীৰণ ফুকনে ৰাইজক আহবান জনায়। আজিৰ সম্ভাষণ অনুষ্ঠানত শিৱসাগৰ সাহিত্য সভা, শিৱসাগৰ টিএমপিকে, শিৱসাগৰ ক্ৰীড়া সন্থা, শিৱসাগৰ জিলা কৰ্মচাৰী সন্থা, অইল ফিল্ড ৱাৰ্কাৰ্ছ এছ'চিয়েচন, শিশু ফুটবল প্ৰশিক্ষণ কেন্দ্ৰ, শিৱসাগৰ ক্ৰীড়া সন্থাৰ ফুটবল বিভাগ, ৰেফাৰী ব'ৰ্ড, মেটেকা কলা-কৃষ্টি সংঘ, শিৱসাগৰ জিলা জনজাতি মহিলা সমিতি, শিৱসাগৰ সন্মিলিত ৰঙালী বিহু সন্মিলন, শিৱসাগৰ জিলা সাংবাদিক সংস্থা, ঐক্য, শিৱসাগৰ জিলা কলেজ কৰ্মচাৰী সন্থা, মাৰোৱাৰী যুৱ পযিষদ, মাৰোৱাৰী পঞ্চায়ত, খোজ, শিৱসাগৰ গ্ৰন্থ উৎসৱ উদ্‌যাপন সমিতি, দিখৌপৰীয়া সন্মিলিত যুৱ সংঘ, অ'এনজিচি পূৰ্বাঞ্চল এমপ্লয়িজ এছ'চিয়েচন, সদৌ অসম ভোজপুৰী পৰিষদ, পূৰ্বোত্তৰ হিন্দুস্তানী পৰিষদ, অসম সেনা শিৱসাগৰ জিলা সমিতি, অসম উন্নতি সভাৰ শিৱসাগৰ জিলা সমিতি, শিৱসাগৰ মহকুমা ছাত্ৰ সন্থা, নেচাৰ্চ বেকনৰ শিৱসাগৰ জিলা সমিতি, শিখ সমাজ, নাজিৰা মহকুমা ছাত্ৰ সন্থা, শিমলুগুৰি আঞ্চলিক ছাত্ৰ সন্থা, নামতি আঞ্চলিক ছাত্ৰ সন্থা, গেলেকী আঞ্চলিক ছাত্ৰ সন্থা, জোকতলী আঞ্চলিক ছাত্ৰ সন্থা, ডিমৌ আঞ্চলিক ছাত্ৰ সন্থা, শলগুৰি আঞ্চলিক ছাত্ৰ সন্থা, পশ্চিম কোঁৱৰপুৰ ছাত্ৰ সন্থা, বেতবাৰী আঞ্চলিক ছাত্ৰ সন্থা, চাৰিং আঞ্চলিক, ধাইআলি ছাত্ৰ সন্থা, শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থা, নগৰ শাখা ছাত্ৰ সন্থাৰ লগতে বহু অনুষ্ঠান-প্ৰতিষ্ঠানে নৱ-নিৰ্বাচিত সহকাৰী সম্পাদকগৰাকীক সম্ভাষণ জ্ঞাপন কৰে। উল্লেখ কৰাৰ প্ৰয়োজন যে, প্ৰাথমিক ছাত্ৰ সন্থাৰ পৰা ছাত্ৰ সংগঠনত জড়িত হোৱা সমীৰণে ছাত্ৰাৱস্থাতেই শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ লগতে শিৱসাগৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দায়িত্ব গ্ৰহণৰ লগতে শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাৰো গুৰু দায়িত্ব পালনেৰে সামাজিক দায়বদ্ধতাৰ পৰিচয় দিয়া সমীৰণে এনে দায়িত্ব লাভ কৰাত স্বাভাৱিকতেই উৎফুল্ল হৈ পৰিছে শিৱসাগৰবাসী।

**INVITATION FOR EXPRESSION OF INTEREST**

AF(S) 318/SOPD/2022-23/9652-56

The Director of Fisheries, Assam, Guwahati invites EOI from Architects/ Architectural consultants empanelled under Assam P.W.D (Building) and other reputed Architects/ Architectural consultants registered with Indian Institute of Architects/ Council of Architecture and having extensive experience in the relevant field of work for the following work :-

| SL | Name of Work | Approx. land area of the project site | EOI processing fee | Time of Completion |
|---|---|---|---|---|
| 1 | Preparation of DPR for Establishment of State-Of-The-Art Public Aquarium Complex at Srimanta Sankardev Kalakhetra under SOPD-G, at Guwahati, Kamrup (M) District, Assam. | 2092.44Sq.m | Rs. 5000.00 | 45 days |

1. The details may be seen and EOI document along with the Terms of Reference (TOR) that has to be downloaded for this consultancy services from the Fishery Deptt. portal "https://fisheriesdirector.assam.gov.in"
2. The validity period of the EOI shall be 180 days from the date of submission.
3. The Director of Fisheries, Assam, Guwahati reserves the right to accept or reject any or all proposals without showing any reasons whatsoever.
4. The applicant shall submit non-refundable EOI processing fee in the form of Demand draft / Banker's cheque of any nationalized Bank in favour of "The Director of Fisheries, Assam, Guwahati" payable at Guwahati

Sd/-
Director of Fisheries
Assam, Guwahati-16.

Janasanyog /C/11163/22

# বঙাইগাঁৱত দুৰ্গোৎসৱৰ পূৰ্বে খাদ্য সুৰক্ষা বিভাগৰ অভিযান

## ■বঙাইগাঁও জিলাৰ জনসাধাৰণে খাইছে পানী মিহলি ভেজাল গাখীৰ

## ■মিঠাইত অত্যধিক ৰং ব্যৱহাৰ, মান নহয় সিমান উন্নত

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ৩০ ছেপ্টেম্বৰ ঃ** গাখীৰ পুষ্টিকৰ খাদ্য। পিছে বঙাইগাঁও জিলাবাসীয়ে নিৰ্ভেজাল গাখীৰ খাব পাৰিছে নে? এই প্ৰশ্নই এতিয়া উত্থাপিত হৈছে। কাৰণ খাদ্য সুৰক্ষা বিভাগে বঙাইগাঁৱত গাখীৰ, মিঠাই আদি খাদ্য বস্তুৰ পৰীক্ষা কৰাত জিলাখনৰ গাখীৰ সিমান সুবিধাজনক নহয় বুলি প্ৰকাশ কৰিছে। গাখীৰত পানীৰ পৰিমাণ অধিক হোৱাৰ লগতে পাওদাৰ ব্যৱহাৰ কৰা বুলি জনাইছে। একেদৰে মিঠাই, জেলেপী খাই ভাল পোৱাসকলেও বঙাইগাঁৱত মিঠাই দেখিলেই বা যি কোনো মিঠাই খোৱাৰ পূৰ্বে এবাৰ ভাবি চোৱা উচিত। কাৰণ মিঠাইৰ মান সিমান উন্নত নোহোৱাৰ লগতে পৰিমাণতকৈ অত্যধিক খোৱা ৰং মিহলোৱা মিঠাইৰ ওপৰত ৰূপৰ প্ৰলেপৰ সলনি এলুমিনিয়ামৰ প্ৰলেপ ব্যৱহাৰ কৰা, খাদ্যবস্তু প্ৰস্তুত কৰা ৰন্ধনশালাৰ অস্বাস্থ্যকৰ পৰিবেশ, একেখিনি তেলকে বহু দিন ধৰি ব্যৱহাৰ কৰা বুলি জানিবলৈ দিছে। যি স্বাস্থ্যৰ কাৰণে হানিকাৰক। অৱশ্যে সকলো মিঠাইৰ দোকানৰে মিঠাৰ মান নিম্নমান নহয় বুলিও কয় অভিযানকাৰী দলটোৱে। উল্লেখ্য যে শাৰদীয় দুৰ্গোৎসৱৰ পূৰ্বে বঙাইগাঁৱৰ বিভিন্ন চাহৰ দোকান, ৰেষ্টুৰেণ্ট আৰু মিঠাইৰ দোকানত বঙাইগাঁও জিলা খাদ্য সুৰক্ষা বিভাগৰ তৰফৰ পৰা বৃহস্পতিবাৰ পৰা দুদিনীয়াকৈ এক অভিযান চলায়। মূলতঃ মিঠাই আদি প্ৰস্তুত কৰাৰ বাবে ব্যৱহৃত গাখীৰৰ লগতে মিঠাই আদিৰ গুণগত মান পৰীক্ষা কৰাৰ বাবে বিভাগৰ তৰফৰ পৰা এই অভিযান চলায়। জিলা খাদ্য সুৰক্ষা বিভাগৰ জ্যেষ্ঠ বিষয়া জয়ন্ত কুমাৰ দাসৰ নেতৃত্বত গুৱাহাটীৰ পৰা অহা ৰাজ্যিক জনস্বাস্থ্য বিশ্লেষণাগাৰৰ কেমিষ্ট মাণিক চন্দ্ৰ ভূঞাকে ধৰি এটি দলে বঙাইগাঁও চহৰৰ বিভিন্ন মিঠাইৰ দোকান, ৰেষ্টুৰেণ্ট আদিত অভিযান চলাই মিঠাই, গাখীৰ আদিৰ নমুনা সংগ্ৰহ কৰি ভ্ৰাম্যমাণ পৰীক্ষাগাৰত পৰীক্ষা কৰে। এই পৰীক্ষাৰ অন্তত তেওঁলোকে উপৰোক্ত কথাখিনি ব্যক্ত কৰে। গুৱাহাটীৰ পৰা অহা ৰাজ্যিক জনস্বাস্থ্য বিশ্লেষণাগাৰৰ কেমিষ্ট মাণিক চন্দ্ৰ ভূঞাই সংবাদ মাধ্যমৰ আগত সদৰী কৰা মতে তেওঁলোকে পৰীক্ষাত গাখীৰত পানীৰ পৰিমাণ অধিক পাইছে। লগতে কিছুমান চিন্থেটিক পাওদাৰ মিহলি কৰা আছে। তেওঁ বঙাইগাঁও জিলাৰ গাখীৰ সিমান উপযোগী নহয় বুলি কয়। তেওঁ কয় যে পানী আদি অধিক মিহলোৱাৰ বাবে গাখীৰত চৰ্বিৰ লগতে প্ৰটিনৰ পৰিমাণ কমি যায়। ফলত সেই গাখীৰ খাই কোনো উপকাৰ নহয়। আনহাতে, চাহৰ দোকান, ৰেষ্টুৰেণ্ট আদিৰ যিসমূহ মিঠাই আছে সেই মিঠাইবোৰত ষ্টাৰ্চৰ অৰ্থাৎ আন কোমল, বগা সোৱাদহীন গুড়িৰ পৰিমাণ বেছি। অৰ্থাৎ যিবোৰ মিঠাই চানাৰ পৰা বনাব লাগে সেই মিঠাইবোৰত ষ্টাৰ্চহে পাই থাকিব নালাগে। কিন্তু বেছি ভাগ মিঠাইতে আমি ষ্টাৰ্চ পাইছো। এনে মিঠাই খাই কোনো লাভ নাই। সেইদৰে মিঠাইৰ ওপৰত এটা প্ৰলেপ দিয়া হয়। যিটো সাধাৰণতে ৰূপৰ দিব লাগে যদিও আমি অধিকাংশ দোকানতে ৰূপৰ সলনি এলুমিনিয়ামৰ প্ৰলেপ ব্যৱহাৰ কৰা হৈছে। এলুমিনিয়ামটো আমাৰ পেটলৈ গ'লে বিভিন্ন বেমাৰ হ'ব পাৰে। কেন্সাৰো হ'ব পাৰে। একমাত্ৰ কম দামৰ কাৰণে এলুমিনিয়ামৰ প্ৰলেপটো দিয়ে। যি খোৱাৰ বাবে অনুপযোগী। তদুপৰি মিঠাইত যিবোৰ ৰং ব্যৱহাৰ কৰে সেইবোৰ যি পৰিমাণে ব্যৱহাৰ কৰিব লাগে তাতোকৈ বেছি পৰিমাণৰ দিয়া হৈছে। দিব লাগে যদি ১ এম এল, দিছে ১০ এম এল। এইদৰে মিঠাইটো বেছি ৰংচঙীয়া কৰিছে। তেওঁ কয় যে সকলো বস্তু বেয়া নহয়, কিন্তু কিছুমান বস্তু ভেজাল আছে। গাখীৰ ভেজাল আছে। আনহাতে, চাহৰ দোকান, হোটেল, ৰেষ্টুৰেণ্টৰ খাদ্যবস্তু প্ৰস্তুত কৰা ৰন্ধনশালাৰ পৰিবেশ বহু বেয়া বুলি কয়। যিমান পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখিব লাগে সিমান পৰিষ্কাৰ কৰি ৰখা হোৱা নাই। এই কথাবিলাক আমি গৰাকীসকলক বুজাই দি আহিছো যাতে পৰিষ্কাৰ - পৰিচ্ছন্নতা অটুট ৰাখে। সেইদৰে খাদ্যবস্তু প্ৰস্তুত কৰাৰ সময়ত কৰ্মচাৰীয়ে হেণ্ড গ্লভছ পৰিধান কৰিব লাগে যদিও আমি দেখা নাপালো। একেদৰে খাদ্যবস্তু প্ৰস্তুত কৰাৰ সময়ত এবাৰ ব্যৱহাৰ কৰা একেখিনি তেলকে বহু দিন ব্যৱহাৰ কৰে। এদিন খাদ্যবস্তু প্ৰস্তুত কৰাৰ পিছত থৈ যোৱা তেল পেলাই নিদি ৰাখি থৈ পুনৰ পিছদিনা ব্যৱহাৰ কৰে। ইয়াৰ ফলত সেই তেলত প্ৰস্তুত কৰা খাদ্যবস্তু সেৱন কৰাৰ ফলত মানুহৰ অপকাৰ কৰে। ইপিনে, এই অভিযান সন্দৰ্ভত জিলা খাদ্য সুৰক্ষা বিষয়া জয়ন্ত কুমাৰ দাসে সংবাদ মাধ্যমৰ আগত সদৰী কৰা মতে বেছি ভাগ গাখীৰতে পানী পাইছে। গাখীৰৰ সৈতে পানীৰ মান মিলা নাই। গাখীৰত পানীৰ লগতে কিছুমান পাওদাৰো মিহলি কৰে। আনহাতে, মিঠাইৰ ক্ষেত্ৰত ৰং ব্যৱহাৰ কৰে। ৰং ব্যৱহাৰ কৰিব পাৰে, কিন্তু তাৰ এটা সীমাবদ্ধতা আছে। অত্যধিক ৰঙৰ ব্যৱহাৰে স্বাস্থ্যৰ হানি কৰে। আনহাতে, এই অভিযানৰ সমান্তৰালভাৱে বঙাইগাঁও জিলাৰ বিভিন্ন



বিদ্যালয়ত ইট ৰাইট স্কুল কাৰ্যসূচীও গ্ৰহণ কৰা হৈছিল বুলি কয়। এই ইট ৰাইট স্কুলৰ লক্ষ্য হৈছে শিক্ষাৰ্থীসকলৰ মাজত আৰু তেওঁলোকৰ জৰিয়তে সামগ্ৰিকভাৱে সমাজৰ মাজত খাদ্য সুৰক্ষা, পুষ্টি আৰু পৰিষ্কাৰ - পৰিচ্ছন্নতাৰ বিষয়ে সজাগতা সৃষ্টি কৰা। এই কাৰ্যসূচীৰ জৰিয়তে বিদ্যালয়ৰ শিক্ষাৰ্থীসকলক সজাগ কৰাৰ প্ৰয়াস কৰে বিভাগটোৱে। জ্যেষ্ঠ খাদ্য সুৰক্ষা বিষয়াগৰাকীয়ে লগতে কয় যে আগে-পিছেও এইদৰে আমি মিঠাই আদি খাদ্যবস্তুৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষাগাৰত পৰীক্ষাৰ ব্যৱস্থা কৰি আহিছো। এইবাৰো অভিযান কালত যিবোৰ দোকানৰ মিঠাই, গাখীৰ আদিৰ ওপৰত সন্দেহ হয় নমুনা সংগ্ৰহ কৰি গুৱাহাটীস্থিত মূল ৰাজ্যিক জনস্বাস্থ্য বিশ্লেষণাগাৰলৈ প্ৰেৰণ কৰিব আৰু পৰীক্ষাৰ প্ৰতিবেদনত যদি কিবা আসোঁৱাহ পায় তেন্তে ব্যৱস্থা গ্ৰহণ কৰিব বুলি জনায়।

## ঘাঁহী মহমৰীয়াত দুৰ্গোৎসৱৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ৩০ ছেপ্টেম্বৰ ঃ** ১৯৯২ চনত নগাঁৱৰ ঘাঁহী মহমৰীয়াৰ মহমৰীয়া পূজা মণ্ডপত স্থাপন কৰা দেৱী দুৰ্গাৰ পূজা ভাগ প্ৰতি বছৰৰ দৰে এইবাৰো আয়োজন কৰা হৈছে। সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজা আৰু কৃষ্টি বিকাশ সমিতিৰ উদ্যোগত এইবেলি ৩০সংখ্যক দুৰ্গোৎসৱ উপলক্ষে ১, ২, ৩, ৪ আৰু ৫ অক্টোবৰত বিভিন্ন মাংগলিক কাৰ্যক্ৰমণিকাৰ লগতে ২ অক্টোবৰৰ পুৱা ভাগত ধৰ্মধ্বজা উত্তোলনেৰে মূল কাৰ্যসূচী শুভাৰম্ভ কৰিব উদ্‌যাপন সমিতিৰ সভাপতি জীৱন চন্দ্ৰ শৰ্মাই। ইয়াৰ অন্তত সমিতিৰ প্ৰয়াত কৰ্মকৰ্তা আৰু দাতাসকলৰ স্মৃতি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, ৩ অক্টোবৰৰ নিশা ৯ বজাৰ পৰা দিহানাম অনুষ্ঠান অনুষ্ঠিত হ'ব। ৪ অক্টোবৰৰ বিয়লি ৩ বজাৰ পৰা ধৰ্মালোচনা আৰু সম্বৰ্ধনা অনুষ্ঠান অনুষ্ঠিত হ'ব। কেইবাগৰাকী গণ্য-মান্য ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত হ'বলগীয়া এই অনুষ্ঠানতে 'মহামায়া' নামৰ এখন স্মৰণিকা উন্মোচন কৰা হ'ব। নিশালৈ সাংস্কৃতিক অনুষ্ঠানেৰে দিনটোৰ কাৰ্যসূচী অন্ত পৰিব। ৫ অক্টোবৰত বিভিন্ন মাংগলিক কাৰ্যসূচীৰে দেৱী বিসৰ্জন দিয়া হ'ব। সমূহ কাৰ্যসূচীতে ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি উদ্‌যাপন সমিতিয়ে কামনা কৰিছে।

## বেদেতীত ইলেক্‌ট্ৰনিক বাইক ডিলাৰ উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ৩০ ছেপ্টেম্বৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ সময়তে বিহালী ৰাইজৰ বাবে সু-খবৰ। আজি বিহালী বেদেতীত বৰা এণ্টাৰপাইজ নামেৰে এটা ইলেক্‌ট্ৰনক বাইকৰ ডিলাৰ শুভ উদ্বোধন কৰা হয়। শিক্ষক বিজয় লিম্বুৰে আঁত ধৰা সভাত বিহালীৰ বিধায়ক ৰঞ্জিত দত্তই ফিতা কাটি দ্বাৰ মুকলি কৰে। বৰ্তমান সময়ত পেট্ৰ'ল-ডিজেলৰ মূল্যবৃদ্ধিয়ে গ্ৰাহকক চিন্তিত কৰাৰ একে সময়তে ইলেক্‌ট্ৰনিক বাহনে গ্ৰাহক ৰাইজক সকাহ দিব বুলি ডিলাৰ কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে। আজি এই ইলেক্‌ট্ৰনিক বাহনৰ উদ্বোধনী অনুষ্ঠানত বিহালী, বেদেতী আদি বিভিন্ন প্ৰান্তৰ গ্ৰাহক ৰাইজ উপস্থিত থাকে। বিহালী প্ৰেছ ক্লাবৰ সভাপতি-সম্পাদকৰ লগতে বিহালী মণ্ডল বিজেপিৰ সভাপতি লাচিত বৰাকে ধৰি বহুকেইজন গণ্য-মান্য ব্যক্তি উপস্থিত থাকে। বক্তব্যত বিহালী বিধায়ক ৰঞ্জিত দত্তই এই ইলেক্‌ট্ৰনিক বাইক ডিলাৰে গ্ৰহক ৰাইজক উপকৃত কৰিব বুলি উল্লেখ কৰে।

# যোৰহাট আইন মহাবিদ্যালয়ত আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ৩০ ছেপ্টেম্বৰ ঃ** যোৰহাট আইন মহাবিদ্যালয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাই মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত যোৱা ২৮ ছেপ্টেম্বৰত নলিনী নাথ ফুকন মেম'ৰিয়েল ছেৰিটেবল এণ্ড এডুকেচন ট্ৰাষ্টৰ সৌজন্যত প্ৰাক্তন ন্যায়াধীশ প্ৰয়াত শৈলেন্দ্ৰ নাথ ফুকনৰ স্মৃতিত 'সদনৰ মতে, চৰকাৰে 'কৃষি বিধেয়ক (২০২১)' বাতিল কৰাটো কৃষকসকলৰ বাবে আশীৰ্বাদ নহয় অভিশাপ' বিষয়ত এখন অন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰে। যোৰহাট আইন মহাবিদ্যালয়ৰ শৈক্ষিক উপাধ্যক্ষ তথা তৰ্ক বিভাগৰ সমন্বয়ক ড° মণিকা কোঁৱৰৰ তত্ত্বাৱধানত আয়োজন কৰা তৰ্ক প্ৰতিযোগিতাখনৰ অধ্যক্ষৰ আসন অলংকৃত কৰে যোৰহাটৰ আগশাৰীৰ অধিবক্তা তথা যোৰহাট উকীল সন্থাৰ সভাপতি হেমেন বৰাই। প্ৰতিযোগিতাখনৰ বিচাৰকৰ আসন শুৱনি কৰে তাৰ্কিক কল্যাণজ্যোতি কলিতা আৰু অসীম কুমাৰ হাজৰিকাই। যোৰহাট আইন মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° ননীগোপাল গোস্বামীয়ে বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানটিৰ উদ্বোধন কৰে প্ৰয়াত নলিনী নাথ ফুকনৰ সুযোগ্য সন্তান সূৰ্য নাথ ফুকনে। অনুষ্ঠানটোত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° অজয় কুমাৰ দাস সমন্বিতে সমূহ শিক্ষক, গ্ৰন্থাগাৰৰ সমূহ কৰ্মচাৰী, ছাত্ৰ একতা সভা আৰু কৰ্মচাৰীয়ে সহায়ৰ হাত আগবঢ়ায়। মহাবিদ্যালয়ৰ সঞ্চালিকা ড° আফৰুজা নাছৰিন ইছলামে আঁত ধৰা অনুষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্যা কৰে ড° মণিকা কোঁৱৰে। প্ৰতিযোগিতাৰ ফলাফল অনুসৰি শ্ৰেষ্ঠ তাৰ্কিকৰ খিতাপ অৰ্জন কৰে আব্দুল ৰাছিম, ২য় শ্ৰেষ্ঠ তাৰ্কিক ছাবানা য়াছমিনে।




শ্ৰেষ্ঠ দল হিচাপে বিবেচিত হয় দৰ্শনা দত্ত আৰু বৰ্ষা গগৈ। ২য় শ্ৰেষ্ঠ দল হিচাপে প্ৰিয়া দুৱৰা আৰু জনাৰ্দন বৰাই স্থান লাভ কৰা প্ৰতিযোগিতাখনত বিচাৰকৰ বিশেষ বঁটা পাবলৈ সক্ষম হয় মানস প্ৰতিম নিৰ্মলীয়াই। অনুষ্ঠানটোত শলাগৰ শৰাই আগবঢ়াই যোৰহাট আইন মহাবিদ্যালয়ৰ উপাধ্যক্ষ শিশিৰ কুমাৰ গগৈয়ে।

# যোৰহাটৰ 'এছথেটিকা ডাক্তৰ মাল্টি ক্লিনিক'ৰ প্ৰথম বৰ্ষপূৰ্তি

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম যোৰহাট, ৩০ ছেপ্টেম্বৰ ঃ** যোৰহাটৰ অন্যতম চিকিৎসা প্ৰতিষ্ঠান 'এছথেটিকা ডাক্তৰ মাল্টি-ক্লিনিক', ন-আলি, যোৰহাটৰ প্ৰথমটো বৰ্ষপূৰ্তি অনুষ্ঠান ২৭ ছেপ্টেম্বৰত অনুষ্ঠিত হৈ যায়। যোৰহাটৰ কেইবাজনো গণ্যমান্য সমাজকৰ্মী তথা আগশাৰীৰ ব্যক্তিৰ লগতে অগণন লোকৰ উপস্থিতিত এই অনুষ্ঠানটিৰ উদ্দেশ্য ব্যাখ্যা কৰে স্বত্বাধিকাৰ মৃন্ময় দত্তই আৰু মমী কলিতাই। অনুষ্ঠানৰ আৰম্ভণিতে আমন্ত্ৰিত বিশিষ্ট অতিথি অসমৰ এগৰাকী চলচ্চিত্ৰ শিল্পী মোহময়ী অভিনেত্ৰী গীতাৰলী ৰাজকুমাৰীয়ে বন্তি প্ৰজ্বলন কৰি 'এছথেটিকা'ৰ প্ৰথম বৰ্ষপূৰ্তিৰ শুভেচ্ছা জ্ঞাপন কৰে। এছথেটিকাৰ তৰফৰ পৰা ফুলাম গামোচা, মানপত্ৰ আৰু উপহাৰৰ টোপোলাৰে বিশেষ অতিথিগৰাকীক সন্মান জনোৱা হয়। প্ৰথম বৰ্ষপূৰ্তিৰ দিনটোতে 'এছথেটিকা'ই আন এক অনন্য পদক্ষেপ গ্ৰহণ কৰি বিশিষ্ট চিকিৎসক মেডিকেল কছমেট'লজিষ্ট ডাঃ পূজা হাজৰিকাৰ সহযোগত যোৰহাটত প্ৰথমবাৰৰ বাবে ছাল আৰু চুলিৰ সমস্যাৰ উৎকৃষ্ট আৰু ক্ষিপ্ৰ সমাধানৰ বাবে এক নৱ-নিৰ্মিত লেজাৰ ক্লিনিক- 'ক'ছমিক'ৰ শুভাৰম্ভ কৰে আৰু এই লেজাৰ ক্লিনিকৰ ৰঙা ফিতা কাটি আনুষ্ঠানিকভাৱে ৰাইজৰ বাবে মুকলি কৰে আমন্ত্ৰিত বিশিষ্ট অতিথি গীতাৰলী ৰাজকুমাৰীয়ে। অভিনেত্ৰীগৰাকীয়ে অতি সন্তোষ প্ৰকাশ কৰি কয় যে এনে এটা লেজাৰ ক্লিনিকৰ যোৰহাটত বিশেষকৈ প্ৰয়োজন আছিল যাৰ বাবে সুদূৰ মুম্বাই বা কলকাতা আদিলৈ যাব লগাত পৰিছিল আৰু লগতে তেওঁ উল্লেখ কৰে যে যিহেতু এই 'ক'ছমিক' লেজাৰ ক্লিনিকত উপলব্ধ হোৱা সকলোখিনি চিকিৎসাই সৌন্দৰ্যবৰ্ধনৰ লগত জড়িত আৰু দুৰ্গা পূজাৰ প্ৰাক্‌মুহূৰ্তত মুকলি কৰা হৈছে, গতিকে যোৰহাট তথা অসমৰ ৰাইজে ইয়াৰ সুবিধাসমূহ গ্ৰহণ কৰিব পাৰিব। ডাঃ পূজা হাজৰিকাই ছাল আৰু চুলিৰ কেনেকৈ যতন ল'ব লাগে আৰু কেনেকৈ ছালৰ বাৰ্ধক্য ৰোধ কৰিব পাৰি সেই সম্পৰ্কে এটি সুন্দৰ বৰ্ণনাৰে বক্তব্য আগবঢ়ায়। 'এছথেটিকা ডাক্তৰ মাল্টি-ক্লিনিক'-এ যোৱা এবছৰ ধৰি নিস্বাৰ্থভাৱে কছমেটলজি, শিশুৰোগ, স্নায়ুৰোগ-মনোৰোগ, মেডিচিন আদি বিভিন্ন শিতানত চিকিৎসা সেৱা আগবঢ়াই আহিছে। এছথেটিকাই ৰাইজলৈ সৰ্বোত্তম স্বাস্থ্যসেৱা আগবঢ়াই নিব বুলি স্বত্বাধিকাৰী মৃন্ময় দত্তই প্ৰতিশ্ৰুতি দিয়ে। তদুপৰি পৱিত্ৰ দুৰ্গা পূজা উপলক্ষে 'কছমিক'ত বহুতো আকৰ্ষণীয় বিশেষ অফাৰ দি থকা হৈছে বুলি জানিবলৈ দিয়ে।

# বৰপেটাৰ আৱৰ্ত ভৱনত আপৰ কাৰ্যনিৰ্বাহক সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩০ ছেপ্টেম্বৰ ঃ** আগন্তুক পঞ্চায়ত আৰু লোকসভাৰ নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আম আদমি পাৰ্টীয়ে সাংগঠনিক তৎপৰতাৰ অংশ হিচাপে আজি বৰপেটা জিলাৰ আৱৰ্ত ভৱনত সাংগঠনিক সম্পাদক মনচুৰ তালুকদাৰৰ পৃষ্ঠপোষকতাত এখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হৈ যায়। জিলা সমিতিৰ বিষয়ববীয়াৰ লগতে পঞ্চায়ত প্ৰতিনিধিসহ সহস্ৰাধিক সদস্যৰ উপস্থিতিত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ৰাজ্যিক সমন্বয়ক ডাঃ ভৱেন চৌধুৰী। সমগ্ৰ অসমতে ব্যাপক তৎপৰতা আৰম্ভ কৰা আম আদমি পাৰ্টীয়ে অৰবিন্দ কেজৰিৱাল উন্নয়নৰ ৰাজনীতিয়ে অসমৰ ৰাইজৰো আস্থা লাভ কৰিবলৈ সক্ষম হৈছে। ইতিমধ্যে বৰপেটা জিলাৰ সংখ্যালঘু অধ্যুষিত অঞ্চলসমূহকে ধৰি সমগ্ৰ জিলাখনতে বৃহৎ সংখ্যক লোকে দলটোত যোগদান কৰিছে। বিজেপি চৰকাৰে ৰাইজৰ স্বাধীনতা কাঢ়ি নিব বিচাৰিছে বুলি উল্লেখ কৰি সভাত ৰাজ্যিক সমন্বয়ক ডাঃ ভৱেন চৌধুৰীয়ে সংবাদ মাধ্যমৰ আগত কয় যে অসমৰ ৰাইজক বিপদৰ গৰাহলৈ ঠেলি দি নিৰ্মাণ কৰা হৈছে ভূটান আৰু নামনি সোঁৱণশিৰি জলবিদ্যুৎ প্ৰকল্প। আনকি প্ৰকল্প দুটা ৰূপায়ণৰ ক্ষেত্ৰত কেন্দ্ৰীয় বিদ্যুৎ প্ৰাধিকৰণে দিয়া পৰামৰ্শকো গুৰুত্ব দিয়া নাই নিৰ্মাণকাৰী প্ৰতিষ্ঠান এন এইচ পি চিয়ে। নীতি-নিয়ম ভংগ কৰি একমাত্ৰ বিদ্যুৎ আহৰণৰ স্বাৰ্থত কেন্দ্ৰীয় চৰকাৰে প্ৰকল্প দুটা ৰূপায়ণৰ ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব দিয়াৰ ফলত এতিয়া প্ৰকল্প দুটা জলবোমালৈ পৰিণত হৈছে। অসমৰ ৰাইজে অৰুণাচল প্ৰদেশত বৃহৎ নদীবান্ধ নিৰ্মাণৰ বিৰোধিতা কৰি আহিছে। কিন্তু ইয়াৰ পাছতো কেন্দ্ৰীয় চৰকাৰে প্ৰকল্প দুটাৰ ৰূপায়ণ কাৰ্য চলাই নিছে, যাৰ ফলত এতিয়া নদীখনৰ নামনি অংশৰ ৰাইজৰ মাজত এক আতংকময় পৰিস্থিতিৰ সৃষ্টি হৈছে বুলি ৰাজ্যিক সমন্বয়কগৰাকীয়ে উল্লেখ কৰে। সভাখনত সঞ্জীৱ বৰ্মন, হাদিউৰ ইছলাম, হাফিজুৰ ৰহমান, মহিউদ্দিন ছিদ্দিকি, হজৰত আলী আহমেদ, ৰাহুল দেৱ নাথ, সন্দীপ আগৰৱাল, স্বপ্না দাস বায়নকে ধৰি বহুকেইজন ৰাজ্যিক তথা জিলা পৰ্যায়ৰ বিষয়ববীয়া উপস্থিত থাকে।

# বঙাইগাঁৱত ২৪ ঘণ্টাই সক্ৰিয় ফোন নম্বৰ মুকলি

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ৩০ ছেপ্টেম্বৰ ঃ** দুই অক্টোবৰৰ পৰা ৫ অক্টোবৰলৈ দুৰ্গা পূজা উপলক্ষে বঙাইগাঁও জিলাৰ উপায়ুক্ত নৱদ্বীপ পাঠকৰ এক অধিসূচনাযোগে উপায়ুক্ত কাৰ্যালয়ত ৭০৮৬৭-৯৩৫০৭ নম্বৰৰ এটা ফোন নম্বৰ মুকলি কৰা হৈছে। বঙাইগাঁও সদৰ আৰু মাণিকপুৰ মহকুমাৰ বাবে উপায়ুক্ত কাৰ্যালয়ত স্থাপন কৰা এই নিয়ন্ত্ৰণ কক্ষৰ দূৰভাষ নম্বৰটো ৰাইজৰ সুবিধাৰ্থে বা জৰুৰী যোগাযোগৰ বাবে ২৪ ঘণ্টাই উপলব্ধ থাকিব।

# চৰাইবাহীত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ ৰাইজ মেল




**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ৩০ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলাৰ চৰাইবাহীত কালি অন্ধবিশ্বাস আৰু সামাজিক কু-সংস্কাৰৰ বিৰুদ্ধে এখন ৰাইজ মেল অনুষ্ঠিত হয়। জিলাখনৰ কপিলী খণ্ডৰ অন্তৰ্গত আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত তথা চৰাইবাহী গাঁও পঞ্চায়ত আৰু ভোমোৰাগুৰি মাধ্যমিক বিদ্যালয়ৰ সহযোগত ভোমোৰাগুৰি বিদ্যালয়ত সজাগতা অভিযানৰ অংশ হিচাপে ৰাইজ মেল অনুষ্ঠিত হয়। ভোমোৰাগুৰি মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ৰুণু দেৱীৰ সঞ্চালনাত হোৱা ৰাইজ মেলৰ উদ্দেশ্য ব্যাখ্যা কৰে কপিলী খণ্ড আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ সদস্য ধ্ৰুৱ কুমাৰ নাথে। ৰাইজ মেলৰ সভাত গ্ৰামাঞ্চলত বিজ্ঞানৰ চিন্তা চৰ্চা তথা বিজ্ঞানৰ মানসিকতা সৃষ্টি হোৱাৰ লক্ষ্য আগত ৰাখি আৰু গ্ৰামাঞ্চলত অন্ধবিশ্বাস আৰু কু-সংস্কাৰসমূহ দূৰ কৰাৰ ওপৰত বিস্তৃত আলোচনা আগবঢ়ায় আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ জিলা সমন্বয়ক ভূজেন ডেকা, ভূৰবন্ধা খণ্ডৰ সমন্বয়ক কৃষ্ণানন্দ নাথ আৰু বিজ্ঞান কেন্দ্ৰৰ সদস্য তথা উদ্ভাৱক দুৰ্গা প্ৰসাদ নাথে। আনহাতে, ৰাইজ মেলত অৱসৰপ্ৰাপ্ত শিক্ষক গোবিন ডেকা দলৈ, বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, অভিভাৱক, পঞ্চায়ত সদস্য আৰু ৰাইজকে ধৰি দুই শতাধিক লোক উপস্থিত আছিল।

# তেজপুৰত চিআৰপিএফৰ উদ্যোগত হিন্দী পষেক

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ৩০ ছেপ্টেম্বৰ ঃ** হিন্দী প্ৰচাৰ আৰু প্ৰসাৰৰ লক্ষ্যৰে চি আৰ পি এফৰ ৩০নং বেটেলিয়নৰ উদ্যোগত আয়োজন কৰা হয় হিন্দী পষেক কাৰ্যসূচীৰ। ১৪ ছেপ্টেম্বৰৰ পৰা ২৯ ছেপ্টেম্বৰলৈ তেজপুৰস্থিত চিআৰপিএফ ৩০নং বেটেলিয়নৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত হয় এই কাৰ্যসূচী। অনুষ্ঠানৰ লগত সংগতি ৰাখি হিন্দী টাইপিং, নোটিং ড্ৰাফটিং প্ৰতিযোগিতাৰ লগতে হিন্দী কৰ্মশালাৰ আয়োজন কৰা হয়। আজিৰ অনুষ্ঠিত সামৰণী অনুষ্ঠানত অংশ লৈ বিভিন্ন প্ৰতিযোগিতাত স্থান লাভ কৰা প্ৰতিযোগীসকলক পুৰস্কাৰ প্ৰদান কৰে কমাণ্ডেণ্ট অৰুণ কুমাৰ মীনাই।

# বঙাইগাঁৱত বিশ্ব হৃদ দিৱস উপলক্ষে সজাগতামূলক শোভাযাত্ৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ৩০ ছেপ্টেম্বৰ ঃ** বঙাইগাঁও জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত বৃহস্পতিবাৰে 'বিশ্ব হৃদ দিৱস' উপলক্ষে এক সজাগতামূলক শোভাযাত্ৰা উলিওৱা হয়। বঙাইগাঁও খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ প্ৰাংগণৰ পৰা উলিওৱা এই শোভাযাত্ৰাৰ পতাকা জোকাৰি শুভাৰম্ভ কৰে জিলা অসংক্ৰমিত ৰোগৰ বিষয়া ডাঃ বাদল চন্দ্ৰ সৰকাৰে। অনুষ্ঠানত বঙাইগাঁও খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ডাঃ এম ইছলাম, ডি ভি ডি চি ধ্ৰুৱ চৌধুৰীৰ লগতে আন আন স্বাস্থ্য বিষয়া আৰু কৰ্মীসকল উপস্থিত থাকে। সজাগতামূলক শোভাযাত্ৰাত আশাকৰ্মী, অংগনৱাড়ী কৰ্মী আৰু স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে। এই সজাগতামূলক শোভাযাত্ৰাত হৃদযন্ত্ৰ আৰু আনুষংগিক ৰোগসমূহৰ পৰা নিজকে ৰক্ষা কৰি ৰাখিবলৈ যি বিভিন্ন অনুকূল জীৱনশৈলীৰ আৱশ্যক সেই সম্পৰ্কে বিভিন্ন বাৰ্তা সন্নিৱিষ্ট প্লে কাৰ্ড প্ৰদৰ্শন কৰা হয়।




# ৰহাৰ দীঘলদৰিৰ বামণ গোসাঁই থানত দুৰ্গা পূজাৰ আয়োজন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ৩০ ছেপ্টেম্বৰ ঃ** ৰহাৰ দীঘলদৰিত থকা শ্ৰীশ্ৰীবামণ গোসাঁই থানত এইবাৰো দুৰ্গা পূজাৰ আয়োজন কৰা হৈছে। সামবেদীয় মন্ত্ৰ-শ্লোক আৰু বৈদিক প্ৰক্ৰিয়াৰে অষ্টাদশ বাৰ্ষিক পূজা পৰিচালনাৰ বাবে ভূপেন চন্দ্ৰ নাথক সভাপতি, কিশোৰ কুমাৰ নাথক কাৰ্যকৰী সভাপতি, ভৱানী প্ৰসাদ নাথ, গোপাল কৃষ্ণ হাজৰিকা আৰু ভাস্কৰ বৰাক (ডিফলু) উপ-সভাপতি, চিদানন্দ নাথক সম্পাদক, বিনয় কুমাৰ নাথ, মুৰুলী নাথ আৰু নেত্ৰমণি নাথক সহঃ সম্পাদক হিচাপে লৈ এখন পৰিচালনা সমিতি গঠন কৰা হৈছে। ঘোষিত কাৰ্যসূচী অনুসৰি ২ অক্টোবৰত দুৰ্গা নৱপত্ৰিকা প্ৰৱেশ, স্থাপন আৰু সপ্তাম্যাদি কল্পাৰম্ভ আৰু সপ্তমী বিহিত পূজা। বিয়লি ৩ বজাত স্থানীয় আইসকলৰ দ্বাৰা আইনাম পৰিৱেশন। সন্ধিয়া ৭ বজাত সোণাৰাম নাথ সোঁৱৰণী মঞ্চত হিতেশ্বৰ নাথ সোঁৱৰণী বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান। ৩ অক্টোবৰ মহাষ্টমী, সন্ধিপূজা, বলিদান। সন্ধিয়া ৫ বজাত বনমালী নামতি দলৰ (মিকিৰভেটা) দ্বাৰা দিহানাম পৰিৱেশন। ৪ অক্টোবৰত মহানৱমী কল্পাৰম্ভ আৰু নৱমী বিহিত পূজা। পুৱা ১০ বজাত কুমাৰী পূজা, পুৱা ১১.৩০ বজাত হোমযজ্ঞ। বিয়লি ৫ বজাত 'শংকৰদেৱ সাংস্কৃতিক গোষ্ঠীৰ (নৈনৈ) দ্বাৰা দিহানাম পৰিৱেশন। ৫ অক্টোবৰৰ পুৱা ৯.১৫ বজাৰ ভিতৰত দশমী বিহিত পূজা সমাপন আৰু অপৰাজিতা পূজাৰে দুৰ্গা পূজাৰ সামৰণি পৰিব।

# মৰিগাঁও প্ৰশাসনৰ উদ্যোগত ৰক্তদান শিবিৰ




**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিগাঁও, ৩০ ছেপ্টেম্বৰ ঃ** মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আৰু এছ টি এইচ জি অসামৰিক চিকিৎসালয়ৰ সহযোগত আজি এছ টি এইচ জি অসামৰিক চিকিৎসালয়ত এটি 'বিশাল ৰক্তদান শিবিৰ' অনুষ্ঠিত হয়। পুৱা ১০ বজাৰ পৰা অনুষ্ঠিত হোৱা ৰক্তদান শিবিৰৰ শুভাৰম্ভ কৰে মৰিগাঁও জিলাৰ উপায়ুক্ত দেৱাশিস শৰ্মাই। শিবিৰ উদ্বোধনী ভাষণত উপায়ুক্তগৰাকীয়ে কয় যে 'মানৱীয় দৃষ্টিকোণেৰে চালে ৰক্তভঁৰালৰ প্ৰয়োজনীয়তা সীমাহীন। মানুহক জীৱন দানৰ দৰে প্ৰয়োজনীয় সেৱা আগবঢ়োৱাৰ ক্ষেত্ৰতো ৰক্তভঁৰাল এটি ভূমিকা অশেষ। জিলাখনৰ ৰক্তভঁৰালখনত ৰক্ত মজুত কৰি ৰাখি প্ৰয়োজন সাপেক্ষে যাতে ৰোগীক ৰক্ত যোগান ধৰি জীৱন বচাব পাৰি, তাৰ বাবেই এই প্ৰয়াস কৰা হৈছে বুলি উপায়ুক্তগৰাকীয়ে ভাষণত পুনৰ কয় যে- ৰক্তদাতাসকল প্ৰকৃততে মহান মানসিকতাৰ ব্যক্তি। তেখেতসকলে আনৰ জীৱন বচাবলৈ নিজৰ বহুমূলীয়া ৰক্তদান কৰে। ৰক্তদান শিবিৰত অংশগ্ৰহণ কৰি ৰক্তদান কৰাৰ জৰিয়তে এক মহৎ কাম কৰিবলৈ আগবাঢ়ি অহা ব্যক্তিসকলক জিলা প্ৰশাসনৰ তৰফৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰে উপায়ুক্ত দেৱাশিস শৰ্মাই। উল্লেখ্য যে, এই ৰক্তদান শিবিৰ আৰম্ভ হোৱাৰ পূৰ্বে অনুষ্ঠিত উদ্বোধনী সভাত মৰিগাঁও জিলাৰ অতিৰিক্ত উপায়ুক্ত অৰুন্ধতী নৰহ মিপুন, ৰেড ক্ৰছ ছ'চাইটীৰ মৰিগাঁও জিলাৰ সভাপতি ডাঃ পুণিৰাম পাটৰ, ভাৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ সোণেশ্বৰ দেওৰজাকে ধৰি স্বাস্থ্য বিভাগৰ জিলা পৰ্যায়ৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# ডুমডুমা মহাবিদ্যালয়ৰ নৱাগত আদৰণী অনুষ্ঠান সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডুমডুমা, ৩০ ছেপ্টেম্বৰ ঃ** ডুমডুমা মহাবিদ্যালয়ৰ নৱাগত আদৰণী অনুষ্ঠানটো কালি অতি উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। এই উদ্দেশ্যে মহাবিদ্যালয়ৰ কল্লোল প্ৰেক্ষাগৃহত ছাত্ৰ একতা সভাৰ সভাপতি ৰূপা কৰ্মকাৰৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সভাখনত বাৰ্তালাপৰ অতি জনপ্ৰিয় হৈ উঠা সাংবাদিক চক্ৰপাণি পৰাশৰে যোগদান কৰে আৰু নৱাগতসকলক উদ্দেশ্য কৰি এলানি ভাষণ প্ৰদান কৰে। তেওঁৰ ভাষণ শুনিবলৈ কল্লোল প্ৰেক্ষাগৃহ নৱাগত আৰু পুৰণি ছাত্ৰ-ছাত্ৰীসকলেৰে ঠাহ খাই পৰে। বিশিষ্ট সাংবাদিকগৰাকীয়ে নিজকে কি ধৰণে আগবঢ়াই নিব পাৰিছে আৰু ছাত্ৰ-ছাত্ৰীসকলে কি ধৰণে জীৱন গঢ়াৰ লক্ষ্যৰে আগবাঢ়ি যাব লাগিব তাৰ এটা বৰ্ণনা দাঙি ধৰে। ভাষণৰ শেষত ছাত্ৰ-ছাত্ৰীসকলক লৈ তেওঁ এটা প্ৰশ্নোত্তৰ শিতান সম্পাদন কৰে। ন-পুৰণি কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে সোধা প্ৰশ্নৰ তেওঁ যথাযথ উত্তৰ দি উপকৃত কৰে। ডুমডুমা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ ছাত্ৰ, ছাত্ৰ একতা সভাৰ প্ৰথমগৰাকী সাধাৰণ সম্পাদক তথা তিনিচুকীয়া জিলা সাহিত্য সভাৰ সভাপতি অৰ্জুন বৰুৱাই সভাখনত যোগদান কৰি নৱাগতসকলৰ কৰণীয়



বিষয়ত বক্তব্য আগবঢ়ায়। সভাত উপাধ্যক্ষ ড° চম্পা ৰাও মহন আৰু অধ্যাপক-অধ্যাপিকাসকলে যোগদান কৰি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰে। এই সভাখনতে শ্ৰেষ্ঠ নৱাগতসকলক বঁটা প্ৰদান কৰা হয়। মহাবিদ্যালয়খনৰ গীতেৰে আৰম্ভ হোৱা সভাখনত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক কৃষ্ণ কিংকৰ সোণোৱালে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ অন্তত ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° অমৰজিত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰে। সভাখনৰ পূৰ্বে পুৱা পতাকা উত্তোলন আৰু শ্বহীদ তৰ্পণ কাৰ্যসূচী সম্পাদন কৰা হয়। সভাখনৰ অন্তত নৱাগতসকলক লৈ এটা অন্তৰংগ আলাপ অনুষ্ঠান আৰু শেষত নিৰ্বাচিত শিল্পীৰ সংগীতানুষ্ঠান অনুষ্ঠিত হয়।

## অসম কৃষি বিশ্ববিদ্যালয়-কৃষি গৱেষণা কেন্দ্ৰ কাঁহিকুছিৰ উদ্যোগত

# গোৰেশ্বৰৰ চাৰিখন গাঁৱৰ কৃষকৰ মাজত উদ্যান শস্যৰ পুলি বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৰেশ্বৰ, ৩০ ছেপ্টেম্বৰ ঃ** অসম কৃষি বিশ্ববিদ্যালয়ৰ আমাৰ গাঁও আমাৰ গৌৰৱ কাৰ্যসূচীৰ অংশ হিচাপে কৃষি গবেষণা কেন্দ্ৰ, কাঁহিকুছিৰ উদ্যোগত আজি তামুলপুৰ জিলাৰ গোৰেশ্বৰৰ বাঘডোবা, হালুংবাৰী ,বালাবাৰী আৰু ৩নং গোৰেশ্বৰৰ উদ্যান খেতিয়কৰ মাজত তামোলৰ ১২০০,জালুকৰ ৯৬০ আৰু



নেমুৰ ৮০০ পুলি বিতৰণ কৰা হয়। তদুপলক্ষে দিনৰ ১ বজাত গোৰেশ্বৰ উন্নয়ন খণ্ডৰ চৌহদত থকা প্ৰেক্ষাগৃহত কৃষি বিজ্ঞানী ড° জয়ন্ত শৰ্মাৰ পৰিচালনাত এখন কৃষি সজাগতা সভা অনুষ্ঠিত হয়। সভাৰ উদ্দেশ্য ব্যাখ্যা আগবঢ়াই কৃষি বিজ্ঞানী ড° মচফিকুল হুচেইনে কয় যে অসম কৃষি বিশ্ব বিদ্যালয়ে গ্ৰহণ কৰা আমাৰ গাঁও আমাৰ গৌৰৱ কাৰ্যসূচীৰ অংশ হিচাপে আৰু কৃষি গবেষণা কেন্দ্ৰ ,কাঁহিকুছিৰ সোণালী জয়ন্তীবৰ্ষৰ উদযাপনৰ অংশ হিচাপে কৃষকসকলে কেনেদৰে বৈজ্ঞানিক পদ্ধতিত কৃষি কাৰ্য কৰি ফচল উৎপাদনৰ জৰিয়তে স্বাৱলম্বী হ'ব পাৰে আৰু কৃষি বিজ্ঞানীসকলক যাতে গাঁৱলৈ সঘনাই আহিবলৈ সুযোগ লাভ কৰি প্ৰকৃত কৃষকৰ লগত লগ হৈ কৃষি কাৰ্যত উৎসাহ ,প্ৰেৰণা আৰু বিভিন্ন দিহা -পৰামৰ্শ দিব পাৰে সেইহেতুকে অসম কৃষি বিশ্ব বিদ্যালয়ে আমাৰ গাঁও আমাৰ গৌৰৱ কাৰ্যসূচী হাতত লৈছে। সেই কাৰ্যসূচীৰ অংশ হিচাপে বানপীড়িত গোৰেশ্বৰ এলেকাৰ উক্ত চাৰিখন গাঁৱক নিৰ্বাচিত কৰি কৃষি গৰেষণা কেন্দ্ৰৰ কাঁহিকুছিত উৎপাদন কৰা উন্নত জাতৰ উক্ত কেইবিধ গছৰ পুলি বিতৰণ কৰা হয় । উক্ত কাৰ্যসূচীত হালধিও অন্তৰ্ভুক্ত কৰা হৈছিল যদিও বৰ্তমানে হালধি ৰোপণৰ সময় নহয় হেতুকে হাধলিৰ বীজ বিতৰণ কৰা নহ'ল বুলি প্ৰকাশ কৰে। সজাগতা তথা গছপুলি বিতৰণী সভাত উপস্থিত থাকি কৃষি বিজ্ঞানী ড° কুসুম ডেকা ,ডালিম পাঠকেও কেনেদৰে উদ্যান শস্য কৰি স্বাৱলম্বী হ'ব পাৰি সেই বিষয়ে বিভিন্ন পৰামৰ্শ দিয়ে। তামুলপুৰ জিলাৰ গোৰেশ্বৰ কৃষি চক্ৰৰ এডিঅ নিৰঞ্জন হাজোৰাৰীয়ে সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি কৃষকসকলে কৃষি বিভাগৰ ফালৰ পৰা কি কি সা-সুবিধা লাভ কৰিব পাৰে সেই বিষয়ে উপস্থিত কৃষক ৰাইজক বুজাই দিয়ে । সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে তামুলপুৰ কৃষি মহকুমাৰ সহকাৰী কৃষি পৰিদৰ্শক মুনীন্দ্ৰ কাকতি,গোৰেশ্বৰ টি এল চি চিৰ অধ্যক্ষ ৰমেন বড়ো আৰু বাঘডোবা ভিচি ডিচিৰ অধ্যক্ষ কৃষ্ণ বসুমতাৰী আদি।




## দুধনৈ মহাবিদ্যালয়ত দুদিনীয়া ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালাৰ সামৰণি

# গৱেষণা-পত্ৰিকা দগো ৰাংছাং উন্মোচন

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ৩০ ছেপ্টেম্বৰ ঃ** দুধনৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষৰ সৈতে সংগতি ৰাখি ২৯ আৰু ৩০ ছেপ্টেম্বৰত দুদিনীয়াকৈ গৱেষণা পদ্ধতিৰ বিষয়ে ৰাষ্ট্ৰীয় কৰ্মশালাৰ আয়োজন কৰা হয়। দুধনৈ মহাবিদ্যালয় আৰু দগো ৰাংছাং গৱেষণা সমিতিৰ উদ্যোগত আৰু অসম কলেজ অধ্যক্ষ পৰিষদ আৰু অসম কলেজ শিক্ষক সংস্থাৰ গোৱালপাৰা মণ্ডলৰ সহযোগত আয়োজিত হোৱা কৰ্মশালা উপলক্ষে ২৯ ছেপ্টেম্বৰত মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় কৰ্মশালাৰ শুভাৰম্ভ অনুষ্ঠানত পৌৰোহিত্য কৰে দুধনৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ললিত চন্দ্ৰ ৰাভাই। এই অনুষ্ঠানতে "দগো ৰাংচাং গৱেষণা পত্ৰিকা"খন উন্মোচন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ডঃ প্ৰফুল্ল কুমাৰ নাথে। ৰাষ্ট্ৰীয় কৰ্মশালাৰ উদ্দেশ্য আৰু মূল বিষয়ৰ ওপৰত আলোচনা আগবঢ়ায় গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক তথা শিক্ষাবিদ ড° উপেন ৰাভা হাকাচামে। কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থাকি কাৰিকৰী দিশত আলোচনা আগবঢ়ায় গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° প্ৰফুল্ল কুমাৰ নাথ আৰু শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক তথা কামৰূপ অনুসন্ধান সমিতিৰ সচিব ড° গজেন্দ্ৰ অধিকাৰীয়ে। ৩০ ছেপ্টেম্বৰত দ্বিতীয় দিনাৰ কৰ্মশালাত সমল ব্যক্তি হিচাপে উপস্থিত থকা কলকাতাৰ বিশ্বভাৰতী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° সংগীতা শইকীয়া, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° ৰাতুল মহন্ত আৰু আনন্দৰাম বৰুৱা ভাষা কলা সংস্কৃতি সন্থাৰ সঞ্চালক আৰু অধ্যাপক ড° দিলীপ কলিতাই কৰ্মশালাৰ মূল বিষয়ৰ ওপৰত আলোকপাত কৰে। এই ৰাষ্ট্ৰীয় পৰ্যায়ৰ কৰ্মশালাখনিত গোৱালপাৰা জিলাৰ কেইবাখনো মহাবিদ্যালয়ৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে লগতে মহাবিদ্যালয়খনৰ অধ্যাপক অধ্যাপিকা সকলৰ উপৰিও ছাত্ৰ-ছাত্ৰী সকলৰ সহযোগত দুদিনীয়া কৰ্মশালাৰ সফল সামৰণি পৰে। সুন্দৰভাৱে চলা ৰাষ্ট্ৰীয় কৰ্মশালাত অংশগ্ৰহণ কৰা সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰে দুধনৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ললিত চন্দ্ৰ ৰাভাই।

# বাক্সাত ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মুছলপুৰ, ৩০ ছেপ্টেম্বৰ ঃ** কণ কণ ছাত্ৰ-ছাত্ৰীক পেলুৰ পৰা মুক্ত কৰি ৰখাৰ উদ্দেশ্যে আজি অসম চৰকাৰৰ স্বাস্থ্য বিভাগে ৰূপায়ণ কৰিছে ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন ঠাইৰ লগতে বাক্সা জিলাতো স্বাস্থ্য বিভাগৰ দ্বাৰা ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস পালন কৰা হয়। জিলা পৰ্যায়ৰ পেলু নিৰ্মূলকৰণ দিৱসৰ বাবে আজি জিলা সদৰ মুছলপুৰত আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰে বাক্সা জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক ভৱেন দেউৰীয়ে। মুছলপুৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অন্তৰ্গত মুছলপুৰ জুনিয়ৰ বেচিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলক পেলুৰ দৰৱ খুৱাই পেলু নিৰ্মূল কৰণ দিৱসৰ শুভাৰম্ভ কৰা হয়। সভাৰ আৰম্ভণিতে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা সংবাদ বিশেষজ্ঞ প্ৰশান্ত কুমাৰ দত্তই আঁত ধৰি ৰাষ্ট্ৰীয় পেলু নিবাৰণ দিৱসৰ বিষয়ে বিষদ বিবৰণ দাঙি ধৰাৰ লগতে পেলুৰ প্ৰভাৱত কণ কণ ছাত্ৰ-ছাত্ৰীক কিদৰে ক্ষতি কৰে সেই সম্পৰ্কে বিস্তৃতভাৱে ব্যাখ্যা আগবঢ়ায়। সভাত মুখ্য অতিথিৰূপে উপস্থিত থাকি জিলা উপায়ুক্ত মাচগুৱা মেণ্ডেলিন পাৰ্টিনে খোৱা বোৱাত সদায় চাফ-চিকুণতা বজাই ৰাখিবলৈ ছাত্ৰ-ছাত্ৰীৰ প্ৰতি আহ্বান জনায়। জিলাখনৰ মুঠ ৩,০৬,০৯৬গৰাকী শিশুক পেলু দৰৱ খুওৱাৰ লক্ষ্যৰে আয়োজিত আজিৰ এই অনুষ্ঠানটোতে জিলা উপায়ুক্ত গৰাকীয়ে আনুষ্ঠানিকভাৱে বিদ্যালয়খনৰ দুগৰাকী শিক্ষাৰ্থীক পেলুৰ দৰৱ খুৱাই পেলু নিৰ্মূলকৰণ দিৱসৰ শুভাৰম্ভ কৰে। ইয়াৰ পৰৱৰ্তী সময়ত বিদ্যালয়খনৰ আন ১৩০গৰাকী ছাত্ৰ-ছাত্ৰীক পেলুৰ দৰৱ খুওৱা হয়। আজিৰ এই অনুষ্ঠানত বা'ক্সা জিলাৰ ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ ডিপিএম ধ্ৰুৱজ্যোতি শইকীয়া, মহকুমা স্বাস্থ্য বিষয়া ডাঃ ৰেৱতী বসুমতাৰী, জিলা সমূহীয়া মবিলাইজাৰ ৰফিক উদ্দিন আহমেদ, আৰবিএছকেৰ জিলা সমন্বয়ক বিষয়া প্ৰণৱ কলিতা, খণ্ড প্ৰাথমিক স্বাস্থ্য কৰ্মী নীলোৎপল বৰঠাকুৰকে ধৰি বহু কেইগৰাকী স্বাস্থ্য কৰ্মী উপস্থিত থাকে।




## হাজোত ইছলাম ধৰ্মালম্বী এগৰাকী ব্যক্তিয়ে দেখুৱালে সম্প্ৰীতিৰ বাৰ্তা

# সমাজসেৱক মনচুব আলীৰ দুৰ্গা পূজা উপলক্ষে ৫০০ টা হিন্দু ধৰ্মাৱলম্বী দৰিদ্ৰ পৰিয়ালক খাদ্য-সামগ্ৰী বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ৩০ ছেপ্টেম্বৰ ঃ** পৃথিৱীত যে ভাল মানুহ এতিয়াও জীয়াই আছে আজি সেয়াই প্ৰমাণ কৰি দেখুৱালে হাজোৰ কলিতাকুছি নিৱাসী বিশিষ্ট সমাজসেৱক মনচুব আলীয়ে। এগৰাকী ইছলাম ধৰ্মাৱলম্বী ব্যক্তি হৈয়ো ৫০০টা হিন্দু ধৰ্মাৱলম্বী পৰিয়ালক পূজা উদ্‌যাপনৰ বাবে দৰিদ্ৰ মানুহখিনিৰ কিছু সকাহ হোৱাৰ স্বাৰ্থত খাদ্য সামগ্ৰী বিতৰণ কৰি ভাতৃত্ববোধৰে সম্প্ৰীতিৰ বাৰ্তা দাঙি ধৰে। উল্লেখ্য, হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত কলিতাকুছি নিৱাসী বিশিষ্ট সমাজসেৱক মনচুব আলীয়ে ঈদৰ সময়ছোৱাতো ৫০০টা ঈছলাম ধৰ্মাৱলম্বী দৰিদ্ৰ পৰিয়ালৰ মাজত খাদ্যসামগ্ৰীৰ টোপোলা আগবঢ়াই মহানুভৱতাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছিল। বিভাজনৰ দৃষ্টিৰে হিন্দু মুছলমান সম্প্ৰাদয়ৰ কোনো লোকক পৃথক নকৰি সকলোকে সমানভাৱে সহায় কৰি আহিছে মানৱদৰদী সমাজসেৱক মনচুব আলীয়ে। সমান্তৰালভাৱে মনচুৰ আলীয়ে সমূহ সনাতনী হিন্দু ধৰ্মালম্বী ৰাইজলৈ শাৰদীয় দুৰ্গা পূজাৰ শুভেচ্ছা জনোৱাৰ লগতে অসমবাসী ৰাইজৰ কুশল-মংগল কামনা কৰি সকলোকে ইজনে সিজনক সুখে দুখে সহায় কৰি মানৱ ধৰ্ম পালন কৰি যাবলৈ আহ্বান জনায়। অৱশ্যে দৰিদ্ৰতাই কোঙা কৰা বান বিধ্বস্ত পৰিয়ালসমূহৰ পূজা



উদ্‌যাপনত কিছু সকাহ হ'ব বুলি মানৱদৰদী সমাজসেৱক মনচুব আলীয়ে কলিতাকুছি পঞ্চায়তৰ অন্তৰ্গত বৰুৱাবাৰী, গোসাঁইঘাট, কঁঠালঘোপা, চৰাবড়ী আদি কে'বাটাও চুবুৰিৰ ৫০০টা দৰিদ্ৰ পৰিয়ালক ১০ বিধকৈ অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী প্ৰদান কৰি মহানুভৱতাৰ নিদৰ্শন দাঙি ধৰিছে বুলি ভূয়সী প্ৰশংসা কৰে স্থানীয় ৰাইজ আৰু সচেতন মহলে।

## মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ নৱাগত আদৰণী অনুষ্ঠান

# বিশ্ববিদ্যালয়খনলৈ সাংসদ পুঁজিৰ প্ৰথমটো বৃহৎ ৰাশি আগবঢ়াব সাংসদ পৱিত্ৰ মাৰ্ঘেৰিটাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, গুৱাহাটী, ৩০ ছেপ্টেম্বৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ ৰূপনগৰস্থিত গুৱাহাটী ইউনিটত আয়োজিত নৱাগত আদৰণী অনুষ্ঠান আজি সফলতাৰে সামৰণি পৰে। বিশ্ববিদ্যালয়খনৰ প্ৰেক্ষাগৃহত দিনজোৰাকৈ গীত-মাত-কথাৰে এই অনুষ্ঠান সম্পন্ন হয়। পুৱা ৯ বজাৰ পৰা ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ চিনাকি পৰ্বৰ পিছতে আনুষ্ঠানিক অনুষ্ঠান দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হয়। বিশ্ববিদ্যালয় সংগীতৰে আৰম্ভ হোৱা অনুষ্ঠানলৈ সকলোকে আদৰণি জনাই বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বিষয়ে অৱগত কৰি নতুন শিক্ষাৰ্থীক শপতবাক্য পাঠ কৰোৱাই বিশ্ববিদ্যালয়খনৰ পঞ্জীয়ক অধ্যাপক মৃণাল কুমাৰ বৰাই । ইয়াৰ পিছতে ভাষণ প্ৰদান কৰি বিশ্ববিদ্যালয়খনৰ উপাচাৰ্য অধ্যাপক মৃদুল হাজৰিকাই নিজৰ জীৱনৰ অভিজ্ঞতাৰ বিশ্লেষণ কৰি ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰাণিত কৰে। তদুপৰি তেওঁ শিক্ষাৰ্থীসকলক জীৱনত লক্ষ্য নিৰ্ধাৰণ আৰু সেই লক্ষ্যত উপনীত হ'বলৈ গ্ৰহণ কৰিবলগা বিভিন্ন কৌশলৰ সম্পৰ্কতো আলোকপাত কৰে। অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে অংশ লৈ বিশ্ববিদ্যালয়ৰ সঞ্চালক (বিত্ত আৰু পৰিকল্পনা), মুখ্য সমন্বয়ক তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাই কয়, সমাজত প্ৰকৃত মানুহ হিচাপে জীয়াই থাকিবলৈ ডিগ্ৰীতকৈ মানৱীয় গুণ, মূল্যবোধৰ বিশেষ প্ৰয়োজন।



নেৰানেপেৰা প্ৰচেষ্টা, আগ্ৰহ, ইচ্ছা থাকিলেহে এজন শিক্ষাৰ্থীয়ে নিজৰ পৰম লক্ষ্যত উপনীত হ'ব পাৰে । বহিৰ্মুখী চিন্তাতকৈ অন্তৰ্মুখী চিন্তাই নৱ-প্ৰজন্মক শক্তিশালী কৰিব বুলিও বৰাই উল্লেখ কৰে। 'শংকৰদেৱ গুৰুজনাৰ নামত প্ৰতিস্থিত বিশ্ববিদ্যালয়খনলৈ প্ৰথমবাৰৰ বাবে আহি অভিভূত হৈছোঁ। সাংসদ হোৱাৰ পিছত প্ৰথম বাৰৰ বাবে বিশ্ববিদ্যালয়খনলৈ আহি মোৰ অতীজৰ দিনবোৰ মনলৈ আহিছে। বিশ্ববিদ্যালয়খনৰ সৰ্বতোপ্ৰকাৰৰ উন্নতিৰ বাবে মই মোৰ সাংসদ পুঁজিৰ ৫০ লাখ টকা আগবঢ়াম।' অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশলৈ সাংসদ পৱিত্ৰ মাৰ্ঘেৰিটাই এই মন্তব্য আগবঢ়ায়। বিশ্ববিদ্যালয়খনৰ সঞ্চালক (বিত্ত আৰু পৰিকল্পনা), মুখ্য সমন্বয়ক তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ প্ৰধান সম্পাদক বাবুল বৰাৰে সকলো আলাপ-আলোচনা কৰি ব্যক্তিগত চিন্তা-চৰ্চাৰে এক প্ৰকল্প তৈয়াৰ কৰাৰ কথাও তেওঁ উল্লেখ কৰে। এই অনুষ্ঠানতে, ইংৰাজী বিভাগৰ দীপকজ্যোতি বৰা, যোগ বিজ্ঞান আৰু প্ৰাকৃতিক চিকিৎসা বিভাগৰ মাধন বৰাই শিক্ষাৰ্থীসকলক উদ্দেশ্যি পৰামৰ্শ আগবঢ়ায়। ছাত্ৰী নিকিতা ফুকনে আঁত ধৰা অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় ছাত্ৰী অনামিকা চহৰীয়াই। অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ উপ-পঞ্জীয়ক ড° শেখৰকান্তি সৰকাৰ, সহকাৰী পঞ্জীয়ক (শৈক্ষিক) বিচিত্ৰ বিকাশৰ লগতে অধ্যাপক-অধ্যাপিকা, বিষয়া-কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

# ধুবুৰীত আত্মসহায়ক গোটৰ অসমী শাৰদীয় মেলা

## ৩০খন বিপণীত বিক্ৰী বিভিন্ন ধৰণৰ সামগ্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ৩০ ছেপ্টেম্বৰ ঃ** অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ ধুবুৰী জিলা গোটৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত ধুবুৰীৰ ৰাজা প্ৰভাত চন্দ্ৰ বৰুৱা খেলপথাৰত কালিৰে পৰা তিনিদিনীয়াকৈ অসমী শাৰদীয় মেলা আৰম্ভ হৈছে। কালি ধুবুৰী জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া বিশ্বজিৎ গোস্বামীয়ে ধুবুৰী পৌৰসভাৰ পৌৰপতি ডাঃ দেৱময় সান্যাল আৰু সমাজকৰ্মী প্ৰসেনজিৎ দত্তৰ উপস্থিতিত মেলাখনৰ শুভাৰম্ভ কৰে। কেবাগৰাকী খণ্ড উন্নয়ণ বিষয়া, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ ধুবুৰী জিলা গোটৰ ডি পি এম সহিতে বিষয়াবৰ্গ, লীড বেংক মেনেজাৰ শুভাৰম্ভণি অনুষ্ঠানত উপস্থিত থাকে। জিলাখনৰ বিভিন্ন আত্ম সহায়ক গোটে তেওঁলোকৰ উৎপাদিত বিভিন্ন ধৰণৰ সামগ্ৰী এই মেলাত প্ৰদৰ্শন আৰু বিক্ৰীৰ ব্যৱস্থা কৰিছে। মেলাত মুঠ ৩০ খন বিপনী স্থাপন কৰা হৈছে। ৰাইজক শাৰদীয় বতৰত মেলাস্থলীলৈ আহি সামগ্ৰী ক্ৰয় কৰিবলৈ আয়োজকসকলে আহ্বান জনাইছে।



# মৰিগাঁও জনসংযোগ বিষয়া কাৰ্যালয়ৰ কৰ্মচাৰী শন্তৰাম দাসৰ অৱসৰত বিদায় সম্ভাষণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৩০ ছেপ্টেম্বৰ ঃ** আজি মৰিগাঁও জিলাৰ তথ্য আৰু জনসংযোগ বিষয়া কাৰ্যালয়ৰ কৰ্মচাৰী গাড়ী চালক শন্তৰাম দাসৰ চাকৰিকাল সম্পূৰ্ণ হোৱাৰ পৰিপ্ৰেক্ষিতত অৱসৰ গ্ৰহণ কৰে। ভাৰপ্ৰাপ্ত জিলা তথ্য আৰু জনসংযোগ বিষয়া অৰুন্ধতী নৰহ মিপুন আৰু তিনিজন সহকৰ্মীয়ে বিদায় সম্ভাষণ জনাই দাসৰ সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে।

# ভোমৰাবিল এম ই মাদ্ৰাছাৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষকক বিদায় সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও, ৩০ অক্টোবৰ ঃ** গোসাইগাঁও মহকুমাৰ অসম- বংগৰ সীমান্তৱৰ্তী সংখ্যালঘু অধ্যুষিত ভোমৰাবিল অঞ্চল ।কিন্ত এই বৃহওৰ অঞ্চলত শিক্ষানুষ্ঠানৰ অভাৱত বহু ল'ৰা-ছোৱালীয়ে প্ৰাথমিক স্কুলৰ দেওনা পাৰ কৰিয়ে অনেক ল'ৰা-ছোৱালীয়ে শিক্ষা জীৱনৰ ইতি পৰিছিল। সেয়ে অঞ্চলটোৰ একাংশ শিক্ষিত যুৱকে মনত ঠিৰাং কৰিলে যে ভোমৰাবিল অঞ্চলত এখন মজলীয়া বিদ্যালয় স্থাপন কৰাৰ। শিক্ষিত যুৱকসকলৰ তৎপৰতাত ১৯৮৫ চনত ভোমৰাবিল এম ই মাদ্ৰাছাখন স্থাপন কৰে । ভোমৰাবিল এম ই মাদ্ৰাছাৰ প্ৰতিস্থাপক শিক্ষক হিচাপে দায়িত্ব ভাৰ গ্ৰহণ কৰে আহমেদ আলীয়ে । মাদ্ৰাছাখনত সহকাৰী শিক্ষক হিচাপে আনোৱাৰ খান ,নূৰ মহাম্মদ আলী শ্বেখ , বিজ্ঞান শিক্ষক হিচাপে ময়নুল হক প্ৰধানী ,হিন্দী শিক্ষক হিচাপে জয়নাল আবেদিন ,চতুৰ্থ বৰ্গ কৰ্মচাৰী মহিৰউদ্দিন শ্বেখ এই শিক্ষিত যুৱকে সাত টা বছৰে ভেঞ্চাৰ বিদ্যালয়খনত বিনাবেতনে শিক্ষকতা কৰা অন্তত ১৯৯১ চনত ভোমৰাবিল এম ই মাদ্ৰাছাখন প্ৰাদেশীকৃত হয় ।বিদ্যালয়খনৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক আহমেদ আলীয়ে চলিত বছৰটোৰ ৩১ মে'ত অৱসৰ গ্ৰহণ কৰে। আজি বিদ্যালয়খনৰ সহকাৰী শিক্ষক হিচাপে যোগদান কৰি পদোন্নতি পাই প্ৰধান শিক্ষকৰ দায়িত্ব গ্ৰহণ কৰি কৰ্মৰত হৈ থকা প্ৰধান শিক্ষক আনোৱাৰ খানে আজি শিক্ষকতা জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে ।তদুপলক্ষে প্ৰধান শিক্ষক আনোৱাৰ খানক আজি বিদায় দিয়াৰ বাবে এখন সম্বৰ্ধনা সভা অনুষ্ঠিত কৰা হয় ।বিদ্যালয়খনৰ চৌহদতে বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি আজাহাৰ আলীৰ সভাপতিত্ব অনুষ্ঠিত হোৱা বিদায়ী সম্বৰ্ধনা সভাত বিদ্যালয়খনৰ শিক্ষক বৃন্দ , ভোমৰাবিল হাই স্কুলৰ শিক্ষকবৃন্দ, বিদ্যালয়খনৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আনোৱাৰ খানক বিভিন্ন উপহাৰ সামগ্ৰীৰে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে। বিদায়ী তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আনোৱাৰ খানে কয় যে শিক্ষকতা চাকৰি এটা অতি মহান বৃত্তি। মহান বৃত্তিক মৰ্যাদা শিক্ষকগৰাকীয়ে নিজেই দিবলৈ শিকিব লাগিব, তেতিয়াহে শিক্ষকতা তৃপ্তিদায়ক হয়। ৩৭ বছৰে এইখন বিদ্যালয়ত শিক্ষকতা কৰি আজি শিক্ষকতাৰ পৰা অৱসৰ গ্ৰহণ কৰিব লগা হোৱাত জীৱনত এৰি অহা দিনবোৰৰ কথাই মোৰ মনত ধোলা দি গৈছে। শিক্ষকতা কৰা দিনবোৰ কথা ক'বলৈ গৈ বিদায়ী প্ৰধান শিক্ষক খান উচুপি উঠে। প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলে বহুতে এতিয়া আমাতকৈ ডাঙৰ চাকৰিত কৰ্মৰত হৈ থকা সত্ত্বেও মোৰ লগত দেখা হলে যি খিনি সন্মান দিয়ে সেয়াই মোক বহু গুণে গৌৰৱান্বিত কৰি তোলে। বিদায় সম্বৰ্ধনা সভাত বিদ্যলয়খনৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক আহমেদ আলী শ্বেখে বিদ্যালয়খনৰ জন্ম বৃত্তান্তৰ এক ইতিবৃত্ত দাঙি ধৰি চমু ভাষণ আগবঢ়ায়। ভোমৰাবিল হাই স্কুলৰ প্ৰধান শিক্ষক আব্দুল হামিদ খানে কবিতা আবৃত্তি কৰি প্ৰধান শিক্ষকগৰাকী বিদায় সম্বৰ্ধনা প্ৰদান কৰি সকলোৰে চকুলো সেমেকি তোলে। বিদায়ী সভাত ভালেকেইজন প্ৰাক্তন ছাত্ৰই অৱসৰপ্ৰাপ্ত শিক্ষকগৰাকীৰ শিক্ষকতা জীৱনৰ বিভিন্ন দিশ উন্মোচিত কৰি ভাষণ আগৱঢ়ায়।



*No. FA/TR/Quotation/2022-23/1293* *September 23, 2022*

**NOTICE INVITING QUOTATION**

Sealed Quotations are invited affixing a non-refundable Court Fee Stamp of Rs. 8.25 (Rupees Eight and paise Twenty Five) only from the registered Contractors/Supplier/Dealer/Firm for the following items as per details specification.

The Quotationers must submit a self-attested copy of **up-to-date Firm/Dealer/Supplier Registration, Trade Licence, GST registration, Income Tax Return, Annual turnover, Bank Solvency etc.** along with the Quotations.

The Quotations will be received by the undersigned through a Tender Box/Speed Post/Registered Post/Courier till **07/10/2022 up to 3 P.M.(IST)** and will be opened on **07/10/2022 at 3:30 P.M.(IST)** in the Office of the Field Director, Manas Tiger Reserve.In the event of any unusual occurrence due to strike, bandh, holiday etc. the same will be received and opened on the next working day at same place and same time.

| Sl. No. | Description of Item | Specification | Rate |
|---|---|---|---|
| 1 | Inflatable Rubber Rafting Boat | Capacity: 8 seater, Overall Length: 4.2 m, Overall Width: 1.8 m, Tube diameter: 480 mm, Fabric: High Tensile one side Red Hypalon and other side Neoprene Coated Polyester Base Fabric with UV, Oil. Fabric weight: 1500 GSM, Fabric Tensile Strength: 5000N/5cm, Air Supply: Foot Pump with Hose, Repair Kit & other accessories. | Unit rate to be quoted |

**Terms & Conditions**:
1. The items should be as per specification.
2. The price should be including GST & Transportation charges.
3. The taxes if any will be deducted at source as per rule.
4. The undersigned is not bound to accept the lowest rate.
5. The decision of the undersigned is final in all respects.

Sd/- Field Director,
Manas Tiger Reserve

*IPR(BTC)-347/2022*

*No. FA/TR/Quotation/2022-23/1308* *September 29, 2022*

**NOTICE INVITING QUOTATION**

Sealed Quotations are invited affixing a non-refundable Court Fee Stamp of Rs. 8.25 (Rupees Eight and paise Twenty Five) only from the registered Contractors/Supplier/Dealer/Firm for the following items as per details specification.

The Quotationers must submit a self-attested copy of **up-to-date Firm/Dealer/Supplier Registration, Trade Licence, GST registration, Income Tax Return, Annual turnover, Bank Solvency etc.** along with the Quotations.

The Quotations will be received by the undersigned through a Tender Box/Speed Post/Registered Post/Courier till **14/10/2022 up to 3 P.M. (IST)** and will be opened on **14/10/2022 at 3:30 P.M. (IST)** in the Office of the Field Director, Manas Tiger Reserve. In the event of any unusual occurrence due to strike, bandh, holiday etc. the same will be received and opened on the next working day at same place and same time.

| Sl. No | Description of Item | Specification | Rate |
|---|---|---|---|
| 1 | Iron Camera Trap Stand | Dimension : 10 cm(L) x 10 cm(W) x 13.5 cm(H) | Unit rate to be quoted |
| 2 | Compass | Glass material: Acrylic, Case Material: Plastic Item weight: 36 g/1.27 oz, Dimension: 78 x 57 x 20 mm/3.07 x 2.24 x 0.79", Accuracy: 0.5° Graduation interval 1°, Scale: Azimuth 360°, Reversed: 360°, Adjustable diopter, Sapphire bearing, Liquid filled capsule for stable operation, Plastic housing, Floating, Lanyard including 2 years warranty. | Unit rate to be quoted |
| 3 | Laser Range Finder | Range: 6-600 m, Power: 6x, Accuracy: 1m, Objective: 21 mm, Lens coating: Multi Anti-Reflective, Angle Range: 90°, Field of view: 140m @ 1000m, Wide Angle Optical System: 8°, Eye Relief: 18 mm. Battery: CR2-3v, Operating Temperature: 10°C to 40 °C, Waterproof Rating: IPxS, Length: approx 97 mm, Weight: approx 170g. | Unit rate to be quoted |
| 4 | Android Mobile Phones | Display : <= 6.40 inch, RAM: <= 6 GB, Storage : <= 128 GB, Battery Capacity : <= 5000 mAh, OS: Android 10. | Unit rate to be quoted |

**Terms & Conditions**:
1. The items should be as per specification.
2. The price should be including GST & Transportation charges.
3. The taxes if any will be deducted at source as per rule.
4. The undersigned is not bound to accept the lowest rate.
5. The decision of the undersigned is final in all respects.

Sd/- Field Director,
Manas Tiger Reserve

*IPR(BTC)-348/2022*

তৃতীয় পৃষ্ঠাৰ পৰা—

## বঙাইগাঁৱত পৰ্যটনৰ বহুত

আসনৰ ভিতৰত ১৪খন আসনেই দখল কৰাৰ লক্ষ্যৰে কাম কৰি আছো। এই মন্তব্য ৰাজ্য চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী তথা পৰ্যটন বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ। শুকুৰবাৰে বঙাইগাঁও জিলা বিজেপি কাৰ্যালয়ত অনুষ্ঠিত এখন সাংগঠনিক সভাত অংশগ্ৰহণ কৰিবলৈ আহি এক সংবাদ মেলত মন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে আমি আমাৰ দলৰ সকলোকে নিৰ্দেশনা দিছো যে ১৪খন আসনেই যাতে বিজেপি আৰু মিত্ৰ দলে দখল কৰিব পাৰো তাৰ কাৰণে আমাৰ প্ৰস্তুতি এতিয়াৰে পৰা চলি আছে। আমাৰ মিত্ৰতা আগতেও আছিল আৰু এতিয়াও আছে। মিত্ৰতাক লৈ কোনো কথা অহা নাই। আমাৰ মিত্ৰতা সদায় আছে আৰু আমি যিকেইটা দল লগ হৈ আছো এই মিত্ৰ দলৰ মাজতে আমি ১৪খন আসনৰ লক্ষ্যৰে আমি আগবাঢ়িছো। আনহাতে, বঙাইগাঁও জিলাৰ পৰ্যটনৰ ক্ষেত্ৰত কিবা নতুন আঁচনি গ্ৰহণ কৰিছে নেকি বুলি সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয় যে পৰ্যটনৰ ক্ষেত্ৰখনত নতুন নতুন সংযোজন কৰি আছো। বঙাইগাঁও বা এই বৃহত্তৰ অঞ্চলটোত পৰ্যটনৰ বহুত সম্ভাৱনা আছে আৰু সেইবোৰ পৰ্যায়ক্ৰমে হৈ থাকিব। আমি যেতিয়াই নতুন নতুন আঁচনি ল'ম সেই বিষয়ে গম পাব। আমি বিশেষভাৱে বন্যপ্ৰাণী পৰ্যটনক (ৱাইল্ড লাইফ ট্যুৰিজিম) অগ্ৰাধিকাৰ দি আগবঢ়াই লৈ গৈ আছো। গতিকে য'ত য'ত তেনেকুৱা ধৰণৰ সম্ভাৱনাবিলাক আছে সেইবিলাকত কাম কৰিব লাগিব। ধৰ্মীয় পৰ্যটন ক্ষেত্ৰখনক এটা বেলেগ পৰ্যায়ত লৈ গৈ আছো। অসমৰ বিভিন্ন ধৰ্মীয় ক্ষেত্ৰখনলৈ মানুহ অহা আৰম্ভ হৈছে। সেয়ে কম দিনৰ ভিতৰত ইয়াত বন্যপ্ৰাণী পৰ্যটন আৰু ধৰ্মীয় পৰ্যটনৰ সম্ভাৱনা আছে সেই কাম আৰম্ভ কৰিম। ইপিনে জলমিত্ৰসকলৰ বিভিন্ন দাবীৰ বিষয়ে সাংবাদিকে প্ৰশ্ন কৰাত তেওঁ কয় যে জলমিত্ৰসকলে প্ৰথম বুজিব লাগিব যে জলমিত্ৰ হ'ল স্বেচ্ছাসেৱক। এয়া কোনো চৰকাৰী চাকৰি নহয়। তেওঁলোকে সোমোৱাৰ দিনাই জানে যে এয়া চৰকাৰী চাকৰি নহয়। স্বেচ্ছাসেৱক হিচাপে কাম কৰিব লাগিব। দীৰ্ঘদিন ধৰি যিসকলে জলমিত্ৰ হিচাপে কাম কৰি আছিল তেওঁলোকে আনকি ন্যূনতম সুবিধাও পোৱা নাছিল। আমি অস্বীকাৰ নকৰো যে তেওঁলোকৰ দাবীসমূহৰ ন্যায্যতা নাই। সঁচাকৈ ন্যায্যতা থাকে। কিন্তু চৰকাৰৰ কিছু অসুবিধা থাকে । ইমান দিনে তেওঁলোকে একো এটা নোপোৱাৰ পৰ্যায়ৰ থকাৰ পিছত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দায়িত্ব লোৱাৰ পিছতে এটা সিদ্ধান্ত লৈছিলো যে আমি পঞ্চদশ বিত্তীয় পৰিকল্পনাৰ ধনৰ পৰা তেওঁলোকক মাহে ৬,৫০০ টকাকৈ দি থাকিম। তিনি-চাৰি বছৰ এনেকৈ দি থকাৰ পিছত তেওঁলোকে আঁচনিখন নিজাববীয়াকৈ চলাব পৰা পৰ্যায়লৈ নিব লাগিব। এই কথাখিনিৰ লগে লগে তেওঁলোকে যদি ভাবে যে তেওঁলোকক আৰু বেছিকৈ টকা দিব লাগে, নিয়মীয়া কৰ্মচাৰী কৰিব লাগে তেতিয়াহ'লে সম্ভৱ নহয়। কাৰণ তেওঁলোকে কামত সোমোৱাৰ দিনাৰ পৰাই জানে যে এয়া স্বেচ্ছামূলক সেৱা। ভাৰত চৰকাৰৰ গাইড লাইন মতেও তেওঁলোকে পানী ব্যৱহাৰকাৰী সমিতিৰ জৰিয়তে তেওঁলোকে চলিব লাগিব। ইয়াত আমাৰ অসম চৰকাৰৰ কৃপা এইটোৱে যে ভাৰত চৰকাৰে যিটো গাইডলাইন দিছিল যে নিজে টকা উঠাই আয় কৰি তাৰ পৰা ল'ব লাগিব। তাৰ উপৰি অসম চৰকাৰে নিজৰ চৰকাৰী পুঁজিৰ পৰাও মাহে ৬,৫০০ টকাকৈ দিয়াৰ সিদ্ধান্ত লৈছে। তাক বাদ দি তেওঁলোকে যদি ৰাইজক ভাল পানী যোগান ধৰাৰ নামত তাৰ বিনিময়তো কিবা লয় তাত আমাৰ ক'বলগীয়া নাই। আমি তেওঁলোকৰ নিৰাপত্তাৰ স্বাৰ্থত বীমাৰ কথা ভাবিছো আৰু অন্যান্য কথা ভাবিছো। কিন্তু কিছুমান মানুহে ইয়াক এটা প্ৰতিবাদী ব্যৱস্থালৈ নিবলৈ চেষ্টা কৰি আছে। যদি তেওঁলোকে তেনেকৈ ভাবে তেতিয়াহ'লে চৰকাৰী আইন মতে যি পানী ব্যৱহাৰকাৰী সমিতিয়ে আঁচনিখন চলাব লাগে তেনেদৰে চলাব লাগিব। তেতিয়াহ'লে তেওঁলোকৰ কোনো উপায় নাথাকিব। তদুপৰি প্ৰতিবাদ কৰি থাকিলে তাত কোনেও ৰখি নাথাকে। জল জীৱন আঁচনিখন সফল হ'বই লাগিব আৰু সফল কৰিবৰ কাৰণে জলমিত্ৰসকলৰ মুখ্য ভূমিকা আছে। তেওঁলোকে যদি প্ৰথম দিনাই আন্দোলনমুখী হৈ যায়, তেতিয়াহ'লে তেওঁলোকৰ দ্বাৰা কাম নহ'ব বুলি মই ভাবো। যিসকলে ভাবে যে আমি চৰকাৰখনক সহায় কৰিম আৰু তাৰ পিছত আমাক টকা বঢ়াই দিব লাগে, সহায় কৰিব লাগে বা পিছত কিবা বেলেগ ধৰণৰ সুবিধা দিব লাগে এইটো হ'ব পাৰে। কিন্তু কাম আৰম্ভ নকৰোতেই দাবী কৰিলে কেনেকৈ হ'ব? এতিয়া তেওঁলোকক প্ৰশিক্ষণ দিছো । আনহাতে, তেওঁলোকে যেতিয়া কামত সোমোৱা বুলি কৈছে সেই সময়ত অসমত জলজীৱনৰ পানী মানুহক দিছিল কেৱল দুই শতাংশ। সেয়ে অসমৰ যদি দুই শতাংশ মানুহক পানী দিয়া লোকসকলে কয় যে আমি অমুক কৰিছো, তমুক কৰিছো কেনেকৈ হ'ব? কাৰণ পানীতো দুই শতাংশ লোকেহে পাই আছিল। এতিয়াহে ৩৫-৩৬ শতাংশলৈ আহিছে। এতিয়াহে কাম আৰম্ভ হৈছে। এতিয়া তেওঁলোকে প্ৰশিক্ষণ ল'ব, কাম আৰম্ভ কৰিব। তাৰ পিছত কাম কৰি গৈ থাকিব। তেওঁলোকৰ কামৰ মৰ্যাদা দিবৰ কাৰণে চৰকাৰে চেষ্টা কৰিব। কিন্তু মূল কথাটো হ'ল এয়ে যে গোটেই ব্যৱস্থাটোৱে হ'ল স্বেচ্ছামূলক সেৱা। স্বেচ্ছামূলক সেৱাৰ লগত জড়িত লোকসকলে যদি প্ৰথমতে এই ধৰণৰ কথা ভাবে তেতিয়াহ'লে মই নাভাবো যে তেওঁলোকে ইতিবাচক কথা ভাবিছে। তেওঁলোকে ভাবিব লাগে যে আমি সেৱা আগবঢ়াম আৰু চৰকাৰক দেখুৱাই দিম যে আমাৰ আঁচনিসমূহ চলি আছে। তেতিয়া ৰাইজে ক'ব যে তেওঁলোকে ভাল কাম কৰিছে আৰু তেওঁলোকক সহায় কৰিব লাগে। আমি তেওঁলোকক সহায় কৰিবৰ কাৰণে প্ৰস্তুত আছো। এইক্ষেত্ৰত সকলোৱে আপত্তি নাই। কেইজনমান নিৰ্দিষ্ট মানুহৰহে আপত্তি আছে। বিজ্ঞাপনত কৈ আছে যে আমাক পিছলৈ চাব। চৰকাৰলৈতো প্ৰথম দিনাই হৈছে। বছৰ বছৰ ধৰি বৰমহা নোপোৱাসকলক মাহে মাহে ৬,৫০০ টকাকৈ দিয়াৰ ব্যৱস্থা কৰিছো। বেংক একাউণ্টত টকা দিয়াৰ কথা কৈছিলো, কাম চলি আছে। মানুহে পানীয়ে থাকিব পৰা নাই আৰু তেওঁলোকৰ যদি কয় যে মাহেকত ইমান টকা লাগিব কেনেকৈ হ'ব? কাৰণ তেওঁলোক কাম কৰা মানুহ আছিল। তেওঁলোকে কাম কৰা দিনত অসমত দুই শতাংশ মানুহে পানী খাইছিল আৰু এতিয়া ৩৮ শতাংশলৈ বৃদ্ধি পাইছে। দুই শতাংশৰ পানী খুৱাই থকাসকলে যদি কয় যে আমি ইমান কষ্ট কৰিলো, ত্যাগ কৰিলো কেনেকৈ হ'ব? ত্যাগতো ক'ত কৰিলে? পানী খুৱাই ত্যাগ কৰিছে নে নাই? ৰাইজক পানী খুৱাই ত্যাগ কৰিছে নে নাই? ২০১৯ চনৰ তথ্যই কয় যে পানীতো দুই শতাংশহে খাইছে। আন্দোলন কৰি থাকিব পাৰিব। আন্দোলন কৰিলে তেওঁলোকে আঁতৰি যাব আৰু বেলেগ মানুহে কাম কৰিব। আন্দোলনটো তেওঁলোকৰ কোনো অধিকাৰতো নহয় যে তেওঁলোকক কোনোবাই অধিকাৰ দি থৈছে। তেওঁলোকৰ আঁচনি নচলিলে ব্যৱহাৰকাৰী সমিতিয়ে বেলেগ মানুহ ল'ব। আমি একো কৰিব নোৱাৰিম। সংবাদ মেলত জিলা বিজেপিৰ সভানেত্ৰী হিমানী অধিকাৰী আৰু জিলা প্ৰভাৰী ৰঞ্জ কুমাৰ দাস উপস্থিত আছিল। উল্লেখ্য যে মন্ত্ৰীগৰাকীয়ে পুৱাৰ ভাগত বিজেপিৰ বঙাইগাঁও জিলা কাৰ্যালয়ত এখন সাংগঠনিক সভাত অংশগ্ৰহণ কৰে। জিলা বিজেপিৰ সভানেত্ৰী হিমানী অধিকাৰীৰ সভাপতিত্বত অনুষ্ঠিত সভাত সাংগঠনিক দিশৰ ওপৰত আলোচনা কৰাৰ লগতে ৮ অক্টোবৰত গুৱাহাটীত বেলতলা অঞ্চলত নতুনকৈ নিৰ্মাণ কৰা ভাৰতীয় জনতা পাৰ্টীৰ অসম প্ৰদেশৰ ৰাজ্যিক কাৰ্যালয়টোৰ শুভ উদ্বোধনী অনুষ্ঠানৰ কাৰ্যসূচী সম্পৰ্কে বিতংভাৱে অৱগত কৰে। কেন্দ্ৰীয় স্বৰাষ্ট্ৰমন্ত্ৰী অমিত শ্বাহ আৰু ভাৰতীয় জনতা পাৰ্টীৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ উপস্থিতিত অনুষ্ঠিত হ'বলগীয়া এই শুভ আকাংক্ষিত উদ্বোধনী অনুষ্ঠানটোৰ লগত সংগতি ৰাখি খানাপাৰাত যি এখন কৰ্মী সন্মিলনৰ আয়োজন কৰিছে সেই সন্মিলনত বিশেষভাৱে অংশগ্ৰহণ কৰাৰ বাবে পৰামৰ্শ আগবঢ়ায়। সভাত ৰাজ্যিক প্ৰশিক্ষণ কোষৰ আহ্বায়ক তথা বঙাইগাঁও জিলাৰ প্ৰভাৰী ৰঞ্জ কুমাৰ দাস, বঙাইগাঁও জিলাৰ প্ৰাক্তন সভাপতি তথা দলৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য সুখেন্দু মোহন দত্ত আদি কৰি আন আন দলীয় বিষয়বিষয়া আৰু কাৰ্যকৰ্তাসকল উপস্থিত থাকে।

## প্ৰবীণ অভিনেত্ৰী আশা

চাহেব ফাল্কে বঁটা সমিতিয়ে এই সন্মানৰ বাবে পাৰেখক বাছনি কৰিছিল। তেওঁক ১৯৯২ চনত দেশৰ চতুৰ্থ সৰ্বোচ্চ অসামৰিক বঁটা পদ্মশ্ৰী সন্মানেৰে সন্মানিত কৰা হৈছিল। যোৱা বছৰ ৰজনীকান্তক ২০১৯ চনৰ দাদা চাহেব ফাল্কে বঁটা প্ৰদান কৰা হৈছিল। ভাৰতীয় চিনেমাৰ ক্ষেত্ৰত দাদা চাহেব ফাল্কে বঁটাক সৰ্বোচ্চ সন্মান হিচাপে গণ্য কৰা হয়। ভাৰতীয় চিনেমাক আগুৱাই লৈ যোৱাত আশা পাৰেখৰ যথেষ্ট অৱদান আছে। এই সন্মানীয় বঁটা লাভ কৰা ৫২সংখ্যক ব্যক্তি হৈছে আশা পাৰেখ। আশা পাৰেখে নিজৰ যুগৰ সৰ্বাধিক মানদি পোৱা অভিনেত্ৰীসকলৰ ভিতৰত অন্যতম। অৱশ্যে আশা পাৰেখে বৰ্তমানে অভিনয়ৰ পৰা অব্যাহতি লৈছে। ৬০ আৰু ৭০ৰ দশকত আশা পাৰেখে ভাৰতীয় চলচ্চিত্ৰ জগতত শীৰ্ষ অভিনেত্ৰীৰ আসনত বহিবলৈ সক্ষম হৈছিল। পঞ্জাবী, গুজৰাটী আৰু কানাড়া ছবিতো তেওঁ অভিনয় কৰিছিল। তদুপৰি তেওঁ নিজাকৈ প্ৰডাকচন কোম্পানী আৰম্ভ কৰি টিভি শ্ব' প্ৰযোজনা কৰিছিল। ১৯৯২ চনত তেওঁ পদ্মশ্ৰী বঁটা লাভ কৰিছিল। অনুৰাগ ঠাকুৰে আশাৰ বিষয়ে কয় যে, 'তেওঁ ৯৫খনতকৈও অধিক ছবিত অভিনয় কৰিছিল আৰু ১৯৯৮ চনৰ পৰা ২০০১ চনলৈকে কেন্দ্ৰীয় চলচ্চিত্ৰ প্ৰমাণীকৰণ বৰ্ডৰ (চিবিএফচি) অধ্যক্ষ আছিল।' চিনেমাৰ ক্ষেত্ৰত এই সৰ্বোচ্চ দাদা চাহেব ফাল্কে বঁটা প্ৰতি বছৰে ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাত প্ৰদান কৰা হয়। যোৱা বছৰ ছুপাৰষ্টাৰ ৰজনীকান্তক এই বঁটাৰে সন্মানিত কৰা হৈছিল। ৭৯ বছৰীয়া আশা পাৰেখে 'দিল দেকে দেখো', 'কাটি পতংগ', 'তিছৰী মঞ্জিল', 'কাৰবা' আদি হিট ছবিত কাম কৰিছে। তেওঁক হিন্দী চিনেমাৰ আইকনিক অভিনেত্ৰী হিচাপে গণ্য কৰা হয়। নব্বৈৰ দশকৰ শেষৰ ফালে পাৰেখে পৰিচালনা কৰিছিল প্ৰশংসিত টিভি ধাৰাবাহিক 'কোৰা কাগজ'। প্ৰযোজক আৰু পৰিচালক হিচাপেও তেওঁৰ কাম অসাধাৰণ আছিল। অভিনেত্ৰী আশা পাৰেখক ২০২২ বৰ্ষৰ দাদা চাহেব ফাল্কে বঁটাৰে সন্মানিত কৰাত আনন্দিত হৈ পৰিছে সাংস্কৃতিক মহল।

## ছেমখোৰ ঃ এনে বিতৰ্ক এয়া

পিতৃ-মাতৃৰ সৈতে সম্পূৰ্ণ দুটা বছৰৰ পিছত ডেনিয়েল লাংথাছাই লোৱা এটা সাক্ষাৎকাৰৰ পৰা অৱগত হ'লো। মোৰ প্ৰথম প্ৰতিক্ৰিয়া 'হৃদয় বিদাৰক'। ইতিমধ্যে ফেচবুকত দেখিবলৈ পোৱা বিভিন্ন মন্তব্যবোৰে মোৰ মনত প্ৰতিক্ৰিয়া কৰিছিল। সেয়ে কি তথ্য ততালিকে পোৱা যায় বিচাৰ কৰোঁতে চিনেমাখনৰ কাহিনীটোক লৈ বিতৰ্কৰ কথাও অৱগত হ'লো, যিটো ফেচবুকৰ পৰা জনা নাছিলোঁ।

ফেচবুকত বিদ্বান পৰিচিত লোকসকলেও মাত্ৰ এটা দিশ আলোকপাত কৰিছে। চিনেমাখন এজন মন্ত্ৰী পত্নীৰ দ্বাৰা পৰিচালিত আৰু নিজে অভিনয়ো কৰিছে। গতিকে পৰিচালিকা আৰু অভিনেত্ৰী হিচাপে শ্ৰীমতী আইমী বৰুৱাৰ ওপৰত ক্ষুব্ধ হৈ পৰিছে। তেওঁ কিমান অমানৱীয় বা নিষ্ঠুৰ তাকে লৈ সৰৱ হৈছে। আইমী বৰুৱাৰ মন্তব্য মই দেখা নাই। দেখিলে মই এটা সম্যক ধাৰণা কৰিব পাৰিম আৰু মোৰ এটা মতামত গঢ়ি উঠিব।

কিন্তু মোৰ হৃদয়জৰ্জৰিত হৈছে পিতৃ-মাতৃ হালৰ সৰলতাত। ডেনিয়েলে পিতৃৰ মুখত শব্দ জাপি দিবলৈ চেষ্টা কৰিছিল, যাতে বিৱৰণী এটা বিশেষ ধৰণে আগবাঢ়ে। কিন্তু মানুহজনে অকপটে নিজৰ দুখভৰা কাহিনী কৈছে। গাঁৱৰ চিনাকি কাৰোবাৰ মধ্যস্থতাত শিশুটিক চুটিং কৰিবলৈ দিছিল। সোমবাৰ, এঘণ্টামান। মঙলবাৰে শিশুটি অসুস্থ হৈছিল, জ্বৰ হোৱা যেন লাগিছিল। চিকিৎসকে সাধাৰণ শ্বাসনলীৰ 'ইনফেকচন' বুলি কৈছিল, চিকিৎসকৰ মতে জ্বৰ আছিল নে নাই সেয়া অস্পষ্ট হৈ থাকিল। ডেনিয়েলে জ্বৰ আছিল বুলি নিশ্চিত ধৰণে আগুৱাই নিব খুজিছিল, কিন্তু পিতৃয়ে কথাটো নিশ্চিত কৰা নাছিল। মোৰ ধাৰণা হৈছিল— পিতৃ-মাতৃয়ে জ্বৰ আছিল বুলি ধাৰণা কৰিছিল, কিন্তু ডাক্তৰে কথাটো নিশ্চিত কৰা নাছিল। ভূতে ধৰা বুলিও পিতৃক কোনোবাই ধাৰণা দিছিল। শুকুৰবাৰে পুৱতি নিশা চিকিৎসালয়লৈ নিছিল, য'ত নাৰ্ছে শিশুটি মৃত্যু হোৱা বুলি কৈছিল। চিকিৎসালয়ত বিজুলী নাছিল, চিকিৎসকো নাছিল।

এই অসহায়তা বহুজনৰ। কিমান এনে কৰুণ কাহিনী আছে, আমি অৱগত নহয়। 'ভূতে ধৰিছিল', এই অন্ধবিশ্বাসে আজিও কিমান শিশুৰ প্ৰাণ লৈ আছে।!

সেই দিনকেইটাত, যেতিয়া ক্লেৰিঙে জীৱনক লৈ সংগ্ৰাম কৰিছিল, সভ্য-সমাজ আন কিবা সমস্যা লৈ ফেচবুক কৰি আছিল। চিনেমা কৰা দলটো উভতি আহিছিল। ক্লেৰিঙৰ পিতৃয়ে চিনেমা দলটোৰ এজনকো চিনি নাপাইছিল। মাজৰ মানুহজনৰ ভূমিকা বৰ স্পষ্ট নহয়, কিন্তু ক্লেৰিঙৰ পিতৃৰ কাৰো প্ৰতি প্ৰত্যক্ষ অভিযোগ নাছিল। কেৱল অব্যক্ত এক বেদনা।

অভিনেত্ৰী আইমী বৰুৱা বা চিনেমা কৰা দলটো কেতিয়া এই 'ট্ৰেজেডী' সম্পৰ্কে অৱগত হৈছিল, সেইটো গুৰুত্বপূৰ্ণ। শিশু এটিক চিনেমাত ল'বলৈ কি আইনী প্ৰক্ৰিয়া আছে, কি চুক্তি অভিভাৱকৰ সৈতে কৰিব লাগে আদি বিচাৰ্য দিশ। কিন্তু যিসকলে কথাটো শুনিয়েই আইমী বৰুৱাক ক্ষোভৰ লক্ষ্য কৰি লৈছে, কাইলৈ তেওঁলোকে আন এটা ক্ষোভ বিচাৰি পাব। ক্লেৰিঙৰ কাৰণে তেওঁলোকৰ শোক ইমানেই যিমান মাজুলীৰ নাও দুৰ্ঘটনাত হোৱাসকলৰ প্ৰতি হৈছিল। অন্ততঃ মই নিজৰ মনটোৰ অভিজ্ঞতাৰ পৰা ক'ব পাৰো যে এই সামূহিক দুখ আৰু ব্যক্তিগত দুখ একে নহয়। সামূহিক দুখ পানীৰ বুৰবুৰণি। সেয়ে ঘটনাসমূহ কেৱল ক্ষোভ জাৰি কৰাৰ মাধ্যম হ'লে মনৰ ক্ষোভ উজাৰি যি শান্তি পোৱা যায় সিমানেই হয়। এজনক লক্ষ্য কৰি ল'ব পাৰিলে এই শান্তি কিছু হয়তো গভীৰ হয়।

ক্লেৰিঙৰ কাহিনী, অসহায় পিতৃ-মাতৃৰ বেদনা, নিজেই এখন চিনেমাৰ উপজীব্য। এই চিনেমা হ'ব আমাৰ ব্যক্তিগত আৰু সামূহিক ব্যৰ্থতাৰ। এই দুখভৰা কাহিনীটো আজি ওলাইছে। ই এজন বা দুজনৰ অসংবেদনশীলতা নহয়। কেৱল আইমী বৰুৱাক ক্ষোভৰ লক্ষ্য কৰি মই ক্লেৰিঙৰ পিতৃ-মাতৃৰ বেদনাক ইতিকিং কৰিব নোৱাৰোঁ।

পিতৃ-মাতৃয়ে ন্যায় বিচাৰিছে। মোৰ ভুল হ'ব পাৰে, কিন্তু এনে লাগিছে এই ন্যায়ৰ পৰিভাষা ফেচবুকৰ ন্যায়ৰ পৰিভাষাতকৈ যেন বেলেগ।

ডেনিয়েল লাংথাছা পিতৃৰ বেদনা প্ৰকাশ কৰিবলৈ সুযোগ দি ধন্যবাদৰ পাত্ৰ হৈছে। তেওঁ কাহিনীটো এটা মোৰ দিবলৈ বিচাৰিছিল যদিও শেহান্তৰত ক্লেৰিঙৰ পিতৃৰ সৰলতাত শিৰ নত কৰিছিল।

## সকলো ৰোগৰ পৰা অসম

জিলাৰ কলিয়াবৰত ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই আনুষ্ঠানিকভাৱে এই ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱসৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। ১নং হাটবৰ প্ৰাথমিক বিদ্যালয়ত এই দিৱসৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। তেওঁ উল্লেখ কৰা মতে ৰাজ্যত প্ৰতি বছৰে ৬০ লাখ পৰিয়ালক ৫ লাখ টকাৰ স্বাস্থ্য বীমাৰ জৰিয়তে বিনামূলীয়াকৈ স্বাস্থ্য সেৱাৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এই সংখ্যা পৰ্যায়ক্ৰমে বঢ়োৱা হ'ব বুলি স্বাস্থ্যমন্ত্ৰীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। আনহাতে, তেওঁ উল্লেখ কৰা মতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিশেষ তৎপৰতাত বিভিন্ন কাৰ্যসূচীৰে বিভিন্ন ৰোগ নিৰ্মূল কৰাৰ ধাৰাবাহিক প্ৰচেষ্টা চলি আছে। উল্লেখ্য যে পেলু নিৰ্মূলকৰণ কাৰ্যসূচীত প্ৰতিখন চৰকাৰী, চৰকাৰী সাহায্যপ্ৰাপ্ত, ব্যক্তিগত খণ্ডৰ বিদ্যালয় আৰু অংগনৱাড়ী কেন্দ্ৰসমূহত ১ৰ পৰা ১৯ বছৰ বয়সৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীকে বিনামূলীয়াকৈ পেলুনাশক টেবলেট প্ৰদান কৰা হ'ব। বিদ্যালয়লৈ নোযোৱা বা বিদ্যালয় এৰি যোৱা শিশুসকলো পেলু নিৰ্মূলকৰণ কাৰ্যসূচীৰ অন্তৰ্ভুক্ত হ'ব। পেলু বিশেষকৈ মাটি আৰু পানীৰ পৰা বিয়পে। সেয়েহে মুকলি ঠাইত শৌচ কৰাৰ অভ্যাস ত্যাগ কৰা উচিত। খাদ্য গ্ৰহণৰ পূৰ্বে আৰু শৌচালয় ব্যৱহাৰ কৰাৰ পিছত হাত দুখন চাবোনেৰে পৰিষ্কাৰকৈ ধুব লাগে। জোতা-চেণ্ডেল ব্যৱহাৰ কৰা, নখ চুটিকৈ কাটি ৰখা, বিশুদ্ধ পানী সেৱন কৰা, খাদ্যবস্তু ঢাকি ৰখা, ফুল আৰু শাক-পাচলি পৰিষ্কাৰ পানীৰে ধুই ব্যৱহাৰ কৰা, ঘৰৰ চৌপাশ পৰিষ্কাৰ কৰি ৰখা আদিৰ প্ৰতি গুৰুত্ব দি পেলুৰ সংক্ৰমণৰ পৰা শিশুক ৰক্ষা কৰিবলৈ সকলোৱে চেষ্টা কৰা উচিত। ভাৰতবৰ্ষৰ পেলুৰ দ্বাৰা আক্ৰান্ত শিশুৰ স্বাস্থ্যৰ কথা বিবেচনা কৰি বিশ্ব স্বাস্থ্য সংস্থা আৰু ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰণালয়ৰ পৰামৰ্শ অনুসৰি ফেব্ৰুৱাৰী মাহৰ ১০ তাৰিখটো ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস হিচাপে ২০১৫ বৰ্ষৰ পৰা উদ্‌যাপন কৰি অহা হৈছে । ১ বছৰৰ পৰা ১৯ বছৰৰ প্ৰতিটো শিশুকে পেলুৰ দৰব (এলবেণ্ডাজল বড়ি) অংগনৱাড়ী কেন্দ্ৰ আৰু চৰকাৰী, বে-চৰকাৰী বিদ্যালয়ত উক্ত দিনটোত সেৱন কৰোৱা হয়। এলবেণ্ডাজল বড়ি সহজতে চুপি খাব পৰা এটা বড়ি। ১ বছৰৰ পৰা ২ বছৰৰ শিশুক এটা বড়ি আধা অংশ আৰু ২ বছৰৰ পৰা ১৯ বছৰীয়া শিশুক এটা সম্পূৰ্ণ বড়ি প্ৰদান কৰা হয়। এই বড়িয়ে সামগ্ৰিকভাৱে মানসিক আৰু শাৰীৰিক বিকাশত সহায় কৰে। ২০ বছৰৰ ওপৰৰ লোকসকলক এটাকৈ বড়ি প্ৰদান কৰা হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। তেওঁ উল্লেখ কৰা মতে ৰাজ্যত প্ৰতি বছৰে ৬০ লাখ পৰিয়ালক ৫ লাখ টকাৰ স্বাস্থ্য বীমাৰ জৰিয়তে বিনামূলীয়াকৈ স্বাস্থ্য সেৱাৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এই সংখ্যা পৰ্যায়ক্ৰমে বঢ়োৱা হ'ব বুলি স্বাস্থ্যমন্ত্ৰীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। আনহাতে, তেওঁ উল্লেখ কৰা মতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিশেষ তৎপৰতাত বিভিন্ন কাৰ্যসূচীৰে বিভিন্ন ৰোগ নিৰ্মূল কৰাৰ ধাৰাবাহিক প্ৰচেষ্টা চলি আছে। উল্লেখ্য যে পেলু নিৰ্মূলকৰণ কাৰ্যসূচীত প্ৰতিখন চৰকাৰী, চৰকাৰী সাহায্যপ্ৰাপ্ত, ব্যক্তিগত খণ্ডৰ বিদ্যালয় আৰু অংগনৱাড়ী কেন্দ্ৰসমূহত ১ৰ পৰা ১৯ বছৰ বয়সৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীকে বিনামূলীয়াকৈ পেলুনাশক টেবলেট প্ৰদান কৰা হ'ব। বিদ্যালয়লৈ নোযোৱা বা বিদ্যালয় এৰি যোৱা শিশুসকলো পেলু নিৰ্মূলকৰণ কাৰ্যসূচীৰ অন্তৰ্ভুক্ত হ'ব। অনুষ্ঠানত অংশগ্ৰহণ কৰি স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। তেওঁ উল্লেখ কৰা মতে ৰাজ্যত প্ৰতি বছৰে ৬০ লাখ পৰিয়ালক ৫ লাখ টকাৰ স্বাস্থ্য বীমাৰ জৰিয়তে বিনামূলীয়াকৈ স্বাস্থ্য সেৱাৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। এই সংখ্যা পৰ্যায়ক্ৰমে বঢ়োৱা হ'ব বুলি স্বাস্থ্যমন্ত্ৰীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। আনহাতে, তেওঁ উল্লেখ কৰা মতে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিশেষ তৎপৰতাত বিভিন্ন কাৰ্যসূচীৰে বিভিন্ন ৰোগ নিৰ্মূল কৰাৰ ধাৰাবাহিক প্ৰচেষ্টা চলি আছে। উল্লেখ্য, পেলু নিৰ্মূলকৰণ কাৰ্যসূচীত প্ৰতিখন চৰকাৰী, চৰকাৰী সাহায্যপ্ৰাপ্ত, ব্যক্তিগত খণ্ডৰ বিদ্যালয় আৰু অংগনৱাড়ী কেন্দ্ৰসমূহত ১ৰ পৰা ১৯ বছৰ বয়সৰ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীকে বিনামূলীয়াকৈ পেলুনাশক টেবলেট প্ৰদান কৰা হ'ব। বিদ্যালয়লৈ নোযোৱা বা বিদ্যালয় এৰি যোৱা শিশুসকলো পেলু নিৰ্মূলকৰণ কাৰ্যসূচীৰ অন্তৰ্ভুক্ত হ'ব।

**মুক্ত মনে অসমৰ ৰাইজে দুৰ্গা পূজা পালন কৰিব পাৰিব**

দুবছৰৰ অন্তত স্বাস্থ্য বিভাগৰ কোনো ধৰণৰ নীতি-নিৰ্দেশনা নোহোৱাকৈয়ে এইবাৰ অসমত দুৰ্গা পূজা পালন হ'ব। স্বাস্থ্য বিভাগৰ তৰফৰ পৰা এইবাৰৰ দুৰ্গা পূজাত কোনো ধৰণৰ নীতি-নিৰ্দেশনা নাথাকে বুলি মন্তব্য কৰিছে ৰাজ্যৰ স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তৰ। ক'ভিড পৰিস্থিতিৰ বাবে যোৱা দুটা বছৰ স্বাস্থ্য বিভাগৰ বাধ্য-বাধকতাৰ বাবে ৰাজ্যত দুৰ্গা পূজা পালনত বিভিন্ন প্ৰতিবন্ধকতাৰ সৃষ্টি হৈছিল। এইবেলি মুক্ত মনেৰে পূজা উদ্‌যাপন কৰিব পাৰিব বুলি কলিয়াবৰৰ এক কাৰ্যসূচীত অংশ ল'বলৈ আহি সাংবাদিকৰ এক প্ৰশ্নত এই মন্তব্য প্ৰদান কৰে মন্ত্ৰী মহন্তই। লগতে দুৰ্গতিনাশিনী দেৱীয়ে অসমৰ সকলো দুৰ্গতি নাশ কৰাৰ কামনাৰে সমূহ অসমবাসীলৈ স্বাস্থ্যমন্ত্ৰীগৰাকীয়ে শুভেচ্ছা জ্ঞাপন কৰে।

## অন্য ৰূপত আৰক্ষী

কৰাৰ দৃশ্যই আপ্লুত কৰিছে সকলোকে। এক অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ আহি অসুস্থ হৈ পৰে বৃদ্ধজন। কৰ্তব্যৰত আৰক্ষীয়ে বন্দুক এৰি ককাক কৰিলে শুশ্ৰূষা। উল্লেখ্য যে, ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱসৰ মুকলি অনুষ্ঠানত ৰাজ্যৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত উপস্থিত থকা এক কাৰ্যসূচীত অংশ ল'বলৈ আহি অসুস্থ হৈ পৰিছিল বৃদ্ধগৰাকী। অসুস্থ হৈ পৰা বৃদ্ধগৰাকীক আশাকৰ্মীৰ সহযোগত সুস্থ কৰিবলৈ দুগৰাকী আৰক্ষী জোৱানৰ কাৰ্যই সকলোকে দৃষ্টি আকৰ্ষণ কৰে।

# ধুবুৰীত অভিশপ্ত নাও দুৰ্ঘটনাত চক্ৰ বিষয়া সঞ্জু দাসৰ সন্ধান নাই

## ডিমৌ নদীত অচেতন অৱস্থাত

এগৰাকী যুৱতী উদ্ধাৰ হয়। নদীৰ পাৰত আধা আৰু পানীত আধা অংশ তললৈ মুখ কৰি পৰি থকা যুৱতীগৰাকী অচেতন অৱস্থাত স্থানীয় ৰাইজ আৰু ডিমৌ আৰক্ষীয়ে উদ্ধাৰ কৰে। নদীৰ পাৰত পৰি থকা যুৱতীগৰাকীৰ বেগত উদ্ধাৰ হোৱা আধাৰ কাৰ্ড আৰু পান কাৰ্ডৰ ভিত্তিত যুৱতীগৰাকী গুৱাহাটীৰ গীতা নগৰৰ মামুনী মাঝি বুলি আৰক্ষীয়ে চিনাক্ত কৰে। বেগত ম'বাইল ফোনৰ লগতে ৰে'লৰ টিকট আৰু ঔষধো উদ্ধাৰ হয়। ডিমৌ আৰক্ষী আৰু স্থানীয় ৰাইজে নদীৰ পৰা মুমূৰ্ষু অৱস্থাত উদ্ধাৰ কৰি ডিমৌ আদৰ্শ চিকিৎসালয়ত যুৱতীগৰাকীক ভৰ্তি কৰোৱায়। সংকটজনক অৱস্থাত উদ্ধাৰ হোৱা যুৱতীগৰাকীক প্ৰাথমিক চিকিৎসা প্ৰদানৰ পিছত উন্নত চিকিৎসাৰ বাবে ডিব্ৰুগড়লৈ প্ৰেৰণ কৰে। বৰ্তমান চিকিৎসা চলি আছে আৰু স্বাস্থ্যৰ অৱস্থা সংকটজনক। কোনো ধৰণৰ কথা ক'ব পৰা নাই যুৱতীগৰাকীয়ে। ৩১ বছৰীয়া যুৱতীগৰাকী কেনেকৈ আৰু কি পৰিস্থিতিত আহি এনেদৰে ডিমৌ নদীত অৰ্ধচেতন অৱস্থাত উদ্ধাৰ হ'ল তাকে লৈ ডিমৌত চাঞ্চল্যৰ সৃষ্টি হৈছে। ইতিমধ্যে ডিমৌ আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। আৰক্ষীৰ তদন্ততহে সমগ্ৰ তথ্য পোহৰলৈ আহিব। আৰক্ষী সূত্ৰে জানিব পৰা অনুসৰি মৰাণত আত্মীয়ৰ ঘৰ থকাৰ লগতে গুৱাহাটীত ভিনিহিয়েকৰ সৈতে দীৰ্ঘ দিনৰ পৰা আশ্ৰয় লৈ আছিল আৰু ডিমৌৰ মাঝিগাঁৱত পিতৃৰ ঘৰ আছিল।

## শাৰদীয় দুৰ্গোৎসৱৰ উপলক্ষে

জ্ঞাপন কৰিছে। এক শুভেচ্ছা বাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ভাৰতীয় সনাতন সভ্যতা সংস্কৃতিত আধ্যাত্মিক জীৱন ধাৰাই এক শক্তিশালী ভূমিকা গ্ৰহণ কৰি আহিছে। এই আধ্যাত্মিক জীৱনবোধে মানুহক নৈতিকতা আৰু প্ৰমূল্যবোধৰ আধাৰত আগুৱাই যোৱাৰ বাবে প্ৰেৰণা যোগাই আহিছে। বিভিন্ন দেৱ-দেৱীৰ পূজা-অৰ্চনাই আমাৰ জীৱনশৈলীক সমৃদ্ধ কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে দেৱ-দেৱীৰ পূজ-অৰ্চনাই আমাক মানৱতাবোধৰ দিশেৰে জীৱন পৰিচালিত কৰাৰ বাবে উদ্বুদ্ধ কৰে। প্ৰাচীন কালৰে পৰা অসমত দেৱী দুৰ্গাক অতি শ্ৰদ্ধা আৰু ভক্তি ভাবেৰে পূজা কৰি অহা হৈছে। এই দেৱী পূজাই সকলোকে প্ৰেম, ভাতৃত্ববোধ তথা মানৱীয় অনুভূতিৰে সমৃদ্ধ ৰাষ্ট্ৰ গঢ়ি তোলাৰ বাবে প্ৰেৰণা যোগাই আহিছে। শৰতকালৰ এই দেৱী উপাসনা হ'ল অপশক্তি নাশেৰে সত্যক প্ৰতিষ্ঠা কৰা এক যুগজয়ী উৎসৱ। প্ৰকৃতিৰ এই উৎসৱমুখৰ তথা বিনন্দীয়া পৰিৱেশে সমাজত শান্তি- সম্প্ৰীতি গঢ়াৰ পথো সুদৃঢ় কৰে। মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে যে শাৰদীয় দুৰ্গোৎসৱে আমাৰ মাজত বৰ্তি থকা শান্তি, সম্প্ৰীতি, প্ৰেম তথা ভাতৃত্ববোধৰ এনাজৰী অধিক সুদৃঢ় কৰাৰ দিশত সকলোকে ঐক্যবদ্ধভাৱে কাম কৰাৰ বাবে অনুপ্ৰাণিত কৰিব।

## গুৱাহাটীৰ আৰ্য্যনগৰত

চৰকাৰে ২০১৯-২০ বৰ্ষৰ ৰাজ্যিক স্ব-অগ্ৰাধিকাৰ উন্নয়ন পুঁজিৰ অধীনত ১৪৯.০৭ কোটি টকা ব্যয় সাপেক্ষে ৭৯০ মিটাৰ দৈৰ্ঘ্যৰ এই উৰণ সেতুখন নিৰ্মাণৰ পদক্ষেপ লৈছিল। ২০২১ চনৰ ফেব্ৰুৱাৰী মাহত নিৰ্মাণ কাৰ্য আৰম্ভ হোৱা এই সেতুখন ২০২৩ চনৰ আগষ্ট মাহ অৰ্থাৎ ৩০ মাহৰ ভিতৰত সম্পূৰ্ণ কৰাৰ বাবে সময় নিৰ্দ্ধাৰণ কৰা হৈছিল। কিন্তু ১৯ মাহৰ ভিতৰতে সেতুখনৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ হৈ উঠিছে। এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই জনসাধাৰণৰ সুখ আৰু সমৃদ্ধিৰ ওপৰতে চৰকাৰ এখনৰ গ্ৰহণযোগ্যতা নিৰ্ভৰ কৰে বুলি মন্তব্য কৰে। তেওঁ কয় যে চৰকাৰে গুৱাহাটী মহানগৰীক এক নতুন দিগন্তলৈ নিয়াৰ বাবে প্ৰচেষ্টা হাতত লৈছে আৰু জনসাধাৰণৰ সহায়-সহযোগিতাত ৰাজ্য চৰকাৰে এই মহানগৰীখনক সমগ্ৰ দক্ষিণ-পূৱ এছিয়াৰ দুৱাৰমুখৰূপে গঢ়ি তুলিবলৈ সক্ষম হ'ব বুলি তেওঁ আশাবাদী। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে গুৱাহাটী মহানগৰীৰ উন্নয়ন তথা মহানগৰবাসীৰ সুবিধাৰ্থে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কেইবালানিও পদক্ষেপ আৰু পৰিকল্পনাৰ কথা সদৰি কৰে। তেওঁ কয় যে মালিগাঁৱত নিৰ্মীয়মান প্ৰায় ৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ উৰণ সেতুখনৰ কাম আগন্তুক ব'হাগ বিহুৰ সময়ত সম্পূৰ্ণ হোৱাৰ সম্ভাৱনা আছে। তেনেদৰে ৰাধাগোবিন্দ বৰুৱা পথত সম্প্ৰতি নিৰ্মাণৰত উৰণ সেতুখনৰ কাম ২০২৪ চনৰ ব'হাগ বিহুৰ আগেয়ে সম্পূৰ্ণ হৈ উঠিব। এই উৰণ সেতু দুখন মুকলি হ'লে মহানগৰখনৰ যাতায়াত ব্যৱস্থা যথেষ্ট সূচল হৈ পৰিব বুলি মন্তব্য কৰি তেওঁ কয় যে দীঘলীপুখুৰীৰ পাৰ আৰু সন্দিকৈ মহাবিদ্যালয়ৰ সমীপৰ পৰা বামুণীমৈদামলৈ আন এখন বৃহৎ উৰণ সেতু নিৰ্মাণ কৰা হ'ব। প্ৰায় ৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই উৰণ সেতুখনৰ প্ৰাক্কলন ইতিমধ্যে সাজু হৈছে বুলিও তেওঁ কয়। ড° শৰ্মাই লগতে ঘোষণা কৰে যে আৰ্য্য মহাবিদ্যালয়ৰ পৰা লখৰা তথা ৰাষ্ট্ৰীয় ঘাইপথলৈ যাতায়াতৰ সুবিধাৰ্থে ৰাজ্য চৰকাৰে কালাপাহাৰৰ চাইকেল ফেক্টৰী অঞ্চলত আন এখন উৰণ সেতু নিৰ্মাণৰ পৰিকল্পনা লৈছে। গুৱাহাটী মহানগৰীৰ উন্নয়নকল্পে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপলানি বিভিন্ন স্তৰত ৰূপায়ণ হৈ আছে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ব্ৰহ্মপুত্ৰৰ ওপৰেৰে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলংখনৰ কাম অহা এক-ডেৰ বছৰৰ ভিতৰত সম্পূৰ্ণ হ'ব আৰু পলাশবাৰী-শুৱালকুছি সংযোগী লুইতৰ ওপৰত প্ৰস্তাৱিত আন এখন দলঙৰ নিৰ্মাণ কাৰ্য অহা ২০২৩ বৰ্ষৰ আগভাগতে আৰম্ভ হোৱাৰ সম্ভাৱনা আছে। ভাষণত মুখ্যমন্ত্ৰীয়ে যাতায়াতৰ সুবিধাৰ্থে চৰকাৰে এটা 'ৰিং-ৰোড' নিৰ্মাণৰ পৰিকল্পনা গ্ৰহণ কৰাৰ কথাও সদৰি কৰে। জালুকবাৰীৰ পৰা ৰাষ্ট্ৰীয় ঘাইপথ হৈ বাইহাটা চাৰিআলি-ছিপাঝাৰ-কুৰুৱা হৈ নাৰেংগীলৈ নিৰ্মাণ হ'বলগীয়া এই 'ৰিং-ৰোড'টোৰ নিৰ্মাণৰ কাম অহা বছৰৰ আগষ্ট মাহত আৰম্ভ হ'ব। নাৰেংগী-কুৰুৱা সংযোগী ব্ৰহ্মপুত্ৰ নদীৰ ওপৰেৰে প্ৰস্তাৱিত দলংখনৰ আৰ্হি প্ৰস্তুতৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে বুলিও তেওঁ কয়। ড° শৰ্মাই লগতে সদৰি কৰে যে বাৰানসীৰ আৰ্হিত ৰাজ্য চৰকাৰে খানাপাৰাৰ পৰা বৰঝাৰস্থিত লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰলৈ ৰজ্জুপথ নিৰ্মাণৰো চিন্তা-চৰ্চা কৰিছে আৰু পৰিৱেশসন্মত তথা কম সময়ৰ ভিতৰতে অহা-যোৱা কৰিব পৰা এই ৰজ্জুপথে জনসাধাৰণৰ যাতায়াতত যথেষ্ট সহায় কৰিব। গুৱাহাটীৰ দুয়োটা পানীযোগান প্ৰকল্পৰ কাম ২০২৪ চনৰ আগষ্ট মাহৰ ভিতৰত সম্পূৰ্ণ হ'ব বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মহানগৰবাসীৰ বাবে পৰ্যাপ্ত মুকলি ঠাইৰ ব্যৱস্থা কৰাৰ অৰ্থে চৰকাৰে যাৱতীয় উদ্যোগ গ্ৰহণ কৰিছে আৰু ইয়াৰ অধীনতে চানমাৰিস্থিত জলসিঞ্চন আৰু বান নিয়ন্ত্ৰণ বিভাগৰ কাৰ্যালয় স্থানান্তৰ কৰি উক্ত ভূমিত এখন উদ্যান নিৰ্মাণ কৰা হ'ব। প্ৰায় ১২-১৪ বিঘা মাটিকালিৰ এই উদ্যানখনৰ নিৰ্মাণৰ কাম আগন্তুক বৰ্ষৰ প্ৰথম ভাগত আৰম্ভ হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে ৰাজ্য চৰকাৰে ৰাষ্ট্ৰীয় ঘাইপথৰ সমীপত এটা সংহত সঞ্চালকালয় ভৱন নিৰ্মাণৰো পৰিকল্পনা লৈছে। দৃষ্টিনন্দনকৈ নিৰ্মাণ হ'বলগীয়া এই সংহত সঞ্চালকালয় ভৱনটোত বিভিন্ন বিভাগৰ সঞ্চালকালয়সমূহ থাকিব। তেওঁ লগতে সদৰি কৰে যে পাণবজাৰস্থিত উপায়ুক্তৰ কাৰ্যালয়কে ধৰি বিভিন্ন ভৱন ভাঙি সমগ্ৰ অঞ্চলটো জনসাধাৰণৰ খোজকঢ়াৰ সুবিধাৰ্থে মুকলি কৰাৰ বাবে কাম-কাজ বৰ্তমান পূৰ্ণোদ্যমে চলি আছে। ফাঁচিবজাৰৰ পুৰণি কাৰাগাৰৰ ভূমিত নিৰ্মীয়মান উদ্ভিদ উদ্যানখন চলিত বৰ্ষতে মুকলি কৰিব পৰা যাব বুলিও তেওঁ জানিবলৈ দিয়ে। তেনেদৰে পল্টন বজাৰৰ আৰক্ষী ছাউনি নতুনকৈ নিৰ্মাণৰ কাম বিগত সপ্তাহত নিৰ্মাণকাৰী প্ৰতিষ্ঠান 'এল এণ্ড টি'ক দিয়া হৈছে বুলিও তেওঁ কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে গুৱাহাটী পৌৰ নিগমক সম্পূৰ্ণ নিকা, স্বচ্ছ আৰু ডিজিটাইজেশ্যনৰ ওপৰত ভিত্তি কৰা এটা অনুষ্ঠানলৈ ৰূপান্তৰ কৰিবলৈ বিভাগীয় মন্ত্ৰীক আহ্বান জনায়। তেওঁ লগতে গুৱাহাটী পৌৰ নিগমে মহানগৰবাসীক প্ৰদান কৰা সকলো সেৱা ডিজিটেল প্লেটফৰ্ম আধাৰিত কৰাৰ ব্যৱস্থা ল'বলৈ কামৰূপ জিলা প্ৰশাসন, পৌৰ নিগম আৰু জি এম ডি এক আহ্বান জনায়। তেওঁ লগতে সদৰি কৰে যে গুৱাহাটীত ভূমি ক্ৰয়-বিক্ৰয়ৰ পিছত নামজাৰি, বিদ্যুৎ বিলৰ নাম সলনি আৰু সম্পত্তি কৰ প্ৰদান কৰিবলগীয়া ব্যক্তিৰ নাম একেলগে অন্তৰ্ভুক্ত কৰিব পৰা ব্যৱস্থা এটা গঢ়ি তোলাৰ বাবে চৰকাৰে আঁচনি হাতত লৈছে। মুখ্যমন্ত্ৰীয়ে মন্তব্য কৰে যে ৰঙাফিটাৰ মেৰপেচৰ পৰা চৰকাৰ এখনক যিমানে উলিয়াই আনিব পৰা যায় সিমানেই জনসাধাৰণৰ মাজত চৰকাৰৰ গ্ৰহণযোগ্যতা বৃদ্ধি পায়। ভাষণত মুখ্যমন্ত্ৰীয়ে গুৱাহাটী পৌৰ নিগমৰ প্ৰতিটো পৰিষদীয় সমষ্টিৰ অধীনস্থ বাট-পথসমূহ নিৰ্মাণ কৰাৰ বাবে ৰাজ্য চৰকাৰে এটা পথ উন্নয়ন প্ৰকল্প হাতত লোৱাৰ পৰিকল্পনা লৈছে বুলি সদৰি কৰে। তেওঁ কয় যে ইয়াৰ অধীনত প্ৰতিটো পৰিষদীয় সমষ্টিলৈ ১০ কোটিকৈ সৰ্বমুঠ ৬০০ কোটি টকা প্ৰদান কৰা হ'ব। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে চান্দা লোৱা ব্যৱস্থাৰ অৱসান ঘটাই পূজা সমিতিসমূহক নিজা উদ্যোগত পূজা আয়োজন কৰিবলৈও আহ্বান জনায়। লোকনিৰ্মাণ (পথ) বিভাগৰ বিশেষ আয়ুক্ত আৰু সচিব ৰাজেশ কেম্প্ৰায়ে আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত মন্ত্ৰী অশোক সিংহল, সাংসদ কুইন ওজা, পূব গুৱাহাটী সমষ্টিৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু দিছপুৰ সমষ্টিৰ বিধায়ক অতুল বৰায়ো ভাষণ প্ৰদান কৰে। অনুষ্ঠানত গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া, লোকনিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগৰ বিশেষ আয়ুক্ত আৰু সচিব ৰাজ চক্ৰৱৰ্তী আদিকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

## দুৰ্ঘটনা অঞ্চল পৰিদৰ্শন কংগ্ৰেছ দলৰ নেতা ৰাণা গোস্বামীৰ নেতৃত্বত প্ৰতিনিধি দল ঃ ধুবুৰীৰ বিধায়ক নজৰুল ইছলাম

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ৩০ ছেপ্টেম্বৰ ঃ** কালি ধুবুৰীত নাও দুৰ্ঘটনাত নাৰত থকা ধুবুৰীৰ চক্ৰ বিষয়া সঞ্জু দাসৰ এতিয়ালৈকে সন্ধান পোৱা নাই। কালিৰে পৰা এছ ডি আৰ এফ-বি এছ এফে আজিলৈকে ব্ৰহ্মপুত্ৰৰ বুকুত সন্ধান চলাই আছে। ইপিনে আজি অঞ্চলটো পৰিদৰ্শন কৰে ধুবুৰীৰ বিধায়ক নজৰুল ইছলামে। তেওঁ কয়— আজি এল এণ্ড টি কোম্পানীৰ কাৰণে এই দুৰ্ঘটনাত সংঘটিত হ'ব পাৰিলে। ইয়াৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ ল'ব লাগে। আজি কংগ্ৰেছ দলৰ নেতা ৰাণা গোস্বামীৰ নেতৃত্বত কংগ্ৰেছৰ এক প্ৰতিনিধি দল অঞ্চলটো পৰিদৰ্শন কৰি তীব্ৰ ক্ষোভ প্ৰকাশ কৰি কয়— ঘটনাৰ সম্পূৰ্ণ দায়ী এল এণ্ড টি। অবিলম্বে গোটেই বিষয়টোৰ ওপৰত উচ্চ পৰ্যায়ৰ তদন্ত বিচাৰিছে। আনহাতে, ধুবুৰী অভিশপ্ত নাও দুৰ্ঘটনাৰ মূল অভিযুক্ত L&T কোম্পানীৰ অভিযন্তা ক্ৰমে ৰাজেশ কুমাৰ যাদৱ, হৰিশ তেৱাৰীক গ্ৰেপ্তাৰ কৰি ধুবুৰী আদালতত হাজিৰ। দুয়োৰে বিৰুদ্ধে জিলা প্ৰশাসনৰ ফালৰ পৰা দাখিল কৰা এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে ৰুজু কৰিছিল গোচৰ। দুয়োৰে বিৰুদ্ধে ধুবুৰী সদৰ থানাত 460/22 নম্বৰত 341/353/294/304/308/34 IPC RWS 51(a)(b) of Disaster Management আইনৰ অধীনত ৰুজু কৰা হৈছিল গোচৰ।

# বঢ়মপুৰৰ ভেৰভেৰী মজলীয়া বিদ্যালয়লৈ প্ৰাক্তন ছাত্ৰীৰ উপহাৰ

### বিশিষ্ট সাহিত্যিক-শিক্ষাবিদ লীলাৱতী শইকীয়া বৰাই আগবঢ়ালে ৫০,০০০ টকাৰ আৰ্থিক সাহায্য

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ৩০ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ ৰূপহী শিক্ষা খণ্ডৰ অন্তৰ্গত বঢ়মপুৰৰ হালোৱাগাঁও মণ্ডল সমল কেন্দ্ৰৰ ১৯৩৫ চনতেই প্ৰতিষ্ঠা লাভ কৰা ভেৰভেৰী মজলীয়া বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী, বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ তথা লেখক ড° লীলাৱতী শইকীয়া বৰাই শিক্ষা বিভাগৰ বিদ্যাঞ্জলি পৰ্টেলৰ অধীনত নিজে পঢ়ি যোৱা বিদ্যালয়খনৰ সামগ্ৰিক উন্নয়নৰ স্বাৰ্থত ৫০,০০০ টকাৰ বৰঙণি আগবঢ়াইছে। আজি বিদ্যালয়খনৰ প্ৰধান শিক্ষক অসীম ভূঞাৰ হাতত তেওঁ সেই ধনৰ চেক অৰ্পণ কৰাৰ খবৰ লাভ কৰাৰ পিছতেই বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকল উৎফুল্ল হৈ পৰিছে। উল্লেখ্য যে, ১৯৮৬ চনত অসমীয়া ভাষা বিষয়ত পি এইচ ডি ডিগ্ৰী লাভ কৰা প্ৰথমগৰাকী ব্যক্তি ড° লীলাৱতী শইকীয়া বৰা 'শ্ৰীমন্ত শংকৰদেৱ সোঁৱৰণী বঁটা' আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত অসমীয়া বিষয়ত অনাৰ্চসহ সৰ্বোচ্চ নম্বৰ লাভ কৰি 'বিষ্ণুপ্ৰসাদ দুৱৰা স্বৰ্ণপদক'প্ৰাপক প্ৰথমগৰাকী ব্যক্তি আছিল। নিজৰ শৈশৱৰ বিদ্যালয়খনলৈ আৰ্থিক সাহায্য আগবঢ়াবলৈ পাই তেওঁ অত্যন্ত সুখী বুলি জানিবলৈ দিয়াৰ লগতে বিদ্যালয়খনৰ লগত থকা স্মৃতি তেওঁৰ সদায় মনত পৰে বুলি কয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক অসীম ভূঞাই ড° লীলাৱতী শইকীয়া বৰাই বিদ্যালয়খনলৈ প্ৰদান কৰা উক্ত বৰঙণিৰে শিশুসকলৰ বাবে দুটা 'স্মাৰ্ট ডিজিটেল ক্লাছ ৰুম' নাইবা 'কিড্‌ছ প্লেয়িং গাৰ্ডেন' নিৰ্মাণ কৰাৰ কথা জনাইছে।

# বৃহৎ নদীবান্ধ বন্ধৰ প্ৰতিবাদত উত্তাল যোৰহাট

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ৩০ ছেপ্টেম্বৰ ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানমৰ্মে আজি সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাই বৃহৎ নদীবান্ধৰ বিৰুদ্ধে যোৰহাট উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত এন এইচ পি চিৰ প্ৰতিকৃতি দাহ কৰি এক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদী কাৰ্যসূচীটোত উপস্থিত থকা প্ৰায় শতাধিক ছাত্ৰ কৰ্মীয়ে হাতে হাতে বেনাৰ আৰু প্লেকাৰ্ড লৈ 'বৃহৎ নদীবান্ধ বন্ধ কৰক', 'এন এইচ পি চি হুচিয়াৰ', 'কেন্দ্ৰীয় চৰকাৰ হায় হায়', 'অসম চৰকাৰ হায় হায়', 'মুখ্যমন্ত্ৰী হুচিয়াৰ', 'ৰাইজৰ জীৱন আৰু সম্পত্তিক লৈ খেলা বন্ধ কৰক' আদি শ্ল'গানেৰে প্ৰতিবাদস্থলীৰ আকাশ-বতাহ কঁপাই তোলে। বাতৰি কাকতলৈ প্ৰেৰণ কৰা এক প্ৰেছ বিবৃতিত সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সভাপতি সংকল্প গগৈ আৰু সাধাৰণ সম্পাদক অৰ্জুনমণি ভূঞাই কয় যে, নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পকে ধৰি বৃহৎ নদীবান্ধৰ অপকাৰিতাৰ বিষয়ে অসমৰ বিশেষজ্ঞ সমিতি আৰু অসমৰ আন আন বিশেষজ্ঞই বিজ্ঞানসন্মতভাৱে মতামত আগবঢ়াই আহিছে । বৃহৎ নদীবান্ধৰ নামনিত বসবাস কৰা জনসাধাৰণৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাহীনতাৰ কথা বিশেষজ্ঞসকলে স্পষ্টভাৱে উল্লেখ কৰিছে। কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰ, ছাত্ৰ সন্থা আৰু ৩০টা জনগোষ্ঠীয় সংগঠন, আন আন আন্দোলনকাৰী সংগঠন, অসমৰ বিশেষজ্ঞ সমিতি তথা আন আন বিশেষজ্ঞৰে অনুষ্ঠিত ত্ৰিপাক্ষিক আলোচনাৰ সিদ্ধান্ত অনুসৰি এখন বিশেষজ্ঞ সমিতি গঠন কৰিছিল। বিশেষজ্ঞ সমিতিয়ে প্ৰতিবেদন দাখিল কৰাৰ পিছত কেন্দ্ৰীয় চৰকাৰে পুনৰ বিষয়টোৰ সন্দৰ্ভত ত্ৰিপাক্ষিক আলোচনা অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লৈছিল। প্ৰতিবেদন দিয়া হ'ল। কিন্তু অতি দুৰ্ভাগ্যজনকভাৱে আজি পৰ্যন্ত সেয়া কাৰ্যকৰী নহ'ল। সেয়েহে চৰকাৰক আমি পুনৰবাৰ দাবী জনাইছোঁ— শীঘ্ৰে এই জলবোমা নিৰ্মাণৰ কাম বন্ধ কৰি উত্তৰ অসমবাসীৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰক দাবী জনালোঁ। একেটা বিবৃতিতে সদৌ অসম ছাত্ৰ সন্থাৰ সাংগঠনিক সম্পাদক জিতু নেওগে কয়— প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় নেতাসকলে নিৰ্বাচনৰ আগতে অসমলৈ আহি বৃহৎ নদীবান্ধ বেয়া বুলি বক্তব্য দিছিল। এতিয়া ওলোটা খৰ মাৰিছে। ৰঙা নদী বান্ধৰ পানী, ভূটানৰ কুৰিশ্চু বান্ধৰ পানী এৰি দিয়াৰ পিছত বান্ধটোৰ নামনিত বসবাস কৰা জনসাধাৰণে কেনে ধৰণে জীয়াতু ভুগিবলগীয়া হয় সেই কথা অসমৰ ৰাইজে দেখিছে। বিজ্ঞানসন্মতভাৱে অধ্যয়ন নকৰাকৈ কেন্দ্ৰীয় চৰকাৰে বান্ধৰ নিৰ্মাণৰ বাবে অনুমতি প্ৰদান কৰা কাৰ্য অবিজ্ঞানসন্মত আৰু ই মুঠেই গ্ৰহণযোগ্য নহয়। ছাত্ৰ সন্থা উন্নয়নবিৰোধী নহয়। উন্নয়নৰ কাৰণে বিদ্যুৎ লাগিব। কিন্তু যি বৃহৎ নদীবান্ধে জনসাধাৰণৰ জীৱন-সম্পত্তি, সভ্যতা নিঃশেষ কৰিব তেনে বৃহৎ নদীবান্ধ বন্ধ হ'ব লাগিব । আজিৰ কাৰ্যসূচীত যোৰহাট মহকুমা ছাত্ৰ সন্থাৰ সভাপতি নিহাৰীকা শইকীয়া, সাধাৰণ সম্পাদক ৰিয়াজ হুছেইন আৰু উপদেষ্টা প্ৰীতম জ্যোতি শইকীয়া প্ৰমুখ্যে শতাধিক ছাত্ৰ কৰ্মী উপস্থিত থাকে।

# বিশ্বনাথত সংঘটিত হ'ল এক ভয়ানক চাইবাৰ ক্ৰাইম

### ভুক্তভোগীৰ সম্পৰ্কীয় যুৱকৰ লগত মিলি বনকৰা যুৱতীয়ে সৰকালে ৩০ লাখ টকা

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাভৈ, ৩০ ছেপ্টেম্বৰ ঃ** বিশ্বনাথত সংঘটিত হ'ল জিলাখনৰ ভিতৰতে এক ভয়ানক চাইবাৰ ক্ৰাইম। সম্পৰ্কীয় এজন যুৱক আৰু এগৰাকী ঘৰত বনকৰা যুৱতীয়ে সহজ-সৰল এগৰাকী বিধৱা মহিলাৰ পৰা অনলাইনযোগে অতি কৌশলেৰে সৰকালে ৩০ লাখতকৈ অধিক টকা। উল্লেখ্য যে বিশ্বনাথৰ কোচগাঁও নিবাসী জয়ন্তী শইকীয়াৰ ঘৰত পাঁচ বছৰ বয়সৰ পৰাই নিজৰ কন্যাৰ দৰে আছিল দীপালী তাঁতী নামৰ এগৰাকী যুৱতী। কিন্তু যিগৰাকী বনকৰা ছোৱালীক নিজৰ ছোৱালীৰ দৰে ৰাখি বিশবছৰীয়া কৰিলে সেই ছোৱালীজনীয়েই জয়ন্তী শইকীয়াৰ সম্বন্ধীয় এজন যুৱক সমীৰ ওজাৰ লগত যুটি বান্ধি অতি কৌশলেৰে একাউণ্টৰ পৰা ৩০ লক্ষাধিক টকা লুট কৰি বিধৱা মহিলাগৰাকীৰ সম্পূৰ্ণ সাঁচতীয়া ধন নাইকিয়া কৰি পেলালে। মহিলাগৰাকীৰ স্বামীয়ে আৰক্ষী বিভাগত চাকৰি কৰিছিল। কিন্তু স্বামীৰ মৃত্যুৰ পিছত লাভ কৰা সম্পূৰ্ণ টকা বনকৰা ছোৱালী দীপালী তাঁতীয়ে হৰণ কৰিলে সমীৰৰ লগত মিলি। নিজৰ ছোৱালীৰ দৰে ৰখা দীপালী তাঁতীক অগাধ বিশ্বাস কৰিছিল জয়ন্তী শইকীয়াই আৰু তাৰেই পৰিণতিত জয়ন্তীৰ মোবাইলেৰে দীপালী আৰু সমীৰ নামৰ যুৱকজনে প্ৰায় দুবছৰ ধৰি জয়ন্তীৰ একাউণ্টৰ পৰা কৰি আহিছিল পইচা ট্ৰেন্সফাৰ। লগতে কৰি আছিল অনলাইন শ্ব'পিং। কিন্তু যেতিয়া বিধৱা মহিলাগৰাকীয়ে নিজৰ একাউণ্টৰ তালিকা উলিয়াই বেংকৰ পৰা তেতিয়াই যেন মূৰৰ ওপৰত সৰগ ভাগি পৰে মহিলাগৰাকীৰ। কাৰণ সাঁচতীয়া ধন হিচাপে জমা ৰখা সমস্ত ধন হৰলুকী কৰিলে সমীৰ আৰু বনকৰা ছোৱালী দীপালীয়ে। সম্প্ৰতি বিশ্বনাথ আৰক্ষীয়ে সমীৰ আৰু দীপালীক গ্ৰেপ্তাৰ কৰি জে'ল হাজোতলৈ প্ৰেৰণ কৰিছে। ইফালে মহিলাগৰাকীৰ একমাত্ৰ কন্যা সন্তানগৰাকীও বিশেষভাৱে সক্ষম। তেনেস্থলত সাঁচতীয়া সকলো ধন হৰলুকী হোৱাত এতিয়া ভৱিষ্যতৰ কথা চিন্তা কৰি শংকিত হৈ পৰিছে বিধৱা মহিলাগৰাকী।

# দুখন উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশৰ বদলিত অনুমোদন

**নতুন দিল্লী, ৩০ ছেপ্টেম্বৰ ঃ** উৰিষ্যা উচ্চ ন্যায়ালয় আৰু জম্মু-কাশ্মীৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ দুগৰাকীক বদলিৰ বাবে উচ্চতম ন্যায়ালয়ৰ কলেজীয়াম সমিতিয়ে অনুমোদন জনাইছে। লগতে নতুনকৈ তিনিগৰাকী মুখ্য ন্যায়াধীশ নিযুক্তিৰ বাবেও চৰকাৰৰ ওচৰত প্ৰস্তাৱ দাখিল কৰিছে। উল্লেখ্য যে মুখ্য ন্যায়াধীশ ইউ ইউ ললিতৰ অধ্যক্ষতাত কলেজীয়াম সমিতিত পাঁচজন ন্যায়াধীশ। যোৱা ২৮ ছেপ্টেম্বৰ তাৰিখে ২ মুখ্য ন্যায়াধীষৰ বদলিৰ সিদ্ধান্ত লোৱা হৈছিল। এই বিষয়টো শুকুৰবাৰে ৰাজহুৱা কৰা হৈছে। কলেজিয়াম সমিতিত মুখ্য ন্যায়াধীশৰ উপৰিও অন্তৰ্ভুক্ত হৈ আছে ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, সঞ্জয় কিষাণ কৌল, আব্দুল নাজিৰ আৰু কে এম যোচেফ। উল্লেখ্য যে উৰিষ্যা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ এছ মুৰুলীধৰক বদলি কৰা হৈছে মাদ্ৰাছ উচ্চ ন্যায়ালয়ৰ একেটা পদবীলৈ। আনহাতে দিল্লী উচ্চ ন্যায়ালয়ত কৰ্মৰত হৈ থকাৰ সময়তে যোৱা জানুৱাৰী মাহত মুৰুলীধৰক উৰিষ্যা উচ্চ ন্যায়ালয়ে মুখ্য ন্যায়াধীশ হিচাপে নিযুক্তি দিয়া হৈছিল। ইফালে উৰিষ্যা উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ পদত নিযুক্তি দিয়া হৈছে ন্যায়াধীশ যশৱন্ত সিঙক। ইয়াৰ উপৰিও জম্মু-কাশ্মীৰ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ পংকজ মিট্টালক বদলি কৰা হৈছে ৰাজস্থান উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ হিচাপে। উক্ত ন্যায়ালয়ত কৰ্মৰত হৈ থকা ন্যায়াধীশ আলী মহম্মদ মাগেৰীক নিযুক্ত কৰা হৈছে জম্মু-কাশ্মীৰ আৰু লাডাখ উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ পদত। ৰাজস্থান উচ্চ ন্যায়ালয়ৰ ভাৰপ্ৰাপ্ত মুখ্য ন্যায়াধীশ হিচাপে যোৱা আগষ্ট মাহৰ পৰা কৰ্মৰত হৈ আছিল মনীন্দ্ৰ মোহন শ্ৰীবাস্তৱ। ইয়াৰ



উপৰিও অন্য তিনিগৰাকী ন্যায়াধীশৰ বদলিৰ বাবেও কলেজীয়াম সমিতিয়ে পৰামৰ্শ দিছে। উত্তৰাখণ্ড উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সঞ্জয় কুমাৰ মিশ্ৰক ঝাৰখণ্ড উচ্চ ন্যায়ালয়লৈ, কেৰালা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ কে বিনোদ চন্দ্ৰনক বোম্বে উচ্চ ন্যায়ালয়লৈ আৰু ঝাৰখণ্ড উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ অপৰেশ কুমাৰ সিঙক বদলি কৰা হৈছে ত্ৰিপুৰা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে। এই ন্যায়াধীশ কেইগৰাকীয়ে শীঘ্ৰে দায়িত্ব গ্ৰহণ কৰিব লাগিব বুলি নিৰ্দেশনাত উল্লেখ আছে।



*বন্দে ভাৰত ৰে'লসেৱা শুভাৰম্ভ কৰিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে, গান্ধীনগৰ-মুম্বাই সংযোগী এই ৰে'লৰ ভ্ৰমণ অতিশয় আৰামদায়ক হ'ব বুলি প্ৰধানমন্ত্ৰীয়ে ব্যক্ত কৰিছে, আনকি বিমানত ভ্ৰমণৰ সময়ত মোবাইল ফোনত বাৰ্তালাপত অসুবিধা হয় অত্যধিক শব্দৰ বাবে, কিন্তু বন্দে ভাৰত ৰে'লৰ ভিতৰত বাৰ্তালাপত বিমানতকৈ কম শব্দ হোৱা বাবে সুবিধাজনক হৈ উঠা বুলিও প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰিছে*

# ৰাছিয়াৰ প্ৰতি নাগৰিকে সেনাত সেৱা কৰাৰ নিৰ্দেশনাৰ পিছতে এসপ্তাহত দেশ এৰি পলাইছে দুই লক্ষাধিক নাগৰিক

**মস্কো, ৩০ ছেপ্টেম্বৰ ঃ** ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে দেশখনৰ সকলো নাগৰিকক সাময়িকভাৱে সেনা বাহিনীত সেৱা আগবঢ়োৱাৰ বাধ্যতামূলক নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি ৰাছিয়া সংসদৰ সদস্যৰ পৰা বিশ্ববিদ্যালয়ৰ অধ্যাপক, শিক্ষক তথা কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰী আদি সকলোৱে চমু কাৰ্যকালৰ বাবে ৰাছিয়াৰ সেনা বাহিনীত সেৱা কৰিব লাগিব।



ৰাষ্ট্ৰপতি পুটিনৰ এই নিৰ্দেশনাই সমগ্ৰ দেশতে আতংকৰ সৃষ্টি কৰিছে। কিয়নো দেশখনত নতুনকৈ তিনি লক্ষাধিক সেনা নিযুক্তিৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ইউক্ৰেইনৰ সৈতে অব্যাহত থকা যুদ্ধৰ ফলত দেশখনৰ বহু সেনা বিষয়া আৰু জোৱান মৃত্যুমুখত পৰিছে। একাংশ গুৰুতৰভাৱে জখম হৈছে। ফলত সেনা বাহিনীত মানৰ সম্পদৰ অভাৱ হৈছে। গতিকে অসামৰিক লোকসকলক চমু কাৰ্যকালৰ বাবে ৰাছিয়াৰ সেনাবাহিনীত সেৱা আগবঢ়াবলৈ নতুনকৈ নিৰ্দেশনা জাৰি কৰিছে। এই নিৰ্দেশনাই সাধাৰণ নাগৰিকৰ মাজত ভয়, আতংক আৰু নিৰাপত্তাহীন পৰিৱেশৰ সৃষ্টি কৰিছে। ফলত যোৱা এসপ্তাহত দুই লক্ষাধিক ৰাছিয়াৰ নাগৰিকে বিদেশলৈ পলায়ন কৰিছে। প্ৰাপ্ত তথ্য মতে বৰ্তমানলৈকে এনেদৰে পলায়ন কৰা নাগৰিকৰ সংখ্যা পাঁচ লক্ষাধিক হ'ব বুলি ধাৰণা কৰা হৈছে। ৰাছিয়াৰ সীমান্তত চৈধ্যখন পৃথক ৰাষ্ট্ৰৰ সীমা সংযুক্ত হৈ আছে। চীন, উত্তৰ কোৰিয়াকে ধৰি বেলাটিক দেশসমূহ আছে ৰাছিয়াৰ সীমান্তত। ইয়াৰ উপৰিও মংগোলীয়া, জৰ্জিয়া, ফিনলেণ্ড, ক্ৰেমলিন, কাজাখাস্তান আদি দেশসমূহ ৰাছিয়াৰ সীমান্তত আছে। গতিকে ৰাছিয়াৰ নাগৰিকে সহজে সীমান্তইদি চুবুৰীয়া ৰাষ্ট্ৰলৈ পলায়ন কৰি থকা বুলি প্ৰকাশ পাইছে। কাজাখাস্তানৰ প্ৰশাসনে প্ৰকাশ কৰা তথ্য অনুসৰি ৯৮ হাজাৰতকৈ অধিক ৰাছিয়াৰ নাগৰিকে দেশখনত আশ্ৰয় লৈছে। জৰ্জিয়াৰ আভ্যন্তৰীণ প্ৰতিৰক্ষা মন্ত্ৰীয়ে ব্যক্ত কৰা অনুসৰি যোৱা ২১ ছেপ্টেম্বৰৰ পৰা দেশখনলৈ ৫৩ হাজাৰতকৈ অধিক ৰাছিয়াৰ নাগৰিকে প্ৰৱেশ কৰিছে। আনকি প্ৰতিদিনাই ৫-৬ হাজাৰকৈ লোকে ৰাছিয়া এৰিছে যদিও শেহতীয়াকৈ দৈনিক দহ হেজাৰোধিক ৰাছিয়াৰ নাগৰিকে নিজ দেশ এৰি পলাই যাবলৈ তৎপৰ হোৱা দেখা গৈছে। ইফালে ইউৰোপৰ দেশসমূহে সীমান্তত নিৰাপত্তা ব্যৱস্থা অধিক কটকটীয়া কৰি তুলিছে। কিয়নো যোৱা দেওবাৰৰ পৰা ৰাছিয়াৰ ৬৬ হাজাৰতকৈ অধিক নাগৰিকে ইউৰোপীয় সংঘৰ দেশসমূহত প্ৰৱেশ কৰিছে। পূৰ্বৰ সপ্তাহৰ তুলনাত এই পৰিসংখ্যা ৩০ শতাংশ বৃদ্ধি পাইছে। আনহাতে যোৱা দেওবাৰৰ দিনটোলৈকে চলিত মাহৰ শেষৰ সপ্তাহত ২,৬১,০০০ গৰাকী ৰাছিয়াৰ নাগৰিকে নিজ দেশ এৰি যোৱা বুলি চৰ্চিত হৈছে।

# ম্যানমাৰৰ জুণ্টা প্ৰশাসনে দিলে আং-চান-চ্যু কীক ৩ বছৰৰ কাৰাদণ্ড

**ৰেংগুন, ৩০ ছেপ্টেম্বৰ ঃ** ম্যানমাৰৰ অপসাৰিত নেত্ৰী আং চান চ্যু কী আৰু তেওঁৰ প্ৰাক্তন অৰ্থনৈতিক উপদেষ্টা অষ্ট্ৰেলিয়াৰ শ্বন টাৰ্ণেলক তিনি বছৰৰ কাৰাদণ্ড বিহা হৈছে। বৃহস্পতিবাৰে এখন সামৰিক আদালতে এই সিদ্ধান্ত লয়। সংবাদ সংস্থাৰ বাতৰি মতে, তেওঁলোক দুয়োকে কাৰাদণ্ড বিহা হৈছে। দুয়োগৰাকীৰ বিৰুদ্ধে অ'ফিচিয়েল চিক্ৰেটছ এক্ট উলংঘা কৰাৰ অভিযোগ আৰোপ কৰা হৈছিল। এই অপৰাধৰ বাবে সৰ্বাধিক শাস্তি হৈছে ১৪ বছৰ কাৰাবাস। আদালতত চ্যু কী আৰু ছনে দোষী নহয় বুলি স্বীকাৰ কৰিছিল। ২০২১ চনত সামৰিক অভ্যুত্থানৰ পিছত চৰকাৰে চু কীক কেইবাজনো অৰ্থনৈতিক উপদেষ্টা, ৰাজনীতিবিদ, আইন প্ৰণেতা আৰু সাংবাদিকৰ সৈতে গ্ৰেপ্তাৰ কৰে।নবেল বঁটা বিজয়ী চ্যু কীক বিভিন্ন গোচৰত ১৭ বছৰৰ কাৰাদণ্ড দিয়া হৈছে। বেছিভাগ গোচৰে আছিল দুৰ্নীতি বিষয়ক। অৱশ্যে চ্যু কীয়ে সকলো অভিযোগ অস্বীকাৰ কৰি আহিছে। অষ্ট্ৰেলিয়াৰ বৈদেশিক মন্ত্ৰালয়ে এতিয়ালৈকে টাৰ্ণেলৰ কাৰাদণ্ডৰ বিষয়ত প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। শ্বন অষ্ট্ৰেলিয়াৰ মেকোৱাৰ বিশ্ববিদ্যালয়ৰ অৰ্থনীতিৰ অধ্যাপক আছিল। অৱশ্যে অষ্ট্ৰেলিয়া চৰকাৰে অষ্ট্ৰেলিয়াত তেওঁৰ কোনোধৰণৰ বিচাৰৰ বাবে আগ্ৰহ প্ৰকাশ কৰা নাই।



# জম্মু-কাশ্মীৰত সংঘৰ্ষ কঁপি উঠিল শ্বোপিয়ান



**শ্ৰীনগৰ, ৩০ ছেপ্টেম্বৰ ঃ** জম্মু-কাশ্মীৰত দক্ষিণ কাশ্মীৰৰ শ্বোপিয়ান জিলাৰ চিত্ৰগাম অঞ্চল আৰু উত্তৰ কাশ্মীৰৰ বাৰামুলা জিলাৰ পাটানত সন্ত্ৰাসবাদী আৰু নিৰাপত্তা বাহিনীৰ মাজত তুমুল সংঘৰ্ষ আৰম্ভ হৈছে।কাশ্মীৰ আৰক্ষীয়ে নিজেই দুটা এনকাউণ্টাৰৰ খবৰ দিছে। টুইট কৰি তেওঁলোকে কৈছে, "শ্বপিয়ানৰ চিত্ৰাগাম অঞ্চলত এনকাউণ্টাৰ আৰম্ভ হৈছে। আৰক্ষী আৰু সুৰক্ষা বাহিনীয়ে তেওঁলোকৰ কাম কৰি আছে।"কাশ্মীৰ জোন আৰক্ষীয়ে জনোৱা অনুসৰি বাৰামুলাৰ পাটান অঞ্চলত গুলীয়াগুলি আৰম্ভ হৈছে। ইয়াৰ অলপ আগতে শ্বোপিয়ান জিলাৰ চিত্ৰগ্ৰাম জিলাত আৰক্ষী আৰু নিৰাপত্তাৰক্ষীৰ মাজত গুলীয়াগুলি আৰম্ভ হয়। আন এটা টুইটত আৰক্ষীয়ে কয়, "বাৰামুলাৰ পাটান অঞ্চলৰ য়েদিপোৰাত এনকাউণ্টাৰ আৰম্ভ হৈছে। আৰক্ষী আৰু সুৰক্ষা বাহিনীয়ে তেওঁলোকৰ কাম কৰি আছে। আৰক্ষী আৰু সুৰক্ষা বাহিনীয়ে অঞ্চলটোত সন্ত্ৰাসবাদীৰ উপস্থিতিৰ বিষয়ে নিৰ্দিষ্ট তথ্য পোৱাৰ পিছতে এই সংঘৰ্ষ আৰম্ভ হৈছে। অৱশ্যে এই সংঘৰ্ষত হতাহতৰ সবিশেষ তথ্য এতিয়ালৈকে সদৰী কৰা নাই।

# কাবুলত আত্মঘাতী বোমা বিস্ফোৰণ

## শিক্ষানুষ্ঠানত আক্ৰমণ আততায়ীৰ, নিহত কমেও ২৩, আহত ২৭

**কাবুল, ৩০ ছেপ্টেম্বৰ ঃ** কাবুলৰ এটা শিক্ষা প্ৰতিষ্ঠানত আত্মঘাতী বোমা বিস্ফোৰণৰ ঘটনা সংঘটিত হৈছে। বাতৰি অনুসৰি এই ঘটনাত কমেও ২৩ জন লোক নিহত হৈছে। আহত হৈছে ২৭ জন। হতাহতৰ সংখ্যা আৰু বৃদ্ধি হোৱাৰ আশংকা কৰা হৈছে।শুকুৰবাৰে স্থানীয় সময় অনুসৰি পুৱা প্ৰায় ৭:৩০ বজাত বিস্ফোৰণটো সংঘটিত হয়। কাবুলৰ পশ্চিম দিশে থকা 'কাজ এডুকেশ্যন চেন্টাৰ' হঠাতে ভয়ংকৰ শব্দত কঁপি উঠে। তেতিয়া তাত পৰীক্ষা চলি আছিল। বিশ্ববিদ্যালয়ৰ প্ৰৱেশ পৰীক্ষাৰ বাবে বহুতো শিক্ষাৰ্থীয়ে তাত প্ৰস্তুতি পৰীক্ষাত বহিছিল। জানিব পৰা মতে, কোনো সংগঠনে এতিয়ালৈকে আত্মঘাতী বোমা বিস্ফোৰণৰ দায়িত্ব স্বীকাৰ কৰা নাই। তালিবানৰ ফালৰ পৰা জানিবলৈ দিয়া হৈছে যে ঘটনাটোৰ খবৰ পোৱাৰ পিছতে তেওঁলোকৰ নিৰাপত্তা বাহিনী তাত গৈ উপস্থিত হৈছে আৰু পৰিস্থিতি নিয়ন্ত্ৰণলৈ অনা হৈছে।শেহতীয়াকৈ কাবুলৰ সেই অঞ্চলটোত কেইবাটাও আক্ৰমণৰ ঘটনা ঘটিছে। অঞ্চলটোত মুখ্যত: সংখ্যালঘুসকলে বাস কৰে। পৰ্যবেক্ষক মহলৰ একাংশৰ মতে তেওঁলোকক বাৰে বাৰে "লক্ষ্য" কৰি লোৱা হৈছে।যোৱা বছৰ আগষ্টত আফগানিস্তানত তালিবান ক্ষমতালৈ আহিছিল। তেওঁলোকে কৈছিল যে তেওঁলোকৰ লক্ষ্য হৈছে দেশত শান্তি স্থাপন কৰা। কিন্তু যোৱা কেইমাহমানত তালিবান শাসিত আফগানিস্তানৰ পৰা কেইবাটাও অপ্ৰীতিকৰ ঘটনাৰ খবৰ পোৱা গৈছে।আনহাতে, চৰকাৰখনৰ বিৰুদ্ধে নাগৰিকসকলৰ অধিকাৰ খৰ্ব কৰাৰ অভিযোগ উত্থাপিত হৈছে। কেইবাটাও বিস্ফোৰণ তথা আক্ৰমণৰ ঘটনা সংঘটিত হৈছে। কাবুলকে ধৰি আফগানিস্তানৰ প্ৰতিটো কোণত সন্ত্ৰাসবাদী কাৰ্যকলাপে সময়ৰ লগে লগে পুনৰ মূৰ দাঙি উঠিছে। তাৰমাজতে শুকুৰবাৰে পুৱাই শিক্ষা প্ৰতিষ্ঠানত সংঘটিত হ'ল এই আত্মঘাতী আক্ৰমণৰ ঘটনা।



# ভগৱন্ত মানৰ কনভয়ত ৪২ বাহন



**চণ্ডীগড়, ৩০ ছেপ্টেম্বৰ ঃ** পঞ্জাৱৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানৰ কনভয়ত ৪২ খন বাহন সংযোজিত হৈছে। পঞ্জাৱৰ মুখ্যমন্ত্ৰীজনে ইমান বৃহৎসংখ্যক বাহনৰ সৈতে দিঘলীয়া কনভয় কিয় ব্যৱহাৰ কৰে তাক লৈ এতিয়া একাংশৰ মনত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। আনকি নিৰ্বাচনৰ পূৰ্বে ভি আই পি সংস্কৃতি ত্যাগ কৰিব বুলি দিয়া প্ৰতিশ্ৰুতি পালন কৰা হোৱা নাই বুলি সমালোচনা কৰা হৈছে। ৰাজ্যখনৰ কংগ্ৰেছ নেতা প্ৰতাপ সিং বাজোৱাই কয় যে এগৰাকী ব্যক্তিয়ে তথ্যজনাৰ অধিকাৰ আইনৰ জৰিয়তে এই উত্তৰ আহৰণ কৰিবলৈ সক্ষম হৈছে। ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰকাশ সিং বাদল, অমৰিন্দৰ সিং, চৰণজিৎ সিং ছান্নী আদিতকৈ অধিক কনভয়ৰ বাহন ব্যৱহাৰ কৰা বুলি আঙুলিয়াই দিয়া হৈছে। মুখ্যমন্ত্ৰী প্ৰকাশ সিং বাদলে নিজৰ কনভয়ত সৰ্বাধিক ৩৩খন বাহন ব্যৱহাৰ কৰিছিল। কিন্তু বৰ্তমানৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে ৪২ খন বাহন ব্যৱহাৰ কৰি একপ্ৰকাৰ অভিলেখ গঢ়িছে বুলি কংগ্ৰেছ নেতাজনে অভিযোগ কৰিছে। উল্লেখ্য যে যোৱা বৰ্ষৰ ২০ ছেপ্টেম্বৰৰ পৰা চলিত বৰ্ষৰ ১৬ মাৰ্চলৈ মুখ্যমন্ত্ৰীৰ কনভয়ত ৩৯খন বাহন আছিল। কিন্তু বৰ্তমান এই পৰিসংখ্যা অধিক বৃদ্ধি পাইছে। ফলত ৰাজ্যখনৰ ৰাজকোষৰ ধন ব্যয় কৰি মুখ্যমন্ত্ৰী ভগৱন্ত মানে নিৰ্বাচনী প্ৰতিশ্ৰুতিৰ বিপৰীতে অৱস্থান গ্ৰহণ কৰা বুলি আঙুলিয়াই দিয়া হৈছে। কৰদাতাসকলৰ মূৰত কৰৰ বোজা জাপি দিয়াৰ ফলত সংগৃহীত ধনেৰে মুখ্যমন্ত্ৰীয়ে এনেদৰে নিজৰ বিলাসী জীৱন কটোৱা কাৰ্যৰ সমালোচনা কৰিছে বিৰোধী দলবোৰে।

# দিল্লীৰ চিকিৎসালয়ত জামিয়াৰ ছাত্ৰলৈ গুলী, তীব্ৰ উত্তেজনা

**নতুন দিল্লী, ৩০ ছেপ্টেম্বৰ ঃ** যুদ্ধক্ষেত্ৰ হৈ পৰিল দিল্লীৰ এখন চিকিৎসালয়! তাৰপিছতে চাঞ্চল্য বিয়পি পৰে। দক্ষিণ-পশ্চিম দিল্লীৰ জামিয়া নগৰ অঞ্চলৰ এখন ব্যক্তিগত চিকিৎসালয়ত জামিয়া মিলিয়া ইছলামিয়া বিশ্ববিদ্যালয়ৰ এজন ছাত্ৰক লক্ষ্য কৰি গুলীয়ায় আন এজন ছাত্ৰই। আহত ছাত্ৰজনক নমন চৌধুৰী বুলি চিনাক্ত কৰা হৈছে।আৰক্ষীয়ে জনায় যে তেওঁলোকে বৃহস্পতিবাৰে নিশা প্ৰায় ৯ বজাত এটা ফোন পাইছিল যে জামিয়া মিলিয়া ইছলামিয়াৰ চৌহদত শিক্ষাৰ্থীৰ দুটা গোটৰ মাজত সংঘৰ্ষৰ সূত্ৰপাত ঘটিছে। জানিব পৰা মতে, সেই সংঘৰ্ষ বিশ্ববিদ্যালয়খনৰ পুথিভঁৰালৰ ভিতৰত সংঘটিত হৈছিল। সেই সময়ত উত্তৰ প্ৰদেশৰ মিৰাটৰ পৰা অহা নমন চৌধুৰী আঘাতপ্ৰাপ্ত হয়। তেওঁক ততাতৈয়াকৈ হোলি ফেমিলি চিকিৎসালয়লৈ লৈ যোৱা হয়।হাস্পাতলত নৌমান আলী নামৰ এজন ছাত্ৰ তেওঁক চাবলৈ আহে। তেওঁ নমনৰ বন্ধু। সেই সময়তে আন এজন ছাত্ৰ জালালে চিকিৎসালয়ৰ জৰুৰীকালীন ৱাৰ্ডৰ ভিতৰতে তেওঁৰ ওপৰত গুলীচালনা কৰে। লগে লগে চাৰিওফালে হাহাকাৰ লাগে।আৰক্ষীয়ে জনোৱা মতে আলীয়ে মূৰত আঘাত পাইছে। তেওঁক এইমছৰ ট্ৰমা চেণ্টাৰত ভৰ্তি কৰোৱা হৈছে। অৱশ্যে তেওঁৰ আঘাত ইমান গুৰুতৰ নহয় বুলি কোৱা হৈছে। স্বাভাৱিকতে এনে ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে।জামিয়া নগৰ আৰু নিউ ফ্ৰেণ্ডছ কলনি আৰক্ষী থানাৰ আৰক্ষীয়ে ঘটনাৰ এক তদন্ত আৰম্ভ কৰিছে। তদন্তকাৰী বিষয়াসকলে নৌমানৰ বিবৃতি সংগ্ৰহ কৰিবলৈ চেষ্টা কৰি আছে বুলি জানিব পৰা গৈছে। এইসংঘৰ্ষৰ কাৰণ কি সেয়া এতিয়াও জানিব পৰা হোৱা নাই।উল্লেখ্য যে পিএফআইক শেহতীয়াকৈ নিষিদ্ধ কৰা হৈছে। ইয়াৰ পূৰ্বে নিয়া-ই সমগ্ৰ দেশতে দ্বিতীয় পৰ্যায়ৰ অভিযান আৰম্ভ কৰে। এই পৰিস্থিতিত জামিয়া মিলিয়া বিশ্ববিদ্যালয়ৰ কৰ্তৃপক্ষই শিক্ষাৰ্থী আৰু শিক্ষকসকলক এখন জাননী জাৰি কৰে। বিশ্ববিদ্যালয় চৌহদত যিকোনো ধৰণৰ সমাৱেশ বৰ্তমানৰ বাবে নিষিদ্ধ কৰা হৈছে। তাৰমাজতে এইবাৰ শিক্ষাৰ্থীৰ সংঘৰ্ষক লৈ উত্তপ্ত হৈ পৰিছে বিশ্ববিদ্যালয় চৌহদ।



# কোন হ'ব কংগ্ৰেছৰ সৰ্বভাৰতীয় সভাপতি

## কেৰালাৰ সাংসদ শশী থাৰুৰে দাখিল কৰিলে মনোনয়ন-পত্ৰ

**নতুন দিল্লী, ৩০ ছেপ্টেম্বৰ ঃ** কংগ্ৰেছৰ সভাপতি নিৰ্বাচনৰ বাবে আজি কেৰালাৰ সাংসদ শশী থাৰুৰে দাখিল কৰিলে মনোনয়ন পত্ৰ। দিগ্বিজয় সিং আৰু অশোক গেহলটে নিৰ্বাচনী অভিযানৰ পৰা নাম প্ৰত্যাহাৰ কৰিছে যদিও নতুনকৈ সংযোজন হৈছে মল্লিকাৰ্জুন খাৰ্গেৰ নাম। খাৰ্গেই এই পদৰ বাবে মনোনয়ন দাখিল কৰিছে। কংগ্ৰেছৰ সভাপতি নিৰ্বাচনৰ বাবে এতিয়া দলটো সাজু হৈ উঠিছে কংগ্ৰেছ সভাপতি পদৰ বাবে মনোনয়ন দাখিল কৰাৰ সম্ভাৱনা থকা জ্যেষ্ঠ কংগ্ৰেছ নেতা দিগ্বিজয় সিঙে আন এজন শীৰ্ষ প্ৰতিদ্বন্দ্বী শশী থাৰুৰক সাক্ষাৎ কৰে আৰু দুয়ো সন্মত হয় যে তেওঁলোকৰ "প্ৰতিদ্বন্দ্বীৰ মাজত যুদ্ধ নহয়, সহকৰ্মীসকলৰ মাজত বন্ধুত্বপূৰ্ণ প্ৰতিযোগিতাহে হ'ব। সিঙে বৃহস্পতিবাৰে নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ সংগ্ৰহ কৰাৰ পিছত তিৰুৱন্তপুৰমৰ সাংসদ থাৰুৰক লগ কৰিছিল। থাৰুৰে কয় "দিগ্বিজয় সিঙৰ সাক্ষাৎ লাভ কৰিলো। মই আমাৰ দলৰ সভাপতি পদৰ বাবে তেওঁৰ প্ৰাৰ্থিত্বক স্বাগতম জনাইছো,'। তেওঁ লগতে কয় "আমি দুয়ো সন্মত হৈছিলো যে আমাৰ প্ৰতিদ্বন্দ্বীসকলৰ মাজত যুদ্ধ নহয় কিন্তু মাজত বন্ধুত্বপূৰ্ণ প্ৰতিযোগিতাহে হ'ব সহকৰ্মীসকল! 'দিগ্বিজয় সিঙে নিশ্চিত কৰিছিল যে তেওঁ দলৰ সভাপতি পদৰ বাবে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। আনহাতে ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক গেহলটে পিছত নিশ্চিত কৰিছিল যে তেওঁ নিৰ্বাচনত অৱতীৰ্ণ নহয়। আনকি তেওঁ ৰাজ্যখনৰ বিধায়কসকলৰ বিদ্ৰোহৰ বাবে ছোনিয়া গান্ধীৰ ওচৰত ক্ষমা বিচাৰে।দিগ্বিজয় সিঙে এআইচিচিৰ মুখ্য কাৰ্যালয়ৰ বাহিৰত সাংবাদিকক কয় যে তেওঁ দলৰ কেন্দ্ৰীয় নিৰ্বাচন কৰ্তৃপক্ষৰ (চিইএ) পৰা তেওঁৰ মনোনয়ন প্ৰপত্ৰ সংগ্ৰহ কৰিছে। তেওঁ লগতে কয় যে প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত কেৱল তেওঁৰ নিজৰ আছিল আৰু তেওঁ আন কাৰোবাৰ সৈতে পৰামৰ্শ কৰিহে এনে সিদ্ধান্ত লৈছে।প্ৰবীণ নেতাজনে দলৰ ভাৰত জোৰো যাত্ৰাত কেৰালাত ৰাহুল গান্ধীৰ সৈতে সাক্ষাৎ কৰিছিল আৰু বুধবাৰে সন্ধিয়া দিল্লীত উপস্থিত হৈছিল। দিগ্বিজয় সিঙৰ প্ৰৱেশে কংগ্ৰেছৰ সভাপতি পদৰ যুঁজখন আকৰ্ষণীয় কৰি তুলিব বুলি ধাৰণা কৰা হৈছে। কিয়নো জি-২৩ নেতা শশী থাৰুৰেও এই পদত প্ৰতিদ্বন্দ্বিতা কৰিব। ভোটগ্ৰহণ ১৭ অক্টোবৰত অনুষ্ঠিত হ'ব আৰু ফলাফল ১৯ অক্টোবৰত ঘোষণা কৰা হ'ব।



# যুদ্ধবন্দী সেনাৰ ওপৰত ৰাছিয়াৰ অমানুষিক নিৰ্যাতন

## ইউক্ৰেইনৰ বন্দী সেনাৰ ফটো দেখি শিয়ৰি উঠিছে বিশ্ব

**কিয়েভ, ৩০ ছেপ্টেম্বৰ ঃ** ৰাছিয়া-ইউক্ৰেইনৰ যুদ্ধকলৈ সৰৱ বিশ্ব। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ব্ৰিটেইনকে ধৰি কেইবাখনো পশ্চিমীয়া দেশে যুদ্ধ সন্দৰ্ভত ৰাছিয়াৰ স্থিতিক তীব্ৰ গৰিহণা দিছে। শেহতীয়াকৈ ৰাছিয়াৰ বন্দীত্বৰ পৰা সাৰি যোৱা ইউক্ৰেইনৰ এজন সৈনিকৰ এখন কৰুণ ছবি ছচিয়েল মিডিয়াত প্ৰকাশ পাইছে ইউক্ৰেইনৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ে টুইটাৰত ইউক্ৰেইনৰ সৈনিক মিখাইলো দিয়ানোভৰ এখন ফটো শ্বেয়াৰ কৰিছে। সেই পোষ্টটোত তেওঁক ভাগ্যৱান বুলিও কোৱা হৈছে। ছবিখনত তেওঁৰ মুখ আৰু সোঁ হাতত একাধিক আঘাতৰ চিহ্ন আছে। ছবিখনৰ কেপশ্যনত লিখা হৈছে, "মিখাইলো দিয়ানোভ সৌভাগ্যৱানসকলৰ মাজৰ এজন! তেওঁ ৰাছিয়াৰ বন্দীত্বৰ পৰা সাৰি উভতিছে"। সংবাদ মাধ্যমৰ বাতৰি অনুসৰি, মিখাইলো দিয়ানোভক কিয়েভ সামৰিক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। চিকিৎসালয়ৰ সূত্ৰ অনুসৰি তেওঁৰ আঘাত গুৰুতৰ ইউক্ৰেইনৰ বৈদেশিক মন্ত্ৰালয়ৰ এজন উপদেষ্টা এণ্টন গেৰাছেস্কোৱে কৈছে যে তেওঁ এখন হাতৰ চাৰি চেণ্টিমিটাৰ হাড় ভাঙিছিল। চিকিৎসা আৰু স্বাস্থ্যসেৱাৰ জৰিয়তে তেওঁক আৰোগ্য কৰাৰ প্ৰচেষ্টা চলি আছে। কিয়েভ ইণ্ডিপেণ্ডেণ্ট নিউজ আউটলেটৰ মতে ইউক্ৰেইনৰ আজভ ৰেজিমেণ্টৰ সদস্য মিখাইলো দিয়ানোভক ২১ ছেপ্টেম্বৰত মুকলি কৰা হয়। তেওঁক আন ২১৫ জন বন্দীৰ সৈতে মুক্তি দিয়া হয়। এই যুদ্ধৰ পৰিপ্ৰেক্ষিতত এতিয়ালৈকে এনে বহুতো ছবি আৰু ভিডিঅ' ভাইৰেল হৈ পৰিছে যিবোৰে হৃদয় কঁপাই তুলিছে। কিন্তু ইউক্ৰেইনৰ সেনাৰ এই ছবিখনে আগৰ সকলোকে চেৰ পেলাই ছ'চিয়েল মিডিয়াত ব্যাপক ৰূপত ভাইৰেল হৈ পৰিছে।দাবী কৰা হৈছে যে ইউক্ৰেইনৰ এই সৈনিকজনক ৰাছিয়াৰ সৈন্যই বন্দী কৰিছিল। তেওঁৰ ওপৰত ইমান অত্যাচাৰ কৰা হৈছিল যে এতিয়া এই সেনা জোৱানজনে আইনাৰ সন্মুখত থিয় হৈ নিজকে চিনাক্ত কৰিব পৰা নাই।মাত্ৰ পাঁচ মাহতে তেওঁৰ এই অৱস্থা হৈছিল বুলিও দাবী কৰা হৈছে। ইউক্ৰেইনৰ সেনাৰ এই ছবিখন দেখি মানুহ আৱেগ বিহ্বল হৈ পৰিছে। তেওঁলোকে ৰাছিয়ান সেনাৰ প্ৰতি তেওঁলোকৰ ক্ষোভ প্ৰকাশ কৰিছে।







**আমেৰিকাৰ উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছে দক্ষিণ কোৰিয়া ভ্ৰমণ কৰি দেশ এৰাৰ পিছতে উত্তৰ কোৰিয়াই এইদৰে মিছাইল নিক্ষেপ কৰে। বাতৰি অনুসৰি, উত্তৰ কোৰিয়াই এসপ্তাহৰ ভিতৰত তৃতীয়বাৰৰ বাবে এইদৰে মিছাইল নিক্ষেপ কৰিছে। শেহতীয়াকৈ পিয়ংইয়ঙে অস্ত্ৰ পৰীক্ষাৰ গতি বৃদ্ধি কৰিছে।**

■ কাঠফুলাৰ দৰে অবৈধ ফাৰ্মাচীৰে ভৰি পৰিছে গোৱালপাৰা চহৰ ■

# ৯০ শতাংশ ফাৰ্মাচীতে নাই ফাৰ্মাচিষ্ট

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ৩০ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা চহৰত কাঠফুলাৰ দৰে এখনৰ পিছত এখনকৈ নতুনকৈ ফাৰ্মাচী গঢ় লৈ উঠি আছে যদিও কাণসাৰ নাই জিলা ঔষধ পৰিদৰ্শক কাৰ্যালয়ৰ। গুৰুত্বপূৰ্ণ কথা যে চহৰখনৰ ১৯টা ৱাৰ্ডৰ অধিকাংশ ফাৰ্মাচীৰে নাই ট্ৰেড লাইচেন্স তথা অনুজ্ঞা-পত্ৰ। কেৱল এয়াই নহয় চহৰখনৰ ৯০ শতাংশ ফাৰ্মাচীৰে নাই ফাৰ্মাচিষ্ট, য'ত নেকি প্ৰতিখন ফাৰ্মাচীত বাধ্যতামূলকভাৱে থাকিব লাগে একো-একোজন কৈ ফাৰ্মাচিষ্ট। জানিব পৰামতে একাংশ অনভিজ্ঞ লোকে ফাৰ্মাচিষ্টৰ অনুজ্ঞা-পত্ৰ ভাৰাত লৈ গোৱালপাৰা চহৰ তথা জিলাখনৰ অলিয়ে গলিয়ে ফাৰ্মাচী স্থাপন কৰি ৰমৰমীয়া বেহা চলাই থকাৰ অভিযোগ উত্থাপিত হৈছে। জিলাখনৰ একাংশ ফাৰ্মাচীত নীতি বহিৰ্ভূত ভাবে যিকোনো ধৰণৰ ঔষধ ৰাখি স্বয়ম্ভু চিকিৎসক হৈ ৰোগীক ঔষধ দিয়া পৰিলক্ষিত হৈছে। এলোপেথিক ফাৰ্মাচীত আয়ুৰ্বেদিক, হামদৰ্দ আদিৰ ঔষধ মুকলিমূৰীয়াকৈ বিক্ৰী কৰাৰ উপৰিও বহু ফাৰ্মাচীত মুকলিভাৱে বেজী ছেলাইন আদি দিয়াৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। জানিব পৰা মতে এনেধৰণৰ সকলোবোৰ ঘটনা গোৱালপাৰা জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক তথা ঔষধ পৰিদৰ্শকৰ চকুৰ আগতেই ঘটি আছে যদিও ৰহস্যজনকভাৱে চকু মুদা কুলিৰ ভাও জুৰিছে এইসকল বিষয়া-কৰ্মচাৰী। একাংশ অবৈধ ফাৰ্মাচীৰ স্বত্বাধিকাৰীসকলে চিকিৎসা সেৱাৰ নামত নিজ মইমতালিৰে বেনামী তথা ভেজাল ঔষধ বিক্ৰী কৰি জনজীৱনৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। অতি সোনকালেই জিলা স্বাস্থ্য বিষয়াই বিষয়টো তদন্ত মূলে বিহিত ব্যৱস্থা লবলৈঞ্জ গোৱালপাৰা জিলাৰ তথা চহৰ খনৰ সচেতন মহলে দাবী জনাইছে।



## সদৌ অসম অনুসূচিত জাতি যুৱ পৰিষদ অসমৰ গোলাঘাট জিলা সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙামাটি, ৩০ ছেপ্টেম্বৰ ঃ** বৃহস্পতিবাৰে গোলাঘাট পৌৰসভাৰ সভাকক্ষত সদৌ অসম অনুসূচীত জাতি যুৱ পৰিষদ অসমৰ সাধাৰণ সভাত কেন্দ্ৰীয় সমিতিৰ বিষডববীয়াৰ উপস্থিতিত এখনি পূৰ্ণাংগ জিলা সমিতি গঠন কৰা হয়। উক্ত সভাত কেন্দ্ৰীয় উপদেষ্টা ৰুবুল দাস,সভাপতি হেমকান্ত দাস সম্পাদক জিতু কাকতিকে আদি কৰি ভালে কেইজন গণ্য মান্যল ব্যিক্তি উপস্থিত থাকে ।সভাৰ শেষত ৰুবুল দাসে সংবাদ মাধ্যমক সম্বোধন কৰি কয় যে অতি শীঘ্ৰে যদি চৰকাৰী এক লাখ চাকৰিৰ ক্ষেত্ৰত অনুসুচিত যুৱক-যুৱতীৰ বাবে সংৰক্ষিত কৰাৰ ব্যৱৰস্থা নকৰা বাবে লগতে মুল্যৰ বৃদ্ধিৰ যি দুষ্প্ৰভাৱ ,কৰ সংগ্ৰহ আদি ব্যৱৰস্থাই জনগনক জুৰুলা কৰি তুলিছে এই জ্বলন্ত সমস্যাসমূহৰ ক্ষেত্ৰত হিমন্ত বিশ্ব শৰ্মা চৰকাৰে যদি কোনো ব্যযৰস্থা গ্ৰহণ নকৰে তেনে পৰিপেক্ষিতত আতি সোনকালে এক বৃহৎ গণতান্ত্ৰিক আন্দোলন গঢ়ি তুলিব বুলি চৰকাৰক হুংকাৰ দিয়ে। আনফালে গোলাঘাট পৌৰসভা সভাকক্ষত অনুস্থিত হোৱা উক্ত সভাত নতুন কমিটিৰ হৈ ৰেৱ হাজৰিকাক সম্পাদক আৰু উৎপল দাসক সভাপতি হিচাবে লৈ এখন পূৰ্ণাংগ সমিতি গঠন কৰা হয়।

## লাচিত বৰফুকনৰ জয়ন্তী উপলক্ষে নাজিৰা মহকুমা প্ৰশাসনৰ লেখা আহ্বান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৩০ ছেপ্টেম্বৰ ঃ** বীৰ লাচিত বৰফুকনৰ আগন্তুক ৪০০সংখ্যক জন্ম জয়ন্তী উপলক্ষে অসম চৰকাৰৰ তথ্য আৰু জনসংযোগ সঞ্চালকালয়ৰ নিৰ্দেশ মৰ্মে নাজিৰা মহকুমা প্ৰশাসনে মহকুমাটোৰ লেখক, নাগৰিক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ পৰা মহান বীৰগৰাকীৰ জীৱন আৰু বীৰত্বৰ আধাৰত যুগুত কৰা অথবা তেওঁৰ সৈতে জড়িত যিকোনো বিষয়ৰ লেখা আহ্বান কৰিছে।লেখাসমূহ ১০০ৰ পৰা ১০০০ শব্দৰ ভিতৰত হ'ব লাগিব। তাৰে কিছু লেখা প্ৰশাসনৰ চৰকাৰী ৱেবছাইট আৰু ফেচবুক পেজত আপলোড কৰা হ'ব । নাগৰিক সকলৰ লগতে বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক লেখা প্ৰেৰণ কৰিবলৈ মহকুমা প্ৰশাসনে বিশেষভাৱে আহ্বান জনাইছে। উল্লেখ্য যে, অহা ২০ অ'ৌবৰ ভিতৰত লেখা সমূহ মহকুমা তথ্য আৰু জনসংযোগ বিষয়াৰ কাৰ্যালয়ত জমা দিব লাগিব। লেখা প্ৰেৰণ কৰা খামৰ ওপৰত "লাচিত বৰফুকনৰ ৪০০ সংখ্যক জন্ম জয়ন্তীৰ উপলক্ষে" বুলি লিখি দিব লাগিব।

## ডিৰাকৰ গণেশ গগৈৰ মৃত্যু

দৈনন্দিন বাৰ্তাৰ সেৱা, ৩০ ছেপ্টেম্বৰ: তিনিচুকীয়া জিলাৰ একেবাৰে পূব প্ৰান্ত ১ নং সৰুডিৰাকত ১৯৬৭ চনতে বৃহত্তৰ ডিৰাক অঞ্চলটো শিক্ষাৰ পোহৰে আলোকিত কৰাৰ মানসেৰে হাড়ক মাটি কৰি তেজক পানী কৰি ডিৰাক উচ্চ মাধ্যমিক বিদ্যালয় (বৰ্তমান উচ্চতৰ মাধ্যমিকলৈ উন্নীত) নামেৰে এটি জ্ঞানৰ মন্দিৰ স্থাপিত কৰা মহান ব্যক্তিসকলৰ অন্যতম এজন তথা বিদ্যালয়খনিৰ প্ৰতিষ্ঠাপক প্ৰধান শিক্ষক শ্ৰদ্ধাৰ গণেশ গগৈদেৱে কালি সন্ধিয়া নিজ বাসগৃহত শেষ নিশ্বাস ত্যাগ কৰে। তেখেতৰ বিয়োগত অঞ্চলটোত এক গভীৰ শোকৰ ছাঁই বিৰাজ কৰিছে । তেখেতৰ বিদেহী আত্মাই চিৰশান্তি লাভ কৰক তাৰে কমনা কৰি পৰম পিতা প্ৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাই ডিৰাক উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীসকলৰ লগতে গুণমুগ্ধসকলে শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে ।

## মেলামৰা মহাবিদ্যালয়ত নৱাগত আদৰণী সভা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, খুমটাই, ৩০ ছেপ্টেম্বৰ ঃ** খুমটাই সমীপৰ মেলামৰা মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাখনি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত কালি অনুষ্ঠিত হৈ যায়। আদৰণি সভাৰ দিনটোৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয় মহাবিদ্যালয়ৰ পতাকা উত্তোলনৰ কাৰ্যসূচীৰে । পতাকা উত্তোলন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ সঞ্জীৱ কুমাৰ বৰুৱাই । মহাবিদ্যালয়ৰ চৌহদত থকা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক স্বৰ্গীয় গংগাধৰ শইকীয়াৰ প্ৰতিমূৰ্তিত বন্তিপ্ৰজ্বলন কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষা জুৰী বৰুৱাই । শ্বহীদ তৰ্পণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক গীতাঞ্জলি শইকীয়াই । ইয়াৰ পিছতে নৱাগত ছাত্ৰ-ছাত্ৰী সকলক অগ্ৰজ সকলে গেটৰ সন্মুখত আদৰণি জনায়। দিনৰ ১০:৩০ বজাৰ পৰা অনুষ্ঠিত হোৱা মুকলি সভাৰ সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ কাৰ্য পৰিচালনা সমিতিৰ স্থায়ী সভাপতি দেৱেন মুদৈয়ে। সভাত নিদিষ্ট বক্তা হিচাপে উপস্থিত থাকি অসম ছাত্ৰ পৰিষদৰ সম্পাদিকা কস্তুৰী চুতীয়াই কয় যে বৰ্তমান প্ৰতিযোগিতাৰ যুগত ছাত্ৰ- ছত্ৰী সকলক নিজৰ কেৰিয়াৰ গঢ়াৰ উপৰিও সাহিত্য সংস্কৃতি খেলা-ধূলা সকলোতে নিজৰ প্ৰতিভা সমূহ বিকাশ কৰাৰ জৰিয়তে সমাজত প্ৰতিষ্ঠা লাভ কৰিবলৈ উদ্‌গনি যোগায় ।লগতে তেওঁ বৰ্তমান সমাজৰ প্ৰত্যাহ্বান বোৰ সাহসেৰে মোকা-বিলা কৰি বাস্তৱ মুখী শিক্ষা গ্ৰহণ কৰিবলৈ ছাত্ৰ -ছাত্ৰী সকলক আহ্বান জনায়। আনহাতে সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ প্ৰাক্তন পৰিচালনা সমিতিৰ সভাপতি প্ৰদীপ শইকীয়াই বক্তব্য প্ৰদান কৰা অনুষ্ঠানত স্থানীয় মেলামৰা হাইস্কুলৰ অৱসৰ প্ৰাপ্ত শিক্ষক ভদ্ৰেশ্বৰ শইকীয়া ,দেবানন্দ শইকীয়া,ৰাধেশ্যাম কেওট প্ৰমূখে কেইবাজনো সমাজকৰ্মী উপস্থিত থাকে । মুকলি সভাৰ আৰম্ভণিতে মহাবিদ্যালয়ৰ ছাত্ৰী সকলে এটি সমবেত গীত পৰিবেশন কৰে ।সভাৰ মাজতে দিবাকৰ বৰ্মন , জোনালী দেবী আৰু মিতালী বৰাৰ গীত পৰিবেশনে অনুষ্ঠানটি অধিক মনোগ্ৰাহী কৰি তোলে। আনহাতে এই সভাতেই মহাবিদ্যালয়ৰ পৰা কৃতিত্বৰে স্নাতক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ -ছাত্ৰী সকলক সম্বৰ্ধনা জনোৱা হয় ।অনুষ্ঠানটি আঁত ধৰে সহকাৰী অধ্যাপক প্ৰতীম শইকীয়াই ।ইয়াৰ পিছতে ছাত্ৰ-ছাত্ৰী সকলৰ বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয় । এই অনুষ্ঠানত গ্ৰন্থাগাৰিক গীতাঞ্জলি শইকীয়াৰ নেতৃত্বত শিক্ষয়িত্ৰী সকলৰ দিহা নাম পৰিবেশন, ছাত্ৰ অৰুণজ্যোতি গগৈৰ দলৰ নেগেৰা নাম পৰিবেশনৰ লগতে ছাত্ৰছাত্ৰী সকলে সাংস্কৃতিক অনুষ্ঠানত অংশ লোৱাৰ উপৰিও অসমৰ সংগীত জগতৰ উদীয়মান গায়ক প্ৰাণদ্বীপ হাজৰিকা উপস্থিত থাকি বহুকেইটা জনপ্ৰিয় গীত পৰিবেশন কৰি অনুষ্ঠানটি সাফল্যমণ্ডিত কৰি তোলে ।অনুষ্ঠানত শিক্ষক- শিক্ষয়িত্ৰী, কৰ্মচাৰী সকলৰ লগতে ছাত্ৰ -ছাত্ৰী সকল উপস্থিত থাকে।

## মৰিগাঁৱতো সমান্তৰালভাৱে অনুষ্ঠিত হ'ল ৰাষ্ট্ৰীয় নিৰ্মূলকৰণ দিৱস

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ৩০ ছেপ্টেম্বৰ ঃ** ৰাজ্যখনৰ অন্যান্য জিলাৰ লগতে আজি মৰিগাঁও জিলাতো স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ অধীনত অনুষ্ঠিত হয় "ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস। এই কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে মৰিগাঁও জিলাৰ অতিৰিক্ত উপায়ুক্ত অৰুন্ধতী নৰহ মিপুনে। এই অনুষ্ঠানৰ লগত উপলক্ষে মৰিগাঁও এছ. টিডএইচজি অসামৰিক চিকিৎসালয়ৰ এএনএম প্ৰশিক্ষণ কেন্দ্ৰত আয়োজন কৰা উদ্বোধনী সভাত উপস্থিত থাকি অতিৰিক্ত উপায়ুক্ত অৰুন্ধতী নৰহ মিপুনে কয় যে পেলু সংক্ৰমণৰ ফলত যাতে জিলা খনত কোনো এটি শিশু, কিশোৰ - কিশোৰী ৰক্তস্বল্পতা, পুষ্টিহীনতাত নোভোগে তাৰ প্ৰতি সকলো সজাগ হ'ব লাগিব। এখন পেলুমুক্ত অসম গঢ়াৰ যি সংকল্প সেয়া সাৰ্থক কৰি তুলিবলৈ পিতৃ মাতৃ, অভিভাৱক অভিভাৱিকা আৰু সমাজৰ সকলো পক্ষ অংশ লবলৈয়ো তেখেতে আহ্বান জনায়। সভাখনত ভাৰপ্ৰাপ্ত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ সোণেশ্বৰ দেওৰজা,



অতিৰিক্ত মুখ্য চিকিৎসা ও স্বাস্থ্য বিষয়া ডাঃ জয়ন্ত কুমাৰ দাসৰ উপৰিও স্বাস্থ্য বিভাগৰ জিলা পৰ্য্যায়ৰ কেইবাগৰাকী বিষয়া উপস্থিত থাকি গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়ায়। উল্লেখ্য যে সভাৰ শেষত আনুষ্ঠানিক ভাৱে ১০গৰাকী শিশুক পেলুনাশক বড়ি খুওৱা হয় আৰু একোটিকৈ আকৰ্ষণীয় পুৰস্কাৰ প্ৰদান কৰা হয়।



## বুঢ়া হাইস্কুলৰ অৱসৰী শিক্ষক প্ৰবীণ চমুৱাৰ বিদায় সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা আন্ধেৰীঘাট, ৩০ ছেপ্টেম্বৰ ঃ** দৰং জিলাৰ বুঢ়া লোকপ্ৰিয় বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক প্ৰবিন চমুৱাই বিদ্যালয় ৰ পৰা অৱসৰ গ্ৰহণ কৰে। তেওঁ ক আজি বিদ্যালয়ৰ পৰিয়ালে বিদায় সম্বৰ্ধনা জনায়। বিদ্যালয় খনৰ প্ৰধান শিক্ষক ভূষণ চন্দ্ৰ চহৰীয়াৰ সভাপতিত্ব ত অনুষ্ঠিত হোৱা উক্ত বিদায় সম্বৰ্ধনা সভাখনৰ আঁত ধৰে সহকাৰী শিক্ষক চুৰেন ডেকাই। উল্লেখ্য যে, অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰবিন চমুৱাই ১৯৯৩ চনত বুঢ়া লোকপ্ৰিয় বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ত সহকাৰী শিক্ষক হিচাপে যোগদান কৰে । সুন্দৰভাৱে ২৮ বছৰ ৯ মাহ চাকৰি জীৱন অতিক্ৰম কৰাৰ পিছত ৩০ ছেপ্টেম্বৰ ২০২২ চনত শিক্ষকৰ চাকৰি জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰে । আজি বুঢ়া লোকপ্ৰিয় বৰদলৈ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰী, বিদ্যালয় পৰিচালনা সমিতি আৰু ছাত্ৰ একতা সভা তৰফৰ পৰা চেলেং চাদৰ, গামোচা, মানপত্ৰ, শৰাই, গ্ৰন্থ ৰ টোপোলা,কলমৰে সম্বৰ্ধনা জ্ঞাপন কৰি অৱসৰী সহকাৰী শিক্ষক প্ৰবিন চমুৱাক শ্ৰদ্ধা প্ৰদান কৰে । লগতে অৱসৰী শিক্ষক গৰাকীক ব্যক্তি বিশেষে সম্বৰ্ধনা জনাই। ইয়াৰ পিছতে অৱসৰী শিক্ষক গৰাকীকলৈ এক শোভাযাত্ৰাৰে মংগলদৈ বাসগৃহলৈ লৈ যোৱা হয়।

## কাকজান মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ আলোচনা-চক্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ৩০ ছেপ্টেম্বৰ ঃ** কাকজান মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ উদ্যোগত 'যোৰহাটৰ জাজীমুখ অঞ্চলৰ পৰ্যটন উদ্যোগৰ উত্তৰণত গ্ৰাম্য আত্মসহায়ক গোটৰ আৰ্থিক কৌশল' শীৰ্ষক এখন আলোচনা-চক্ৰ কালি মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপিকা জিনুমণি শইকীয়াৰ সঞ্চালনাত অনুষ্ঠিত হোৱা সভাৰ আঁত ধৰে সহকাৰী অধ্যাপিকা ৰিণী ক্ৰামচাপীয়ে আৰু উদ্দেশ্য ব্যাখ্যা কৰে সহকাৰী অধ্যাপিকা নিৰ্মালী দলেই। অনুষ্ঠানত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে কাকজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শৈক্ষিক উপাধ্যক্ষ ড° অনিল কুমাৰ শইকীয়াই। অনুষ্ঠানত অৰ্থনীতি বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলে পাঠ কৰা গবেষমা-পত্ৰসমূহৰ আঁত ধৰি ড° শইকীয়াই জাঁজীমুখ অঞ্চলৰ পৰ্যটনৰ পূৰ্ণ সম্ভাৱনীয়তাৰ বিষয়ে বিষদ আলোচনা আগবঢ়ায়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰূপৰেখা বৰদলৈ আৰু শৈক্ষিক উপাধ্যক্ষ মৃদুল গগৈয়ে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি বহুমূলীয়া পৰামৰ্শ আগবঢ়ায়।

## ওদালগুৰিৰ গাৰোবস্তি গাঁৱত প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনিৰ আৱাস গৃহৰ শুভ উদ্বোধনী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ৩০ ছেপ্টেম্বৰ ঃ** ভৈৰৱকুণ্ড মণ্ডলৰ অন্তৰ্গত টিলা গাৰোবস্তি গাঁৱৰ স্থানীয় বাসিন্দা খন্দ মাৰাকে ওদালগুৰি উন্নয়ন খণ্ডৰ জৰীয়তে প্ৰধান মন্ত্ৰী আৱাস যোজনা (গ্ৰামীণ) আঁচনিৰ সন্দৰ্ভত প্ৰকৃত হিতাধিকাৰী হিচাপে আৱাস গৃহ লাভ কৰে, ২৯ ছেপ্টেম্বৰত আৱাসগৃহটো শুভ উদ্বোধনী অনুষ্ঠানত ভাৰতীয় জনতা পাৰ্টী, ভৈৰৱকুণ্ড মণ্ডলৰ সভাপতি বিষ্ণু শৰ্মা, ভাৰতীয় জনতা যুৱ মৰ্চা, ভৈৰৱকুণ্ড মণ্ডলৰ সভাপতি গোবিন্দ থপলিয়া, সোণাইগাঁও শক্তি কেন্দ্ৰৰ আহ্বায়ক তথা সোনাইগাঁও ভিচিডিচিৰ ভাইচ চেয়াৰমেন ডম্বৰ খৰ্কা, জাবেৰীতোলা ভিচিডিচিৰ চেয়াৰমেন ভনীতা টুডু, বিজেপি দলৰ কাৰ্যকৰ্তা,স্থানীয় গাঁওবাসীসকল, শুভকাংক্ষী আদি উপস্থিত থাকে।



## আছুৰ দখলত নাজিৰা মহাবিদ্যালয় ছাত্ৰ একতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ৩০ ছেপ্টেম্বৰ ঃ** নাজিৰা মহাবিদ্যালয়ৰ ২০২২-২০২৩ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন সফলতাৰে অনুষ্ঠিত হৈ যায়। ১০টা পদৰ বাবে অনুষ্ঠিত হোৱা নিৰ্বাচনত নাজিৰা আঞ্চলিক ছাত্ৰ সন্থাৰ সমৰ্থিত প্ৰাৰ্থীয়ে ৭ টা পদত জয় লাভ কৰিবলৈ সক্ষম হয় ।জয় লাভ কৰা প্ৰাৰ্থী কেইজন ক্ৰমে সভাপতি পদত কৃষণাক্ষী দত্ত, সাংস্কৃতিক সম্পাদিকা পদত স্মৃতি দুৱৰা, আন্তঃ ক্ৰীড়া সম্পাদক পদত কৃষ্ণমণি গগৈ, বহিঃ ক্ৰিয়া সম্পাদক পদত আল্টাফ হুচেইন,সমাজ সেৱা সম্পাদিকা পদত বৃষ্টি ৰাজখোৱা, ছাত্ৰ জিৰণি কোঠা সম্পাদক পদত বিমান শইকীয়া, ছাত্ৰী জিৰণি কোঠা সম্পাদিকা পদত প্ৰাৰ্থনা গগৈ । বিজয়ী প্ৰাৰ্থী সকলক সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱা সহ উপদেষ্টা উদ্দীপ জ্যোতি গগৈ আৰু জিলা ছাত্ৰ সন্থাৰ সভাপতি-সম্পাদকে শুভেচ্ছা জনাইছে ।লগতে নাজিৰা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি নিপুমণি বৰগোহাঁই, নাজিৰা মহাবিদ্যালয় আছু গোটৰ সভাপতি প্ৰদ্যুৎ দত্ত আৰু সাধাৰণ সম্পাদক কৌস্তুভমণি বকলে ছাত্ৰ সন্থাৰ সমৰ্থিত প্ৰাৰ্থীসকল জয়ী হোৱাত সহযোগিতা আগবঢ়োৱাৰ বাবে মহাবিদ্যালয়খনৰ ছাত্ৰ সমাজলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছে।

## ধুবুৰীৰ নাও দুৰ্ঘটনাত সন্ধানহীন হৈ আছে ধুবুৰী চক্ৰ বিষয়া সঞ্জু দাস



**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ৩০ ছেপ্টেম্বৰ ঃ** ধুবুৰীৰ ভয়ংকৰ নাও দুৰ্ঘটনাত সন্ধানহীন হৈ থকা ধুবুৰী চক্ৰ বিষয়া সঞ্জু দাস বৰ্তমানলৈকে সন্ধানহীন। এতিয়াও তীব্ৰভাৱে ধুবুৰীত এছডিআৰএফ বাহিনীৰ উদ্ধাৰ অভিযান অব্যহত ৰাখিছে। প্ৰায় ৫০খন নাও এছডিআৰএফ বাহিনীৰ তীব্ৰ অভিযান অব্যাহত আছে। বৰ্তমানে ঘটনাস্থলীত উপস্থিত ধুবুৰী আৰক্ষী অধিক্ষক অভিজীত দিলীপ গৌৰৱ, ডি আইজিৰ লগতে ধুবুৰীৰ বিধায়ক নজৰুল হক আৰু দঃ শালমাৰা সমষ্টিৰ বিধায়ক ৱাজেদ আলী চৌধুৰী উপস্থিত হৈ পৰিস্থিতিৰ বুজ লয়। ধুবুৰী আৰক্ষী অধীক্ষকগৰাকীয়ে সাংবাদ মাধ্যমৰ আগত মন্তব্য প্ৰকাশ কৰি কয় যে লুইতৰ বুকুত সন্ধানহীন হৈ থকা চক্ৰ বিষয়া সঞ্জু দাসক বিচাৰি ধুবুৰী আৰক্ষী প্ৰশাসন আৰু বিএছএফ বাহিনীৰ যৌথ উদ্যোগত ভাৰত বাংলাদেশ সীমান্তৰৰ্তী অঞ্চলতো অভিযান চলোৱা হ'ব।

## ওদালগুৰিত ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱসৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ৩০ ছেপ্টেম্বৰ ঃ** আজিৰ পৰা আৰম্ভ হ'ল ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে ওদালগুৰি জিলাতো ৩০ ছেপ্টেম্বৰৰ পৰা ১০ অক্টোবৰলৈ চলিবলগীয়া এই দিৱসৰ শুভাৰম্ভ হয়। এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰে জিলা স্বাস্থ্য সমিতিৰ ভাৰপ্ৰাপ্ত যুটীয়া সঞ্চালক ডাঃ অনুৰাধা বৰুৱাই। এই অনুষ্ঠানটোত কণ কণ ছাত্ৰ- ছাত্ৰীসকলক পেলুৰ প্ৰতিষেধক আলবেনডেজল টেবলেট খুউওৱা হয়। এই অনুষ্ঠানত ওদালগুৰি জিলাৰ প্ৰতিষেধক বিষয়া ডাঃ গণেশ চন্দ্ৰ ব্ৰহ্ম, ইউনিচেফৰ পৰামৰ্শদাতা ডাঃ সৌৰভ উপাধ্যায়, সহকাৰী বিদ্যালয় পৰিদৰ্শক এ কে বড়ো, সৰ্বশিক্ষা অভিযানৰ ডিপিঅ' বাবুল খাখলাৰী, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা প্ৰকল্প বিষয়া বাচিল টপ্প, ডি চি এম সঞ্জীৱ কুজুৰৰ, জিলা মিডিয়া বিশেষজ্ঞা মধুস্মিতা বৈশ্য, ওদালগুৰি খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বিষয়া ৰাজ মুছাহাৰী, ৰুমি শৰণীয়া, অলকেশ শৰ্মাৰ লগতে আন আন স্বাস্থ্য কৰ্মীসকল উপস্থিত থাকে। এই কাৰ্যসূচীৰ অংশ হিচাপে 'পেলু মুক্ত অসম'বাটৰ নাট প্ৰদৰ্শন কৰা হয়। উল্লেখ্য যে আজিৰ পৰা ওদালগুৰি, ওৰাং আৰু খৈৰাবাৰী খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ অধীনৰ বিদ্যালয়, অংগনৱাড়ী কেন্দ্ৰসমূহত আশা কৰ্মী, এএনএম, আশা ছুপাৰভাইজৰসকলে ওলবেণ্ডাজল টেবলেট বিতৰণ কৰা আৰম্ভ কৰিছে। এইবাৰ ১-১৯ বছৰ বয়সৰ প্ৰায় ৩ লাখ শিশু, কিশোৰ-কিশোৰীক এলবেণ্ডাজল ঔষধ প্ৰদানৰ লক্ষ্য আগত ৰখা হৈছে।

## ওদালগুৰিত চিটিজেন ৰাইটছ মুভমেণ্ট কমিটীৰ ধৰ্ণা

### ৰাজ্যৰ ট্ৰাইবেল বেল্ট আৰু ব্লকৰ পৰা বেদখলকাৰীক উচ্ছেদৰ লগতে বিটিআৰৰ সীমা লখিমপুৰলৈ বৃদ্ধিৰ দাবী



**দৈনন্দিন বাৰ্তাৰ সেৱা, ওদালগুৰি, ৩০ ছেপ্টেম্বৰ ঃ** ৰাজ্যৰ ট্ৰাইবেল বেল্ট আৰু ব্লকৰ পৰা অবৈধ বেদখলকাৰীক উদ্‌ছেদ, অবৈধ বাসিন্দাৰ ভোটাধিকাৰ কৰ্তন, বিটিআৰৰ সীমা লখমপুৰলৈ বৃদ্ধি আদি বিভিন্ন দাবীৰে আজি ওদালগুৰিত চিটিজেন ৰাইটছ মুভমেণ্ট কমিটী নামৰ সংগঠনটোৱে চাৰিঘন্টীয়া ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। ওদালগুৰিত চিটিজেন ৰাইটছ মুভমেণ্ট কমিটীৰ সভাপতি গজেন হাজোৱাৰী আৰু সাধাৰণ সম্পাদক গণেশ মোছাহাৰীৰ নেতৃত্বত ৰূপায়ন কৰা এই প্ৰতিবাদী কাৰ্যসূচীত অৰ্ধ শতাধিক প্ৰতিবাদকাৰীয়ে অংশগ্ৰহণ কৰি ৰাজ্যৰ ট্ৰাইবেল বেল্ট আৰু ব্লকৰ পৰা অবৈধ বেদখলৰ কাৰীক উদ্‌ছেদ কৰক, জনজাতি লোকসকলৰ ভূমি সংৰক্ষণ কৰি, ভূমিহীন জনজাতীয় লোকসকলক ভূমি পট্টা প্ৰদানৰ ব্যৱস্থা কৰক, বিটিআৰৰ সীমা লক্ষিমপুৰলৈকে বৃদ্ধি কৰক, বিটিআৰ শান্তি চুক্তি স্বাক্ষৰকাৰীক ৰঞ্জন দৈমাৰীক মুক্তি দিয়ক আদি বিভিন্ন শোগান দিয়ে। প্ৰতিবাদী কাৰ্যসূচীৰ মাজতেই সংগঠনটোৰ সবাপতি গজেন হাজোৱাৰীয়ে সংবাদ মাধ্যমৰ সৈতে হোৱা এক সাক্ষাত্‌কাৰত কয়- বিটিআৰ অঞ্চলৰ লগতে ৰাজ্য বেল্ট এণ্ড ব্লক অঞ্চলত প্ৰায় ৩৮০৭০১ বিঘা মাটি বেদখলীৰ কবলত থকাৰ কথা আৰু তেওঁলোকক উদ্‌ছেদৰ নিৰ্দেশ ইতিমধ্যে গুৱাহাটী উচ্চ ন্যায়ালয়ে দিছে। উচ্চ ন্যায়ালয়ৰ নিৰ্দেশৰ ভিত্তিতেই অতিশীঘ্ৰে ট্ৰাইবেল বেল্ট আৰু ব্লকৰ পৰা অবৈধ দখলকাৰীক উদ্‌ছেদ চলাই সেই ভূমি ভূমিহীন জনজাতীয় লোক প্ৰদান কৰিব লাগে বুলি উল্লেখ কৰে। তেওঁ লগতে গুৱাহাটী উচ্চ ন্যায়ালয়ে ২০০৮ চনৰ ৩০ অ'ৌবৰ বিস্ফোৰণৰ মূল অভিযুক্ত ৰঞ্জন দৈমাৰীৰ যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায় বাহাল ৰখা সিদ্ধান্তৰ ক্ষেত্ৰতো প্ৰতিক্ৰিয়া প্ৰকাশ কৰি বিটিআৰ শান্তি চুক্তি স্বাক্ষৰকাৰী হিচাপে তেওঁ মুকলি আকাশৰ তললৈ অহাকৈ আমি সকলোৱে বিচাৰোঁ আৰু এইক্ষেত্ৰত ন্যায়ালয়ে পুনৰ বিবেচনা কৰিব আৰু চৰকাৰেও প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব বুলি আশা ব্যক্ত কৰে। ওদালগুৰিৰ বিষ্ণু ৰাভা কৃষ্টি সংঘৰ বাকৰিত ৰূপায়ণ কৰা এইপ্ৰতিবাদী কাৰ্যসূচীৰ অন্তত ওদালগুৰিৰ জিলা উপায়ুক্ত এক স্মাৰক পত্ৰও প্ৰদান কৰে।

## পৰিয়ালৰ জনশক্তি প্ৰদৰ্শনেৰে চৰকাৰী বিদ্যালয়ৰ মাটি ভোগ-দখল মৈৰাধ্বজত ঃ গঞা অসন্তুষ্ট

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধিং, ৩০ ছেপ্টেম্বৰ ঃ** নগাঁও জিলাৰ বটদ্ৰৱা শিক্ষা খণ্ডৰ অন্তৰ্গত মৈৰাধ্বজ গাৱঁত বিদ্যালয়ৰ মাটি দখলকাৰ্য এটা পোহৰলৈ আহিছে। জানিব পৰা মতে ১৯৯১-১৯৯২ চনত যুৱককেইজনে নিজৰ ম্যাদী পট্টাৰ মাটি দান দি বিভাগীয় কৰ্তৃপক্ষৰ অনুমতি সাপেক্ষে 'পশ্চিম মৈৰাধ্বজ এম ই মাদ্ৰাছা' নামেৰে এখন (ভেঞ্চাৰ) বিদ্যালয় স্থাপন কৰি-অবৈতনিক হিচাপে প্ৰায় ৩০ বছৰ পাঠদানৰ অন্তত চৰকাৰে ২০২১ চনত ইয়াৰে ৪গৰাকী শিক্ষকক টিউটৰ হিচাপে নিযুক্তি দি ওচৰতে থকা ১২১০নং মৈৰাধ্বজ এলপি স্কুলৰ লগত বিদ্যালয়খন সংলগ্ন কৰি দিয়ে। বিভাগীয় কৰ্তৃপক্ষই সেই বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰীক বিদ্যালয়ৰ আচবাৱৰ লগতে ঘৰ, মাটি আদি সকলো এল,পি, স্কুলত চমজাই দিবলৈ নিৰ্দেশ দিয়াত এম, ই, মাদ্ৰাছাৰ প্ৰধান শিক্ষয়িত্ৰী গৰাকীয়ে ৭যৰ যোৰ ডেস্ক - বেঞ্চ চমজাই দি বাকী সকলো সা- সৰঞ্জাম নিজা ঘৰলৈ লৈ যায়। প্ৰাপ্ত তথ্য মতে বেঞ্চাৰ স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী গৰাকীয়ে কাকো কেৰেপ নকৰাকৈ বিদ্যালয়ৰ নামত (নামজাৰি) থকা ৩ বিঘা মাটিত নিজা মইমতালিৰে ডাঙৰ ডাঙৰ পুখুৰী খান্দি ভোগ- দখল কৰি আছে। ইপিনে উক্ত মাটিখিনি এল,পি স্কুলৰ পৰিচালনা কমিটিক চমজাই দিবলৈ কমিটীৰ লগতে গঞা ৰাইজে কোৱাত পৰিয়ালৰ জনশক্তি প্ৰদৰ্শনেৰে বিভিন্ন জনক মৃত্যুৰ ভাবুকি দিয়ে ।ফলত স্কুল পৰিচালনা কমিটিৰ সৈতে গঞা ৰাইজে অসন্তুষ্ট হৈ প্ৰধান শিক্ষয়িত্ৰীৰ জনশক্তিৰ কবলৰ পৰা বিদ্যালয়ৰ মাটিখিনি উদ্ধাৰ কৰি দিবলৈ নগাঁও শিক্ষা বিভাগৰ অতিৰিক্ত উপায়ুক্ত, জিলা স্কুল পৰিদৰ্শক আৰু স্হানীয় ৰাজহ চক্ৰ বিষয়াক ৰাইজৰ স্বাক্ষৰ সম্বলিত এখনি লেখ আবেদন দাখিল কৰিছে। বিভাগীয় কৰ্তৃপক্ষই এই সংক্ৰান্তত কি পদক্ষেপ লয়, সেয়া পৰৱৰ্তী সময়ত লক্ষ্যণীয় হ'ব।







# বৰ্ষাপাৰাত অনুশীলনত নামিল ভাৰত-দক্ষিণ আফ্ৰিকা দল

**গুৱাহাটী, ৩০ ছেপ্টেম্বৰ ঃ** অহা দুই অক্টোবৰত অসম ক্ৰিকেট সন্থাৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব লগা দক্ষিণ আফ্ৰিকা আৰু ভাৰতৰ মাজৰ তিনিখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন মেচত অংশ লোৱাৰ বাবে ইতিমধ্যে আহি মহানগৰীত উপস্থিত হোৱা আলহী আৰু ঘৰুৱা দল দুটাই আজি অনুশীলনত নামে। প্ৰথমে নেট অনুশীলন কৰাৰ পাছত ষ্টেডিয়ামতো অনুশীলন কৰে দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেটাৰে। উল্লেখ্য যে আজি নৈশালোকত অনুশীলন কৰে দক্ষিণ আফ্ৰিকাই। কাইলৈ টীম ইণ্ডিয়াই নৈশালোকত অনুশীলন কৰিব। উল্লেখ্য যে দীৰ্ঘ বিৰতিৰ পাছত গুৱাহাটীত অনুষ্ঠিত হ'ব এখন আন্তৰ্জাতিক ক্ৰিকেট মেচ। ইতিমধ্যে মেচৰ সকলো টিকট শেষ হৈছে। ক্ৰিকেটপ্ৰেমীৰ উৎসাহ তুংগত। আজি ষ্টেডিয়ামলৈ অনুৰাগীয়ে প্ৰিয় ক্ৰিকেটাৰক চাবলৈ আহে যদিও আৰক্ষীৰ সংখ্যা দৰ্শকতকৈয়ো অধিক হোৱাত আশাত চেঁচাপানী পৰে। উল্লেখ্য যে অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া আসন্ন টি-২০ বিশ্বকাপ ক্ৰিকেটলৈ সাজু হোৱাৰ বাবে টীম ইণ্ডিয়াই ঘৰত মুঠ ছখন মেচ খেলিছে। অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে তিনিখন টি-২০ মেচ খেলাৰ পাছত এতিয়া দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধেও তিনিখনীয়া টি-২০ৰ এক শৃংখলাত অংশ লৈছে টীম ইণ্ডিয়াই। প্ৰথম মেচত জয়ৰ পাছত ভাৰতীয় দল এতিয়া আত্মবিশ্বাসী। কিন্তু বিশ্বকাপৰ পূৰ্বে মূল একাদশটো এতিয়াও গঠন হোৱা নাই। দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলিব লগা ভাৰতীয় দলটোত ইতিমধ্যে সাল-সলনি হৈছে। কোৰোনাৰ বাবে মহম্মদ ছামি দলৰ পৰা ইতিমধ্যে বাহিৰ হোৱাত তেওঁৰ স্থানত উমেশ যাদৱেই খেলিব। আনহাতে, হাৰ্ডিক পান্দিয়াৰ স্থানত দলত লোৱা হৈছে শ্বাহবাজ আহমেদক। তদুপৰি দীপক হুদাৰ স্থানত শ্ৰেয়াছ আয়াৰ দললৈ আহিব। আঘাত পোৱা যশপ্ৰীত বুমৰাহৰ স্থানত মহম্মদ চিৰাজক টীম ইণ্ডিয়াত অন্তভুক্ত কৰা হৈছে। ভাৰতীয় দলৰ অন্য সদস্যসকল হ'ল ঃ ৰোহিত শৰ্মা, কে এল ৰাহুল, বিৰাট কোহলী, সূৰ্যকুমাৰ যাদৱ, ঋষভ পণ্ট, দীনেশ কাৰ্তিক, ৰবীচন্দ্ৰন আশ্বিন, যুঁজবেন্দ্ৰ চাহল, অক্ষৰ পেটেল, আৰ্শ্বদীপ সিং, হৰ্ষল পেটেল আৰু দীপক চাহাৰ।

## আজি অম্বা মেধি ফুটবলৰ ফাইনেল অসম ৰেজিমেণ্টেল চেণ্টাৰৰ বিৰুদ্ধে খেলিব অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে

**গুৱাহাটী, ৩০ ছেপ্টেম্বৰ ঃ** ভাৰতীয় সেনা বাহিনীৰ শ্বিলঙস্থিত অসম ৰেজিমেণ্টেল চেন্টাৰে মঙলদৈ ক্ৰীড়া সন্থাৰ উদ্যোগত স্থানীয় ষ্টেডিয়ামত চলি থকা অম্বা মেধি সোঁৱৰণী আমন্ত্ৰণমূলক ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত অসম ৰেজিমেন্টেল চেন্টাৰে দাৰ্জিলিঙৰ ৰায়দাঙা এছ এছ বি ফুটবল দলক ২-১ গ'লত পৰাস্ত কৰি ফাইনেললৈ উন্নীত হৈছে। খেলৰ ১৭ মিনিটত এছ এছ বিৰ জিৎ কুমাৰ সিঙে একক প্ৰচেষ্টাৰে বল আগুৱাই নি গ'ল দি দলক অগ্ৰগতি দিয়ে। ইয়াৰ পাছতেই প্ৰতিপক্ষ অসম ৰেজিমেণ্টেল চেন্টাৰৰ আক্ৰমণ বিভাগৰ খেলুৱৈ সকল অধিক আক্ৰমনাত্মক হৈ পৰে আৰু তীব্ৰ হেঁচা প্ৰয়োগ কৰে। ২৮ মিনিটত এছ এছ বিৰ গ'লৰক্ষক হৰজিন্দৰ সিঙে বল ধৰিবলৈ আগুৱাই অহাত অসম ৰেজিমেন্টেল চেন্টাৰৰ ফৰৱাৰ্ড খেলুৱৈ চেইমালো কাথ ৰেংমাই হেডিঙেৰে স্ক'ৰ কৰি সমতা স্থাপন কৰে। খেলৰ ৩৩ মিনিটত এছ এছ বিয়ে পোৱা এটা পেনাল্টী শ্বট দলৰ পেডাৰ ক'চে মাৰে যদিও ৰেজিমেন্টেল চেন্টাৰৰ গলকীপাৰ এ ৰোমিঅই প্ৰতিহত কৰি দলক এক নিশ্চিত বিপদৰ পৰা ৰক্ষা কৰে। প্ৰথমাৰ্ধ ১-১ গ'লত ড্ৰ হৈ থকা খেলখনৰ দ্বিতীয়াৰ্ধত দুয়োটা দলেই স্ক'ৰ কৰিবলৈ আপ্ৰাণ চেষ্টা চলোৱাত খেলখন উত্তেজনাপূৰ্ণ হৈ উঠে। এই অৰ্ধৰ সাত মিনিটত অসম ৰেজিমেন্টেল চেন্টাৰৰ ষ্ট্ৰাইকাৰ এইচ নাওবাই পেনাল্টী এৰিয়াৰ সামান্য বাহিৰৰ পৰা লোৱা তীব্ৰ শ্বটত বল নেটৰ আশ্ৰয় লয় আৰু মেচৰ ফলাফল ২-১। কাইলৈ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদে অসম ৰেজিমেন্টেল চেন্টাৰ, শ্বিলঙৰ বিপক্ষে ফাইনেলত অৱতীৰ্ণ হ'ব।

## অষ্টম স্থানত থাকিল হৃদয়

### ল'নবলত নয়নমণিৰ পৰাজয় ঃ আজি পপীৰ খেল

**আহমেদাবাদ, ৩০ ছেপ্টেম্বৰ ঃ** চলিত ৩৬সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ প্ৰতিভাৱান শ্বুটাৰ হৃদয় হাজৰিকাৰ পৰা পদক আশা কৰা গৈছিল যদিও আজি হোৱা ১০ মিটাৰ এয়াৰ ৰাইফলছৰ ফাইনেলত অষ্টম স্থানতে থাকি বিদায় লয়। এতিয়া হৃদয়ে অসমৰ আনগৰাকী শ্বুটাৰ শ্ৰেয়াশ্ৰী মজুমদাৰৰ লগত ১০ মিটাৰ এয়াৰ ৰাইফলছৰ মিক্সড শাখাত খেলিব। আজি ল'নবলৰ মহিলাৰ একক শাখাৰ খেলত অসমৰ কমনৱেলথ্ গেমছৰ স্বৰ্ণজয় নয়নমণি শইকীয়াও ঝাৰখণ্ডৰ প্ৰতিদ্বন্দ্বীৰ বিৰুদ্ধে পৰাস্ত হয়। ব্যৱধান ৪-২১। কিন্তু কালি ল'নবলত অসমৰ তানিয়া চৌধুৰী, বনগীতা হাজৰিকা, অনন্যা শইকীয়া আৰু অদিনীতা কাকতিৰ দ্বাৰা গঠিত মহিলা দলটো বংগৰ বিৰুদ্ধে ১০-১২ত পৰাস্ত হৈছিল যদিও আজি সফল প্ৰত্যাৱৰ্তন কৰি গুজৰাটৰ বিৰুদ্ধে ২২-৬ত জয়লাভ কৰে। আনহাতে, পুতুল সোণোৱাল, আনন্দ নাৰ্জাৰী আৰু মৃদুল বৰগোহাঁইৰ দ্বাৰা গঠিত অসমৰ পুৰুষ দলে নিজৰ জয়যাত্ৰা অব্যাহত ৰাখি আজি ঝাৰখণ্ডক ১৯-১০ আৰু মণিপুৰক ৩১-১০ত পৰাস্ত কৰে। ইফালে, কাইলৈ ভাৰোত্তোলনত অসমৰ পপী হাজৰিকাই খেলিব। উল্লেখ্য যে বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতীয় ভাৰোত্তোলন দলক প্ৰতিনিধিত্ব কৰা অসমকন্যা পপীয়ে চলিত ৩৬সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত খেলিব নতুন আশাৰে। তেওঁ ৪৯ কিলোগ্ৰাম শাখাত অংশ ল'ব। পপীৰ লগতে অসমৰ ছজনীয়া দলে চলিত ৩৬সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত ভাৰোত্তোলনত অসমৰ হৈ অংশ ল'ব।

## দক্ষিণ এছিয়া আঞ্চলিক জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ সামৰণী অনুষ্ঠানত মুখ্যমন্ত্ৰী

**অসম বেডমিণ্টন সন্থাক এই প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ সুযোগ দিয়াৰ বাবে বেডমিণ্টন এছিয়াক ধন্যবাদ জ্ঞাপন**

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ৩০ ছেপ্টেম্বৰ ঃ** দেশভক্ত তৰুণৰাম ফুকন ইণ্ড'ৰ ষ্টেডিয়ামত পাঁচদিনীয়াকৈ অনুষ্ঠিত দক্ষিণ এছিয়া আঞ্চলিক জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ সামৰণি অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি অংশগ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে অসম বেডমিণ্টন সন্থাক এই প্ৰতিযোগিতা আয়োজনৰ সুযোগ দিয়াৰ বাবে বেডমিণ্টন এছিয়া আৰু বেডমিণ্টন এছ'চিয়েশ্যন অৱ ইণ্ডিয়াক ধন্যবাদ জ্ঞাপন কৰে। উল্লেখ্য যে এই বাৰকে ধৰি অসমত তৃতীয় বাৰৰ বাবে অসম বেডমিণ্টন সন্থাই এই আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাখন অনুষ্ঠিত কৰাৰ বাবে সুযোগ লাভ কৰিছে। সামৰণি অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে দক্ষিণ এছিয়া আঞ্চলিক জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ ১৫ আৰু ১৭ বছৰ অনুৰ্দ্ধৰ ল'ৰা-ছোৱালীয়ে অনবদ্য প্ৰদৰ্শন দেখুৱাবলৈ সক্ষম হৈছে। এই প্ৰতিযোগিতাৰ জৰিয়তে দেশ তথা ৰাজ্যখনৰ প্ৰতিভাধাৰ বেডমিণ্টন খেলুৱৈসকলক নিজৰ দক্ষতা দেখুৱাৰ বাবে সুযোগ প্ৰদান কৰিলে। এই প্ৰতিযোগিতাৰ সামৰণি অনুষ্ঠানত উপস্থিত থাকিবলৈ পাই অতিশয় আনন্দিত বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ক্ৰীড়া প্ৰতিভা বিকাশৰ ক্ষেত্ৰত ই এক সঠিক মঞ্চ হিচাপে বিবেচিত হৈছে। ইয়াৰ জৰিয়তে পৰৱৰ্তী পৰ্যায়ত তেওঁলোকে নিজৰ ক্ৰীড়া প্ৰতিভা অধিক বিকশাই তোলাৰ বাবে সুযোগ লাভ কৰিব। তেওঁলগতে কয় যে এই আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাখন অসমে সফলতাৰে অনুষ্ঠিত কৰিবলৈ সক্ষম হৈছে। এই প্ৰতিযোগিতাত পদক লাভ কৰা আৰু উন্নত ক্ৰীড়া নৈপুণ্যতা প্ৰদৰ্শন কৰা খেলুৱৈসকলক মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে বিজয়ী দলসমূহক ধন্যবাদ জ্ঞাপন কৰাৰ লগতে মেডেল প্ৰদান কৰে। উল্লেখ্য যে ভাৰত, বাংলাদেশ, শ্ৰীলংকা, ভূটান, নেপাল, মালদ্বীপকে ধৰি ৬ খন দেশৰ প্ৰায় ৭০ গৰাকী খেলুৱৈয়ে ইয়াত অংশগ্ৰহণ কৰিছে। অসম বেডমিণ্টন এছ'চিয়েশ্যনৰ কাৰ্যকৰী সভাপতি তথা কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাং, বিধায়ক তৰংগ গগৈ, বেডমিণ্টন এছিয়াৰ সচিব প্ৰধান মুছা নাছিদ, অসম বেডমিণ্টন এছ'চিয়েশ্যনৰ উপ-সভাপতি পাৰ্থ সাৰথি মহন্ত আৰু অন্যান্য গণ্য-মান্য ব্যক্তি তথা ক্ৰীড়াবিদ উপস্থিত আছিল।




## ভেল্লাত ফুটবলত আগাছাৰ অগ্ৰগতি



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, বৰপেটা, ৩০ ছেপ্টেম্বৰ ঃ** বৰপেটাৰ ভেল্লাত চলি থকা সদৌ অসম প্ৰাইজমানী ফুটবল প্ৰতিযোগিতাৰ আজিৰ খেলত ঢাকালীয়াপাৰাৰ আগাছা দলে চেঙা আঞ্চলিক স্প'ৰ্টছ একাডেমীক ১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰি অগ্ৰগতি লাভ কৰে। ভেল্লা আঞ্চলিক যুৱক সমাজৰ উদ্যোগত আৰু ইউফাৰ সহযোগত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ আজিৰ অতি উত্তেজনাময় খেলখনত দুয়োটা দলে তীব্ৰ প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হয় যদিও খেল সমাপ্তি ঘটিবলৈ মাত্ৰ ২ মিনিট থকা সময়তে আগাছাৰ সুদক্ষ খেলুৱৈ ৰিছিয়ে এটি গ'ল দি কোৱাৰ্টাৰত প্ৰৱেশ কৰে। খেলখন পৰিচালনা কৰে জাবেৰ আলী, হাচমত আলী, জাহিৰ উদ্দিন আৰু আহমেদ ৰজবুল হকে। কাইলৈ প্ৰি- কোৱাৰ্টাৰ খেলৰ তৃতীয়খন খেল ধূপধৰা আৰু সৰ্থেবাৰীৰ হীৰামণি এফচিৰ মাজত অনুষ্ঠিত হ'ব বুলি খেল পৰিচালনা সমিতিৰ সভাপতি মৌচম নাজিম, মুখ্য সম্পাদক নেকিবুৰ ৰহমান আৰু সম্পাদক ছাদ্দাম হুছেইনে জানিবলৈ দিয়ে।

## চাইক্লিংঙেৰে এছিয়ান গ্ৰেমছৰ লগতে অলিম্পিকৰ পদক আঁজুৰি অনাৰ দুৰ্বাৰ হেঁপাহ দৰঙৰ এজন যুৱকৰ

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, পশ্চিম দৰং, ৩০ ছেপ্টেম্বৰ ঃ** যুৱকজনৰ নাম পৰাগ বৰুৱা। দৰঙৰ নাপ্তাপাৰা গাঁৱৰ কৃষক মুকুন্দ্ৰ বৰুৱাৰ একমাত্ৰ পুত্ৰ পৰাগ। ২০১৭ চনৰ পৰা পৰাগে চাইক্লিঙত নিজকে এজন দক্ষ খেলুৱৈ হিচাপে গঢ় দিয়াৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। বাণিজ্য শাখাৰ তৃতীয় সান্মাসিকৰ ছাত্ৰ পৰাগে নিজৰ জীৱনত এজন সফল খেলুৱৈ হোৱাৰ মানসেৰে গুৱাহাটী মহানগৰীৰ বিভিন্ন ব্যৱসায় প্ৰতিষ্ঠানত কৰ্মচাৰী হিচাপে কাম কৰি পোৱা পাৰিশ্ৰমিকেৰে ক্ৰয় কৰে এখন এক লাখ টকীয়া চাইকেল। কাম কৰি পোৱা পাৰিশ্ৰমিকেৰে নিজৰ বাইদেৰেককো পঢ়াৰ খৰচ বহন কৰা পৰাগে নিজৰ উপাৰ্জনেৰে চাইক্লিঙৰ প্ৰশিক্ষনো গ্ৰহণ কৰিছিল। সেই প্ৰশিক্ষনৰ পিচতেই পৰাগে হাৰিয়ানা, চিকিম, মহাৰাষ্ট্ৰ,অৰুনাচল আদি ৰাজ্যত ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলত অসমক প্ৰতিনিধিত্ব কৰে। ৰাজ্যিক পৰ্যায়ত নলবাৰী, মঙলদৈ, সোনাপুৰ, ডিগবৈ,আৰু কোকৰাঝাৰত হোৱা চাইক্লিঙত অংশ গ্ৰহণ কৰে আৰু কেবাটাও প্ৰথম পুৰস্কাৰ আজুৰি আনে। আগন্তুক দিনত পৰাগে ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলত অংশ গ্ৰহণ কৰাৰ লগতে এচিয়ান গ্ৰেমচ আৰু অলিম্পিকত অংশ গ্ৰহণ কৰাৰ হেঁপাহ পুহি ৰাখিছে যদিও চাইক্লিঙৰ বাবে প্ৰয়োজনীয় উন্নত মানৰ চাইকেল আৰু সা-সৰঞ্জামৰ অভাৱৰ কাৰণে প্ৰবল ইচ্ছা থকাৰ পিচতো থমকি ৰ'ব লগা হৈছে পৰাগ। পৰাগে অসম চৰকাৰ তথা ৰাইজৰ সহযোগিতা কামনা কৰিছে। অৱশ্যে এই ক্ষেত্ৰত চাইক্লিঙৰ প্ৰশিক্ষণৰ ক্ষেত্ৰত অসমৰ সাধাৰণ শ্ৰেনীৰ খেলুৱৈ সকলৰ পৰিবৰ্তে ৰাজ্যৰ বাহিৰৰ খেলুৱৈ সকলেহে প্ৰশিক্ষণৰ সুবিধা পাই বুলি ক্ষোভ প্ৰকাশ কৰে।

## ১৯ বছৰ অনূৰ্ধ্ব দলত স্থান নাপালে সৰ্বাধিক ৰান কৰা ক্ৰিকেটাৰে

### অসম ক্ৰিকেট সন্থাৰ নিৰ্বাচকৰ সিদ্ধান্তক সমালোচনা ক্ৰীড়াপ্ৰেমীৰ

**গুৱাহাটী, ৩০ ছেপ্টেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আজি ভিনু মানকাড ট্ৰফীৰ বাবে ৰাজ্যৰ ১৯ বছৰ অনূৰ্ধ্বৰ ল'ৰাৰ ক্ৰিকেট দলটো ঘোষণা কৰিছে। ময়ুখ হাজৰিকাৰ নেতৃত্বত ঘোষিত ১৫জনীয়া দলত কিন্তু আশ্চৰ্যজনকভাৱে স্থান লাভ নকৰিলে বিগত ক্ৰিকেট ছিজনত সৰ্বাধিক ৰান কৰা পাৰভেজ মুছাৰফে। এই বিষয়টো লৈ এতিয়া ক্ৰিকেটপ্ৰেমীৰ মাজত সৰৱ নেতিবাচক আলোচনা হৈছে। উল্লেখ্য যে পাৰভেজে যোৱা ক্ৰিকেট ছিজনত ১৯ বছৰ অনূৰ্ধ্বৰ চাৰিদিনীয়া প্ৰতিযোগিতা কোচবিহাৰ ট্ৰফী আৰু এদিনীয়া প্ৰতিযোগিতা ভিনু মানকাড ট্ৰফীত খেলি অসমৰ দলৰ হৈ সৰ্বাধিক ৰান কৰিছিল। এই প্ৰদৰ্শনৰ বাবেই পাৰভেজক ৰাষ্ট্ৰীয় ক্ৰিকেট একাডেমীৰ মাণ্ডলিক শিবিৰলৈও নিৰ্বাচন কৰা হৈছিল। কিন্তু আজি অসম ক্ৰিকেট সন্থাৰ নিৰ্বাচকে আসন্ন ভিনু মানকাড ট্ৰফীৰ বাবে ৰাজ্যৰ ১৯ বছৰ অনূৰ্ধ্বৰ ক্ৰিকেট দলটো ঘোষণা কৰাৰ সময়ত পাৰভেজক ১৫ জনীয়া দলত ৰখাৰ পৰিৱৰ্তে ষ্টেণ্ডবাই হিচাপেহে ৰাখিলে। ইয়াৰ কাৰণ কিন্তু এদিনীয়া আন্তৰ্জাতিক মেচক লৈ ব্যস্ত থকা অসম ক্ৰিকেট সন্থাৰ বিষয়া বা নিৰ্বাচকৰ পৰা জনা নগ'ল। উল্লেখ্য যে অসম ক্ৰিকেট দলত বেটছমেনৰ সমস্যা সন্থাৰ জন্মৰ দিনৰ পৰাই চলি আহিছে। তেনেক্ষেত্ৰত এজন বা দুজন নৱাগত বেটছমেন ওলাই অহাৰ পাছতো সুযোগ নিদিলে ৰাজ্যৰ ক্ৰিকেট যে আগুৱাই যাব নোৱাৰে সেয়া ধুৰূপ।

## চলন্তাপাৰাত হৰেন্দ্ৰ চন্দ্ৰ কলিতা সোঁৱৰণী ট্ৰফী ফুটবল খেল

**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, যোগীঘোপা, ৩০ ছেপ্টেম্বৰ ঃ** চলন্তাপাৰা আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা স্বাধীনতাৰ মুক্তি যুঁজাৰু হৰেন্দ্ৰ চন্দ্ৰ কলিতা সোঁৱৰণী ট্ৰফী ফুটবল প্ৰতিযোগিতাখনৰ আজি অন্তিমখন ছেমিফাইনেল খেল অনুষ্ঠিত হয়। চলন্তাপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আজি অনুষ্ঠিত ছেমিফাইনেল খেলত বসন গাঁও স্প'ৰ্টছ এছ'চিয়েচন আৰু কৰুৱাভাসা কৃষিজ্যোতি সন্থাৰ মাজত অনুষ্ঠিত হয়। উক্ত খেলখনত বসনগাঁও স্প'ৰ্টছ এছ'চিয়েচনে ৪-০ গ'লত জয়লাভ কৰি ফাইনেল খেল খেলাৰ সুযোগ লাভ কৰে। আগন্তুক ফাইনেল খেলখন বসনগাঁও স্প'ৰ্টছ এছ'চিয়েচনৰ সৈতে মুখামুখি হ'ব কোকৰাঝাৰ এফচি দলটোৰে। আনহাতে সমিতিয়ে জানিবলৈ দিয়া মতে ১ অক্টোবৰত দ্বিতীয়খন প্ৰদৰ্শনীমূলক মহিলা ফুটবল খেল বন্দাপাৰা কল্যাণপুৰ এফচি আৰু কামৰূপা এফচিৰ মাজত অনুষ্ঠিত হ'ব।

## গুৱাহাটীত ভাৰতীয় বক্সিং দলৰ বাছনি শিবিৰ

**গুৱাহাটী, ৩০ ছেপ্টেম্বৰ ঃ** অহা ১৩-২৭ নৱেম্বৰত স্পেইনত অনুষ্ঠিত হ'ব যুৱ বিশ্ব বক্সিং চেম্পিয়নশ্বিপ। এই প্ৰতিযোগিতাৰ বাবে ভাৰতীয় দলটো বাছনি কৰিবলৈ বক্সিং ফেডাৰেছন অব ইণ্ডিয়া (বি এফ আই) গুৱাহাটীত এক শিবিৰৰ আয়োজন কৰিছে। আজি বক্সিং ফেডাৰেছন অব ইণ্ডিয়াৰ সচিব প্ৰধান হেমন্ত কুমাৰ কলিতাই জনোৱা অনুসৰি অহা এক আৰু দুই অক্টোবৰত গুৱাহাটীৰ ছাই কেন্দ্ৰত ভাৰতীয় দলৰ বাছনি শিবিৰ অনুষ্ঠিত হ'ব। উল্লেখ্য যে শিবিৰত ৰাষ্ট্ৰীয় যুৱ বক্সিঙত পদকজয়ী ১৩ টা ওজন শাখাৰ খেলুৱৈয়ে অংশ ল'ব।

## পলাশবাৰী আৰক্ষী থানা ফুটবল দল জয়ী

**গুৱাহাটী, ৩০ ছেপ্টেম্বৰ ঃ** স্বাধীনতাৰ অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি দক্ষিণ কামৰূপ বিদ্যাপীঠ হাইস্কুল খেলপথাৰত কামৰূপ জিলা আৰক্ষী প্ৰশাসনৰ উদোগত দক্ষিণ কামৰূপ ক্ৰীড়া সন্থাৰ সহযোগত অনুষ্ঠিত ফুটবল প্ৰতিযোগিতাত পলাশবাৰী আৰক্ষী থানাৰ ফুটবল দলে চাংচাৰী আৰক্ষী থানাৰ ফুটবল দলক ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। খেলখনত পলাশবাৰী দলৰ খেলুৱৈ বনজিৎ ৰাভা শ্ৰেষ্ঠ খেলুৱৈ, চাংচাৰি দলৰ অমিত ফাংচুং শ্ৰেষ্ঠ গলৰক্ষক সন্মান লাভ কৰে। এই খেলত কামৰূপ জিলা আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰয়, সীমান্ত উপ আৰক্ষী অধীক্ষক হামিদুল ৰহমান,পলাশবাৰীৰ বিধায়ক হেমাংগ ঠাকুৰীয়া, প্ৰাক্তন ৰাষ্ট্ৰীয় খেলুৱৈ অনিল দাস, কামৰূপ জিলা উপায়ুক্ত কীৰ্তি জল্লি,পলাশবাৰী আৰক্ষী থানাৰ বিষয়া জীৱেন্দ্ৰ ব্ৰহ্ম,ৰাজ্যিক কিষাণ মৰ্চাৰ উপ সভাপতি ৰাজেন নাথ, দক্ষিণ কামৰূপ ক্ৰীড়া সন্থাৰ সভাপতি নাৰায়ণ চৌধুৰী, কামৰূপ জিলা ভূমি উপদেষ্টা সমিতিৰ সদস্য কুশলজ্যোতি মালাকৰ উপস্থিত থাকে।

## ছুপাৰ ডিভিজন ফুটবল লীগত বিদ্যুৎ পৰিষদৰ জয়

**গুৱাহাটী, ৩০ ছেপ্টেম্বৰ ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ আৰ জি বৰুৱা ছুপাৰ ডিভিজন ফুটবল লীগত আজি এএছ ই বি এছ চিয়ে এফ চি গ্ৰীনভেলীক ২-০ গ'লত পৰাস্ত কৰে। ৪৫ মিনিটত জিজ্ঞাস ডেকাই গ'ল দি এএছইবিক অগ্ৰগতি দিয়ে। আনহাতে, অৰ্জুন মাৰ্ডিয়ে ৬৩ মিনিটত আন এটা গ'ল দি এএছইবিৰ হৈ ব্যৱধান বৃদ্ধি কৰে। ইফালে, ৭৯ মিনিটত গ্ৰীনভেলীয়ে পেনাল্টিৰ জৰিয়তে স্ক'ৰ কৰাৰ সুযোগ পাইছিল যদিও লাকী ইমৰানৰ শ্বট এএছইবিৰ গ'লকীপাৰ ডাউগা ব্ৰহ্মই প্ৰতিহত কৰে। উল্লেখ্য দুৰ্গোৎসৱ উপলক্ষে কাইলৈৰ পৰা ছুপাৰ ডিভিজন বন্ধ থাকিব। পুনৰ আৰম্ভ হ'ব ১০ অক্টোবৰত। ইপিনে, জীৱেশ্বৰ গোস্বামী এ ডিভিজন ফুটবল লীগত আজি ফ্ৰন্টিয়াৰ ক্লাবৰ অনুপস্থিতিত তিনি পইন্ট অৰ্জন কৰি পইন্ট তালিকাত শীৰ্ষস্থানেৰে ছুপাৰ ডিভিজনলৈ উন্নীত হয় ডাইনামো ক্লাব।

**গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়া**

## ১০০ মিটাৰৰ ফাইনেলত অম্লান-হিমা

**গান্ধীনগৰ, ৩০ ছেপ্টেম্বৰ ঃ** অসমৰ দুই তাৰকা এথলীট হিমা দাস আৰু অম্লান বৰগোহাঁয়ে চলিত ৩৬সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত প্ৰত্যাশিত আৰম্ভণি কৰি ১০০ মিটাৰ দৌৰৰ ফাইনেলত প্ৰৱেশ কৰিছে। আজি গান্ধীনগৰৰ আই আই টি ক্ৰীড়া প্ৰকল্পত আৰম্ভ হোৱা ৰাষ্ট্ৰীয় ক্ৰীড়াৰ এথলেটিকছ প্ৰতিযোগিতাৰ পুৰুষৰ ১০০ মিটাৰ দৌৰৰ হিটছত অসম সন্তান অম্লানে ১০.২৮ ছেকেণ্ডত দৌৰ সম্পূৰ্ণ কৰি ফাইনেলত প্ৰৱেশ কৰে। উল্লেখ্য যে শীৰ্ষস্থানত থাকি ফাইনেললৈ যোগ্যতা অৰ্জন কৰিছে অম্লানে। ইফালে, মহিলাৰ ১০০ মিটাৰ দৌৰৰ হিটছত দ্বিতীয় হৈ ফাইনেলত স্থান নিশ্চিত কৰিছে হিমাই। ধিং এক্সপেছে দৌৰ সম্পূৰ্ণ কৰে ১১.৮১ ছেকেণ্ডত। কাইলৈ অনুষ্ঠিত হ'ব ফাইনেল। আজিৰ প্ৰদৰ্শনে অম্লান আৰু হিমাই যে পদক জয় কৰিব সেয়া প্ৰায় নিশ্চিত কৰিছে। উল্লেখ্য যে চলিত ৩৬সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত এথলেটিকছৰ পৰা অসমে চাৰিটা স্বৰ্ণ পদক আশা কৰিছে। এই আশাৰ কাৰণ হ'ল হিমা আৰু অম্লান। উভয় তাৰকাই ১০০ আৰু ২০০ মিটাৰ দৌৰত অসমৰ হৈ খেলিছে। অহা তিনি অক্টোবৰত হ'ব ২০০ মিটাৰ দৌৰ হিটছ। উল্লেখ্য যে ৰাষ্ট্ৰীয় অভিলেখ গঢ়া অম্লানে ১০০ মিটাৰত ১০.২৫ ছেকেণ্ডৰে তথা ২০০ মিটাৰত ২০.৫২ ছেকেণ্ডৰে ইতিমধ্যে চাঞ্চল্যৰ সৃষ্টি কৰিছে। আনহাতে, অৰ্জুন বঁটাৰে সন্মানিত এছিয়ান গেমছৰ পদকজয়ী হিমাৰ ১০০ মিটাৰৰ সময় ১১.৪৩ ছেকেণ্ড তথা ২০০ মিটাৰৰ সময় ২২.৮৮ ছেকেণ্ড।




### দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে টি-২০ শৃংখলা

## বুমৰাহৰ স্থানত মহম্মদ ছিৰাজ

**নতুন দিল্লী, ৩০ ছেপ্টেম্বৰ ঃ** দক্ষিণ আফ্ৰিকা আৰু ভাৰতৰ মাজৰ তিনিখনীয়া টি-২০ শৃংখলাৰ বাকী থকা মেচ দুখনৰ বাবে আঘাত পোৱা যশপ্ৰীত বুমৰাহৰ স্থানত মহম্মদ ছিৰাজক টীম ইণ্ডিয়াত অন্তৰ্ভুক্ত কৰা হৈছে। উল্লেখ্য যে অহা অক্টোবৰত অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ পূৰ্বে ভাৰতীয় দলৰ বাবে চিন্তাজনক বিষয়টো হ'ল বুমৰাহৰ আঘাত। অলৰাউণ্ডাৰ ৰবীন্দ্ৰ জাডেজাৰ পাছত পেচ বলাৰ যশপ্ৰীত বুমৰাহো টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ পৰা আঘাতৰ বাবে বাহিৰ হৈছে। পিঠিত আঘাত পোৱা বাবে বুমৰাহক ছমাহৰ বাবে খেলৰ পৰা আঁতৰি থাকিবলৈ চিকিৎসকে নিৰ্দেশ দিছে। এতিয়া টি-২০ বিশ্বকাপৰ মূল দলত বুমৰাহৰ স্থানত দীপক চাহাৰ বা মহম্মদ ছামীয়ে খেলিব পাৰে। উল্লেখ্য যে দুয়োজনকে বিচিচিআয়ে এই সন্মানীয় প্ৰতিযোগিতাখনৰ বাবে ষ্টেণ্ড বাই খেলুৱৈ হিচাপে নিৰ্বাচন কৰিছে। কিন্তু দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে শৃংখলাৰ বাকী থকা মেচ দুখনৰ বাবে চিৰাজক টীম ইণ্ডিয়াত অন্তৰ্ভুক্ত কৰা হৈছে।

## নেচনেল গেমছলৈ ডিমৌৰ ক্ষুদ্ৰ পাংগিং, স্থানীয় বিধায়কৰ শুভেচ্ছা



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, ডিমৌ, ৩০ ছেপ্টেম্বৰ ঃ** গুজৰাটত অনুষ্ঠিত হৈ থকা নেচনেল গেমছলৈ নিৰ্বাচিত ডিমৌ উশ্বু ক'চিং চেণ্টাৰৰ ক্ষুদ্ৰ পাংগিং। অহা ৮ অক্টোবৰত খেলত অংশগ্ৰহণ কৰিব ক্ষুদ্ৰ পাংগিঙে। আজি ডিমৌৰ পৰা ৰাওনা হ'ব গুজৰাটৰ অভিমুখে। পানিদিহিং মৌজাৰ অতি ভিতৰুৱা অঞ্চলৰ পৰা ডিমৌলৈ দৈনিক চাইকেলেৰে আহি ডিমৌত কঠোৰ অনুশীলন কৰাৰ জৰিয়তে এই সফলতা লাভ ক্ষুদ্ৰ পাংগিঙৰ। কিছুদিন পূৰ্বে অসম ৰাইফলছত নিযুক্তি লাভ কৰি প্ৰশিক্ষণ লৈ থকা ক্ষুদ্ৰ পাংগিঙে অল ইণ্ডিয়া পুলিচ মিটত ৰূপৰ পদত জয় কৰে। আজি বিয়লি ক্ষুদ্ৰক যাতাৰ পৰত ডিমৌ উশ্বু ক'চিং চেণ্টাৰত থাওৱা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁইৰ উপস্থিতিত শিৱসাগৰ জিলা উশ্বু সন্থাৰ সম্পাদক প্লাৱন বড়াই আঁত ধৰা অনুষ্ঠানত নেটবল সন্থাৰ বিষয়ববীয়া কুলদীপ দিহিঙীয়া, থাওৱা সমষ্টিৰ বিধায়ক সুশান্ত বৰগোহাঁয়ে আৰ্থিক মাননি আৰু ফুলাম গামোচাৰে খেলুৱৈগৰাকীক শুভেচ্ছা জনায়। অনুষ্ঠানত গৌৰীসাগৰ, দিখৌমুখ, শিৱসাগৰ, ডিমৌৰ বিভিন্নজন ব্যক্তিয়ে খেলুৱৈগৰাকীক শুভেচ্ছা জনায়।

## অসম ভলীবল সন্থাৰ দ্বিতীয় শ্ৰেণীৰ ৰেফাৰী পৰীক্ষাৰ ফলাফল ঘোষণা

**গুৱাহাটী, ৩০ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলা ক্ৰীড়া সন্থাৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা অসম ভলীবল সন্থাৰ দ্বিতীয় শ্ৰেণীৰ ৰেফাৰী পৰীক্ষা (লিখিত আৰু মৌখিক)ৰ ফলাফল আজি ঘোষণা কৰা হয়। অসম ভলীবল সন্থাই এক প্ৰেছ বিজ্ঞপ্তিযোগে এই ফলাফল ঘোষণাৰ কথা জানিবলৈ দিয়াৰ লগতে এই পৰীক্ষাত উত্তীৰ্ণ হোৱা পৰীক্ষাৰ্থীসকলে অহা তিনি বছৰৰ ভিতৰত ব্যৱহাৰিক পৰীক্ষাত অৱতীৰ্ণ হ'ব লাগিব বুলি উল্লেখ কৰে। ইফালে, যোৱা বৰ্ষত মঙলদৈৰ হাজৰিকাপাৰাত অনুষ্ঠিত হোৱা আন্ত:জিলা চাব জুনিয়ৰ ভলীবল প্ৰতিযোগিতাত ব্যৱহাৰিক পৰীক্ষাত অৱত্তীৰ্ণ হোৱা ভুপেন বৰ্মনক ৰেফাৰী পৰীক্ষাত উত্তীৰ্ণ হোৱা বুলি ঘোষণা কৰে অসম ভলীবল সন্থাই ।

## শিৱসাগৰ পৌৰসভাত পুনৰ নিবিদা বিতৰ্ক

# পূজাৰ অস্থায়ী দোকানৰ কৰ সংগ্ৰহক লৈ শিৱসাগৰ পৌৰসভাৰ ৰহস্যজনক ভূমিকা-পৌৰনেত্ৰীক ঘেৰাও

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৩০ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ নগৰত ঘৰে ঘৰে ইউনিক টেগ লগোৱাৰ ঠিকা কামত শিৱসাগৰ পৌৰসভাৰ একাংশ পৌৰ সদস্যই ব্যাপক উৎকোচ সংগ্ৰহ কৰাৰ অভিযোগ উত্থাপনৰ পাছত এইবাৰ দুৰ্গা পূজা উপলক্ষে অস্থায়ী দোকানৰ পৰা কৰ সংগ্ৰহ কৰাৰ নিবিদাত অনিয়ম সংঘটিত হোৱাৰ অভিযোগ আহিছে। এই বিষয়ক কেন্দ্ৰ কৰি আজি বিয়লি শিৱসাগৰ পৌৰসভাৰ কাৰ্যালয়ত এক অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি হয়। কালি অনুষ্ঠিত নিবিদাৰ ফলাফল কালিৰে পৰা আজিলৈকে ঘোষণা নকৰাত নিবিদাত অংশগ্ৰহণ কৰা লোকসকল ক্ষুব্ধ হৈ পৰাৰ লগতে পৌৰনেত্ৰীক ঘেৰাও কৰাৰ পৰিস্থিতিৰ উদ্ভৱ হয়। যাৰ পৰিণতিত পৌৰনেত্ৰীয়ে চৰকাৰী বাহন কাৰ্যালয়ত এৰি পলায়ন কৰে বুলিও এক সূত্ৰৰ পৰা জানিব পৰা গৈছে। উল্লেখ্য যে যোৱা ২৮ ছেপ্টেম্বৰত শিৱসাগৰ পৌৰসভাৰ কাৰ্যবাহী বিষয়াই আগন্তুক দুৰ্গা পূজা উপলক্ষে ২ অক্টোবৰৰ পৰা ৫ অক্টোবৰলৈকে শিৱসাগৰ নগৰত বহিবলগীয়া অস্থায়ী দোকানৰ পৰা কৰ সংগ্ৰহৰ বাবে নিবিদা জাননী প্ৰকাশ কৰিছিল। সেই অনুসৰি ৩০ ছেপ্টেম্বৰত নিবিদা প্ৰদানৰ লগতে নিবিদা লাভ কৰা নিবিদাকাৰীৰ নাম ঘোষণা কৰাৰ কথা আছিল। কিন্তু প্ৰায় ৩০গৰাকী নিবিদাকাৰীয়ে অংশগ্ৰহণ কৰা উক্ত নিবিদাৰ ফলাফল আজিলৈকে শিৱসাগৰ পৌৰসভাই ঘোষণা নকৰাত ক্ষুব্ধ হৈ পৰে নিবিদাকাৰী। উক্ত নিবিদাকাৰীসকলৰ ভিতৰত ৰেকিব আহমেদ নামৰ এজনে ৩,৬১০০০ টকাৰ সৰ্বোচ্চ নিৰিখ প্ৰদান কৰাৰ লগতে পৰিমাই তামুলী নামৰ এগৰাকীয়ে সৰ্বনিম্ন ৯৯,০০০ টকাৰ নিৰিখ প্ৰদান কৰিছিল। কিন্তু শিৱসাগৰ পৌৰসভাই এক ৰহস্যজনক কাৰণত সৰ্বোচ্চ তথা সৰ্বনিম্ন নিবিদাকাৰীৰ লগতে আন কোনো নিবিদাকাৰীক কৰ সংগ্ৰহৰ কাম আবণ্টন নকৰি মৌন হৈ পৰে। আজি পৌৰ কাৰ্যালয় খোলাৰ দিনটোত নিবিদাৰ ফলাফল ঘোষণা কৰিব বুলি দিনটো বোপুৰৰ দি থকা নিবিদাকাৰীক কোনো কথা জনাবলৈ অসন্মত হোৱা পৌৰসভাৰ পৌৰনেত্ৰীগৰাকীক লোকসকলে ঘেৰাও কৰি নিবিদাৰ ফলাফল জ্ঞাত কৰিবলৈ দাবী জনায়। কিন্তু পৌৰনেত্ৰীগৰাকীয়ে কোনো যুক্তিগত কাৰণ প্ৰদৰ্শন নকৰি কৰ সংগ্ৰহৰ কাম শিৱসাগৰ পৌৰসভাই নিজাববীয়াকৈ কৰিব বুলি সদৰী কৰে। যদি পৌৰসভাই নিজাববীয়াকৈ কৰ সংগ্ৰহ কৰিব লগা আছিল তেন্তে কিয় নিবিদা আহবান কৰা হৈছিল বুলি প্ৰশ্ন কৰাত পৌৰনেত্ৰীগৰাকীয়ে কোনো উত্তৰ দিয়াৰ পৰা বিৰত থাকে। অৱশেষত নিবিদাকাৰীৰ উগ্ৰমূৰ্তি দেখি নিজ চৰকাৰী বাহন কাৰ্যালয়ত এৰি পৌৰনেত্ৰীগৰাকীয়ে পলায়ন কৰে বুলি সমবেত লোকে জানিব দিয়ে। এক সূত্ৰৰ পৰা লাভ কৰা তথ্য অনুসৰি শিৱসাগৰ নগৰৰ বিজেপিৰ নগৰ মণ্ডলৰ একাংশ নেতাই এই নিবিদা লাভৰ চেষ্টা কৰিছিল। কিন্তু নিবিদা প্ৰক্ৰিয়াত আন লোকে সৰ্বোচ্চ নিৰিখ প্ৰদান কৰাত নগৰ মণ্ডলৰ নেতাই নিবিদা প্ৰতিযোগিতাত উক্ত ঠিকা লাভ নকৰা দেখি এইদৰে পৌৰসভাই উক্ত কৰ সংগ্ৰহৰ কাম কৰিব বুলি ফন্দি পতাৰ অভিযোগ আহিছে। এনে ফন্দিৰে উক্ত নগৰ মণ্ডলৰ নেতাসকলকে এই ঠিকা সমৰ্পণ কৰিব বুলিও সূত্ৰই গুৰুতৰ অভিযোগ আনিছে। আনহাতে, পৌৰসভাৰ এনে অনিয়মক লৈ কাইলৈ সমূহ নিবিদাকাৰীয়ে শিৱসাগৰ পৌৰসভাৰ কাৰ্যালয়ৰ সন্মুখত প্ৰতিবাদ সাবস্ত্য কৰিব বুলিও একাংশই হুংকাৰ প্ৰদান কৰিছে। অৱশ্যে শিৱসাগৰ পৌৰসভাই এই নিবিদা বিতৰ্কক লৈ বৰ্তমানেও কোনো মন্তব্য কৰাৰ পৰা বিৰত আছে।

# মৰনৈপৰীয়া জন্মোৎসৱ উদ্‌যাপন সমিতিৰ উদ্যোগত ৫৭৪সংখ্যক গুৰু জয়ন্তীৰ মূল তোৰণ উন্মোচন



**দৈনন্দিন বাৰ্তাৰ সেৱা, গহপুৰ, ৩০ ছেপ্টেম্বৰ ঃ** জগতগুৰু মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪সংখ্যক জয়ন্তী ভাগ এইবাৰো বিগত বৰ্ষৰ দৰে মৰনৈপৰীয়া জন্মোৎসৱ সমিতিয়ে দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপনৰ গুৰুজয়ন্তীৰ মূল তোৰণখন আজি উন্মোচন কৰা হয়। উদ্‌যাপন সমিতিৰ সাধাৰণ সম্পাদক থানেশ্বৰ মুদৈ আৰু সংস্কৃতি উপ-সমিতিৰ সভাপতি ৰণজিৎ শইকীয়াই জনোৱা মতে, বিশ্বনাথ জিলাৰ এখন ঐতিহাসিক নদী মৰনৈৰ দুয়োপাৰে অৱস্থিত গাগলগাঁও, পহুকটা, বৰভেটি, মিকিৰ বৰাচুক, আউনীবাৰী, শঁকুৰা আদি কৰি ১২-১৩খন গাঁৱৰ ৰাইজৰ সহযোগত গঠিত হোৱা মৰনৈপৰীয়া জয়ন্তী উদ্‌যাপন সমিতিৰ উদ্যোগত দুদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অহা ইংৰাজী ৪-৫ অক্টোবৰত অনুষ্ঠিত হ'ব লগা আৱিৰ্ভাৱ মহোৎসৱৰ প্ৰস্তুতি তুংগত বুলি জনাইছে। মহোৎসৱৰ অংশ হিচাপে আজি উদ্‌যাপনস্থলীত স্থাপন কৰা মূল তোৰণখনি উন্মোচন কৰে মৰনৈপৰীয়া জন্ম জয়ন্তী উদ্‌যাপন সমিতিৰ সভাপতি ৰজনী বৰাই। উদ্‌যাপন সমিতিৰ উপদেষ্টামণ্ডলী নোমল বৰা, পদ্মেশ্বৰ হাজৰিকা, হেমেন্দ্ৰ বৰা, সংস্কৃতি উপ- সমিতিৰ সভাপতি ৰণজিৎ শইকীয়া, ভাগৱত উপ-সমিতিৰ সভাপতি ডিম্বেশ্বৰ বৰুৱা, শাখা সমিতিৰ বিষয়ববীয়াৰ লগতো আউনীবাৰী প্ৰাথমিক শাখাৰ বাপ-আই সমস্ত উপস্থিত থকা তোৰণ উন্মোচনী অনুষ্ঠানটি পৰিচালনা কৰে সাধাৰণ সম্পাদক থানেশ্বৰ মুদৈয়ে। আদৰণী সমিতিয়ে অঞ্চলটিৰ ৰাইজ, বাপ, আই, যুৱক-যুৱতী, শিশু সকলোৰে উপস্থিতি, সহায়-সহযোগিতা কামনা কৰিছে।

# টেঙানীত অৰণ্য মানৱ যাদৱ পায়েং

## গছে মানুহে জীয়াই থকাৰ সংকল্প শীৰ্ষক আলোচনা-চক্ৰত অংশগ্ৰহণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপথাৰ, ৩০ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলাৰ বৰপথাৰ মৌজাৰ বৃহত্তৰ টেঙানীত আজি প্ৰথমবাৰৰ বাবে উপস্থিত হ'লহি অৰণ্য মানৱ পদ্মশ্ৰী যাদৱ পায়েং। টেঙানীৰ ঔগুৰি আলিছিগা প্ৰাথমিক বিদ্যালয়ত 'গছে মানুহে জীয়াই থকাৰ সংকল্প' শীৰ্ষক এক আলোচনা-চক্ৰত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে অৰণ্য মানৱ পদ্মশ্ৰী যাদৱ পায়েঙে। আলোচনা-চক্ৰত অংশগ্ৰহণ কৰি অৰণ্য মানৱগৰাকীয়ে কে'ক্ কাটি জন্মদিন আয়োজন কৰাতকৈ এজোপাকৈ গছপুলি ৰোপণ কৰিবলৈ আহ্বান জনায়। গছ-গছনি অবিহনে প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষা কৰাটো অসম্ভৱ। সেয়েহে সকলোকে গছপুলি ৰোপণ কৰিবলৈ অনুৰোধ কৰে অৰণ্য মানৱ যাদৱ পায়েঙে। ধৰিত্ৰী আইক সেউজীয়া কৰি ৰখাই তেওঁৰ লক্ষ্য বুলি আলোচনা




চক্ৰত মন্তব্য কৰে পদ্মশ্ৰী যাদৱ পায়েঙে। উল্লেখ্য যে বিদ্যালয়খনৰ প্ৰধান শিক্ষক মণ্টু মৰাঙে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সপ্তাহৰ প্ৰতিটো শনিবাৰে ছাত্ৰ-ছাত্ৰীসকলক লৈ অনুষ্ঠিত কৰি আহিছে শনিবৰীয়া চ'ৰা। এই শনিবৰীয়া চৰালৈ বিভিন্ন শিতানৰ অভিজ্ঞ ব্যক্তিসকলক নিমন্ত্ৰণ কৰি পৰিচয় কৰাই দিয়াৰ লগতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত লুকাই থকা সুপ্ত প্ৰতিভাসমূহ বিকাশৰ এক মঞ্চ তৈয়াৰ কৰিছে। যাৰ ফলত অতি ভিতৰুৱা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীসকলেও তেওঁলোকৰ সুপ্ত প্ৰতিভা বিকাশ কৰিবলৈ সুবিধা লাভ কৰিছে। আনহাতে, আগন্তুক দুৰ্গোৎসৱৰ বাবে এদিন আগতীয়াকৈ অৰ্থাৎ শুকুৰবাৰে অনুষ্ঠিত হয় এই শনিবৰীয়া চৰা। অৰণ্য মানৱ পদ্মশ্ৰী যাদৱ পায়েঙৰ উপৰিও অনুষ্ঠানটোত উপস্থিত থাকে ধনশিৰি মহকুমাৰ সীমান্ত দণ্ডাধীশ প্ৰাণজিল গগৈ। তদুপৰি গোলাঘাট জিলা কবি সন্মিলনীৰ সম্পাদিকা হেমা চৌধুৰী আৰু কবি নৰকুমাৰ বৰ্মনেও অংশগ্ৰহণ কৰে অনুষ্ঠানটোত। 'গছে মানুহে জীয়াই থকাৰ সংকল্প' শীৰ্ষক আলোচনা-চক্ৰৰ উপৰিও বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বাৰেৰহণীয়া নৃত্য, গীত, কবিতা আৰু মহৎ লোকৰ বাণী আদি অনুষ্ঠানও ৰূপায়ন কৰা হয়। বিদ্যালয়খনৰ প্ৰধান শিক্ষক মণ্টু মৰাঙৰ এনে প্ৰচেষ্টাক সকলোৱে আদৰণি জনাইছে। শনিবৰীয়া চ'ৰাত অভিজ্ঞ ব্যক্তিৰ অংশগ্ৰহণে ছাত্ৰ-ছাত্ৰীসকলৰ চিন্তাৰ উত্তৰণত অৰিহণা যোগাব বুলি সচেতন মহলে মত প্ৰকাশিছে।

# অসমৰ কৃষি অৰ্থনীতি ধ্বংস নকৰিবলৈ মুখ্যমন্ত্ৰীক আহ্বান সদৌ অসম আত্মসমৰ্পণকাৰী আলফা সমিতিৰ

## নামৰূপৰ সাৰ কাৰখানা বণিয়াক হস্তান্তৰ কৰিলে গণ আন্দোলন গঢ়ি তোলাৰ ভাবুকি

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ৩০ ছেপ্টেম্বৰ ঃ** অসমৰ কৃষি অৰ্থনীতি ধ্বংস নকৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আহ্বান জনাইছে সদৌ অসম আত্মসমৰ্পণকাৰী আলফা সমিতিয়ে। কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰাজকুমাৰ দুৱৰাই এক প্ৰেছ বিবৃতিযোগে কয় যে কৃষি অৰ্থনীতি ধ্বংস কৰি ক্ষমতাৰ বাবে হিতাধিকাৰীৰ সৃষ্টি নকৰিব। তেওঁ কয় যে অসমৰ ৮০ শতংশ মানুহেই কৃষি কাৰ্যৰ ওপৰত নিৰ্ভৰশীল। আনহাতে, যিকেইখন জিলা কৃষি কাৰ্যৰ উপযোগী সেইকেইখন জিলা প্ৰায়ে বানপানীৰ কবলত পৰি বানবিধ্বস্ত হৈ পৰিছে। ধানৰ খেতি কৰিব নোৱাৰিলেও ৰবিশস্য মাহ, সৰিয়হ আদিৰ খেতি উপযোগী হ'লেও সময়মতে পোৱা নাযায় ৰাসায়নিক সাৰ। আনহাতে, চৰকাৰৰ সোপাটিলা নীতিৰ বাবে চৰকাৰী ৰাসায়নিক সাৰ বিক্ৰী হয় চোৰাং বজাৰত আৰু অধিক মূল্যত। যাৰ বাবে কৃষিৰ বাবে কীটনাশক দ্ৰব্য, দৰৱ আদি অতিমাত্ৰা মূল্যবৃদ্ধি হোৱাত খেতিয়কে ক্ৰয় কৰিব নোৱাৰে। ৰসায়নিক সাৰ আৰু কৃষিজাত সামগ্ৰীৰ অভাৱৰ বাবে অসমৰ কৃষকে বা খেতিয়কে অধিক উৎপাদন কৰিব পৰা নাই। ইয়াৰ উপৰিও খেতিয়কসকলে ট্ৰেক্টৰ আৰু পানী যোগান নোহোৱাৰ বাবে সময়মতে খেতি কৰিব নোৱাৰে। যাৰ বাবে অসমৰ কৃষিখণ্ড শক্তিশালী হ'ব পৰা নাই। এই অভিযোগ সদৌ অসম আত্মসমৰ্পণকাৰী আলফা সমিতিৰ। একেটা বিবৃতিতে উল্লেখ সমিতিৰ সভাপতি ৰাজকুমাৰ দুৱৰাই কয় যে বিগত বছৰকেইটাৰ পৰা অসমৰ ৰাসায়নিক সাৰৰ অভাৱে ক্ষুদ্ৰ চাহ খেতিয়ক সকলকো মাধমাৰ দি আহিছে। ৰাসায়নিক সাৰৰ অভাৱত চাহ গছসমূহ দুৰ্বল হোৱাৰ লগতে বেমাৰ অতিমাত্ৰা বৃদ্ধি হৈছে। চাহৰ উৎপাদন কমি যোৱাৰ লগতে চাহপাতৰ মানদণ্ডও বহু পৰিমাণে কমিছে। ফলত ক্ষুদ্ৰ চাহ খেতিয়কসকল ধ্বংসৰ পথলৈ গতি কৰিছে। বিবৃতিটোত আৰু উল্লেখ কৰে যে নিবনুৱা তথা দিন হাজিৰা কৰা শ্ৰমিকসকলৰ অৱস্থা অতি শোচনীয় হৈ পৰিছে। অসমৰ মাটি উৰ্বৰা শক্তি একেবাৰে কমি গৈছে। এই ক্ষেত্ৰত অসমৰ কৃষি বিভাগ আৰু কৃষি বিজ্ঞানীবোৰৰ খবৰ নাই বুলি সংগঠনটোৱে অভিযোগ কৰে। সংগঠনটোৱে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰক নামৰূপ সাৰ কাৰখানা পুঁজিপতি তথা বণিয়াক বিক্ৰী নকৰিবলৈ আহ্বান জনায়। নহ'লে সদৌ অসম আত্মসমৰ্পণকাৰী আলফা সমিতিয়ে ৰাজ্যজুৰি এক গণ আন্দোলন গঢ়ি তুলিব বুলি হুংকাৰ দিয়ে।

# ছেমখৰ'ত ভুল তথ্যৰে ডিমাচা জনগোষ্ঠীক অপমান কৰিছে পৰিচালিকা আইমী বৰুৱাই

## সংবাদ মেলত অভিযোগ অসম তৃণমূল যুৱ কংগ্ৰেছ আৰু অসম তৃণমূল মহিলা কংগ্ৰেছৰ


### চেন্সৰ ব'ৰ্ডৰ অনুমতি বাতিলৰ লগতে লাভ কৰা বঁটা ঘূৰাই লোৱাৰ দাবী



**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩০ ছেপ্টেম্বৰ ঃ** 'ছেমখৰ' নামৰ ছবিখনত ভুল তথ্যৰ উপস্থাপনেৰে পৰিচালক-প্ৰযোজক আইমী বৰুৱাই ডিমাচা জনগোষ্ঠীক অপমান কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে অসম তৃণমূল যুৱ কংগ্ৰেছৰ সভাপতি বনদীপ দত্ত আৰু অসম তৃণমূল মহিলা কংগ্ৰেছৰ সভানেত্ৰী পাপৰি মালাকাৰে। অসম তৃণমূল যুৱ কংগ্ৰেছৰ সভাপতি বনদীপ দত্তই ছবিখনত ডিমাচা জনগোষ্ঠীৰ লোকপ্ৰথাৰ ভুল উপস্থাপনৰ তথ্য দাঙি ধৰি জবাবদিহি কৰে অভিনেত্ৰী আইমী বৰুৱাক। 'ছবিখনত দেখুওৱা অনুসৰি প্ৰসূতি মাতৃৰ মৃত্যুৰ পাছত জন্ম হোৱা সন্তানটি কন্যা সন্তান হ'লে মাতৃৰ লগত সন্তানটিকো মাৰি পেলোৱা বুলি উপস্থাপন কৰা কথাটো জনগোষ্ঠীটোৰ লগত মিল নথকা কথা। ইয়াৰ জৰিয়তে আইমী বৰুৱাই অসমক বিশ্ববাসীৰ সন্মুখতে লজ্জাৱনত কৰিলে। কিয়নো ডিমাচাসকল অসমৰে অংশ। আনহাতে, সামাজিক মাধ্যমত আইমী বৰুৱাই বিভিন্ন কাকত-আলোচনী আৰু লোকৰ পৰা পোৱা তথ্যৰ ভিত্তিত ছবিখনৰ কাহিনী প্ৰস্তুত কৰা বুলি কৈছে। তাৰ মানে বেলেগৰ কথাৰ ভিত্তিতহে ছবিখন নিৰ্মাণ কৰিছে আইমী বৰুৱাই। ছবিখনৰ কাহিনী প্ৰস্তুতিৰ সময়ত কি তেওঁৰ নিজা গৱেষণা নাছিল নেকি?,' অসম তৃণমূল যুৱ কংগ্ৰেছৰ সভাপতি বনদীপ দত্তৰ বক্তব্য। সংবাদ মেলত বনদীপ দত্ত আৰু পাপৰি মালাকাৰে লগতে ছবিখনক চেন্সৰ ব'ৰ্ডে প্ৰদান কৰা অনুমতি বাতিল কৰাৰ লগতে ছবিখনে লাভ কৰা বঁটাসমূহ ঘূৰাই লোৱাৰো দাবী জনায়। সংবাদমেলত অসম তৃণমূল মহিলা কংগ্ৰেছৰ সভানেত্ৰী, অসম তৃণমূল কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা অসম তৃণমূল যুৱ কংগ্ৰেছৰ তত্ত্বাৱধায়ক দিগন্ত ভূষণ বৰ্মন আৰু অসম তৃণমূল মহিলা কংগ্ৰেছৰ সাধাৰণ সম্পাদিকা স্মৃতি শৰ্মা হাজৰিকাও উপস্থিত থাকে।

# অভিনেত্ৰী চেতনা দাস আৰু সাংবাদিক প্ৰণয় বৰদলৈক লিঅ' এক্সপ' সন্মান

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৩০ ছেপ্টেম্বৰ ঃ** বিশিষ্ট অভিনেত্ৰী চেতনা দাস আৰু বিশিষ্ট সাংবাদিক প্ৰণয় বৰদলৈক আগবঢ়োৱা হৈছে এই বছৰৰ লিঅ' এক্সপ' সন্মান। ৪ নৱেম্বৰৰ পৰা ২১ নৱেম্বৰলৈ গুৱাহাটীৰ মণিৰাম দেৱান ট্ৰেড চেণ্টাৰত অনুষ্ঠিত হ'ব লগা আন্তঃৰাষ্ট্ৰীয় লিঅ' এক্সপ-২০২২ৰ লগত সংগতি ৰাখি লিঅ' এডভাৰটাইজিঙে প্ৰদান কৰি অহা লিঅ' এক্সপ' সন্মানপ্ৰাপক দুগৰাকীৰ কথা কালি ঘোষণা কৰে বাছনি সমিতিয়ে। বিশিষ্ট সংগীত শিল্পী মনীষা হাজৰিকা, বিশিষ্ট অভিনেত্ৰী মলয়া গোস্বামী, বিশিষ্ট সাংবাদিক প্ৰশান্ত ৰাজগুৰু আৰু লিঅ' এডভাৰটাইজিঙৰ হৈ পাৰভেজ খান আৰু আকবৰ খান উপস্থিত থকা বাছনি সমিতিৰ এক উচ্চস্তৰীয় বৈঠকত কালি বিশিষ্ট অভিনেত্ৰী চেতনা দাসক লিঅ' এক্সপ' শিল্পী সন্মান আৰু বিশিষ্ট সাংবাদিক প্ৰণয় বৰদলৈক লিঅ' এক্সপ' সাংবাদিক সন্মানৰ বাবে বাছনি কৰা হয়। মন কৰিবলগীয়া যে এইবাৰ লিঅ' এক্সপ' শিল্পী সন্মান আৰু লিঅ' এক্সপ' সাংবাদিক সন্মান লাভ কৰা বিশিষ্ট ব্যক্তি দুগৰাকীলৈ আগবঢ়োৱা হ'ব গাইপতি এক লাখকৈ টকা, লগতে থাকিব স্মাৰক, অংগবস্ত্ৰ, প্ৰশস্তি-পত্ৰ ইত্যাদি। এক্সপ'স্থলীত অনুষ্ঠিত হ'ব লগা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অভিনেত্ৰী চেতনা দাস আৰু সাংবাদিক প্ৰণয় বৰদলৈক এই সন্মান প্ৰদান কৰা হ'ব।









শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি